জয় গুৰু শঙ্কৰ

## মহাপুৰুষ মাধৱদেৱ প্ৰণীত

# ভক্তি-ৰত্নাৱলী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ
সাহিত্য শাখা সমিতিৰ দ্বাৰা উপলব্ধ
ডিচেম্বৰ ২০১৩ চন

# ভক্তি-ৰত্নাৱলী

### ।। শ্ৰীকৃষ্ণায় নমঃ।।

**পদ**

জয় জয় কৃষ্ণ কৃপা অমৃত সাগৰ।
যাৰ পদ সেৱন্ত বিৰিঞ্চি মহেশ্বৰ।।
মহা বিশ্বদ্ৰোহী তৰে যাৰ লৈলে নাম।
হেন কৃষ্ণ পদে কৰো সদায় প্ৰণাম।।১
গুণ কাল কৰ্ম্ম মায়া অধীন যাহাৰ।
কৰে কটাক্ষতে সৃষ্টি পালন সংহাৰ।।
হেন মহেশ্বৰ কৃষ্ণ নিত্য নিৰঞ্জন।
সদায় প্ৰণামো তান অৰুণ চৰণ।।২
মোৰ নিজগুৰু হৃষীশ্বৰ যদুৰায়।
দিয়ো উপদেশ মোক কৃপাদৃষ্টি চাই।।
পদবন্ধে নিবন্ধিবো তয়ু গুণচয়।
জানি কৃপাময় মোত হুয়োক সদয়।।৩
কৃষ্ণ পাদ-পদ্ম দুই হৃদয়ত ধৰি।
গুৰুৰ চৰণ মনে শিৰোগত কৰি।।
ভক্তি-ৰত্নাৱলী গ্ৰন্থ ভাগৱত সাৰ।
মূৰুখ মাধৱে পদ কৰিলা প্ৰচাৰ।।৪
কৃষ্ণৰ স্মৰণে আৰম্ভৰ সিদ্ধি হৌক।
বোলো কৰযোৰে শুনা সভাসদ লোক।।
অল্পমতি হুয়া বৰ কৰিলো আৰম্ভ।
জানি মহাজনে নকৰিবা উপালম্ভ।।৫
গৰুড়ৰ উৰাৰ যদ্যপি সম নুই।
পখা অনুৰূপে পখী তেৰেকি নুৰই।।
যদি অনুচিত হোৱে মোৰ ইটো কৰ্ম্ম।
তথাপিতো মহন্ত জনৰ ক্ষমা ধৰ্ম্ম।।৬
হেন জানি মোৰ যত দোষ পৰিহৰি।
কৃষ্ণ কথা ৰস পিয়ো কৰ্ণাঞ্জলি ভৰি।।
নাহি ধৰ্ম্ম কৃষ্ণ কথা শ্ৰৱণত পৰে।
যাক শুনি অতি অন্ত্যজাতিয়ো নিস্তৰে।।৭
জানি শুনা আন যত তেজিয়া চাতুৰী।
আছিলন্ত সন্ন্যাসী নামত বিষ্ণুপুৰী।।
পৰম মহন্ত মহাজন মাজে সাৰ।
তেন্তে কৰিলন্ত ভাগৱত সাৰোদ্ধাৰ।।৮
ভক্তি ৰত্নাৱলী নামে নাহি পটন্তৰ।
পৰম অমূল্য ৰত্ন ভকত জনৰ।।
মতি অনুসাৰে পদ নিবন্ধিবো আৰ।
কৃষ্ণৰ প্ৰসাদে হৌক লোকত প্ৰচাৰ।।৯
মহাজন সৱৰ সন্মত অনুসৰি।
কৃষ্ণৰ কীৰ্ত্তন ৰূপ মঙ্গল আচৰি।।
ভক্তসমে মাধৱক কৰিয়া সেৱলি।
বিৰচিল বিষ্ণুপুৰী ভক্তি-ৰত্নাৱলী।।১০
নিখিল বেদৰ সাৰ মহাভাগৱত।
সদা ভক্তিপ্ৰদ যাৰ অতুল মহত।।
এতেকেসে সমস্ত বেদত শ্ৰেষ্ঠতৰ।
পৰম গোপনী ইটো সমস্ত শাস্ত্ৰৰ।।১১
মহা অন্ধকাৰময় দুৰ্ঘোৰ সংসাৰ।
আক তৰিবাক প্ৰতি ইচ্ছা আছে যাৰ।।
তাক কৃপাকৰি যিটো মহামুনি শুকে।
পৃথিৱীত ব্যক্ত আনি কৰিলা উৎসুকে।।১২
আত্মা প্ৰকাশক ইটো প্ৰদীপ সাক্ষাত।
ভকতি অমৃত ৰস পৰিপূৰ্ণ যাত।।
আকে শুনি অজ্ঞলোক তৰোক সংসাৰ।
হেন শুকগুৰু পদে কৰো নমস্কাৰ।।১৩

---

১১-১৩। বিষ্ণুপুৰী সন্ন্যাসী সঙ্কলিত ভক্তি-ৰত্নাৱলীত উদ্ধৃত এটি শ্লোকৰ ভাঙনি। শ্লোকটো এই--
শ্ৰীসূতোক্তি ঃ যঃ স্বানুভাৱমখিলশ্ৰুতিসাৰমেকমধ্যাত্মদীপমতিতিতীৰ্ষ্যতাং তমোহন্ধম্।
সংসাৰিণাং কৰুণয়াহহ পুৰাণগুহ্যং তং ব্যাসসূনুমুপযামি গুৰুং মুনীনাম্।। ভাগঃ ১/২/৩

ধৰ্ম্ম অৰ্থ কাম মোক্ষ পুৰুষাৰ্থ চাৰি।
ফুৰে যত লোক আৰ উপায় বিচাৰি।।
কৃষ্ণক ভকতি তাৰ পৰম উপায়।
মহাপুৰুষাৰ্থ আতপৰে আন নাই।।১৪
এহি পৰমাৰ্থ অৰ্থ বেদব্যাস ঋষি।
নিবন্ধিলা ভাগৱত শাস্ত্ৰত হৰিষি।।
আন জ্ঞান কৰ্ম্ম মানে ভক্তিৰ সাধন।
জানিবা নিশ্চয় যত কহিলো লক্ষণ।।১৫
ভক্তিসে প্ৰধান মই জানিয়া মনত।
মিলিল উৎসুক মোৰ আৰ সংগ্ৰহত।।
ভক্তিপৰ শ্লোকচয় কৰো একথান।
শুনা যেনমতে মোৰ উপজিল জ্ঞান।।১৬
ভাগৱত নামে এক অমৃত সাগৰ।
আছে হেন কথা শুনো মুখত লোকৰ।।
গুৰু মুখে শাস্ত্ৰ পাছে আপুনি পঢ়িলো।
ভাগৱত অমৃত সাগৰে বুৰ দিলো।।১৭
কৃষ্ণৰ কৰুণা দিব্য পৰম অঞ্জন।
কৰিলে নিৰ্ম্মল মোৰ হৃদয় লোচন।।
দেখিলোহো কৃষ্ণৰ ভজন ৰত্ন পাছে।
ভাগৱত অমৃত পয়োধি মাজে আছে।।১৮
পৰম অমূল্য ইটো হৰিভক্তি ৰত্ন।
আক উদ্ধাৰিতে মোৰ ভৈলা মহাযত্ন।।
হৃদিগত কৃষ্ণৰ আদেশ অনুসৰি।
বৈষ্ণৱৰ প্ৰীতি অৰ্থে আনিলো উদ্ধাৰি।।১৯

যিটো কণ্ঠে পিন্ধে ৰত্ন পৰম উজ্জ্বল।
কৰে সালঙ্কৃত তাৰ পুৰুষ সকল।।
থাকে মাত্ৰ ৰত্নাৱলী যদিবা গৃহত।
অজ্ঞান আন্ধাৰ তাৰ গুচয় সমস্ত।।২০
যিটো পঢ়ে শুনে আক বিচাৰে সৰ্ব্বথা।
তাৰ হিত সাধিবেক ইটো কোন কথা।।
জানি ভক্তি-ৰত্নাৱলী মহা গুণৱতী।
কৰিয়োক শ্ৰদ্ধা আত সুকৃতি সম্প্ৰতি।।২১
শ্ৰৱণত প্ৰেম উপজাৱে কৃষ্ণ পাৱে।
পূৰে যত মনোৰথ যেই যিবা চাৱে।।
ভাগৱতে আছে হেন বুলিলা বচন।
তোমাৰ কৃত্যত যত্ন কিবা প্ৰয়োজন।।২২
ইহাৰ উত্তৰ সাৱধানে শুনিয়োক।
পৰম বিষয়ী কৰ্ম্মজড় যত লোক।।
লাগিবে আলাস বহু কথা শুনি তাৰ।
এত কথা শুনিতে শকতি আছে কাৰ।।২৩
নাহিকে আলাস যাৰ শ্ৰদ্ধা শুনিবাক।
লাগে তাৰো অৱশ্যে কুটুম্ব পুষিবাক।।
নপাই অৱসৰ ভাগৱত নুশুনিব।
মোৰ ইটো কৃত্যত তাহাৰ শ্ৰদ্ধা হৈব।।২৪
কৰিলো সংগ্ৰহ মই তাকে লক্ষ্য কৰি।
নানা প্ৰকৰণ হন্তে শ্লোকক উদ্ধাৰি।।
বিচাৰিয়া যত সাৰ পাইলো বাৰস্কন্ধে।
একবাক্য কৰি আনি লিখিলো প্ৰবন্ধে।।২৫

---

১৬-১৮। শ্ৰীবিষ্ণুপুৰী সন্ন্যাসী কৃত এটি শ্লোকৰ ভাঙনি - শ্লোকৰ উদ্ধৃতি দিয়া হ'ল--
দূৰান্নিশম্য মহিমানমুপেত্য পাৰ্শ্বমন্তঃ প্ৰৱিশ্য শুভ ভাগৱতামৃতাব্ধেঃ।
পশ্যামি কৃষ্ণ কৰুণাঞ্জন নিৰ্ম্মলেনহৃল্লোচনেন ভগৱদ্ভজনং হি ৰত্নম্।।
ইয়াৰ অৰ্থ-- দূৰৰ পৰা শ্ৰীমদ্ভাগৱতৰূপী অমৃত সাগৰৰ মহিমা শুনি মই কাষ চাপি অৰ্থাৎ অধ্যয়ন কৰি ইয়াৰ গূঢ় ৰহস্য বুজি শ্ৰীকৃষ্ণৰ কৰুণাৰূপী অঞ্জনৰ দ্বাৰা নিৰ্মল হোৱা হৃদয়ৰূপ চকুৰে ভগৱদ্ভজনৰূপ ৰত্ন দেখিবলৈ পালোঁ।

১৯। শ্ৰীবিষ্ণুপুৰী সন্ন্যাসীকৃত তৃতীয় শ্লোকৰ ভাঙনি-- শ্লোক--
তদিদমতি মহাৰ্ঘ্যং ভক্তিৰত্নং মুৰাৰেৰহমধিকসযত্নঃ প্ৰীয়তে ৱৈষ্ণৱাণাম্।
হৃদিগত জগদীশাদেশমাসাদ্যমাদ্যন্নিধিৰমিৱ তস্মাদ্বাৰিধেৰুদ্ধৰামি।।

২০-২১ শ্ৰীবিষ্ণুপুৰী সন্ন্যাসীকৃত তৃতীয় শ্লোকৰ ভাঙনি-- শ্লোক--
কণ্ঠে কৃতা কুলমশেষমলঙ্কৰোতি ৱেশ্মস্থিতা নিখিলমেৱ তমো নিহন্তি।
তামুজ্জ্বলাং গুণৱতীং জগদীশভক্তিৰত্নাৱলীং সুকৃতিনঃ পৰিশীলয়ন্তু।।

২২-২৬ শ্ৰীবিষ্ণুপুৰী সন্ন্যাসীকৃত চতুৰ্থ শ্লোকৰ ভাঙনি আৰু ব্যাখ্যা-- শ্লোক --
নিখিল ভাগৱত শ্ৰৱণালসাবহুকথাভিৰথাহনৱকাশিনঃ।
অয়ময়ং ননু তা ননু সাৰ্থকো ভৱতু ৱিষ্ণুপুৰী গ্ৰথনগ্ৰহঃ।।

## ।। প্ৰথম ঃ ভক্তি বিৰচন।।

পদ

কৰিলোঁ গ্ৰন্থৰ যত প্ৰয়োজন মানে।
এৰে ৰত্নাৱলী শুনিয়োক সাৱধানে।।
সামান্য বিশেষ ভক্তি কহিবাক প্ৰতি।
আৰম্ভিলোঁ বিৰচন প্ৰথমে সম্প্ৰতি।।২৬
যতেক স্বধৰ্ম্ম হৰি ভক্তিৰ কিঙ্কৰ।
ভকতিৰ মুখ চাই থাকে নিৰন্তৰ।।
সমস্তে ধৰ্ম্মৰ ভকতিসে মুখ্যফল।
ভকতি নভৈলে ধৰ্ম্ম সকলো বিফল।।২৭
তাকেসে পৰম ধৰ্ম্ম বুলিয়া নিশ্চয়।
যাত হন্তে মাধৱত ভকতি মিলয়।।
গুচে সৱে কামনা প্ৰসন্ন হোৱে চিত্ত।
ৰজ তম গুচি শুদ্ধ সত্ত্ব হোৱে স্থিত।।২৮
ভগৱন্ত বাসুদেৱে ভক্তি যিটো কৰে।
মিলে বিষয়ত তাৰ বৈৰাগ্য সত্ত্বৰে।।
বেদ শিৰোৰত্ন মন্ত্ৰে যাহাক প্ৰকাশে।
হেন তত্ত্বজ্ঞান আসি মিলে অপ্ৰয়াসে।।২৯
একে বাসুদেৱতেসে কৰিব ভকতি।
নকৰিব আন একো দেৱতাত ৰতি।।
ভকতি পন্থত এক দেৱনাৰায়ণ।
শুনা আৰ হেতু সাৱধান কৰি মন।।৩০
সত্ত্ব ৰজ তম প্ৰকৃতিৰ তিনি গুণে।
ধৰা তিনি মূৰ্ত্তি একে পুৰুষ আপুনে।।
ৰজোগুণে ব্ৰহ্মা হুয়া সৃজে চৰাচৰ।
সত্ত্বগুণে বিষ্ণুৰূপে পালে নিৰন্তৰ।।৩১
তমোগুণে ৰুদ্ৰৰূপে সৃষ্টি সংহাৰন্ত।
তিনি গুণে তিনি মূৰ্ত্তি একে ভগৱন্ত।।
যদ্যপি ভজনি হোন্ত তিনিও ঈশ্বৰ।
তথাপিতো বিষ্ণুতেসে সিদ্ধি মনুষ্যৰ।।৩২
জ্ঞানেসে জানিবা সুখ মোক্ষৰ নিদান।
শুদ্ধ সত্ত্ব গুণতেসে মিলে তত্ত্বজ্ঞান।।
এতেকেসে বিষ্ণু ভৈলা ভকতৰ ইষ্ট।
উপাধি বিশিষ্টে ফল হোৱয় বিশিষ্ট।।৩৩
পূৰ্ব্বসদাচাৰে আৰ দেখাওঁ প্ৰমাণ।
যতেক মহন্ত মহাজ্ঞানত প্ৰধান।।
কৰন্ত ভকতি বাসুদেৱৰ চৰণে।
চিত্ত হোৱে নিৰ্ম্মল আনন্দ মিলে মনে।।৩৪
পিতৃ ভূতপতি লোকপাল নিৰন্তৰে।
শ্ৰাদ্ধ বলি পূজা নকৰিলে বিঘ্নিকৰে।।
বিস্তৰ আয়াসে ভজি পাৱে অল্প ফল।
জানি ঘোৰ ৰূপত্যজি মহন্ত সকল।।৩৫
শান্ত মূৰ্ত্তি কৃষ্ণ অৱতাৰক ভজন্ত।
আনদেৱ সমস্তক নিন্দা নকৰন্ত।।
সুদৃঢ় বিশ্বাসে নিতে ভজি ভগৱন্ত।
পৰম দুৰ্ল্লভ মোক্ষ পদক সাধন্ত।।৩৬
বলিব মুকুতি সুখে ইচ্ছা আছে যাৰ।
ভগৱন্ত ঈশ্বৰ ভজনি দেৱ তাৰ।।
অন্যত্ৰ সুখক ইচ্ছা কৰে যিটো নৰ।
তাহাৰ ভজনি দেৱ নোহন্ত ঈশ্বৰ।।৩৭
শুনা আত অনন্তৰে উত্তম যুগুতি।
ভকতি জ্ঞানৰ ফল দেখাওঁ মুকুতি।।
ঈশ্বৰ কেশৱ দেৱ ভকতৰ নিধি।
যেই যিবা চাৱে তাৰ হোৱে সেই সিদ্ধি।।৩৮
এতেকেসে পৰম উদাৰ বুদ্ধি যাৰ।

২৭-২৮। মূঃ শ্লোঃ - স বৈ পুংসাং পৰো ধৰ্ম্মো যতো ভক্তিৰধোক্ষজে। অহৈতুক্যপ্ৰতিহতা যয়াহত্মা সুপ্ৰসীদতি।। -১/২/৬
২৯। মূঃ শ্লোঃ- ৱাসুদেৱে ভগৱতি ভক্তিযোগঃ প্ৰযোজিতঃ। জনয়ত্যাশু বৈৰাগ্যং জ্ঞানং চ যদহৈতুকম্।। - ১/২/৭
৩০-৩৩। মূঃ শ্লো ঃ- সত্ত্বং ৰজস্তম ইতি প্ৰকৃতেৰ্গুণাস্তৈৰ্যুক্তঃ পৰঃ পুৰুষএক ইহাস্য ধত্তে।
স্থিত্যাদয়ে হৰিবিৰিঞ্চিহৰেতি সংজ্ঞাঃ শ্ৰেয়াংসি তত্ৰ খলু সত্ত্বতনোৰ্নৃণাং স্যুঃ।। - ১/২/২৩
৩৪। মূঃ শ্লোঃ - অতো বৈ কৱয়ো নিত্যং ভক্তিং পৰময়া মুদা। ৱাসুদেৱে ভগৱতি কুৰ্ব্বন্ত্যাত্মপ্ৰসাদনীম্।। - ১/২/২২
৩৫-৩৬। মূঃ শ্লোঃ- মুমুক্ষৱো ঘোৰৰূপান্ হিত্বা ভূতপতীনথ। নাৰায়ণকলাঃ শান্তা ভজন্তিহ্যনসূয়ৱঃ।। - ১/২/২৬

তাৰা সৱে নকৰে ভকতি ব্যভিচাৰ।।
পৰম পুৰুষ হৰি প্ৰকৃতিত পৰ।
মহাতীব্ৰ ভকতি ভজন্ত নিৰন্তৰ।।৩৯
আছে শ্ৰেয়সৰ যত অন্য মাৰ্গান্তৰ।
যাগ যোগ আদি সিয়ো নাৰায়ণ পৰ।।
কৃষ্ণকেসে কহে বেদ শাস্ত্ৰ আছে যত।
তাহাৰ বিহিত ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত।।৪০
সৱে নাৰায়ণ পৰ জানিবা নিশ্চয়।
অৰ্পণ নভৈলে একো ফল নধৰয়।।
নকৰি ভকতি যোগপথে কৰে শ্ৰম।
নোহে শুদ্ধ চিত্ত নুগুচয় অহম্মম।।৪১
লোভে মোহে কামে পুনৰপি হোৱে হত।
নপাৱে মুকুতি সুখ নাহিকে মনত।।
মিলিল যাহাৰ শ্ৰদ্ধা মুকুন্দ সেৱাত।
হোৱে চিত্ত শান্ত মিলে আনন্দ সাক্ষাত।।৪২
সমস্ত শাস্ত্ৰৰ তাৎপৰ্য্য এহিমান।
সূত বাক্যে লৈয়ো আৰ সাক্ষাতে প্ৰমাণ।।
যত কৰ্ম্মযোগ জ্ঞান আচৰি হৰিষি।
তথাপি নভৈল শান্তমতি ব্যাস ঋষি।।৪৩
একোমতে নুগুচে মনৰ মহা ক্লেশ।
নাৰদত হন্তে পাছে পাইলা উপদেশ।।
একচিত্তে মাধৱত কৰিয়া ভকতি।
তেৱে তান নিৰ্ম্মল নিশ্চল ভৈল মতি।।
ভকতিত পৰম আনন্দ ভৈল জাত।
হৃদয়তে ঈশ্বৰক দেখিলা সাক্ষাত।
কৃষ্ণৰ অধীন মায়া দেৱীক দেখিল।
তেৱেসে ব্যাসৰ যত সংশয় গুচিল।।৪৫
ভৈল কৃতকৃত্য ভকতিৰ প্ৰসাদত।
দেখাইলোঁ প্ৰমাণ জ্ঞান ভকতি যিমত।।
এৱে শুনা ভকতিৰ মহিমা সকল।
নলাগে বিলম্ব অতি শীঘ্ৰে দেই ফল।।৪৬
কপিল বচনে আৰ লৈয়োক প্ৰমাণ।
কহিলন্ত কপিলে মাতৃৰ বিদ্যমান।।
আছে মনুষ্যৰ ইন্দ্ৰিয়ৰ বৃত্তি যত।
অযত্নে প্ৰৱৰ্ত্তে যেন নানা বিষয়ত।।৪৭
সেহি মতে ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰে।
বিষয়ক এৰিয়া বিষ্ণুত ৰতি কৰে।।
নকৰে কামনা ভকতিক ত্যজি আন।
তাকে বুলি ভাগৱতী ভকতি প্ৰধান।।৪৮
কৰ্ণে শুনে কৃষ্ণ কথা মুখে বোলে ৰাম।
মনে পাদ-পদ্ম স্মৰে হস্তে কৰে কাম।।
কৃষ্ণৰ প্ৰতিমা দেখে চক্ষুৰে ভক্তক।
বিষ্ণুবুদ্ধি কৰি শিৰে মে সমস্তক।।৪৯
নিৰ্ম্মাল্য তুলসী ঘ্ৰাণ লৱে নাসিকায়।
বিষ্ণুৰ নৈবেদ্য মাত্ৰ আস্বাদে জিহ্বায়।।
পদে বিষ্ণু ক্ষেত্ৰ বৈষ্ণৱৰ ঠাইক যায়।
এহিমতে ইন্দ্ৰিয়ৰ বৃত্তি সমুদায়।।৫০
বিষ্ণুতেসে প্ৰৱৰ্ত্তে অযত্নে যেৱে জানা।
মনে একো বিষয়ক নকৰে কামনা।।
তেৱে আৰ তাহাৰ মহিমা কৈবো কিক।
পাইলেক প্ৰসাদ যিটো মোক্ষতো অধিক।।৫১
যদ্যপি মুকুতি পদ সুখ ৰূপ হয়।

---

৩৭-৩৯। ওপৰত উল্লেখ কৰা প্ৰশ্নৰ উত্তৰ এই তিনি পদে দিছে- মূঃ শ্লোঃ (শুকদেৱৰ উক্তি)
অকামঃ সৰ্ব্বকামো ৱা মোক্ষকাম উদাৰধীঃ। তীব্ৰেণ ভক্তিযোগেন যজেত পুৰুষং পৰম্।। - ২/৩/১০

৪০-৪২। মূঃ শ্লোঃ- ৱাসুদেৱ পৰা ৱেদা ৱাসুদেৱপৰা মখাঃ। ৱাসুদেৱপৰা যোগা ৱাসুদেৱপৰাঃ ক্ৰিয়াঃ।।

৪০-৪২। ৱাসুদেৱপৰং জ্ঞানং ৱাসুদেৱ পৰং তপঃ। ৱাসুদেৱ পৰো ধৰ্ম্মো ৱাসুদেৱ পৰা গতিঃ।। - ১/২/২৮-২৯
যমাদিভিৰ্যোগপথৈঃ কামলোভহতোমুহুঃ। মুকুন্দ সেৱয়া যদ্বত্তথাহত্মাদ্ধা ন শাম্যতি।। - ১/৬/৩৬

৪৩-৪৬। ইয়াৰ মূঃ শ্লোঃ (সূতৰ উক্তি)-
ভক্তিযোগেন মনসি সম্যক্ প্ৰণিহিতেঽমলে। অপশ্যৎ পুৰুষং পূৰ্বং মায়াঞ্চ তদপাশ্ৰয়াম্।। - ১/৭/৪
মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে মহাভাগৱতৰ প্ৰথম স্কন্ধত এই শ্লোকৰ তাৎপৰ্য্য এনেদৰে প্ৰকাশ কৰিছে--
কৃষ্ণৰ মূৰ্ত্তিক পাছে কৰিলন্ত ধ্যান। হৃদয়তে কৃষ্ণক দেখিলা বিদ্যমান।।
বাম পাশে মায়া দক্ষিণত ভক্তিমাৱ। দেখি ব্যাস ঋষিৰ ৰোমাঞ্চ ভৈল গাৱ।।
মায়ায়ে বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত। দুহানো মধ্যস্থভাৱে আছে ভগৱন্ত।।

তথাপি ভকতি শ্রেষ্ঠ কহিলো নিশ্চয়।।
সেৱাৰ আনন্দ সুখ মুকুতিত নাই।
মুকুতিৰ সুখ সুখে ভকতিতে পায়।।৫২
যেহেন শৰ্কৰা খণ্ড ভুঞ্জে যিটো জনে।
তাৰ যেন মত স্বাদ সি সি জনে জানে।।
সেহিমতে মোক্ষৰ মূৰুতি হৰিদেৱ।
আতেসে বেকত হোন্ত যিটো কৰে সেৱ।।৫৩
এতেকে ভকতি শ্রেষ্ঠ মুকুতিত কৰি।
নাহি আন সুখ আৰ ভকতিত সৰি।।
কহিলোঁহো ভকতিৰ উত্তম লক্ষণ।
মুকুতিৰ অৰ্থে ভিন্ন নলাগে যতন।।৫৪
মিলিবে মুকুতি ভকতিৰ প্ৰসাদত।
লিঙ্গ দেহ দহিবে অজ্ঞান প্ৰথমত।।
যেন প্ৰাণী অন্ন পান ভুঞ্জে যত যত।
উদৰৰ বহ্নি জীৰ্ণ কৰয় সমস্ত।।৫৫
ভকতিও সেহিমতে লিঙ্গ জীৰ্ণ কৰে।
বিনা যত্নে জীৱন্তে মুকুতি পাৰে নৰে।।
জানি ধৰা ভকতি তেজিয়া আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।৫৬

**দুলড়ি**

কপিল বদতি শুনা দেৱহূতি
মাতৃ কৰি স্থিৰ চিত্ত।
কহিলোহো নিষ্ঠ ভকতি গৰিষ্ঠ
লক্ষণ কৰো বিদিত।।
আমাৰ একান্ত ভকত সকলে
দেখে সমস্তকে মিছা।
ভকতি বিৰোধী জানিয়া সাযুজ্য
মোক্ষকো নকৰে ইচ্ছা।।৫৭
একে মোতে মাত্র কায় বাক্য মনে
ৰতি কৰে নিৰন্তৰে।
এড়িয়া কামনা কৰয় অৰ্পণা
যত কিছু চেষ্টা কৰে।।
বিৰল ভকত জনৰ শুনিয়ো
যেন মুখ্য প্ৰয়োজন।
অন্যো অন্যে এক প্ৰাণ হৈয়া কৰে
মোৰ যশ সভাজন।।৫৮
শ্ৰৱণ কীৰ্ত্তন কৰি অনুক্ষণ
প্ৰশংসন্ত মাত্ৰ মোক।
বুলিবা তাহাৰ ফল কিবা তেৱে
কহো তাক শুনিয়োক।।
মোৰ গুণ নাম কহন্তে শুনন্তে
মিলে আসি মহাভাগ।
আনন্দ স্বৰূপ মোৰ দিব্য ৰূপ
প্ৰত্যক্ষতে পাৰে লাগ।।৫৯
প্ৰসন্ন বদন অৰুণ নয়ন
তনু আতি অনুপাম।
ভকতক দয়া কৃপা দৃষ্টি চায়া
পূৰন্ত মনৰ কাম।।
দেখি কৃষ্ণৰূপ মিলে মহাসুখ
দূৰ হোৱে যত তাপ।
অতি মন প্ৰীতি মাধৱে সহিতি
মধুৰ কৰে আলাপ।।৬০
এহিমতে মহে- শ্বৰ দৰশন
সুখ মুকুতিত নাই।
মোক্ষৰ আনন্দ যিটো আত্ম-সুখ
ভকতিত সুখে পায়।।
পৰম সুন্দৰ মহা মনোহৰ
কৃষ্ণৰ অঙ্গ যতেক।
মই ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰ

---

৪৭-৫৬। মূঃ শ্লোঃ (শ্ৰীভগৱানৰ উক্তি)
দেৱানাং গুণলিঙ্গানামানুশ্ৰৱিককৰ্ম্মণাম্। সত্ত্ব ঐৱেকমনেসো বৃত্তিঃ স্বাভাৱিকী তু যা।।
অনিমিত্তা ভাগৱতী ভক্তিঃ সিদ্ধেৰ্গৰীয়সী। জৰয়ত্যাশু যা কোষং নিগীৰ্ণমনলো যথা।। - ৩/২৫/৩২-৩৩

৫৭-৫৮। মূঃ শ্লোঃ- নৈকাত্মতাং মে স্পৃহয়ন্তি কেচিন্মৎপাদসেৱাভিৰতা মদীহাঃ।
যেহন্যোন্যতো ভাগৱতাঃ প্ৰসজ্য সভাজয়ন্তে মম পৌৰুষাণি।। - ৩/২৫/৩৪

৫৯-৬০। মূঃ শ্লোঃ- পশ্যন্তি তে মে ৰুচিৰাণ্যম্ব সন্তঃ প্ৰসন্নৱক্তাৰুণলোচনানি।
ৰূপাণি দিৱ্যানি ৱৰপ্ৰদানি সাকং ৱাচং স্পৃহণীয়াং ৱদন্তি।। - ৩/২৫/৩৫

হৰয় দেখি প্ৰত্যেক।।৬১
ভকতি সুখত করি অল্প দেখি
ভকতে তাক নচাৱে।
তথাপিতো যিটো সুখ মোক্ষ পদ
ভকতি আনি মিলাৱে।।
অবিদ্যা নিবৃত্তি ভৈলে অনন্তৰে
যতেক ঐশ্বৰ্য্য আছে।
বৈকুণ্ঠ সম্পত্তি সমন্বিতে আসি
ভ্ৰমে ভকতৰ পাছে।।৬২
ভকতে যদ্যপি নবাঞ্ছে তথাপি
ভকতিৰ মহাবলে।
বৈকুণ্ঠ লোকত মহাভোগ যত
ভকতে পাৱে সকলে।।
বুলিবা বৈকুণ্ঠে লোকৰ ভিতৰ
যেৱে ভৈলা স্বৰূপত।
স্বৰ্গাদিৰ যেন হৈৱেক বিনাশ
বৈকুণ্ঠৰ ভোগ যত।।৬৩
ইটো কুনিৰ্ব্বন্ধ শঙ্কা পৰিহৰি
শুনিও উত্তৰ তাৰ।
সিটো শুদ্ধ সত্ব বৈকুণ্ঠ লোকত
মায়াৰ নাহি সঞ্চাৰ।।
পৰম দুৰ্ঘোৰ কালচক্ৰ মোৰ
পৰক গিলিবে লাগি।
নাহি নিদ্ৰালেশ নকৰে নিমেষ
সৰ্ব্বদায়ে থাকে জাগি।।৬৪
প্ৰিয় আত্মা গুৰু সখা ইষ্টদেৱ
বুলি মোক সৰ্ব্বভাৱে।
ভজে যিটো তাক সিটো কালে আৰ
চক্ষুও মেলি নচাৱে।।
এতেকে বৈকুণ্ঠ লোকত যতেক
ভকত আছে আমাৰ।
জানা কদাচিতো নুহি ভোগে হীন
কহিলোহোঁ সাৰে সাৰ।।৬৫
কহিলোহোঁ যত প্ৰকৰণ অৰ্থ
বিচাৰি কৰা নিৰ্ণয়।
প্ৰথমে কামনা কৰি যিটো আসি
ভকতিত প্ৰৱৰ্ত্তয়।।
ভকতিৰ স্বাদ জানিয়া পাচত
কামনাক পৰিহৰে।
ভকতিক মাত্ৰ বাঞ্ছিয়া মনত
নিষ্কামে ভকতি কৰে।।৬৬
কদাচিত তাৰ কৰন্ত পূৰণ
কামনা যত পূৰ্ব্বৰ।
ভকতে বাঞ্ছিলে দিবাক লাগয়
স্বভাৱ ইটো কৃষ্ণৰ।।
তাতেসে গুপুত কৰিলে ভকতে
নোখোজন্তে সুক্ষ্মগতি।
পাৱয় পূৰ্ব্বত কামনা মনত
কৰিলে যিটো নিমিত্তি।।৬৭
যিটো মহাজনে শুনি প্ৰসঙ্গত
ভকতিৰ স্বাদ জানি।
পৰম নিষ্কামে পূৰ্ব্বহন্তে ভজে
ভগৱন্ত পদ্ম-পাণি।।
যিটো মহন্তৰ ভকতিৰ সুখ
সদায় হৈব নিশ্চয়।

৬১-৬২। মূঃ শ্লোঃ- (কপিল দেৱৰ উক্তি)
তৈৰ্দ্দৰ্শনীয়াৱয়ৱৈৰুদাৰৱিলাসহাসেক্ষিতৱামসুক্তৈঃ।
হৃতাত্মনো হৃতাপ্ৰাণাংশ্চ ভক্তিৰণিচ্ছাতো মে গতিমন্বীং প্ৰযুঙ্‌ক্তে।।
৬২-৬৩। মূঃ শ্লোঃ- অথো ৱিভূতিং মম মায়াৱিনস্তামৈশ্বৰ্য্যমষ্টাঙ্গমনুপ্ৰবৃত্তম্।
শ্ৰিয়ং ভাগৱতীং ৱাহস্পৃহয়ন্তি ভদ্ৰাং পৰস্য মে তেহশ্নুৱতে তু লোকে।। - ৩/২৫/৩৭
৬৩-৬৫। মূঃ শ্লোঃ- ন কৰ্হিচিন্মৎপৰাঃ শান্তৰূপে নঙ্‌ক্ষ্যন্তি নো মেহনিমিষো লেঢ়ি হেতিঃ।
যেষামহং প্ৰিয় আত্মা সুতশ্চ সখা গুৰুঃ সুহৃদো দৈৱমিষ্টম্।। - ৩/২৫/৩৮

বৈকুণ্ঠ লোকত পৰম ঐশ্বৰ্য্য
অধিক সুখ পাৱয়।।৬৮
মুকুতিত কৰি ভকতি গৰিষ্ঠ
এতেকে জানা সৰ্ব্বথা।
ভকতিৰ আগে বিষয়ৰ সুখ
তুচ্ছ হৈবে কোন কথা।।
সদা ভক্তি সুখ সহিতে বৈকুণ্ঠ
ঐশ্বৰ্য্য সমে মুকুতি।
একান্ত ভকতে পাৰে আনজনে
নপাৰে শুনা যুগুতি।।৬৯
ইহ পৰলোক সুখ ধন জন
ভাৰ্য্যা পুত্ৰ গৃহ দেহ।
সমস্তকে ত্যজি অনন্য ভকতি
ভজি মোত কৰে স্নেহ।।
তাতপৰে মোৰ মহা প্ৰিয়তম
ভকত নাহি আমাৰ।
ভকতি মুকুতি ভকতক দিয়া
কৰো সংসাৰক পাৰ।।৭০
অনেক নিৰ্ব্বাণ পদ আদি দান
দেও মই নিষ্ঠে নিষ্ঠ।
মুমূক্ষু ভকত জনত কৰিয়া
কেৱল ভক্ত গৰিষ্ঠ।।
হেন সৱে জানি ভজিও কৃষ্ণক
ত্যজিয়া সমস্ত কাম।
মুৰুখ মাধৱে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।৭১

**পদ**

কপিল বদতি মাতৃ শুনা দেৱহূতি।
কদাচিতো অভকতে নপাৰে মুকুতি।।
মই পৰমাত্মা চৰাচৰ জগতৰ।
প্ৰধান পুৰুষ দুইৰো নিয়ন্তা ঈশ্বৰ।।৭২
ভকতি মুকুতি পদ দাতা মই দেৱ।
স্বতন্ত্ৰ ঈশ্বৰ মোত পৰে নাহি কেৱ।।
হেন মই মোক তেজি আনক ভজয়।
নুগুচে তাহাৰ ঘোৰ সংসাৰৰ ভয়।।৭৩
জানি আন ত্যজি ভজনীয় মোৰ পাৰে।
পৰম শ্ৰদ্ধায়ে মাতৃ ভজা মোৰ পাৱে।।
মোৰ গুণ নামত কৰিও মাত্ৰ ৰতি।
শ্ৰৱণ কীৰ্ত্তনে অনায়াসে পাইবা গতি।।৭৪
কপিলৰ বচন সংহৰি এৱে থওঁ।
এহি পৰমাৰ্থ সুনীতিৰ বাক্যে কওঁ।।
কৃষ্ণ বিনে নাহিকে আনত হন্তে গতি।
শিখাইলন্ত সুনীতি ধ্ৰুৱক প্ৰতি প্ৰতি।।৭৫
শুন পুত্ৰ ধ্ৰুৱ তই মোহোৰ বচন।
স্বতন্ত্ৰ ঈশ্বৰ যিটো দেৱ নাৰায়ণ।।
তাহান্তে শৰণ লৈয়া কৰিয়োক সেৱ।
ভকত বৎসল কৃষ্ণ দেৱতাৰো দেৱ।।৭৬
মুমূক্ষু সকলে কালহন্তে হৈয়া ভয়।
যাৰ পাদ পদ্মৰ পন্থক বিচাৰয়।।
তয়ো নিজ ধৰ্ম্মে কৰি হৃদয় শোধিত।
তাতে স্থাপি কৃষ্ণ পাদ-পদ্ম স্মৰ নিত।।৭৭

---

৬৬-৭১। মূঃ শ্লোঃ-
ইমং লোকং তথৈৱামুমাত্মানমুভয়ায়িনম্। আত্মানমনু যে চেহ যে ৰায়ঃ পশৱো গৃহাঃ।।
ৱিসৃজ্য সৰ্ব্বানন্যাংশ্চ মামেৱং ৱিশ্বতোমুখম্। ভজন্ত্যনন্যয়া ভক্ত্যা তান্ মৃত্যুৰতিপাৰয়ে।।- ৩/২৫/৩৯-৪০
৭২-৭৩। মূঃ শ্লোঃ- (কপিল দেৱৰ উক্তি)
নান্যত্ৰ মদ্ভগৱতঃ প্ৰধানপুৰুষেশ্বৰাৎ। আত্মনঃ সৰ্ব্বভুতানাং ভয়ং তীৱ্ৰং নিৱৰ্ত্ততে। - ৩/২৫/৪১
৭৪-৭৫। মূঃ শ্লোঃ- (কপিল দেৱৰ উক্তি)
তস্মাৎ ত্বং সৰ্ব্বভাৱেন ভজস্ব পৰমেষ্ঠিনম্। তদ্‌গুণাশ্ৰয়য়া ভক্ত্যা ভজনীয় পদাম্বুজম্। - ৩/৩২/২২
৭৫-৭৭। মূঃ শ্লোঃ- (সুনীতিৰ উক্তি)
তমেৱ ৱৎসাশ্ৰয় ভৃত্যৱৎসলং মুমুক্ষুভিৰ্ম্মৃগ্য পদাব্জ পদ্ধতিম্।
অনন্যভাৱে নিজধৰ্ম্ম ভাৱিতে মনস্যৱস্থাপ্য ভজস্ব পুৰুষম্।। - ৪/৮/২২

যেন শত্ৰুহন্তে মহাভয় হৈয়া নৰে।
ৰাজাত শৰণ লৈয়া পাচে সেৱা কৰে।।
সেহিমতে সেৱা বাপ কৰিও কৃষ্ণত।
তান্ত বিনে হিত সিদ্ধি নাহিকে আনত।।৭৮
কৃষ্ণ বিনে নাহি আন দেৱ সৰ্ব্বোত্তম।
আয়ত লোচন যাৰ পদ্মপত্ৰ সম।।
তোৰ ইটো শোক দুখ খেদ ছেদকাৰী।
কৃষ্ণ বিনে মনে আন নেদেখো বিচাৰি।।৭৯
ব্ৰহ্মা আদি সেৱন্ত কটাক্ষ বাঞ্ছা কৰি।
হেন লক্ষ্মী দেৱী হাতে পদ্ম গোট ধৰি।।
কৃষ্ণ পাদ-পদ্ম দুইকো বিচাৰি ফুৰন্ত।
জানি সৰ্ব্বোত্তম দেৱ ভজা ভগৱন্ত।।৮০
হেনবা বুলিবা লক্ষ্মী পৰম ঈশ্বৰী।
কিহেতু কৃষ্ণক সেৱা কৰন্ত সাদৰি।।
সকল পৌৰুষশালী সৰ্ব্বোত্তম জানি।
এতেকে কৃষ্ণক সেৱা কৰন্ত গোসানী।।৮১
ইহাৰ প্ৰমাণ কহো পৃথুৰ বচনে।
প্ৰাৰ্থিলন্ত পৃথু যেন কৃষ্ণৰ চৰণে।।
যাচিলা মাধৱে বৰ লোৱা পৃথুৰায়।
ৰজায়ে বোলন্ত মোৰ বৰে কাৰ্য্য নাই।।৮২
তযু পাদ-পদ্মক ভজিয়া সৰ্ব্বভাৱে।
হাতত ধৰিয়া পদ্ম যেন লক্ষ্মীমাৱে।।
তোমাক সেৱন্ত মাত্ৰ ত্যজি আন বৰ।
ময়ো সেহিমতে তযু চৰণ কিঙ্কৰ।।৮৩
বুলিবা দুহানো মই ভৈলে একপতি।
লাগিবে কন্দল লক্ষ্মী সহিতে সম্প্ৰতি।।
শুনিয়োক ইহাৰ উত্তৰ কৃপাময়।
উত্তম পুৰুষ তুমি গুণৰ আলয়।।৮৪
ভকতত তোৰ কৃপাৰ নাই সীমা।
নালাগিবে দ্বন্দ্ব তযু চৰণ মহিমা।।
লাগে যদি কন্দল নকৰোঁ তাক ভয়।
সৱে ৰাজ্যভাৰ ভোগ সম্পত্তি হৰয়।।৮৫
তথাপি সেৱিবো প্ৰভু তোমাৰ চৰণ।
লক্ষ্মীত তোমাৰ নাহি কিছু প্ৰয়োজন।।
নিজানন্দ স্বৰূপ যিহেতু দামোদৰ।
লক্ষ্মীৰ বস্তুতো নাহি এতেকে আদৰ।।৮৬
তথাপি ভক্তৰ কৰা অল্পকে বিস্তৰ।
দৰিদ্ৰ বৎসল তুমি কৃপাৰ সাগৰ।।
স্বৰূপত লক্ষ্মীদ্বেষ নকৰে ভক্তক।
মাতৃ যেন অনুগ্ৰহ কৰয় পুত্ৰক।।৮৭
সেহিমতে জগত জননী লক্ষ্মীমাৱে।
তযু ভকতক দয়া কৰন্ত স্বভাৱে।।
জগতৰ আত্মা কৃষ্ণ তুষ্ট ভৈল যাৰ।
দেখাইলোহোঁ লক্ষ্মীযেন তৃপিতি তাহাৰ।।৮৮
শ্ৰীৰুদ্ৰদেৱৰ পৰম প্ৰিয় ভক্ত।
হৰি সেৱা কৰোঁ শঙ্কৰত অনুৰক্ত।।
মহেশৰ বাক্যে লৈয়া প্ৰমাণ সাক্ষাত।
কহিচে আপুনি হৰ দশ প্ৰচেতাত।।৮৯
প্ৰধান পুৰুষ দুইতো পৰ বাসুদেৱ।
ভগৱন্ত ঈশ্বৰক যিটো কৰে সেৱ।।
নাজানি যদ্যপি মোৰ অপৰাধ কৰে।
তথাপিতো মোৰ প্ৰিয় নাহি আত পৰে।।৯০

---

৭৮-৮০। মূঃ শ্লোঃ- (সুনীতিৰ উক্তি)
নান্যং ততঃ পদ্মপলাশলোচনাদ্দুঃখচ্ছিদং তে মৃগয়ামি কঞ্চন।
যো মৃগ্যতে হস্তগৃহীতপদ্ময়া শ্ৰিয়েতৰৈৰঙ্গ ৱিমৃগ্যমানয়া।- ৪/৮/২৩
৮১-৮৮। মূঃ শ্লোঃ- (পৃথুৰ উক্তি)
অথাভজে ত্বাখিলপুৰুষোত্তমং গুণালয়ং পদ্মকৰেৱ লালসঃ।
অপ্যাৱয়োৰেকপতিস্পৃধোঃ কলিৰ্ন স্যাৎ কৃতত্বচ্চৰণৈকতানয়োঃ।।
জগজ্জনন্যাং জগদীশ ৱৈশসং স্যাদেৱ যৎকৰ্ম্মণি নঃ সমীহিতম্।
কৰোতি ফলগ্বপ্যুৰুদীনৱৎসলঃ স্ব এৱ ধিষ্ণ্যেঽহভিৰতস্য কিং তয়া।। - ৪/২০/২৭-২৮
৮৯-৯০। মূঃ শ্লোঃ- (শ্ৰীৰুদ্ৰৰ উক্তি)
যঃ পৰং ৰংহসঃ সাক্ষাৎ ত্ৰিগুণাজ্জীৱসংজ্ঞিতাৎ। ভগৱন্তং ৱাসুদেৱং প্ৰপন্নঃ স প্ৰিয়োহি মে।। - ৪/২৪/২৮

মহা ভাগৱত তোৰা মোৰ প্ৰিয়তম।
দেখো তোমাসাক মই ভগৱন্ত সম।।
তুমিসৱো মোত প্ৰীতি কৰিবা সদাই।
মোত পৰে ভকতৰ প্ৰিয় আন নাই।।৯১
থওঁ উপসংহৰি বচন মহেশৰ।
শুনা এৱে কহোঁ বিমৰিষি পূৰ্ব্বাপৰ।।
যিহেতু পৰম আত্মা হৰিযে জীৱৰ।
হৰি তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ।।৯২
এতেকেসে শাস্ত্ৰ কহে যতেক উপায়।
হৰিৰ প্ৰীতিসে তাৰ ফল সমুদায়।।
এহিমান সমস্ত শাস্ত্ৰৰ তত্ব মৰ্ম্ম।
হৰিতুষ্ট হোন্ত যাত তাকে বুলি ধৰ্ম্ম।।৯৩
যাত হন্তে মতি অতি উপজে কৃষ্ণত।
তাকেসে বুলিয়া বিদ্যা জান সাৰতত্ত্ব।।
হৰিসে দেহিৰ মহা প্ৰিয়তম গতি।
আপুনি ঈশ্বৰ হৰি আপুনি প্ৰকৃতি।।৯৪
এহিহেতুতেসে দেৱান্তৰ সেৱা যত।
হৈয়া আছে হৰি ভকতিৰ অন্তৰ্গত।।
ভকতিত সিজে সৱে সেৱা দেৱতাৰ।
প্ৰহ্লাদ বচনে লৈয়ো প্ৰমাণ ইহাৰ।।৯৫
বোলন্ত প্ৰহ্লাদে শুনা অসুৰ সমস্ত।
যাৰ আছে নিষ্কাম ভকতি মাধৱত।।
তাহাৰেসে পৰম নিৰ্ম্মল ভৈল চিত্ত।
মহা প্ৰেমৰস তাতে হোৱয় বিদিত।।৯৬

হোৱে কৃতকৃত্য ভকতিৰ প্ৰসাদত।
ধৰ্ম্মজ্ঞান সহিতে দেৱতা আছে যত।।
পৰম শ্ৰদ্ধায়ে তাক কৰন্ত আশ্ৰয়।
ভৈল সিটো নৰ সৰ্ব্বগুণৰ আলয়।।৯৭
যিটো দুৰাশয় তেজি হৰিৰ ভকতি।
গৃহৰ সুখত ৰাত্ৰি দিনে আসকতি।।
ফুৰে বহিৰ্মুখ হুয়া মিছা বিষয়ত।
নাহি কদাচিতো তাত মহাগুণ যত।।৯৮
গৃহাদি আসক্ত ভক্তিহীন লোক যত।
সিসৱ লোকত দেখি মহত্ত্ব সাম্প্ৰত।।
হেন যদি বোলা শুনা ইহাৰ উত্তৰ।
বাঞ্চিত জীৱন যেন জলেসে মৎস্যৰ।।৯৯
সেহিমতে আত্মা হৰি সমস্ত জীৱৰ।
পৰম প্ৰসিদ্ধ ইটো সমস্ত শাস্ত্ৰৰ।।
হৰি এৰিলতে মিলে তেখনে মৰণ।
জল বিনে নাহি যেন মৎস্যৰ জীৱন।।১০০
হেন হৰি এৰি কৰে গৃহে আসকতি।
তাৰ যেন মহত্ত্ব শুনিয়ো প্ৰতি প্ৰতি।।
বৃদ্ধক পূজয় যেন শূদ্ৰৰ মাজত।
ভাৰ্য্যাৰ ওপৰি যেন স্বামীৰ মহত্ত্ব।।১০১
পিতৃৰ মহত্ত্ব যেন পুত্ৰৰ ওপৰে।
কনিষ্ঠে জ্যেষ্ঠক যেন মতে মান্য কৰে।।
হৰি বিমুখৰ জানা তেনয় মহত্ত্ব।
নাহি কদাচিতো তাত মহাগুণ যত।।১০২
কালে যাক অধিকাৰ কৰে বিদ্যমান।

৯১-৯২। মূঃ শ্লোঃ-
অথ ভাগৱতা যূয়ং প্ৰিয়াঃ স্থ ভগৱান্ যথা। ন মদ্ভাগৱতানাং চ প্ৰেয়ানন্যোঽস্তি কৰ্হিচিৎ।। - ৪/২৪/৩০
৯২-৯৪। মূঃ শ্লোঃ- (নাৰদৰ উক্তি)
তৎ কৰ্ম্ম হৰিতোষং যৎ সা ৰিদ্যা তন্মতিৰ্যয়া। হৰিৰ্দেহভৃতামাত্মা স্বয়ং প্ৰকৃতিৰীশ্বৰঃ।। - ৪/২৯/৪৯-৫০
৯৫-৯৮। মূঃ শ্লোঃ- (প্ৰহ্লাদৰ উক্তি)
যস্যাস্তি ভক্তিৰ্ভগৱত্যকিঞ্চনা সৰ্ব্বৈৰ্গুণৈস্তত্ৰ সমাসতে সুৰাঃ।
হৰাৱভক্তস্য কুতো মহদ্‌গুণা মনোৰথেনাসতি ধাৱতো ৰহিঃ।। - ৫/১৮/১২
১০১-১০২। মূঃ শ্লোঃ -
হৰিৰ্হি সাক্ষাদ্ ভগৱান্ শৰীৰিণামাত্মা ঋষাৰ্ণামিৱ তোয়মিস্পীতম্।
হিত্বা মহাংস্তং যদি সজ্জতে গৃহে তদা মহত্ত্বং ৱয়সা দম্পতীনাম্।। - ৫/১৮/১৩
১০৩-১০৬। মূঃ শ্লোঃ- (শ্ৰীলক্ষ্মীদেৱীৰ উক্তি)
স ৱৈ পতিঃ স্যাদকুতোভয়ঃ স্বয়ংসমন্ততঃ পাতি ভয়াতুৰং জনম্।
স এক এৱেতৰথা মিথো ভয়ং নৈৱাত্ম লাভাদধি মন্যতে পৰম্।। - ৫/১৮/২০

তাহাৰ মহত্ত্ব উপাহাস্যৰেসে স্থান।।
এতেকে জানিবা সৰ্ব্বভাৱে পুৰুষৰ।
ভগৱন্ত মাত্র ভৈল ভজনি ঈশ্বৰ।।১০৩
হৰি বিনে আছন্ত যতেক আনদেৱ।
আপোনাক ৰাখিবাক ক্ষম নোহে কেৱ।।
নাহি আপোনাৰো পুৰী কালৰ ভয়তে।
তাৰাসৱে আনক ৰাখিবে কেনমতে।।১০৪
কেৱল নিৰ্ভয় এক ঈশ্বৰ মুৰাৰি।
কাল মায়া আদি সমস্তৰে অধিকাৰী।।
আত্মালাভ বিনে সুখ আন নমানন্ত।
সৰ্ব্বভাৱে ভয়াতুৰ জনক ৰাখন্ত।।১০৫
জানিয়া তাহান দুই উভয় চৰণে।
হুয়োক শৰণাপন্ন কায়বাক্য মনে।।
সতকুলে জন্ম তান তুষ্টৰ কাৰণ।
নোহে কহোঁ শুনা হনুমন্তৰ বচন।।১০৬
কিম্পুৰুষ বৰিষত ৰামক উপাসি।
আছন্ত সৱাতে কন্ত ভকতি প্রকাশি।।
শুনা সৰ্ব্বজনে কথা কহোঁ সাৰতত্ত্ব।
সুৰাসুৰ নৰ আন লোক আছে যত।।১০৭
তাহাৰ মাজত যিটো হৰিক ভজয়।
সি সি মহাজনে তান তোষক পাৱয়।।
পৰম কৃতজ্ঞ ৰাম প্ৰভু ভগৱন্ত।
অল্প ভজনতে কৰে বহু মান্যৱন্ত।।১০৮
অযোধ্যা নিৱাসী জীৱজন্তু সমস্তক।
নিলা আতি কৌতুকে সৱাকে বৈকুণ্ঠক।।
অল্প সেৱা মাত্র যেন কৰে বহু মান।
আপোনাতে দৃষ্টান্ত দেখাওঁ বিদ্যমান।।১০৯
নুহিকে উত্তম জন্ম আকৃতি সুন্দৰ।
বাক্যৰো চাতুৰী নাহি বুদ্ধিও বিস্তৰ।।
নাহি একো গুণ আমি বনৰ বানৰ।
অনুগ্ৰহ পাত্ৰ ভৈলো তথাপি ৰামৰ।।১১০
এতেকে ভকতি হৰি তোষৰ কাৰণ।
ব্যৰ্থ হয় বিষয়ত আন গুণগণ।।
কিন্তু তাতে কৰে যিটো নিষ্কাম ভকতি।
পৰম কৃতাৰ্থ ভৈল সি সি মহামতি।।১১১
ভজিয়া কৃষ্ণত যিটো কামনা কৰয়।
কৰন্ত পূৰণ তাক ইটো সত্য হয়।।
তথাপি কৃষ্ণৰ নাহি সন্তোষ মনত।
সৱে মায়াময় ইন্দ্ৰিয়ৰ ভোগ যত।।১১২
ব্ৰহ্মলোক আদি কৰি সমস্ত নিৱাসী।
ভোগ নষ্ট ভৈলে পুনু প্ৰাৰ্থিৱন্ত আসি।।
নেদন্ত মাধৱে জোনু কিছু নুখুজিলে।
নকৰিবা শঙ্কা ইটো মনত সমূলে।।১১৩
নবাঞ্ছয় কিছু যিটো ভজি মাধৱক।
দিৱন্ত আপুনি নিজ পাদ পল্লৱক।।
যাক পাইলে ভকতৰ পুণ্য হোৱে মন।
সৰ্ব্বকাম বৰিষণ কৃষ্ণৰ চৰণ।।১১৪
মোক্ষ আদি কৰি সুখ যতেক আছয়।
চৰণ সেৱাক পাইলে কিছু নবাঞ্ছয়।।
কৃষ্ণ পাদপদ্ম মকৰন্দ কৰি পান।
হুয়া পৰিপূৰ্ণ মনে নোখোজয় আন।।১১৫
কামনা পূৰ্ব্বকে যদি কৃষ্ণক ভজয়।
তাহাৰো পৰম হিত চিন্তে কৃপাময়।।
বাৰেকাদি কামনা পূৰন্ত কৃষ্ণে তাৰ।
পুনু পুনু খুজিলে নেদন্ত আৰ বাৰ।।১১৬
অনৰ্থ বিষয় পৰমাৰ্থদাতা হৰি।
এতেকে ভক্তৰ বিষয়ক দূৰ কৰি।।
নোখোজন্তে নিজে পাদ পল্লৱ সুখক।
দেন্ত যাক পাইলে আৰ নোখোজে আনক।।১১৭

১০৬-১১১। মূঃ শ্লোঃ- (শ্ৰীহনুমানৰ উক্তি)
ন জন্ম নূনং মহতো ন সৌভগং ন ৱাঙ্ ন বুদ্ধিৰ্নাকৃতিস্তোষহেতুঃ।
তৈৰ্যদ্বিসৃষ্টানপি নো ৱনৌকসশ্চকাৰ সখ্যে ৱত লক্ষ্মণাগ্ৰজঃ।।
সুৰোঽসুৰো ৱাপ্যথ ৱানৰো নৰঃ সৰ্ব্বাত্মনা যঃ সুকৃতজ্ঞমুত্তমম্।
ভজেত ৰামং মনুজাকৃতিং হৰিং য উত্তৰানন যৎ কোশলান্দিৱমিতি।। - ৫/১৯/৭-৮
১১২-১২০ ক। মূঃ শ্লোঃ- (দেৱতাসকলৰ উক্তি)
সত্যাং দিশত্যৰ্থিতমৰ্থিতো নৃণাং নৈৱাৰ্থদো যৎ পুনৰৰ্থিতা যতঃ।
স্বয়ং ৱিধত্তে ভজতামনিচ্ছতামিচ্ছাপিধানং নিজপাদপল্লৱম্।। - ৫/১৯/২৭

যেন শিশু সৱে কৰে মৃত্তিকা ভক্ষণ।
তাক দেখি অনৰ্থক ভয় মাতৃগণ।।
খাইবাক নেদয় আৰু মুখৰো গুচাৰে।
কান্দিবাক দেখি নোখোজন্তে আনি মাৰে।।১১৮
দেয় খণ্ড শৰ্কৰা ভুঞ্জয় শিশু তাক।
জানিয়া মধুৰ স্বাদ ত্যজে মৃত্তিকাক।।
শৰ্কৰাকে মাত্ৰ শিশু খোজয় পাচত।
হৰিভক্ত সৱৰো স্বভাৱ সেহিমত।।১১৯
এতেকে নিষ্কাম ভক্ত স্বভাৱে কৃতাৰ্থ।
এহিমানে সমস্ত শাস্ত্ৰৰ পৰমাৰ্থ।।
বুলিবা ইসৱ কথা কৈলা সৱে ব্যৰ্থে।
মহন্তো কৰয় অৰ্থ কাম ভোগ অৰ্থে।।১২০
শুনা একচিত্ত কৰি ইহাৰ সিদ্ধান্ত।
কদাচিতো শাস্ত্ৰে তাক নোবোলে মহন্ত।।
বিষয়ৰ ভোগক এৰিয়া যিটোজন।
পৰম শ্ৰদ্ধায়ে ভজে কৃষ্ণৰ চৰণ।।১২১
তাকেসে বুলিয় সাধু লৈয়োক প্ৰমাণ।
প্ৰহ্লাদৰ বচনে দেখিয়ো বিদ্যমান।।
বোলন্ত প্ৰহ্লাদে শুনা পিতৃ মহাভাগ।
গৃহ অন্ধকূপত এৰিও অনুৰাগ।।১২২
অসন্ত বিষয় অণুমাত্ৰ সুখ নাই।
মিছা অহম্মম ভাৱ এৰিয়ো সদায়।।
হৰিকে চিন্তিয়ো মাত্ৰ গৈয়া তপোবনে।
ইসি সাধুকাৰ্য্য বুলি মনে মোৰ মানে।।১২৩

এহি মানে মাত্ৰ শ্ৰেষ্ঠ ধৰ্ম্ম পুৰুষৰ।
একচিত্তে ভক্তি আচৰিয়া মাধৱৰ।।
শ্ৰৱণ কীৰ্ত্তন তান কৰিব সদায়।
ভকতিত আৰ আত পৰে শ্ৰেষ্ঠ নাই।।১২৪
কৰিবা সংশয় দেৱ পিতৃ নভজিলে।
তাসম্বাত হন্তে জানো মহাভয় মিলে।।
নকৰিবা শঙ্কা শুনা ইহাৰ উত্তৰ।
ভৈলা যাৰা সৱ আসি নাৰায়ণ পৰ।।১২৫
কৃষ্ণৰ অভয় দুই চৰণত ধৰি।
স্বৰ্গ মোক্ষ নৰক মানে তুল্য কৰি।।
এতেকেসে স্ত্ৰী শূদ্ৰ আদি ভক্তচয়।
নকৰন্ত কতো হন্তে অণুমাত্ৰ ভয়।।১২৬
ভকতিৰ প্ৰসাদত মিলে মহাভাগ।
নাহি তাৰাসৱৰ কাহাতো অনুৰাগ।।
ভকতিৰ সাধ্য জ্ঞান বৈৰাগ্যৰ বলে।
নাহি কিছু সাৰ মিছা দেখন্ত সকলে।।১২৭
বুলিবা ভক্তিত যেৱে গুচে সৱে ভয়।
কিহেতু কৃষ্ণক তেৱে সৱে নভজয়।।
শুনিয়ো ইহাৰো কহো উত্তৰ সম্প্ৰতি।
পৰম বিষয়ী যতলোক গৃহৱৰ্ত্তী।।১২৮
ইন্দ্ৰিয়ৰ সুখে যাৰ সদা আসকতি।
কদাচিতো কৃষ্ণত নুপজে তাৰ মতি।।
গুৰু উপদেশত বা আপুনাত হন্তে।
নপাইবেক বোধ অন্যোঅন্যে বিচাৰন্তে।।১২৯

---

১২০-১২৩। মূঃ শ্লোঃ- (প্ৰহ্লাদৰ উক্তি)
তৎ সাধু মন্যেহসুৰৱৰ্য্য দেহিনাং সদা সমুদ্বিগ্নধিয়ামসদ্গ্ৰহাৎ
হিত্বহত্মপাতং গৃহমন্ধকূপং ৱনং গতো যদ্ধৰিমাশ্ৰয়েত।। - ৭/৫/৫
১২৪। মূঃ শ্লোঃ- (যমৰ উক্তি)
এতাৱানেৱ লোকেহস্মিন্ পুংসাং ধৰ্ম্মঃ পৰঃ স্মৃতঃ।
ভক্তিযোগো ভগৱতি তন্নামগ্ৰহণাদিভিঃ।। - ৬/৩/২২
১২৫-২৬। মূঃ শ্লোঃ- নাৰায়ণপৰাঃ সৰ্ৱে ন কুতশ্চন ৱিভ্যতি। স্বৰ্গাপৱৰ্গনৰকেষ্বপি তুল্যাৰ্থদৰ্শিনঃ।। - ৬/১৭/২৮
১২৭। মূঃ শ্লোঃ- ৱাসুদেৱে ভগৱতি ভক্তিমুদ্বহতাং নৃণাম্। জ্ঞানৱৈৰাগ্যৱীৰ্য্যাণাং নেহ কশ্চিদ্ ৱ্যপাশ্ৰয়ঃ।। - ৬/১৭/৩১।
১২৮-১৩৫। মূঃ শ্লোঃ (প্ৰহ্লাদৰ উক্তি)
মতিৰ্ন কৃষ্ণে পৰতঃ স্বতো ৱা মিথোহভিপদ্যেত গৃহব্ৰতানাম্
অদান্ত গোভিৰ্ৱিশতাং তমিস্ৰং পুনঃ পুনশ্চৰ্ব্বিত চৰ্ব্বণানাম্।।
ন তে ৱিদুঃ স্বাৰ্থগতিং হি ৱিষ্ণুং দুৰাশয়া যে বহিৰৰ্থমানিনঃ।
অন্ধা যথাহন্ধৈৰুপনীয়মানা ৱাচীশতন্ত্ৰ্যামুৰুপদাম্নি বদ্ধাঃ।। - ৭/৫/৩০-৩১

নাহি ইন্দ্ৰিয়ৰ উপৰতি বিষয়ত।
চোবোৱাকে চোবাই ফুৰে ঘোৰ সংসাৰত।।
হোৱে অন্ধ ভাৰ্য্যাপুত্ৰ ধনৰ আক্ৰোসে।
নভজে কৃষ্ণক বিষয়ৰ সঙ্গ দোষে।।১৩০
বুলিবা পৰমানন্দ কৃষ্ণৰ মূৰুতি।
নভজে তাহাক সৱে কমন যুগুতি।।
শুনিয়োক স্থিৰ চিত্তে ইহাৰ নিৰ্ণয়।
অজ্ঞানত থাকিয়া কৃষ্ণক নভজয়।।১৩১
কৃষ্ণেসে ভৈলন্ত মাত্ৰ যাৰ প্ৰয়োজন।
তাৰেসে কেৱলে প্ৰাপ্য প্ৰভু নাৰায়ণ।।
বিষয় বাসনাবদ্ধ যাহাৰ হৃদয়।
নজানে বিষ্ণুক জানা সিটো দুৰাশয়।।১৩২
বুলিবা জানিবে সিটো গুৰু উপদেশে।
ইহাৰ উত্তৰ যেন শুনিয়ো নিঃশেষে।।
আপুনি বিষয়ী বিষয়ীক গুৰু মানে।
তাৰ উপদেশে সিটো বিষ্ণুক নজানে।।১৩৩
যেন অন্ধলাক অন্ধে পন্থ উপদেশে।
পড়িবেক দুয়ো গৈয়া গৰ্ত্তত অৱশ্যে।।
সেহিমতে মাধৱৰ বেদজৰী ছান্দি।
পৰিবে সংসাৰ গৰ্ত্তে দুয়ো হুয়া বন্দী।।১৩৪
বিষয়ত আতি আসকতি ভৈল যাৰ।
কৃষ্ণক পাইবাৰ আশা নিৰৰ্ত্তিল তাৰ।।
যেন বায়ু বস্ত্ৰ পশ্চিমক লৈয়া যায়।
পূৱক দেখিলে জানা সি কি বস্ত্ৰ পায়।।১৩৫
হেন জানি বিষয়ৰ বাসনা যাৰত।
নতু ধৰে আসি হৰি ভজিয়ো তাৰত।।
সৱে অৱস্থাতে ভক্তি কৰা সাৱধানে।
সকলো শাস্ত্ৰৰ তত্ব অৰ্থ এহিমানে।।১৩৬
পৰম দুৰ্ল্লভ নৰতনু আছা পায়।
নুহিকে শাশ্বত ইটো ক্ষণিকে পৰয়।।
জানিয়া বিষয় সুখে যত্ন পৰিহৰি।
কুমাৰ কালৰে পৰা আৰাধিয়ো হৰি।।১৩৭
নাহিকে বিস্তৰ শ্ৰম হৰিৰ সেৱাত।
বাল্য বৃদ্ধ সৱো পাৰে ভজিৱে সাক্ষাত।।
সমস্ত ভূতৰে হৰি আত্মা প্ৰিয়তম।
আপোনাকে আপুনি ভজন্তে কোন শ্ৰম।।১৩৮
আপোনাৰ নিজ সখা আত্মা ভগৱন্ত।
সৱাৰো হিয়াত হৰি স্বভাৱে আছন্ত।।
আনস্থানে বিচাৰিবে নলাগে কৃষ্ণক।
ভজিয়োক মাত্ৰ ত্যজি আন বিষয়ক।।১৩৯
মনুষ্য হৈবাৰ এহিমানে মাত্ৰ ফল।
পশু শৰীৰতো পায় বিষয় সকল।।
হেন বিষয়তে কৰে মানুষে হৰিস।
পশু এৰে তেৰে কিবা ভৈল বিসদৃশ।।১৪০
মনুষ্যৰ আয়ু ক্ষণ ভঙ্গুৰ সদায়।
পৰে কেতিক্ষণে এই আছে এই নাই।।
তাহাৰ বিষয় আশা পৰম নিষ্ফল।
পুত্ৰ দাৰা ধন জন সদায় চঞ্চল।।১৪১
একে নিমিষতে সৱে হৈব এৰাএৰি।
অসাৰ সংসাৰ যেন টাটেকৰ খেড়ি।।
যদি স্বৰ্গ পাৱে কৰ্ম্ম কৰিয়া বিশিষ্ট।
তাহাতো নাহিকে সুখ জানা নিষ্ঠে নিষ্ঠ।।১৪২

১৩৬-১৩৭। মূঃ শ্লোঃ- (দৈত্যশিশুসকলৰ প্ৰতি প্ৰহ্লাদৰ উক্তি)
কৌমাৰং আচৰেৎ প্ৰাজ্ঞো ধৰ্ম্মান্ ভাগৱতানিহ। দুৰ্ল্লভং মানুষং জন্ম তদপ্যধ্রুৱৰ্থদম্।। - ৭/৬/১
১৩৯। মূঃ শ্লোঃ-
নহ্যচ্যুতং প্ৰীণয়তো বহ্বায়াসোঽসুৰাত্মজাঃ। আত্মত্বাৎ সৰ্ব্বভুতানাং সিদ্ধত্বাদিহ সৰ্ব্বতঃ।। - ৭/৬/১৯
১৪০-১৪১। মূঃ শ্লোঃ-
কোঽতিপ্ৰয়াসোঽসুৰবালকা হৰেৰুপাসনে স্বে হৃদিছিদ্ৰৱৎসতঃ।
স্বস্যাত্মনঃ সখ্যুৰশেষদেহিনাং সামান্যতঃ কিং বিষয়োপপাদনৈঃ।। - ৭/৭/৮
১৪১-১৪২। মূঃ শ্লোক-
ৰায়ঃ কলত্ৰং পশৱঃ সুতাদয়ো গৃহা মহী কুঞ্জৰকোশ ভূতয়ঃ।
সৰ্ব্বেঽৰ্থকামাঃ ক্ষণভঙ্গুৰায়ুষঃ কুৰ্ব্বন্তি মৰ্ত্ত্যস্য কিয়ৎ প্ৰিয়ং চলাঃ।। - ৭/৭/৩৯
১৪৩-১৪৫। মূঃ শ্লোঃ-
এৱং হি লোকাঃ ক্ৰতুভিঃ কৃত্য অমী ক্ষয়ীষ্ণৱঃ সাতিশয়া ন নিৰ্ম্মলাঃ।
তস্মাদ্দৃষ্টশ্ৰুতদূষণং পৰং ভক্ত্যৈকয়েশং ভজতাত্মলব্ধয়ে।। - ৭/৭/৪০

পুণ্য তাৰতম্যে পাৱে বঢ়া টুটা সুখ।
অশ্ৰদ্ধা অসূয়া আদি তাতো আছে দুখ।।
অন্যোঅন্যে সৰ্ব্বক্ষণে নুগুচে কন্দল।
এতেকে স্বৰ্গৰ সুখ জানিবা নিষ্ফল।।১৪৩
ইহ পৰলোকৰ সুখৰ এৰি আশ।
ঈশ্বৰ কৃষ্ণত মাত্ৰ কৰিও বিশ্বাস।।
ভজি নৱবিধ ভক্তি মাধৱৰ পাৱে।
ধৰ্ম্ম অৰ্থ কাম যেহি চাৱে সেহি পাৱে।।১৪৪
বুলিবা অবোধ আমি দৈত্যৰ ছৱাল।
কেশৱক ভজিবে আমাৰ নোহে ভাল।।
পুণ্যৱন্ত জনৰেসে তাত অধিকাৰ।
ইটো শঙ্কা তেজি শুনা উত্তৰ ইহাৰ।।১৪৫
দেৱ দ্বিজ ঋষি তপ জপ যজ্ঞ দান।
যত শৌচাচাৰ তীৰ্থ ব্ৰত মহাজ্ঞান।।
ইটো সৱে বিড়ম্বন জানা নিষ্ঠ কৰি।
কেৱল ভক্তিত মাত্ৰ তুষ্ট হোৱে হৰি।।১৪৬
এতেকে ভক্তিত সমস্তৰে অধিকাৰ।
নাহি বৰ্ণাশ্ৰম আত নিয়ম বিচাৰ।
নাহিকে সঞ্জাত যদি মোহোৰ বাক্যত।
লৈয়ো তেৰে প্ৰমাণ সাক্ষাতে গজেন্দ্ৰত।।১৪৭
নাহি কুশ শীল ৰূপ নুহিকে পণ্ডিত।
নাহি বল বুদ্ধি তেজ প্ৰভাৱ কিঞ্চিত।।
লৈলা ভক্তি ভাৱে মাত্ৰ কেৱলে শৰণ।
এতেকে সন্তুষ্ট তাত ভৈল নাৰায়ণ।।১৪৮
বুলিবা হস্তীত যোগ্য গুণ একো নাই।
কিয় তুষ্ট হৈল তাৰ শুনা অভিপ্ৰায়।।
আন একো গুণে কেহো কৃষ্ণক নপাৱে।
ভক্তি মাত্ৰ গ্ৰাহ্য হৰি জানিবা স্বভাৱে।।১৪৯
ইহাৰ প্ৰমাণ আৰে লৈয়োক সম্প্ৰতি।
বামনৰ আগত প্ৰহ্লাদ নিগদতি।।
পৰম আশ্চৰ্য্য প্ৰভু তোমাৰ সৃষ্টিত।
তুমি জগততে সম আত্মা মহাহিত।।১৫০
অচিন্ত্য মায়াক লৈয়া তুমি নাৰায়ণ।
কৰা জগতৰ সৃষ্টি প্ৰলয় পালন।।
লাগে যদি পালিবে সৱাকো সমভাৱে।
ভকতক মাত্ৰ কৰা কৰুণা স্বভাৱে।।১৫১
তথাপিতো তোমাৰ বিষম গতি নাই।
যেন কল্পতৰুত প্ৰাৰ্থিলে ফল পায়।।
নুখুজিলে কদাচিতো যাচি নেদে গাছে।
তেৰে কোন বৃক্ষক বিষম বুলি আছে।।১৫২
সেহিমতে ভকতৰ বশ্য হৰিদেৱ।
সুদৃঢ় বিশ্বাসে তাঙ্ক নিতে কৰা সেৱ।।
নাহি ভকতিত জাতি আচাৰ বিচাৰ।
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ।। ১৫৩
ভকতিসে মাত্ৰ হৰি তোষৰ কাৰণ।
লৈয়ো সৰ্ব্বজন জানি কৃষ্ণত শৰণ।।

---

১৪৫খ মূঃ শ্লোঃ -
তস্মাদৰ্থাশ্চ কামাশ্চ ধৰ্ম্মাশ্চ যদপাশ্ৰয়াঃ। ভজতানীহয়াহত্মানমনীহং হৰিৰীশ্বৰম্।। - ৭/৭/৪৮
১৪৬-১৪৮। মূঃ শ্লোঃ -
নালং দ্বিজত্বং দেৱত্বমৃষিত্বং ৰাসুৰাত্মজাঃ। প্ৰীণনায় মুকুন্দস্য ন বৃত্তং ন বহুজ্ঞতা।।
ন দানং ন তপো নেজ্যা ন শৌচং ন ব্ৰতানি চ। প্ৰীয়তেহমলয়া ভক্ত্যা হৰিৰন্যদ্‌ৰিড়ম্বনম্। - ৭/৭/৫১-৫২
১৪৭-১৪৯। মূঃ শ্লোঃ-
মন্যে ধনাভিজনৰূপতপঃ শ্ৰুতৌজ স্তেজঃ প্ৰভাৱবল পৌৰুষবুদ্ধিযোগাঃ।
নাৰাধনায় হি ভৱন্তি পৰস্য পুংসো ভক্ত্যাতুতোষ ভগৱান্ গজযূথপায়।। -৭/৯/৯
১৫০-১৫৪। মূঃ শ্লোঃ- (বামনৰ প্ৰতি প্ৰহ্লাদৰ উক্তি)
চিত্ৰং তৱেহিতমহোহমিতযোগমায়ালীলাৰিসৃষ্টভুৱনস্য ৰিশাৰদস্য।
সৰ্ব্বাত্মনঃ সমদৃশো ৰিষমস্বভাৱো ভক্তপ্ৰিয়ো যদসি কল্পতৰুস্বভাৱঃ।। - ৮/২৩/৮।

এতেকে তৰিবা ঘোৰ সংসাৰক সুখে।
পলাওক পাতক ৰাম ৰাম বোলা মুখে।।১৫৪

**ছবি**

যেন মতে দামোদৰ    বশ্য হোন্ত ভকতৰ
শুনিলাহা পৰম উৎসুকে।
শুনা আৰো সাৱধানে    পৰীক্ষিত বিদ্যমানে
কৈলা যেন মহামুনি শুকে।।
কদাচিতো দেৱহৰি    নৱনীত চুৰি কৰি
খাইলা দেখি যশোদা সুন্দৰী।
ক্ৰোধে খেদি ধৰি আনি    উডুখলে টানি টানি
বান্ধন্ত গৰুৰ লৈয়া জৰী।।১৫৫
অনন্ত ব্ৰহ্মাণ্ড পতি    বাহিৰে ভিতৰে আদি
নাহি পূৰ্ব্বাপৰ আদি অন্ত।
বেদে নজানন্ত যাক    তাহান্তে গৃহক পাই
পুত্ৰ বুলি যশোদা বান্ধন্ত।।
ফোকাৰন্ত শ্ৰান্ত পাই    গোৰে ঘাম বহি যাই
খসিয়া খোপাৰ পৰে ফুল।
মাতৃৰ দেখিয়া শ্ৰম    কৃপায়ে বন্ধন পাচে
লৈলা জগতৰ আদিমূল।।১৫৬
মোৰ বশ্য চৰাচৰ    ময়ো বশ্য ভকতৰ
হেনসে দেখাইলা দামোদৰ।
তথাপি কৃষ্ণক এৰে    আনক ভজিয়া মৰে
কিনো লোক অধম পামৰ।।
ব্ৰহ্মা লক্ষ্মী মহাদেৱে    নাপাইল প্ৰসাদ হেন
পাইলা যেন যশোদা কৃষ্ণত।
ভকতে সুলভে পাৱে    ইটো গোপীকাৰ পোক
নপাৱয় জ্ঞানী কৰ্ম্মী যত।।১৫৭
বুলিবাহা সুখে জ্ঞানী    নপাইলেও নাহি হানি
জ্ঞানে গতি সাধিবে তাহাৰ।
ভকতি বিহীন ভৈলে    নাহিকে জ্ঞানত সিদ্ধি
শুনা কহোঁ বচন ব্ৰহ্মাৰ।।
কৰন্তে নাহিকে দুখ    মিলাৱে মুকুতি সুখ
ত্যজি হেন তোমাৰ ভকতি।
কেৱল বোধৰ অৰ্থে    ধ্যান ধাৰণা আদি
বহুবিধ শ্ৰমে কৰে ৰতি।।১৫৮
নুহি মুকুতিৰ পাত্ৰ    তাৰ লাভ শ্ৰম মাত্ৰ
কদাচিতো সিদ্ধি নাহি আন।
অল্প বুলি ধান এৰি    তণ্ডুলক আশা কৰি
যেন মৰে বাহানি পতান।।
দেখাওঁ তাৰ সদাচাৰ    যত মহাজ্ঞানী সাৰ
জ্ঞানে গতি নপায়া পূৰ্ব্বত।
পাছে যোগ ধ্যান এৰি    তোমাতে অৰ্পণা কৰি
লৌকিক বৈদিক কৰ্ম্ম যত।।১৫৯
সাধু সঙ্গ অনুসৰি    শ্ৰৱণ কীৰ্ত্তন কৰি
আচৰিয়া তোমাৰ ভক্তিক।
তযু সেৱা প্ৰসাদত    জানি আপোনাৰ তত্ত্ব
সুখে পাইল পৰম গতিক।।
ভকতৰ কৃত্য শেষ    নাহি আৰ লৱ লেশ
ভৈল পৰিপূৰ্ণ অনায়াসে।
লৈয়োক প্ৰমাণ আৰ    আগে নন্দ যশোদাৰ

---

১৫৫-১৫৬। মূঃ শ্লোঃ - (পৰীক্ষিতৰ প্ৰতি শুকদেৱৰ উক্তি)
স্বমাতুঃ খিন্নগাত্ৰায়া বিস্ৰস্তকবৰস্ৰজঃ। দৃষ্ট্বা পৰিশ্ৰমং কৃষ্ণঃ কৃপয়াহসীৎস্ববন্ধনে।। - ১০/৯/১৮
১৫৭ ক-খ। মূঃ শ্লোঃ -
এৱং সন্দৰ্শিতা হ্যঙ্গ হৰিণা ভৃত্যৱশ্যতা। স্বৱশেনাপি কৃষ্ণেন যস্যেদং সেশ্বৰং ৱশে।। - ১০/৯/১৯
১৫৭ গ-ঘ। মূঃ শ্লোঃ-    নেমং ৱিৰিঞ্চো ন ভৱো ন শ্ৰীৰপ্যঙ্গসংশ্ৰয়া।
প্ৰসাদং লেভিৰে গোপী যত্তৎপ্ৰাপ ৱিমুক্তিদাৎ।। -১০/৯/২০
১৫৮।    মূঃ শ্লোঃ-
নায়ং সুখাপো ভগৱান্- দেহিনাং গোপিকাসুতঃ। জ্ঞানিনাং চাত্মভূতানাং যথা ভক্তিমতামিহ।। - ১০/৯/২১
১৫৮-১৫৯। ওপৰত উল্লেখ কৰা তত্ত্বৰ প্ৰমাণ স্বৰূপে- ১৫৯ ক-খ ব্ৰহ্মাৰ উক্তিৰ উদ্ধৃতি দিয়া হৈছে--
মূঃ শ্লোঃ-    শ্ৰেয়ঃ শ্ৰুতিং ভক্তিমূদস্য তে ৱিভো ক্লিশ্যন্তি যে কেৱলবোধলব্ধয়ে।
তেষামসৌ ক্লেশল এৱ শিষ্যতে নান্যদ্ যথা স্থূলতুষাৱঘাতিনাম্।। ১০/১৪/৪

কহিলা উদ্ধৱ হৰি দাসে।।১৬০
জগত কাৰণ যিটো নিখিল জীৱৰ আত্মা
নাৰায়ণ পৰম পুৰুষ।
পৰম ঈশ্বৰ হৰি নিজ মায়া বশ্য কৰি
কাৰণেসে ভৈলন্ত মানুষ।
তাহান্তে ভকতি নিতে কৰাহা একান্ত চিত্তে
বাঢ়িবে কৃষ্ণত দুইৰো স্নেহ।
দোহান কৰ্ত্তব্য আৰ নাহি জানা সাৰে সাৰ
নকৰিবা ইহাত সন্দেহ।।১৬১
তপ জপ যজ্ঞ যাগ যোগ তীৰ্থ ব্ৰত দান
কৰে যেৱে মহাশুদ্ধভাৱে।
তেৱেসে সুদৃঢ় চিত্তে ভকতি কৰিতে পাৰে
ঈশ্বৰ কৃষ্ণৰ দুয়ো পাৱে।।
নাহিকে আমাত একো ধৰ্ম্মহেন খেদ চিত্তে
নকৰিবা তুমি গোপৰাজ।
সমস্তে ধৰ্ম্মৰ ফল ভকতিকে পাইলে যিটো
কাৰ আন ধৰ্ম্মে কোন কাজ।।১৬২
নন্দৰ আগত যত কহিলা উদ্ধৱে তাক
সংহৰিয়া এহি মানে থওঁ।
বৰ্ণাইলন্ত আৰু যেন গোপীৰ ভকতি দেখি
শুনিয়োক তাক কিছু কওঁ।।
জাতি কুলাচাৰ ধৰ্ম্ম জ্ঞানে কৃষ্ণ দেৱতাৰ
নুহি অনুগ্ৰহৰ কাৰণ।
কিন্তু ভক্তিভাৱে আতি ভজোক অজাতি জাতি
আতেসে সন্তুষ্ট নাৰায়ণ।।১৬৩
কৈৰ কামাতুৰ নাৰী দুষ্টা মহা ব্যভিচাৰী
কামভাৱে ভজিয়া কৃষ্ণক।
তথাপিতো দেখা কেনে কৃষ্ণদেৱ বিষয়ত
পাইলা মহা আৰূঢ় ভাৱক।।
ইটো গোপীজাক প্ৰতি কৃষ্ণৰ পৰম প্ৰীতি
ভৈল আৰ দেখিলোঁ সাক্ষাত।
এতেকে জানিলোঁ মহা অজ্ঞসৰো পাৱে গতি
ইটো কৃষ্ণদেৱৰ সেৱাত।।১৬৪
ৰাসোৎসৱে ৰঙ্গকৰি গোপীৰ কণ্ঠত ধৰি
মহাবাহু মেলি আলিঙ্গন্তে।
পৰম আনন্দে সিটো পাইলেক প্ৰসাদ ইটো
গোপীসৱে মাধৱত হন্তে।।
হৃদয়ত থাকি নিত্য লক্ষ্মী তাঙ্ক নিতে পান্ত
আন দেৱ ৰমনী সৰ্ব্বথা।
নতু পাৱে দেখিবাক ইটো মহাপ্ৰসাদক
আৰ আন স্ত্ৰীৰ কোন কথা।।১৬৫
গোপীৰ ভাগ্যৰ কথা থাকোক বৰ্ণাইবো কত
মোৰ হেন প্ৰাৰ্থনা মনত।
তাসম্বাৰ পদ ৰেণু যিটো তৃপ্ত বনে পাৱে
ইটো বৃন্দাবনৰ মাজত।।
তাৰ একগাছি তৃণ হৈয়ো থাকোঁ তেৱে মোৰ
মিলে মহা ভাগ্য বিপৰীত।
ইটো গোপীসকলৰ পৰম পৱিত্ৰতৰ

১৫৯-১৬০। মূঃ শ্লোঃ --
পুৰেহ ভূমন বহৱোহপি যোগিনস্তৃদৰ্পিতেহা নিজকৰ্ম্মলব্ধয়া।
ৱিবুধ্য ভক্ত্যৈৱ কথোপনীতয়া প্ৰপেদিৰেহঞ্জোহচ্যুত তে গতিং পৰাম্।। - ১০/১৪/৫
১৬০-১৬১। মূঃ শ্লোঃ --
তস্মিন্ ভৱন্তাৱখিলাত্মহেতৌ নাৰায়ণে কাৰণমৰ্ত্তমূৰ্ত্তৌ।
ভাৱং ৱিদত্তাং নিতৰাং মহাত্মন্ কিং ৱাৱশিষ্টং যুৱয়োঃ সুকৃত্যম্।। - ১০/৪৬/৩৩
১৬২। মূঃ শ্লোঃ- দানব্ৰততপোহোমজপস্বাধ্যায়সংযমৈঃ।
শ্ৰেয়োভিৰ্বিৱিধৈশ্চান্যৈঃ কৃষ্ণে ভক্তিৰ্হি সাধ্যতে।। -১০/৪৭/২৪
১৬২-১৬৪। মূঃ শ্লোঃ-
ক্বেমাঃ স্ত্ৰিয়ো ৱনচৰীৰ্ব্যভিচাৰদুষ্টাঃ কৃষ্ণেক্কচৈষ পৰমাত্মনি ৰূঢ় ভাৱঃ।
নন্বীশ্বৰোহ নুভজতোহৱিদুষোহপিসাক্ষাচ্ছ্ৰেয়স্তনোত্যগদৰাজ ইৱোপযুক্তঃ।। - ১০/৪৭/৫৯
১৬৫। মূঃ শ্লোঃ নায়ং শ্ৰিয়োহঙ্গ উ নিতান্তৰতেঃ প্ৰসাদঃ স্বৰ্যোষিতাং নলিনগন্ধৰুচাং কুতোহন্যাঃ
ৰাসোৎসৱেহস্য ভুজদণ্ডগৃহীতকণ্ঠলব্ধাশিষাং য উদগাদ্ব্ৰজৱল্লৱীনাম্।। ১০/৪৭/৬০

চৰণ ৰেণুক পাইবো নিত।।১৬৬
গৃহৰ দুষ্ট্যজ আশা কুলাচাৰ ধৰ্ম্ম তেজি
ভজিলন্ত কৃষ্ণৰ চৰণে।
দুৰ্লভ জানিয়া মনে বিচাৰিয়া সৰ্ব্বজনে
ফুৰন্ত সমস্ত বেদগণে।।
উত্তম ক্ষত্ৰিয় জাতি উদ্ধৱে প্ৰাৰ্থিলা আতি
যিটো স্ত্ৰীৰ চৰণৰ ধূলি।
এতেকে কৃষ্ণক যত পাইবাৰ উপায় আন
দোষ সিও গুণেসে সমূলি।।১৬৭
শুনিয়োক সভাসদ ভক্তি-ৰত্নাৱলী পদ
ভকতৰ ইসে মহাধন।
জানিবা সমস্তে তত্ত্ব গুচিবে সংশয় যত
পৰম নিৰ্ম্মল হৈবে মন।।
ভকতিত পৰে আৰ নাহিকে শাস্ত্ৰৰ সাৰ
জানি সৱে এৰা আন কাম।
গুচিবে সংসাৰ দুখ লভিবা পৰম সুখ
নিৰন্তৰে বোলা ৰাম ৰাম।।১৬৮

**পদ**

জাতি কুলাচাৰ ধৰ্ম্ম জ্ঞান আদি কৰি।
ইসৱ গুণত তুষ্ট নুহিকন্ত হৰি।।
ভকতিতে মাত্ৰ বশ্য হন্ত কৃপাময়।
প্ৰপঞ্চিয়া ইটো কথা কহিলোঁ নিশ্চয়।।১৬৯
নাহিকে ভক্তিত হেন শঙ্কা বিপৰ্য্যয়।
নাৰদৰ বাক্যে আৰ গুচাওঁ সংশয়।।
নাৰদ বদতি শুনিয়োক পৰমব্ৰহ্ম।
নাহি আত্ম পৰ তুমি সমস্ততে সম।।১৭০
যিহেতু পৰম আত্মা ইটো জগতৰ।
এতেকে সৱাতো সম দৃষ্টি নিৰন্তৰ।।
নিজানন্দ লাভে পূৰ্ণ তুমি লক্ষ্মীপতি।
নাহি অনুৰাগ আন বিষয়ক প্ৰতি।।১৭১
তথাপিতো ভক্তে মাত্ৰ সেৱা অনুৰূপে।
তোমাৰ প্ৰসাদ পাৱে কহিলোঁ স্বৰূপে।।
কদাচিতো অভকতে তোমাক নপাৱে।
তথাপি বিষম তুমি নুহিকা স্বভাৱে।।১৭২
কল্পতৰু বৃক্ষ যদি সৱাতো সমান।
মাগন্তা জনক মাত্ৰ কৰে ফলদান।।
ভকতিসে গ্ৰাহ্য কৰি আপুনি প্ৰমাণ।
কহিয়া আছন্ত গোপীকাক বিদ্যমান।।১৭৩
শুনা সখিসৱ মই কহোঁ স্বৰূপত।
মোৰ ভকতিতে মোক্ষ পাৱে প্ৰাণী যত।।
মইসে ঈশ্বৰ আন নাহি মোত পৰ।
মোহোৰ অধীন যত দেৱ নিৰন্তৰ।।১৭৪
হেন মই মোত স্নেহ ভৈল তোমাসাৰ।
দেখিয়া কৌতুক বৰ মিলিল আমাৰ।।
মোকেসে সুহৃদ প্ৰিয় আত্মা বুলি মানা।
সুখে মোক পাইলা সখিসৱ হেন জানা।।১৭৫
কৃষ্ণৰ বচন থওঁ এহি মানে মাত্ৰ।
বুলিবা নোপজে জ্ঞান বিনে জ্ঞানশাস্ত্ৰ।।
জ্ঞান বিনে মুকুতি নুহিবে কদাচিত।
বুলিবা কিসক মোক্ষ পাইব ভকতিত।।১৭৬
ইহাৰ উত্তৰ শুনা কৰি মন স্থিৰ।
জ্ঞান সাধিবাক কোন শ্ৰম ভকতিৰ।।
নলাগে জ্ঞানৰ পদে পৃথক সাধন।
অযত্নে হৈবেক ভকতিতে উতপন।।১৭৭
লৈয়োক প্ৰমাণ কবি সিদ্ধৰ বচনে।

১৬৬-১৬৭। মূঃ শ্লোঃ --
আসামহো চৰণৰেণুজুষামহং স্যাং বৃন্দাৱনে কিমপি গুল্মলতৌষধীনাম্।
যা দুষ্ট্যজং স্বজনমাৰ্য্যপথং চ হিত্বা ভেজুৰ্মুকুন্দপদৱীং শ্ৰুতিভিৰ্ৱিমৃগ্যাম্।। - ১০/৪৭/৬১
১৬৯-১৭৩। মূঃ শ্লোঃ -- (শ্ৰীকৃষ্ণৰ প্ৰতি যুধিষ্ঠিৰৰ উক্তি)
ন ব্ৰহ্মণঃ স্বপৰভেদমতিস্তৱ স্যাৎসৰ্ব্বাত্মনঃ সমদৃশঃ স্বসুখানুভূতেঃ।
সংসেৱতাং সুৰতৰোৰিৱ তে প্ৰসাদঃ সেৱানুৰূপমুদয়ো ন ৱিপৰ্য্যয়োঽত্ৰ।। - ১০/৭২/৬
১৭৪-১৭৫। মূঃ শ্লোঃ-- (গোপীসকলৰ প্ৰতি শ্ৰীকৃষ্ণৰ উক্তি)
ময়ি ভক্তিৰ্হি ভূতানামমৃতত্বায় কল্পতে।
দিষ্টয়া যদাসীন্মাৎস্নেহো ভৱতীনাং মদাপনঃ।। -১০/৮২/৪৫

কহি আছে নিমি নৃপতিৰ বিদ্যমানে।।
সমস্তে লোকৰ বৰ্ণাশ্ৰম আছে যত।
মনু আদি ঋষি মুখে কৰায়া বেকত।।১৭৮
পৰম ৰহস্য জানি প্ৰভু ভগৱন্ত।
মুখ্য শাস্ত্ৰ মানে নিজমুখে কহিলন্ত।।
যি সব উপায় কৰি আছে কৃপাময়।
অজ্ঞানী সকলে কৰি তাহাকে আশ্ৰয়।।১৭৯
মহাসুখে আত্ম-তত্ত্ব জানে সমুদায়।
তাকে বুলি ভাগৱত ধৰ্ম্ম নিমিৰায়।।
যেন মহাসুখ ভাগৱত ধৰ্ম্মচয়।
প্ৰপঞ্চিয়া কহোঁ তাক শুনা মহাশয়।।১৮০
চাৰিবেদ অষ্টাদশ স্মৃতি নিৰন্তৰ।
এই দুই চক্ষু জানা ব্ৰাহ্মণ সৱৰ।।
তাকে বুলি কণা যাৰ এক চক্ষু নাই।।
দুইকো নজানিলে অন্ধ বুলি সমুদায়।।১৮১
হেনে অন্ধসবো ভাগৱত ধৰ্ম্ম ধৰি।
লৰৰি ফুৰন্তে তাৰ নিপিছলে ভৰি।।
হৰিৰ ভকতি ধৰ্ম্ম যিজনে আচৰে।
নিত্য নৈমিত্তিক কতো কৰে কতো এৰে।।১৮২
তথাপিতো ধৰ্ম্মভ্ৰষ্ট নোহে সিটো নৰ।
নকৰিয়ো পাৱে ফল সমস্ত ধৰ্ম্মৰ।।
এতেকেসে ভাগৱত ধৰ্ম্ম সুখকৰ।
কহিলো তোমাত ইটো ধৰ্ম্ম নৃপবৰ।।১৮৩
বুলিবাহা কোন ভাগৱত ধৰ্ম্মচয়।
শুনিয়োক কহো তাক তোমাত নিশ্চয়।।
তপ জপ যজ্ঞ দান ব্ৰত সদাচাৰ।
ধন জন গৃহ পুত্ৰ ভাৰ্য্যা আপোনাৰ।।১৮৪
সমস্তকে শুদ্ধভাৱে অৰ্পিব কৃষ্ণত।
ইহাকে বোলয় মহা ধৰ্ম্ম ভাগৱত।।
আতহন্তে মাধৱত উপজিবে ৰতি।
সমস্তে ধৰ্ম্মৰ ফল জানিবা ভকতি।।১৮৫
এহি ভক্তি হেতু হৈবে জ্ঞানৰ উদয়।
ইহাত কিঞ্চিত আৰ নাহিকে সংশয়।।
ইহাৰ যুগুতি কহো শুনা কৰ্ণ পাতি।
যাহাৰ মায়াত দ্বৈত ভয় ভৈল আতি।।১৮৬
কৰোক ভকতি তাতে পশিয়া শৰণ।
এতেকে হৈবেক দ্বৈত ভয় নিৱৰ্ত্তন।।
বুলিবাহা ভয় হুয়া আছে অজ্ঞানত।
স্বৰূপ পাসৰি কৰে দেহত মমত।।১৮৭
মিলিবে স্বৰূপ বোধ জ্ঞান অভ্যাসত।
তেৱেসে গুচিবে ভয় দ্বৈত আছে যত।।
হৰিৰ মায়ায়ে তাক কিবা কৰে ক্ষতি।
কিবা কাৰ্য্য সাধিবেক হৰিৰ ভকতি।।১৮৮
ইহাৰ উত্তৰ এৰে শুনা সাৱধানে।
নজানিলা যিবা হেতু পাইলেক অজ্ঞানে।।
কহো অজ্ঞানৰ যেন কাৰণ সাক্ষাত।
যিজন বিমুখ হৈল কৃষ্ণৰ সেৱাত।।১৮৯
তেখনে কৃষ্ণৰ মায়া পাইলেক জীৱক।

১৭৮-১৮০। মূঃ শ্লোঃ --
যে ৱৈ ভগৱতা প্ৰোক্তা উপায়া হ্যাত্মলব্ধয়ে
অঞ্জঃ পুংসামৱিদুষাং ৱিদ্ধি ভাগৱতান্ হি তান্।। - ১১/২/৩৪
১৮১-১৮৩। মূঃ শ্লোঃ -- (নিমি ৰজাৰ প্ৰতি কৱিৰ উক্তি)
যানাস্থায় নৰো ৰাজন্ ন প্ৰমাদ্যেত কৰ্হিচিৎ। ধাৱন্ নিমীল্য ৱা নেত্ৰে ন স্খলেন্নপতেদিহ।। - ১১/২/৩৫
১৮৪-১৮৫। মূঃ শ্লোঃ-- (নিমিৰ প্ৰতি কৱিৰ উক্তি)
১) কায়েন ৱাচা মনসেন্দ্ৰিয়ৈৰ্ব্বা বুদ্ধ্যাত্মনা ৱানুসৃতস্বভাৱাৎ।
করোতি যদ্ যৎ সকলং পৰস্মৈ নাৰায়ণায়েতি সমৰ্পয়েত্তৎ।। -১১/২/৩৬
২) মূঃ শ্লো ঃ-- (নিমিৰ প্ৰতি প্ৰবুদ্ধৰ উক্তি)
ইষ্টং দত্তং তপো জপ্তং বৃত্তং যচ্চাত্মনঃ প্ৰিয়ম্। দাৰান্ সুতান্ গৃহান্ প্ৰাণান্ যৎ পৰস্মৈ নিৱেদনম্।।১১/৩/২৮
১৮৬-১৯৩। মূঃ শ্লোঃ -- (নিমিৰ প্ৰতি কৱিৰ উক্তি)
ভয় দ্বিতীয়াভিনিৱেশতঃ স্যাদীশাদপেতস্য ৱিপৰ্য্যয়োঽস্মৃতিঃ।
তন্মায়য়াতো বুধ আভজেত্তং ভক্ত্যৈকয়েশং গুৰুদেৱতাত্মা।।-১১/২/৩৭

মহামোহ হুয়া পাসৰিল স্বৰূপক।।
ভৈল বিপৰ্য্যয় অহং বুদ্ধি শৰীৰত।
পাইলা আসি ভেদ ভয় ভ্ৰান্তি নানা মত।।১৯০
যেন নটে আপোনাৰ বেশ ছন্ন কৰি।
আছে ব্যাঘ্ৰ ভল্লুকৰ স্বৰূপক ধৰি।।
বালক সকলে যেন নাটক নজানি।
হৰে মহাভয় ভীত তাকে সত্য মানি।।১৯১
সেহিমতে কৃষ্ণৰ মায়াত জীৱ যত।
বহুবিধ দুখ ভুঞ্জি ভ্ৰমে সংসাৰত।।
কৃষ্ণত শৰণ লৈয়া নভজে যাৰত।
নেৰে মায়া নুগুচয় অজ্ঞান তাৰত।।১৯২
গুৰুক ঈশ্বৰ আত্মা বুলি মানি মনে।
কৰিব ভকতি এক কৃষ্ণৰ চৰণে।।
এতেকে কৃষ্ণৰ কৃপা মিলিবেক তাক।
অনায়াসে তৰিবেক দুষ্টৰ মায়াক।।১৯৩
ভকতৰ হন্ত হৰি সহায় আপুনি।
নপাৰে ভক্তক আসি একোৰে বিঘিনি।।
বিঘ্নিকেসে পৰাভৱ কৰে ভক্তজনে।
লৈয়োক প্ৰমাণ কামদেৱৰ বচনে।।১৯৪
নৰনাৰায়ণৰ আগত কামদেৱ।
কৃতাঞ্জলি বচন বোলন্ত কৰি সেৱ।।
তোমাতেসে ভক্তি যিটো কৰে সমুদায়।
তাকে দেখি দেৱতাৰ নযাই নুপুহায়।।১৯৫
একে আৰ আমাসাক নুপূজে সদায়।
আৰো চড়াই গৈয়া বৈকুণ্ঠত লৰে ঠাই।।
ইহাত আমাৰ এৰে জীৱে লাগে কিক।
আমাৰ দেৱতা পদ আছে ধিক ধিক।।১৯৬
এহি বুলি ইন্দ্ৰ আদি দেৱ নিৰন্তৰে।
তোমাৰ ভক্তক পাৰেমানে বিঘ্নি কৰে।।
তযু চৰণত প্ৰভু সেৱা যাৰ নাই।
নকৰে বিঘনি তাক পূজা খাইবে পাই।।১৯৭
কৰে উপদ্ৰৱ মাত্ৰ ভক্তৰ ওপৰে।
তোমাৰ প্ৰসাদে ভক্তে কটাক্ষো নকৰে।।
পৰম ঈশ্বৰ ভৈল যাহাৰ সহায়।
দেৱে বিঘ্নি কৰি তাক উৰুৱাইবে চাই।।১৯৮
ভকতক লঙ্ঘিব নপাৰে একো দুখে।
বিঘ্নিৰ মূৰত ভৰি দিয়া ফুৰে সুখে।।
এহিমানে থওঁ কামদেৱৰ বচন।
কহোঁ পৰমাৰ্থ শুনিয়োক সৰ্ব্বজন।১৯৯
মুকুতিৰ অৰ্থে আন পন্থ আছে যত।
দেৱৰ বিঘিনি নষ্ট কৰয় সমস্ত।।
নাহি একো দোষ হৰি ভকতি পন্থত।
জানিয়া ভকতি কৰিয়োক মাধৱত।।২০০
ভকতিৰ অৰ্থে আন নলাগে সাধন।
কৰা সুখে হৰি গুণ শ্ৰৱণ কীৰ্ত্তন।।
এতেকে কৃষ্ণৰ পাইবা পৰম প্ৰসাদ।
তৰিবা সংসাৰ একো নপাৰে প্ৰমাদ।।২০১
কহিলোহোঁ যেন ইষ্ট সিদ্ধি ভকতৰ।
শুনিয়োক কথা এৰে আত অনন্তৰ।।
কদাচিতো অভকতে নপাৰে মুকুতি।
বেদৰ বচনে লৈয়ো ইহাৰ যুগুতি।।২০২
কৃষ্ণৰ মুখত ভৈল বিপ্ৰ উতপন।
ক্ষত্ৰিসৱ বাহুত উৰুত বৈশ্যগণ।।
চৰণত হন্তে শূদ্ৰসৱ ভৈল জাত।
চাৰিও জাতিৰ কৃষ্ণ জনক সাক্ষাত।।২০৩
হেনয় কৃষ্ণক যিটো নিজ পিতৃ বুলি।
নজানি নভজে কৃষ্ণ দেৱকো সমূলি।।
জানিও অৱজ্ঞা কৰে যিটো মন্দমতি।
গুৰু পিতৃ দ্ৰোহ পাপে যাইবে অধোগতি।।২০৪
নজানিসি যিটোজনে নভজে সাক্ষাত।
নুগুচে সংসাৰ তাৰ হোৱে অধঃপাত।।
জানি অৱেহলা আতি কৰে যিটোজন।
নৰকৰ পৰা তাৰ নাহি নিৰৰ্ত্তন।।২০৫
সৱাকো ঈশ্বৰ কৃষ্ণে কৰন্ত পোষণ।

১৯৪-২০১। মূঃ শ্লোঃ - (ঋষি নৰনাৰায়ণৰ প্ৰতি কামদেৱ আৰু অপ্সৰাসকলৰ উক্তি)

ত্বাং সেৱতাং সুৰকৃতা বহৱোহন্তৰায়াঃ স্বৌকো ৱিলঙঘ্য পৰমং ব্ৰজতাং পদং তে।
নান্যস্য ৰৰ্হিষি বলীন্ দদতঃ স্বভাগান্ ধত্তে পদং ত্বমৱিতা যদি ৱিঘ্নমূৰ্দ্ধি।। - ১১/৪/১০

২০২-২০৭। মূঃ শ্লোঃ - (নিমিৰ প্ৰতি চমস সিদ্ধৰ উক্তি)

মুখবাহূৰুপাদেভ্যঃ পুৰুষস্যাশ্ৰমৈঃ সহ। চত্বাৰো জজ্ঞিৰে ৰৰ্ণা গুণৈৰ্ৱিপ্ৰাদয়ঃ পৃথক্।।
য় এষাং পুৰুষং সাক্ষাদাত্ম প্ৰভৱমীশ্বৰম্। ন ভজন্ত্যৱজানন্তি স্থানাদ্ভ্ৰষ্টাঃ পতন্ত্যধঃ।। - ১১/৫/২-৩

নভজে পামৰ যিটো তাহান চৰণ।।
কৃতঘ্ন পাতক সম ধৰ্ম্মভ্ৰষ্ট হুই।
ঘোৰ নৰকত সিটো পৰে অধোমুই।।২০৬
কৃষ্ণেসে পৰম গুৰু পিতৃ ইষ্টদেৱ।
একান্ত শৰণে ভজি কৰা নিতে সেৱ।।
ঘোৰ কলিযুগ আত পাপেসে প্ৰচুৰ।
যত ধৰ্ম্ম কৰ্ম্মমানে সৱে ভৈল দূৰ।।২০৭
বাসুদেৱ পৰ ভৈল যিটো মহামতি।
পৰম কৃতাৰ্থ সি সি কলিত সম্প্ৰতি।।
দুৰ্ঘোৰ সংসাৰ ইটো অন্ধকূপময়।
পৰি আছে আতে কাল ভুঞ্জঙ্গে দংশয়।।২০৮
বিষয় বিষত আতি ভৈল অচেতন।
নাহি জ্ঞান স্মৃতি যেন মৃতক লক্ষণ।।
হেনয় প্ৰাণীক কৃষ্ণ দেৱ বিনে আন।
কোনে আসি কলিত কৰিবে পৰিত্ৰাণ।।২০৯
বুলিবা বিষয় বিষ পৰম দুৰ্ঘোৰ।
হেন বিষে চেতন হৰিল যিজনৰ।।
তাক কেনমতে কৃষ্ণে কৰিব উদ্ধাৰ।
ইহাৰ উত্তৰ ভক্তি বিনে নাহি আৰ।।২১০
নৈয়ো আৰ সাক্ষী কৃষ্ণদেৱৰ বচনে।
উদ্ধৱত আপুনি কহিলা নাৰায়ণে।।
শুনিয়ো উদ্ধৱ মোৰ ভক্তিৰ মহত্ত্ব।
নপাওঁ অন্ত ভক্তিৰ সামৰ্থ্য আছে কত।।২১১
বিষয়ে আক্ৰোশি নিলে যাহাৰ চিত্তক।
নপাৰে যিনিবে কদাচিতো ইন্দ্ৰিয়ক।।
হোৱে সিটো কৃতাৰ্থ মোহোৰ ভকতিতে।
বিষয়ৰ দোষে তাক নপাৰে বাধিতে।।২১২
ইন্দ্ৰি পৰাধীনো হোৱে আমাৰ ভকত।
জিতেন্দ্ৰিয় সৱৰ মহিমা কৈবো কত।।
স্ত্ৰী পৰাধীনো গতি পাৱে ভকতিত।
আন বিষয়ত মাত্ৰ লুব্ধ যাৰ চিত্ত।।২১৩
কোন শ্ৰম ভকতিৰ তাহাক তাৰণে।
নৈয়ো আৰ সাক্ষী পুৰুৰবাৰ বচনে।।
উৰ্ব্বশীত হন্তে ৰাজা হুয়া বিৰকত।
মহাখেদ কৰি বহি গুণন্ত মনত।।২১৪
পূৰ্ব্বাপৰ বিমৰিষি কৰিলন্ত সাৰ।
মাধৱত পৰে গতি নাহিকে আমাৰ।।
ভগৱন্ত দেৱ মহেশ্বৰ আত্মাৰাম।
মহাপাপী সৱৰো পূৰন্ত মনকাম।।২১৫
দুষ্টা নাৰীসৱে চিত্ত হৰিলেক যাৰ।
তান্ত বিনে কোনে গতি সাধিবেক তাৰ।।
এহি বুলি ৰাজা পাছে এড়ি উৰ্ব্বশীক।
কৃষ্ণত ভকতি কৰি সাধিলা গতিক।।২১৬
এতেকে জানিবা হৰি ভকতি বিনায়।
কৃষ্ণক পাইবাৰ আন নাহিকে উপায়।।
কহন্ত ঈশ্বৰে উদ্ধৱত প্ৰতি প্ৰতি।
শুনিয়োক স্বৰূপ উদ্ধৱ মহামতি।।২১৭
মইসে ঈশ্বৰ চৰাচৰ জগতৰ।
মোত হন্তে হোৱে সৃষ্টি স্থিতি নিৰন্তৰ।।
ব্ৰহ্মাৰো জনক মই বেদৰো কাৰণ।
নাহি গতি দাতা মোত পৰে আনজন।।২১৮
জানি যিটো কৰে মোত কেৱল ভকতি।

২০৭-২০৮। মূঃ শ্লোঃ -

ঘোৰে কলিযুগে প্ৰাপ্তে সৰ্ব্বধৰ্ম্ম ৱিৱৰ্জ্জিতাঃ। ৱাসুদেৱ পৰামৰ্ত্ত্যাস্তে কৃতাথ্যা ন সংশয়াঃ।।

২০৮-২০৯। সংসাৰ কূপে পতিতং ৱিষয়ৈমুষিৰ্মুতেক্ষণম্। গ্ৰস্তং কালাহিনাহত্মানং কোহন্যস্ত্ৰাতুমধীশ্বৰঃ।। -১১/৮/৪১

২১০-২১৩। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)

ৱাধ্যমানোহপি মদ্ভক্তো বিষয়ৈৰজিতেন্দ্ৰিয়ঃ। প্ৰায়ঃ প্ৰগল্ভয়া ভক্ত্যাৱিষয়ৈৰ্নাভিভূয়তে।। - ১১/১৪/১৮

২১৪-২১৬। মূঃ শ্লোঃ-- (পুৰুৰৱাৰ খেদ উক্তি)

পুংশ্চল্যাপহৃতং চিত্তং কো ন্বন্যো মোচিতুং প্ৰভুঃ। আত্মাৰামেশ্বৰমৃতে ভগৱন্তমধোক্ষজম্।। - ১১/২৬/১৫

২১৮-২১৯। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)

ভক্ত্যোদ্ধৱানপায়িন্যা সৰ্ব্বলোকমহেশ্বৰম্। সৰ্ব্বোৎপত্ত্যপ্যয়ং ব্ৰহ্ম কাৰণং মোপয়াতি সঃ।। - ১১/১৮/৪৫

পাৰে মোক সুখে সখি কহিলো সম্প্ৰতি।।
যদিবা প্ৰমাদ মিলে আসি কদাচিত।
তথাপি ভক্তৰ নাহি আন প্ৰায়শ্চিত্ত।।২১৯
বস্তু পাক অৰ্থে যেন অগ্নি জ্বালে নৰে।
সেহি অগ্নি দহি তৃণ কাষ্ঠ ভস্ম কৰে।।
সেহি মতে বিষয়ত মাত্ৰ যাৰ চিত্ত।
অব্যভিচাৰিণী ভক্তি কৰে কদাচিত।।২২০
তথাপি সমস্ত পাপ ভস্ম কৰে তাৰ।
আশ্চৰ্য্য মহিমা দেখা ভক্তিৰ আমাৰ।।
এতেকে উদ্ধৱ মোৰ ভকতি বিনাই।
এবম্বিধ কুশল আনত হন্তে নাই।।২২১
নকৰয় বশ্য মোক কৰ্ম্ম যোগ জ্ঞানে।
তপ যোগ বেদমন্ত্ৰ জাপ্য তীৰ্থস্থানে।।
কেৱল ভক্তিসে মোক বশ্য কৰে নৰে।
নাহিকে উত্তম পন্থ ভকতিত পৰে।।২২২
পৰম শ্ৰদ্ধায়ে মোৰ ভকতি আচৰি।
চণ্ডালো পৰিত্ৰ হোৱে জানা নিষ্ঠ কৰি।।
আন জাতি পৰিত্ৰ হৈবেক কোন চিত্ৰ।
নাহি ভকতৰ মোত পৰে মহামিত্ৰ।।২২৩
ভকতি বিনাই আন যতেক সাধন।
জানা সৱে ব্যৰ্থ সখি কহিলো বচন।।
সত্য ভূত দয়া সমে আচৰে ধৰ্ম্মক।
তপে সমন্বিতে কৰে উপাস্য দেৱক।।২২৪
তথাপিতো পৰিত্ৰ নুহিকে তনু চিত্ত।
হৈল যিটো জন মোৰ ভকতি বৰ্জ্জিত।।
শুনিয়ো উদ্ধৱ সখি কহোঁ প্ৰসঙ্গত।
ভকতিৰ চিহ্ন যাৰ নহৈল বেকত।।২২৫
নোহে চিত্ত দ্ৰৱ যাৰ শৰীৰ পুলক।
যাহাৰ নেত্ৰৰ নাহি আনন্দ লোতক।।
তেৱে কেনমতে তাৰ লঙ্ঘিবা ভকতি।
বিনে ভক্তি চিত্ত শুদ্ধ নোহে মহামতি।।২২৬
শুনিয়ো উদ্ধৱ ইটো কহো তত্ত্ব সাৰ।
বাক্য গদ গদ আদি ভকতি আমাৰ।।
সিটো ভকতিক কৰে যিজনে আশ্ৰয়।
কৰিবে পৰিত্ৰ তাক অদভুত নয়।।২২৭
কিন্তু মোত হৈল প্ৰেম ভকতি যাহাৰ।
হৈবেক পৰিত্ৰ যত পুৰুষ তাহাৰ।।
নুহিকে আশ্চৰ্য্য ইটো জানা মহাশয়।
সমস্ত জগত সিটো পৰিত্ৰ কৰয়।।২২৮
বাক্য গদ গদ কৰে প্ৰেমৰ ভৰত।
দ্ৰৱে চিত্ত স্মৰি মোৰ মহিমা মনত।।
ভকতৰ বশ্য মই হেনয় আকলি।
পৰম আনন্দে হাসি তোলে খলখলি।।২২৯
এতকাল হৈলো তযু সেৱায়ে বঞ্চিত।
এহি বুলি শোকে আতি কান্দে কদাচিত।।
এৱে পাইলো পাইলো বুলি গাৱে কতো গীত।
পৰম হৰিষে উঠি কতো কৰে নৃত্য।।২৩০
এহি মত ভাৱ যাৰ মিলিল প্ৰচুৰ।

২২০-২২১। মূঃ শ্লোঃ -
যথাগ্নিঃ সুসমৃদ্ধাৰ্চিঃ কৰোত্যেধাংসি ভস্মসাৎ। তথা মদ্বিষয়া ভক্তিৰুদ্ধৱৈনাংসি কৃৎস্নশঃ।। - ১১/১৪/১৯
২২২। মূঃ শ্লোঃ (ভগৱন্তৰ উক্তি)
ন সাধয়তি মাং যোগো ন সাংখ্যং ধৰ্ম্ম উদ্ধৱ। ন স্বাধ্যায়স্তপস্ত্যাগো যথা ভক্তিৰ্মমোৰ্জিতা।। - ১১/১৪/২০
২২৩-২২৬। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)
ভক্ত্যাহমেকয়া গ্ৰাহ্যঃ শ্ৰদ্ধয়াহত্মা প্ৰিয়ঃ সতাম্। ভক্তিঃ পুনাতি মন্নিষ্ঠা শ্বাপাকানপি সম্ভৱাৎ। - ১১/১৪/২১
ধৰ্ম্মঃ সত্যদয়োপেতো ৱিদ্যা ৱা তপসান্বিতা। মদ্ভক্ত্যাপেতমাত্মানং ন সম্যক্ প্ৰপুনাতি হি।। - ১১/১৪/২২
কথং ৱিনা ৰোমহৰ্ষং দ্ৰৱতা চেতসা ৱিনা। ৱিনানন্দাশ্ৰুকলয়া শুধ্যেদ্ভক্ত্যাৱিনাহশয়ঃ।।- ১১/১৪/২৩
২২৭-২৩১। মূঃ শ্লোঃ-- (ভগৱানৰ উক্তি)
বাগ্ গদ্‌গদা দ্ৰৱতে যস্যচিত্তং ৰুদ্যত্যভীক্ষ্ণং হসতি ক্বচিচ্চ।
ৱিলজ্ঞ উদ্‌গায়তি নৃত্যতে চ মদ্ভক্তিযুক্তো ভুৱনং পুনাতি।।- ১১/১৪/২৪

গুচে লজ্জা আদি মায়া এৰি হোৱে দূৰ।।
মুকুতিতো অধিক আনন্দ আতি মিলে।
জগত পৱিত্ৰ হোৱে তাহাঙ্ক দেখিলে।।২৩১
হেনয় ভক্তিক ত্যজি যিটো নৰাধম।
মোক্ষৰ নিমিত্তে কৰে আনমতে শ্ৰম।।
নপাৰে মুকুতি চিত্ত শুদ্ধ নোহে তাৰ।
দৃষ্টান্ত সহিতে কহো কাৰণ ইহাৰ।।২৩২
যেন খাৰ আমলে পখালে সুৱৰ্ণক।
নপাৰে গুচাইবে অভ্যন্তৰৰ মলক।।
খপন্তে খপন্তে বহ্নি ভৈল অন্তৰ্গত।
তেৱে নিজ বৰ্ণ ধৰে গুচে মল যত।।২৩৩
সেহিমতে যাগ যোগ আদি নিৰন্তৰে।
কৰ্ম্মমল বাসনাক পৱিত্ৰ নকৰে।।
শ্ৰৱণ কীৰ্ত্তনে মোক ভজে যিটো জন।
গুচে কৰ্ম্মমল তাৰ শুদ্ধ হোৱে মন।।২৩৪
মোৰ ভক্তিবলে দহি লিঙ্গ শৰীৰক।
পাৱে অনায়াসে মোৰ নিজ স্বৰূপক।।
ভকতিৰ মহিমা দেখিও অদভুত।
ভৈল কৃতকৃত্য সিটো জীৱন্তে মুকুত।।২৩৫
তথাপিতো প্ৰাৰ্থনা কৰয় ভকতিক।
জানিয়া আনন্দ আতি মোক্ষতো অধিক।।
লৈয়োক সাক্ষাতে উদাহৰণ সম্প্ৰতি।
মহেশৰ আগে মাৰ্কণ্ডেয় নিগদতি।।২৩৬
পৰিপূৰ্ণ কাম তুমি প্ৰভু মহেশ্বৰ।
কৰাহা পূৰণ মন ভকত জনৰ।।
মাগোহোঁ তোমাত এক বৰ পশুপতি।
ঈশ্বৰ কৃষ্ণত হৌক একান্ত ভকতি।।২৩৭
তযু চৰণত নিতে সেৱা নুগুচোক।
বৈষ্ণৱ জনত মোৰ সদা ৰতি হৌক।।
নুহিকে অন্তৰ হৰি ভকত সহিতি।
থৈলো মাৰ্কণ্ডেয় বাক্য সংহৰি সম্প্ৰতি।।২৩৮
সৰ্ব্ব সাধনতে শ্ৰেষ্ঠ ভকতি উত্তম।
পূৰ্ব্বাপৰ চাহি সাধু কৰিলা নিয়ম।।
বুলিবা মোক্ষৰ আছে অনেক উপায়।
ভকতিসি ভৈল কিয় শ্ৰেষ্ঠ সমুদায়।।২৩৯
হেন যদি কদাচিতো শঙ্কা হোৱে মনে।
ইহাৰ উত্তৰ কহো তত্ত্বৰ বচনে।।
সৃষ্টিৰ কাৰণে যত তত্ত্ব নিৰন্তৰে।
কৃষ্ণক কৰন্ত স্তুতি পৰম সাদৰে।।২৪০
যত জ্ঞানীগণে মন নিয়মি সকলে।
জিনয় দুৰ্জ্জয় মায়া জ্ঞান যোগবলে।।
তোমাৰ ভকতি তাতো কৰিয়া সহায়।
তৰি ইটো সংসাৰ তোমাতে লীন যায়।।২৪১
বুলিবা জ্ঞানীও হোৱে আমাত প্ৰৱেশ।
ভকত সকল ভৈল কিমতে বিশেষ।।
শুনিয়োক ইহাৰ উত্তৰ যেন মত।
ভক্তি বিনে নিষ্ফল কেৱল যোগ যত।।২৪২
ভকতি সহিতে জ্ঞান অভ্যাস দুষ্কৰ।
অনেক শ্ৰমেসে আত মোক্ষ পাৱে নৰ।।
তোমাৰ ভকতি একো সহায় নচাৱে।
কেৱল ভকতি সুখে বৈকুণ্ঠক পাৱে।।২৪৩
বুলিবা ভকতে যেৱে সুখে পাৱে গতি।
নকৰে সমস্তে কিয় হৰিত ভকতি।।
ইহাৰ উত্তৰ শুনা ব্ৰহ্মাৰ বচনে।
সৱলোকে কৃষ্ণক নভজে যি কাৰণে।।২৪৪
পৰম বিষয়ী যত হৰিত বিমুখ।

---

২৩২-২৩৫। মূঃ শ্লোঃ - (ভগৱন্তৰ উক্তি)
যথাগ্নিনা হেম মলং জহাতি ধ্মাতং পুনঃ স্বং ভজতে চ ৰূপম্।।
আত্মা চ কৰ্ম্মানুশয়ং ৱিধুয় মদ্ভক্তিযোগেন ভজত্যথো মাম্।। - ১১/১৪/২৫
২৩৬-২৩৮। মূঃ শ্লোঃ-- (মাৰ্কণ্ডেয়ৰ উক্তি)
ৱৰমেকং বৃণেহথাপি পূৰ্ণাৎকামাভিৱৰ্ষণাৎ। ভগৱত্যচ্যুতাং ভক্তিং তৎপৰেষু তথা ত্বয়ি।। - ১২/১০/৩৪
২৪০-২৪৩। মূঃ শ্লোঃ-- (ভাগৱন্তৰ প্ৰতি তত্ত্বৰূপ দেৱগণৰ উক্তি)
তথাপৰে চাত্মসমাধিযোগবলেন জিত্বা প্ৰকৃতিং বলিষ্ঠাম্।।
ত্বামেৱ ধীৰাঃ পুৰুষং ৱিশন্তি তেষাং শ্ৰমঃ স্যান্ন তু সেৱয়া তে।। - ৩/৫/৪৬

নাহিকে দিনতো একো ইন্দ্ৰিয়ৰ সুখ।।
নানাবিধ শ্ৰমে দিনগোট বহি যায়।
নিশাত নিদ্ৰাত থাকে একো সুখ নাই।।২৪৫
স্বপ্ন দেখি নিদ্ৰাৰ জাগয় ক্ষণে ক্ষণে।
তাতো নানাবিধ মনোৰথ চিন্তে মনে।।
বহুবিধ অৰ্থ আশা কৰি থাকে যত।
তাহাৰো নাহিকে সিদ্ধি দৈৱে কৰে হত।।২৪৬
এহিমতে ৰাত্ৰি দিনে বিষয়ত মতি।
কৃষ্ণৰ কথাত কদাচিতো নাহি ৰতি।।
মহামূঢ় বিষয়ী আছোক ইটো কথা।
শ্ৰৱণ কীৰ্ত্তন যিটো বিমুখ সৰ্ব্বথা।।২৪৭
জীৱন্তে মুকুত মহা মুনিসৱ যত।
তাৰাসৰো এহিমতে ভ্ৰমে সংসাৰত।।
মোক্ষৰ পৰম মহা উত্তম কাৰণ।
কহো শুনা পুনৰপি ব্ৰহ্মাৰ বচন।।২৪৮
কহন্ত ব্ৰহ্মায়ে দেৱ সৱৰ আগত।
ইসি মহাখেদ শুনা দেৱতা সমস্ত।।
আমৰা সৱাৰো মহা প্ৰাৰ্থনি মনত।
হেনয় দুৰ্ল্লভ জন্ম লভি ভাৰতত।।২৪৯
ইসি মহা ধৰ্ম্মতত্ত্ব জ্ঞানৰ সাধন।
জানিও নকৰে মাধৱক আৰাধন।।
শ্ৰৱণ কীৰ্ত্তন যিটো নকৰে সদায়।
জানিবা মুহিলে তাক কৃষ্ণৰ মায়ায়।।২৫০
মনুষ্য শৰীৰ পায়া নেৰাইল সংসাৰ।
কদাচিতো নাহি আৰ তাহাৰ নিস্তাৰ।।
বুলিবা ভকতি বিনে নতৰে মায়াক।
ভক্তিও দুৰ্ল্লভ মায়া মুহি আছে যাক।।২৫১
তাহাৰ নিস্তাৰ এৰে হৈব কেনমতে।
ইহাৰ উত্তৰ শুনা ব্ৰহ্মাৰ বাক্যতে।।
সৃষ্টি স্থিতি প্ৰলয় কৰন্ত যিটো দেৱ।
জগত কাৰণ যাত পৰে নাহি কেৱ।।২৫২
তান যোগমায়া আতি পৰম দুস্তৰ।
যোগেশ্বৰ সমস্তৰ তৰণ দুষ্কৰ।।
হেন নাৰায়ণ তিনি গুণৰ ঈশ্বৰ।
বিহিবন্ত কুশল আপুনি দামোদৰ।।২৫৩
কৃষ্ণৰ কৃপাত হৈব কল্যাণ আমাৰ।
আমৰা সৱৰ আত নলাগে বিচাৰ।।
এহিমতে অনুগ্ৰহ প্ৰাৰ্থন্তে কৃষ্ণৰ।
অহঙ্কাৰ শূন্য আতি ভৈল যিটো নৰ।।২৫৪
কদাচিত কৃষ্ণে তাঙ্ক কৰিবন্ত দয়া।
হৈবেক ভকতি সুখে তৰিবেক মায়া।।
উত্তম উপায় আৰ নাহি আতপৰ।
লৈয়ো আৰ প্ৰমাণ বচনে নাৰদৰ।।২৫৫
প্ৰাচীন বৰ্হিৰ আগে কৈলা নিষ্ঠ কৰি।
যাক যিকালত অনুগ্ৰহ কৰে হৰি।।
তেৱে সিটো লৌকিক বৈদিক কৰ্ম্ম পথে।
পৰম নৈষ্ঠিক মতি তেজিবে সমস্তে।।২৫৬
কাহাকো কৰন্ত কৃপা কাকো নকৰন্ত।
ইমত বিষম কিয় ভৈল ভগৱন্ত।।
ইটো সংশয়ৰ শুনা উত্তৰ উত্তম।
নাহি শত্ৰু মিত্ৰ হৰি সমস্ততে সম।।২৫৭
ভকতিসি তাঙ্ক আতি বিষম কৰাৱে।
ভকতৰ বশ্য হৰি জানিবা স্বভাৱে।।
এতেকে চিন্তন্ত তাঙ্ক মাত্ৰ যিটো নৰে।
সমস্তৰে কৰ্ত্তা বুলি ভাৱে নিৰন্তৰে।।২৫৮
তাতেসে কৃষ্ণৰ কৃপা মিলে তাক প্ৰতি।

---

২৪৫-২৪৮। মূঃ শ্লোঃ -- (ব্ৰহ্মাৰ উক্তি)
অহ্ন্যাপৃতাৰ্ত্তকৰণা নিশি নিঃশয়না নানামনোৰথধিয়া ক্ষণভগ্ননিদ্ৰাঃ।
দৈৱাহতাৰ্থৰচনা ঋষয়োঽপি দেৱ যুষ্মৎপ্ৰসঙ্গৱিমুখা ইহ সংসৰন্তি।। - ৩/৯/১০
২৪৯-২৫০। মূঃ শ্লোঃ (ব্ৰহ্মাৰ উক্তি)
যেঽভ্যৰ্থিতামপি চ নো নৃগতিং প্ৰপন্না জ্ঞানং চ তত্ত্বৱিষয় সহধৰ্ম্ম যত্ৰ।
নাৰাধনং ভগৱতো ৱিতৰন্ত্যমুষ্য সম্মোহিতা ৱিততয়া ৱত মায়য়া তে।। - ৩/১৫/২৪
২৫৩-২৫৪। মূঃ শ্লোঃ -- (ব্ৰহ্মাৰ উক্তি)
ৱিশ্বস্য যঃ স্থিতিলয়োদ্ভৱহেতুৰাদ্যোযোগেশ্বৰৈৰপি দুৰত্যয়যোগমায়ঃ।
ক্ষেমং ৱিধাস্যতি স নো ভগৱাংস্ত্ৰ্যধীশস্তত্ৰাস্মদীয় ৱিমৃশেন কিয়ানিহাৰ্থঃ।। - ৩/১৬/৩৭
২৫৫-২৫৬। মূঃ শ্লোঃ-
য়দা য়মনুগৃহ্ণাতি ভগৱানাত্মভাৱিতঃ। স জহাতি মতিং লোকে ৱেদে চ পৰিনিষ্ঠিতাম্।। - ৪/২৯/৪৬

সমস্ত ধৰ্ম্মক পাছে ত্যজে তাৰ মতি।।
শ্ৰৱণ কীৰ্ত্তন মহা লাভকেসে ভজে।
মোক্ষতো অধিক মহা আনন্দতে মজে।।২৫৯
এহিমতে অতি ইটো প্ৰসঙ্গ সংহৰি।
দেখাইলো ভক্তৰ যেন বশ্য হন্ত হৰি।।
অৱশ্যকে ঈশ্বৰক লাগে ভজিবাক।
ইহাৰ কাৰণ যেন শুনা এৰে তাক।।২৬০
অনুচৰী সম লক্ষ্মীদেৱী প্ৰৱৰ্ত্তন্ত।
তথাপি তাহাঙ্ক ভাৰ্য্যা বুলি নভজন্ত।।
যতেক সকামী ৰাজাগণ দেৱজাক।
কদাচিতো শ্ৰেষ্ঠ বুলি নভজন্ত তাক।।২৬১
কাহাতো নাহিকে অনুৰাগ মাধৱৰ।
যিহেতু আপুনি পূৰ্ণকাম মহেশ্বৰ।।
নিজ ভৃত্যবৰ্গৰ অধীন তথাপিতো।
হেনয় পৰম ৰহস্যক জানে যিটো।।২৬২
সিটো কেনমতে পাৰে ত্যজিবে কৃষ্ণক।
নুহি অজ্ঞ জানে যিটো ভকতি ৰসক।।
ভকতৰ বশ্য হৰি দেখায়া সম্প্ৰতি।
পৰম দুৰ্ল্লভ যেন কৃষ্ণৰ ভকতি।।২৬৩
শুকৰ বচনে আৰ কহোঁ অভিপ্ৰায়।
বোলন্ত শুনিয়ো পৰীক্ষিত মহাৰায়।।
যাদৱ পাণ্ডৱ ইটো দুতয় কুলৰ।
ভাগ্যক বৰ্ণায়া সীমা পাই কোন নৰ।।২৬৪
পুৰাণ পুৰুষ যিটো কৃষ্ণ মহেশ্বৰ।
তেন্তে বশ্য হুয়া আতি উভয় বংশৰ।।
পৰম আৰাধ্য ইষ্টদেৱ ভগৱন্ত।
গুৰু হুয়া মহাহিত উপদেশ দেন্ত।।২৬৫
দুয়োকুল ৰক্ষক আছিলা মহাহিত।
কিঙ্কৰালি কৰ্ম্মকো কৰিলা কদাচিত।।
কৃষ্ণ বিনে দুয়োকুলে নজানিলে আন।
আছিলন্ত সৱাৰো কৃষ্ণেসে জীৱ প্ৰাণ।।২৬৬
এহিমতে নিজ ভকতক ভগৱন্ত।
যশ্য হৈয়া অনুকম্পা কৰে অপৰ্য্যন্ত।।
নিজ বশ প্ৰিয় প্ৰভু দেৱ দামোদৰ।
তাঙ্ক তেজি আনমতে ভজে যিটো নৰ।।২৬৭
সিজনত তৃপিত নাহিকে তাক সৰি।
এতেকে মুকুতি মাত্ৰ দেন্ত দেৱহৰি।।
কদাচিতো প্ৰেমৰস সহিতে ভকতি।
নেদন্ত ৰহস্য পদে জানা মহামতি।।২৬৮
সিহেতু ভকতি সুখ পৰম দুৰ্ল্লভ।
কৃষ্ণৰ কৰুণা বিনে নুহিকে সুলভ।।
এহি তাতপৰ্য্য কহে ভাগৱত গ্ৰন্থ।
ইহলোকে হৰি ভকতিসি মুখ্য পন্থ।।২৬৯
পৰম কল্যাণ ইসি বিঘিনি ৰহিত।
কাতো হন্তে ভয় আত নাহি কদাচিত।।
পৰম উৎসুকে আতি যতেক মহন্ত।
ভকতি পন্থত মাত্ৰ সদা প্ৰৱৰ্ত্তন্ত।।২৭০
কহিলেহোঁ একো ভয় নাহি ভকতিত।
যমৰ বচনে তাক কৰোহোঁ বিদিত।।
শিখান্ত আপুনি যমে দুত সমস্তক।
সমভাৱে যাৰাসৰে ভজন্ত কৃষ্ণক।।২৭১
পৰম পৱিত্ৰ যশ তাহাৰা সৱৰ।

২৬১-২৬৩। মূঃ শ্লোঃ --
শ্ৰিয়মনুচৰতীং তদৰ্থিনশ্চ দ্বিপদপতীন্ ৱিবুধাংশ্চ যঃস্বপূৰ্ণঃ।
ন ভজতি নিজভৃত্যৱৰ্গতন্ত্ৰঃ কথমমুমুদ্বিসৃজেৎ পুমান্ কৃতজ্ঞঃ।। -৪/৩১/২২
২৬৩-২৬৮। মূঃ শ্লোঃ-- (গুৰুদেৱৰ উক্তি)
ৰাজন্ পতিৰ্গুৰুৰলং ভৱতাং যদুনাং দৈৱং প্ৰিয়ঃ কুলপতিঃ ক্ব চ কিঙ্কৰো ৱঃ।
অস্তেৱ মঙ্গ ভগৱান্ ভজতাং মুকুন্দো মুক্তিং দদাতি কৰ্হিচিৎস্ম ন ভক্তিযোগম্।। - ৫/৬/১৮
২৬৯-২৭০। মূঃ শ্লোঃ-- (শ্ৰীশুকদেৱৰ উক্তি)
সধ্ৰীচীনো হ্যয়ং লোকে পন্থাঃ ক্ষেমোহকুতোভয়ঃ। সুশীলাঃ সাধৱো যত্ৰ নাৰায়ণ পৰায়ণাঃ।। -৬/১/১৭
২৭১-২৭৩। মূঃ শ্লোঃ--
তে দেৱসিদ্ধ পৰিগীত পৱিত্ৰগাথা য়ে সাধৱঃ সমদৃশো ভগৱৎপ্ৰপন্নাঃ।
তান্ নোপসীদত হৰেৰ্গদয়াভিগুপ্তান্ নৈষাং ৱয়ং ন চ ৱয়ঃ প্ৰভৱাম দণ্ডে।। - ৬/৩/২৭

গাৱে ৰাত্রি দিনে দেৱ সিদ্ধে নিৰন্তৰ।।
মাধৱৰ যিটো মহা কৌমুদকী গদা।
তাহাৰা সৱক ৰক্ষা কৰি ফুৰে সদা।।২৭২
নাচাপিবি দূত তাসম্বাৰ সন্নিহিত।
গদায়ে কোবায়া কৰিবেক চুৰ্ণীকৃত।।
ময়ো তাৰ ওপৰে নহওঁ দণ্ডধৰ।
কালো প্ৰভু নোহে আৰ তাহাৰা সৱৰ।।২৭৩
ভকতক মাত্র ৰক্ষা কৰে ভগৱন্ত।
বুলিবাহা তেৱে হৰি বিষম ভৈলন্ত।।
শুনিয়ো সংশয় তেজি ইহাৰ উত্তৰ।
কদাচিতো বিষম নুহিকে দামোদৰ।।২৭৪
নাহি তান বল্লভ সুহৃদ প্ৰিয়তম।
শত্ৰু মিত্ৰ উদাসীন সমস্ততে সম।।
তথাপিতো যেনমতে ভজন্ত ভকতে।
কৰে অনুগ্ৰহ তাসম্বাক সেহিমতে।।২৭৫
যেন কল্পতৰু সম সৱাতো স্বভাৱে।
তথাপিতো মাগন্তা জনেসে ফল পাৱে।।
সেহিমতে ভজন্তাক ভজন্ত ঈশ্বৰে।
তাহাঙ্ক বিষম বোলে কমন পামৰে।।২৭৬
ভকত জনক মাত্ৰ ভজে নাৰায়ণে।
লৈয়োক প্ৰমাণ ভগৱন্তৰ বচনে।।
পশু পক্ষী বৃক্ষ গৰু গোপীকা প্ৰভৃতি।
সৎসঙ্গ লভিয়া কৰে আমাত ভকতি।।২৭৭
এতেকে কৃতাৰ্থ হুয়া পাইলা মোক সুখে।
মহাজ্ঞানীসকলে নপাৰে যাক দুঃখে।।
কৃষ্ণৰ বচন এৱে থৈলোহোঁ সংহৰি।
নাহি আন সুখ পন্থ ভকতিৰ সৰি।।২৭৮
জানি সাধুজনে ভকতিক কৰা সাৰ।
তৰিবাহা সুখে ঘোৰ সংসাৰ নিকাৰ।।
ভজিয়া কৃষ্ণক মুখে ধৰা গুণ নাম।
সমস্ত সমাজে ডাকি বোলা ৰাম ৰাম।।২৭৯

**দুলড়ি**

কৃষ্ণৰ ভকতি অপ্ৰয়াসে গতি
সাধয় সৱে লোকৰ।
ভকতি বিহীন জ্ঞান কৰ্ম্ম যেন
শুনা এৱে আতপৰ।।
পৰম নিৰ্ম্মল যিটো জ্ঞান অতি
এৰাইলে কৰ্ম্মৰ হাত।
নানাবিধ ভেদ প্ৰপঞ্চ লুকাইল
ভৈলন্ত আত্মা সাক্ষাত।।২৮০
ভকতি বৰ্জ্জিত ভৈলে হেন জ্ঞানে
শোভা অতি নকৰয়।
পৰম নিষ্কাম কৰ্ম্মো নোশোভয়
কৃষ্ণত যাৰে নৰ্পয়।।
ভকতি সহায় নভৈলে যিহেতু
জ্ঞানৰো হেন অৱস্থা।
সদা দুঃখময় যিটো কাম্য কৰ্ম্ম
কৈবো কিবা তাৰ কথা।।২৮১
ভকতি সহায় বিনে জ্ঞানে কৰ্ম্মে
নসাধে কাৰো মুকুতি।
কাহাকো সহায় নচাৱে ভকতি
গৰিষ্ঠ এহি যুগুতি।।
জ্ঞান কৰ্ম্ম যত সমস্ততো কৰি
কহিলো শ্ৰেষ্ঠ ভকতি।
ইদানীকো সৱে মোক্ষতো অধিক
দঢ়ায়া কহো সম্প্ৰতি।।২৮২
জীৱন্তে মুকুট ভৈল যিটো অতি
আত্মাত মাত্ৰ ৰময়।
শাস্ত্ৰ বহিৰ্ভূত ভৈল হৃদয়ৰো

২৭৪-২৭৬। মূঃ শ্লোঃ --
ন তস্য কশ্চিদ্দয়িতঃ সুহৃত্তমো ন চাপ্রিয়ো দ্বেষ্য উপেক্ষ্য এৱ ৰা।
তথাপি ভক্তান্ ভজতে যথা তথা সুৰদ্রুমো যদ্বদুপাশ্ৰিতোহৰ্থদঃ।। - ১০/৩৮/২২
২৭৭-২৭৮। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)
কেৱলেন হি ভাৱেন গোপ্যোগাৱো নগা মৃগাঃ। য়েহন্যে মূঢ়ধিয়ো নাগাঃ সিদ্ধা মামীয়ুৰঞ্জসা।। - ১১/১২/৮
২৮০-২৮১। মূঃ শ্লোঃ--
নৈষ্কৰ্ম্ম্যপ্যচ্যুতভাৱৱৰ্জ্জিতং ন শোভতে জ্ঞানমলং নিৰঞ্জনম্।
কুতঃ পুনঃ শশ্বদ ভদ্ৰমীশ্বৰে ন চাৰ্পিতং কৰ্ম্ম যদপ্যকাৰণম্।। - ১/৫/১২

দূৰ গৈল গ্ৰন্থিচয়।।
তাৰাসৰো সদা পৰম নিষ্কামে
ভকতি কৰে কৃষ্ণত।
মোক্ষতো অধিক ভকতিৰ সুখ
জানিয়া অতি মনত।।২৮৩
মুকুট সকলো নেৰয় ভকতি
কিনো অতি অদভুত।
শঙ্কা দূৰ কৰি জানা দেৱ হৰি
হেনয় গুণ যুগুত।।
এতেকে ভকতে স্বৰ্গ ব্ৰহ্ম পদ
সাৰ্ব্বভৌম অধিপতি।
পাতালৰো ভোগ অষ্টাঙ্গ ঐশ্বৰ্য্য
মোক্ষতো নকৰে ৰতি।।২৮৪
ভকতিৰ ফল ভকতিসি মাত্ৰ
জানিবা আক নিশ্চয়।
এহি পৰমাৰ্থ উদ্ধৱৰ আগে
কৈলা কৃষ্ণ কৃপাময়।।
মোতে মাত্ৰ চিত্ত ভৈল যাৰ তাৰ
নলাগে জ্ঞান বৈৰাগ্য।
কেৱলে মোহোৰ ভকতিতে সুখে
পাৰি শ্ৰেয়সৰ লাগ।।২৮৫
তপ জপ যজ্ঞ যাগ যোগ ব্ৰত
তীৰ্থস্নান মহা জ্ঞানে।
আনো সৱ কৰ্ম্ম আচৰিয়া নৰে
পাৱে ফল যত মানে।।
আমাৰ ভকতে ভকতিত সুখে
সমস্ত তাক পাৱয়।
স্বৰ্গ অপবৰ্গ বৈকুণ্ঠকো পাৱে
কিন্তু তাক নবাঞ্ছয়।।২৮৬
পৰম মহন্ত যিটো বুদ্ধিমন্ত
একান্ত ভক্ত আমাৰ।
আত্যন্তিক সুখ বৈকুণ্ঠ লোককো
নোখোজে কহিলো সাৰ।।
সিহেতু মোতেসে কায় বাক্য মনে
প্ৰীতিক কৰে সৰ্ব্বথা।
এতেকেসে মই যাচন্তে নলৱে
জানা ইটো সত্য কথা।।২৮৭
ভকতি কৰিয়া একোৱে অপেক্ষা
নকৰে যাৰাসকল।
এহিমানে মাত্ৰ জানিবা নিশ্চয়
ভকতিৰ মহাফল।।
ইহাৰ সাধন কহো শুনিয়োক
সুহৃদ তুমি সাক্ষাত।
ভকতি বিনায় আন কিছু কাম
নবাঞ্ছে যিটো আমাত।।২৮৮
তাৰা সৱে পাইব ভকতিৰ সুখ
নাহিকে আত সংশয়।
হোক উদাসীন হোক বা গৃহস্থ
দুহানো হোক নিশ্চয়।।

২৮৩। মূঃ শ্লোঃ - (সূতৰ উক্তি)
আত্মাৰামাশ্চ মুনয়ো নিৰ্গ্ৰন্থা অপ্যুৰুক্ৰমে। কুৰ্বন্ত্যহৈতুকীং ভক্তিমিত্থম্ভূত গুণো হৰিঃ।। - ১/৭/১০
২৮৪। মূঃ শ্লোঃ-- (বৃত্ৰাসুৰৰ উক্তি)
ন নাকপৃষ্ঠং ন চ পৰিমেষ্ঠ্যং ন সাৰ্ব্বভৌমং ন ৰসাধিপত্যম্।
ন যোগসিদ্ধীৰপুনৰ্ভৱং ৱা সমঞ্জস ত্বা ৱিৰহয্য কাঙ্ক্ষে।। - ৬/১১/২৫
২৮৫। মূঃ শ্লোঃ-- (উদ্ধৱৰ প্ৰতি ভগৱানৰ উক্তি)
তস্মান্মদ্ভক্তিযুক্তস্য যোগিনো ৱৈ মদাত্মনঃ।
ন জ্ঞানং ন চ বৈৰাগ্যং প্ৰায়ঃ শ্ৰেয়ো ভৱেদিহ।। - ১১/২০/৩১
২৮৬। মূঃ শ্লোঃ-- (উদ্ধৱৰ প্ৰতি ভগৱন্তৰ উক্তি)
যৎকৰ্ম্মভিৰ্যৎতপসা জ্ঞানবৈৰাগ্যতশ্চ যৎ। যোগেন দান ধৰ্ম্মেণ শ্ৰেয়োভিৰিতৰৈৰপি।।
সৰ্ব্বং মদ্ভক্তিযোগেন মদ্ভক্তো লভতেহঞ্জসা। স্বৰ্গাপৱৰ্গং মদ্ধাম কথঞ্চিদ্ যদি ৱাঞ্ছতি।। -১১/২০/৩২-৩৩
২৮৭। মূঃ শ্লোঃ
ন কিঞ্চিৎ সাধৱো ধীৰা ভক্তাহ্যেকান্তিনো মম। ৱাঞ্ছন্ত্যপি ময়া দত্তং কৈৱল্যমপুনৰ্ভৱম্।। -১১/২০/৩৪

প্ৰকৃতিত পৰ মহি মহেশ্বৰ
নাহি আন মোত পৰে।
মোতে মাত্ৰ সম ভাৱে যিটো নৰে
একান্ত ভকতি কৰে।।২৮৯
বিধি নিষেধৰ যত গুণ দোষ
নোছোৱে কহিলো নিষ্ঠ।
যেহেতু একান্ত ভকত জনৰ
মই ভৈলো মহা ইষ্ট।।
প্ৰকৰণ অৰ্থ উপসংহৰিয়া
শুনিও কহোঁ তোমাত।
দিলো উপদেশ পন্থ যিটো ইটো
প্ৰৱৰ্ত্তে আত সাক্ষাত।।২৯০
নিৰ্গুণ পুৰুষ যিটো পৰব্ৰহ্ম
জানিব সুলভে মোক।
কালৰ মায়াৰ বিক্ৰম ৰহিত
পাইব সুখ মোৰ লোক।।
শুনা বুদ্ধজন কৰি স্থিৰ মন
কহিল যেন ঈশ্বৰে।
সমস্ত শাস্ত্ৰৰ এহিমানে সাৰ
নাহি আৰ আত পৰে।।২৯১
ভাগৱত শাস্ত্ৰ চাহি পূৰ্ব্বাপৰ
ঈশ্বৰ বাক্য প্ৰমাণি।
কহিলো ভকতি ধৰিও সম্প্ৰতি
এহি সত্য হেন জানি।।
শ্ৰীমন্ত উত্তম পুৰুষ দৈৱকী
নন্দন আনন্দ সিন্ধু।
তাহাৰ চৰণ পঙ্কজৰ যিটো
কৃপা মকৰন্দ বিন্দু।।২৯২

তাহাৰ প্ৰসাদে মোহোৰ পৰম
বিৱেক বাঢ়িল আসি।
সেহি মই বিষ্ণু- পুৰী ত্ৰিহোতীয়া
পৰম হংস সন্ন্যাসী।।
ভক্তি-ৰত্নাৱলী কৰিলো গ্ৰন্থন
যেন লৈলে মোৰ মতি।
তাহাৰ প্ৰথম বিৰচন কথা
এহিমানে সমাপতি।।২৯৩
দুৰ্ঘোৰ সংসাৰ সাগৰ নিকাৰ
তৰিবাক ইচ্ছা যাৰ।
কেৱল কৃষ্ণৰ চৰণ পঙ্কজে
ভকতিক কৰা সাৰ।।
এতেকে বৈকুণ্ঠ সহিতে ভকতি
আনন্দ লভিবা সুখে।
ধৰা গুণ নাম ত্যজি আন কাম
ৰাম ৰাম বোলা মুখে।।২৯৪

**দ্বিতীয় ঃ সৎসঙ্গ বিৰচন**

**পদ**

পূৰ্ব্ব বিচৰণত ভকতি কৰি সাৰ।
আৰম্ভিলো মই বিৰচন আৰ বাৰ।।
ভকতিৰ হেতু নিৰূপণৰ নিমিত্তে।
জানি সভাসদ শুনিয়োক একচিত্তে।।২৯৫
শ্ৰীমন্ত ঈশ্বৰ কৃষ্ণ ভকতৰ গুৰু।
তাহাৰ পৰম কৃপাৰস কল্পতৰু।।
তাহাৰ উত্তম ফল সৎসঙ্গ প্ৰধান।
ভাগৱত শাস্ত্ৰে অভিপ্ৰায় এহিমান।।২৯৬
এহি পৰমাৰ্থ দেখাইবাক প্ৰথমত।
আৰম্ভিলো কপিলৰ বাক্য অভিমত।।

---

২৮৮। মূঃ শ্লোঃ --
নৈৰপেক্ষ্যং পৰং প্ৰাহুৰ্নিঃশ্ৰেয়সমনল্পকম্। তস্মান্নিৰাশিষো ভক্তিৰ্নিৰপেক্ষস্য মে ভৱেৎ।। - ১১/২০/৩৫
২৮৯-২৯০। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)
ন ময্যেকান্ত ভক্তানাং গুণদোষোদ্ভৱাগুণাঃ। সাধুনাং সমচিত্তানাং বুদ্ধেঃ পৰমুপেয়ুষাম্।। - ১১/২০/৩৬
২৯০-২৯১। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)
এৱমেতান্ ময়াহদিষ্টাননুতিষ্ঠন্তি মে পথঃ। ক্ষেমং ৱিন্দন্তি মৎস্থানং যদ্ ব্ৰহ্ম পৰমং ৱিদুঃ।। - ১১/২০/৩৭

কপিলে কহন্ত দেৱহূতিৰ আগত।
একান্ত বৈষ্ণৱ সমস্তৰ প্ৰসঙ্গত।।২৯৭
হোৱয় উদ্ধৱ মোৰ নিৰ্ম্মল চৰিত।
তাক যিটো পৰম শ্ৰদ্ধায়ে শুনে নিত।।
মোক্ষদাতা মই মোতে শীঘ্ৰে অতিশয়।
অনুক্ৰমে শ্ৰদ্ধাৰতি ভকতি মিলয়।।২৯৮
ভকতৰ সঙ্গ যিটো লৱয় সৰ্ব্বথা।
হৈবেক ভকতি তাৰ ইটো কোন কথা।।
অল্প সঙ্গে তাৰয় ভকতি দিয়া দান।
ভগৱন্ত বাক্যে লৈয়ো ইহাৰ প্ৰমাণ।।২৯৯
আকাশত থাকি নাৰদত নিগদতি।
শুনিও বালক মোৰ বচন সম্প্ৰতি।।
অল্পমাত্ৰ সাধু সেৱা কৰিলি সাক্ষাত।
এতেকতে মোত দৃঢ় মতি হৈল জাত।।৩০০
ত্যজিয়া নিন্দিত দাসী সূত কলেৱৰ।
পাইবি মোৰ পাৰিষদী তনু শ্ৰেষ্ঠতৰ।।
হৈবেক নাৰদ নাম দিব্যৰূপ ধৰ।
ফুৰিবি পৱিত্ৰ কৰি লোক নিৰন্তৰ।।৩০১
ভগৱন্ত বাক্য থওঁ সংহৰি সম্প্ৰতি।
স্বৰ্গাদিতো কৰি শ্ৰেষ্ঠ সাধুৰ সঙ্গতি।।
লৈয়োক প্ৰমাণ শৌনকৰ বচনত।
সাক্ষাতে কহিয়া আছে সূতৰ আগত।।৩০২
অতি অল্প কাল মাত্ৰ সন্তৰ সঙ্গৰ।
তাকো স্বৰ্গ মোক্ষ পদে নোহে সমসৰ।।
স্বৰ্গসুখে হন্তে পুনৰপি পাত হয়।
মোক্ষতো ভকতি শুন্য জানিবা নিশ্চয়।।৩০৩
আন সব সুখ আৰ কিবা পটন্তৰ।
এতেকে সৱাতো শ্ৰেষ্ঠ সঙ্গ ভকতৰ।।
এৰে আৰো হেতু শুনা সূত মহাশয়।
কৃষ্ণ পদযুগ মাত্ৰ যাহাৰ আশ্ৰয়।।৩০৪
তাৰাসৱ মহামুনি পৰম মহন্ত।
সন্নিধি মাত্ৰকে সদ্যে পৱিত্ৰ কৰন্ত।।
ভকতিৰ প্ৰতিবন্ধ যত পাপচয়।
ভকত জনৰ সেৱা তেসে নষ্ট হয়।।৩০৫
হৰি পদ হন্তে গঙ্গা হুয়া উতপতি।
ভৈল এড়াএড়ি সিটো চৰণে সহিতি।।
কৃষ্ণৰ চৰণ সম্বন্ধত গঙ্গা দেৱী।
কৰন্ত পৱিত্ৰ যেৱে বহু কাল সেৱি।।৩০৬
সন্তৰ হিয়াত হৰি সদা প্ৰৱৰ্ত্তন্ত।
এতেকে গঙ্গাত কৰি গৰিষ্ঠ মহন্ত।।
তাসম্বাৰ সঙ্গ সদা লৈলে যিটো জনে।
নুহিব ভকতি শঙ্কা নকৰিবা মনে।।৩০৭
ভকত সঙ্গত আন নলাগে সহায়।
সূতৰ বচনে আৰ লৈয়ো অভিপ্ৰায়।।
অভক্তৰ স্বভাৱ মলিন অতিশয়।
ম্লেচ্ছাদি শৰীৰ তাৰ হৈবেক নিশ্চয়।।৩০৮
সম্প্ৰতি যতেক কৰ্ম্ম কৰে বিদ্যমান।
নোহে সিটো শোভন সমস্তে অকল্যাণ।।
কৃষ্ণৰ সেৱক সৱ পৰম নিৰ্ম্মল।
জগত পৱিত্ৰ কৰে তাহাৰা সকল।।৩০৯

২৯৭-২৯৮। মূঃ শ্লোঃ -- (কপিলদেৱৰ উক্তি)
সতাং প্ৰসঙ্গান্মম ৱীৰ্য্যসংৱিদো ভৱন্তি হৃৎকৰ্ণৰসায়নাঃ কথাঃ।
তজ্জোষণাদাশ্বপৱৰ্গৱৰ্ত্মনি শ্ৰদ্ধাৰতিৰ্ভক্তিৰণুক্ৰমিষ্যতি।। - ৩/২৫/২৫
২৯৯-৩০১। মূঃ শ্লোঃ -- (দাসী সূত নাৰদৰ প্ৰতি ভগৱন্তৰ উক্তি)
সৎসেৱয়া দীৰ্ঘয়া তে জাতা ময়ি দৃঢ়া মতিঃ। হিত্বাৱদ্যমিমং লোকং গন্তা মজ্জনতামসি।। - ১/৬/২৪
৩০২-৩০৪। মূঃ শ্লোঃ --
তুলয়াম লৱেনাপি ন স্বৰ্গং নাপুৰ্ণভৱম্। ভগৱৎসঙ্গিসঙ্গস্য মৰ্ত্ত্যানাং কিমুতাশিষঃ।। - ৪/৩০/৩৪
৩০৪-৩০৭। মূঃ শ্লোঃ--
যৎপাদসংশ্ৰয়াঃ সূত মূনয়ঃ প্ৰশমায়নাঃ। সদ্যঃপুনন্ত্যপস্পৃষ্টাঃ স্বৰ্ধুন্যাপোহনুসেৱয়া।। - ১/১/১৫
অৰ্থ ঃ হে সূত, গঙ্গাজল বহুদিন সেৱন কৰিলেহে পৱিত্ৰ হোৱা যায়, কিন্তু ভগৱন্তৰ চৰণত আশ্ৰয় লোৱা একান্ত ভগৱন্নিষ্ঠানিৰত মুনিসকলৰ স্পৰ্শ মাত্ৰেই সাংসাৰিক জীৱ পৱিত্ৰ হয়।

তাসম্বাক সেৱা অতি কৰন্তে সদায়।
ভক্তি প্রতিবন্ধ নষ্ট হোৱে সমুদায়।।
গুচে সৱে চিত্তৰ বিক্ষোভ আছে যত।
নিশ্চল ভকতি হোৱে কৃষ্ণ চৰণত।।৩১০
অধমো উদ্ধাৰ হোৱে সন্তৰ সঙ্গত।
ইহাৰ প্রমাণ লৈয়ো সূতৰ বাক্যত।।
আজি মোৰ মহা হৰিষৰ নাহি সীমা।
সাধুৰ সঙ্গৰ কিনো আশ্চৰ্য্য মহিমা।।৩১১
ক্ষত্রিয়ত হন্তে ব্রাহ্মণীত ভৈল জাত।
অপৱিত্র সূত জাতি জগতে প্রখ্যাত।।
হেন মই ভৈল মোৰ জন্মৰ সফল।
তোমাসাৰ সঙ্গে মোক কৰিলে নিৰ্ম্মল।।৩১২
অকুলীন হেন দুখ মনত আছিল।
শুক গুৰু প্রসাদত সমস্তে গুচিল।।
শৌনক প্রভৃতি তোৰাসৱ মহাজন।
তুমি সৱে মোক সাদৰাহা অনুক্ষণ।।৩১৩
তোৰাসৱে সমে কৰে লৌকিক আলাপ।
তথাপিতো দূৰ হৰে তাৰ যত পাপ।।
আছোঁ ভকতৰ সম্ভাষণ ইটো কথা।
সন্তৰ স্মৰণে শুদ্ধি কৰয় সৰ্ব্বথা।।৩১৪
সঙ্গলৈয়া শুশ্রূষা কৰয় মহন্তক।
তেৱে আৰ কি কহিবো তাহাৰ ভাগ্যক।।
বুলিবাহা ইটো কথা যেৱে সত্য হয়।।
তেৱে কিয় ভকতক সৱে নভজয়।।৩১৫
বিদুৰ বচনে লৈয়ো ইহাৰ উত্তৰ।
যাক নতু অনুগ্রহ মিলয় কৃষ্ণৰ।।
মহন্তৰ সেৱা তাৰ পৰম দুৰ্ল্লভ।
কৃষ্ণৰ কৰুণা বিনে নুহিকে সুলভ।।৩১৬
বৈকুণ্ঠৰ পতি যিটো প্রভু ভগৱন্ত।
তাহাঙ্ক পাইবাৰ পন্থ যতেক মহন্ত।।
তাসম্বাৰ চিহ্ন যেন শুনিয়োক তাক।
গাৱে ৰাত্রি দিনে মাত্র কৃষ্ণৰ কথাক।।৩১৭
কহো মহন্তক সেৱা কৰিবাৰ ফল।
কৃষ্ণ কথা শুনন্তে চিত্তৰ গুচে মল।।
তেৱেসে হৈবেক ৰতি হৰি চৰণত।
মহা প্রেমোৎসৱ আদি মিলয় মনত।।৩১৮
মোক্ষতো অধিক শোক লভয় প্রচুৰ।
অপ্রয়াসে সংসাৰৰ দুখ যায় দূৰ।।
বুলিবাহা যাৰা সৱে কুশলক চায়।
অসন্তৰ সঙ্গ যেন এৰে সমুদায়।।৩১৯
সেহি মতে সন্ত সঙ্গো লাগয় ত্যেজিতে।
নকৰি সংশয় শুনা স্থিৰ কৰি চিত্তে।।
কৰয় প্রসঙ্গ যিটো মহন্ত সৱাৰ।
পাইল মুকুতিৰো সিটো মেলান দুৱাৰ।।৩২০
অসাধুৰ সঙ্গম সুদৃঢ় পাশ জৰি।
বান্ধয় জীৱক অতি জড়পুৰ কৰি।।
এতেকেসে জ্ঞানীগণে কৰিয়া বিচাৰ।
এৰিয়া দুঃসঙ্গ সাধুসঙ্গ কৰে সাৰ।।৩২১
প্রসঙ্গত মহন্তৰ দেখায়া লক্ষণ।
এহি অৰ্থে কহো শুনা কপিল বচন।।
কপিল বদতি দেৱহূতি শুনিয়োক।
আমাক একান্ত চিত্তে ভজে যিটো লোক।।৩২২

৩০৮-৩১০। মূঃ শ্লোঃ --
নষ্টপ্রায়েম্বভদ্রেযু নিত্যং ভাগৱতসেৱয়া। ভগৱত্যুত্তমশ্লোকে ভক্তিৰ্ভৱতি নৈষ্ঠিকী।। - ১/২/১৮
৩১১-৩১৩। মূঃ শ্লোঃ -- (সূতৰ উক্তি)
অহোৱয়ং জন্মভৃতোহদ্য হাস্ম বৃদ্ধানুবৃত্ত্যাপি ৱিলোমজাতাঃ।
দৌস্কুল্যমাধিং ৱিধুনোতি শীঘ্রং মহত্তমানামভিধান যোগঃ।। - ১/১৮/১৮
৩১৪-৩১৫। মূঃ শ্লোঃ --
যেষাং সংস্মৰণাৎ পুংসাং সদ্যঃ শুদ্ধ্যন্তিৱৈ গৃহাঃ। কিং পুনৰ্দৰ্শনস্পৰ্শপাদশৌচাসনাদিভিঃ।। - ১/১৯/৩৩
৩১৬-৩১৯। মূঃ শ্লোঃ --
দুৰাপা হ্যল্পতপসঃ সেৱা ৱৈকুণ্ঠৱৰ্ত্মসু। যত্রোপগীয়তে নিত্যং দেৱদেৱো জনাৰ্দ্দনঃ।। ৩/৭/২০
যৎসেৱয়া ভগৱতঃ কূতস্থস্য মধুদ্বিষঃ। ৰতিৰাসো ভৱেৎতীব্রঃ পাদয়োৰ্ব্যসনাৰ্দনঃ।। - ৩/৭/১৯
৩২০-৩২১। মূঃ শ্লোঃ --
প্রসঙ্গমজৰং পাশমাত্মনঃ কৱয়ো ৱিদুঃ। স এৱ সাধুষু কৃতো মোক্ষদ্বাৰমপাবৃতম্।। -৩/২৫/২০

তাহাৰা সৱৰ কৰোঁ লক্ষণ বিদিত।
সৱাৰো সুহৃদ মহা কাৰুণিক চিত্ত।।
ক্ষমাৱন্ত শান্ত সাধু সুশীল ভূষণ।
তাসম্বাৰ শত্ৰু কৈতো নাহি উতপন।।৩২৩
নিষ্কামে ভকতি মোত কৰন্ত একান্তে।
মোক ত্যজি নভজন্ত আনক প্ৰাণান্তে।।
সুহৃদ বান্ধৱ ধন জন ধৰ্ম্ম মত।
মোৰ প্ৰীতি অৰ্থে সৱে ত্যজন্ত সমস্ত।।৩২৪
মোৰ সুনিৰ্ম্মল কথা কহন্ত শুনন্ত।
মোত বিনে চিত্ত আৰ আনত নেদন্ত।।
পৰম আনন্দ অতি মনত মিলয়।
তাসম্বাক আৰ তিনি তাপে নোছোৱয়।।৩২৫
সমস্তৰে সঙ্গ এৰি মোকেসে ভজয়।
তাৰাৰ সাধু মাতৃ কহিলোঁ নিশ্চয়।।
দেওঁ উপদেশ মই তাক শুনিয়োক।
কৰিয়া যতন সাধু সঙ্গক লৈয়োক।।৩২৬
তোমাৰ দুঃসঙ্গ দোষ সৱে হৰিবন্ত।
স্বভাৱ তোমাতে মহা কৃপা কৰিবন্ত।।
পৰম কৰুণাশীল ভকতসকল।
আশ্ৰয় মাত্ৰকে দূৰ কৰে কৰ্ম্মফল।।৩২৭
থৈলো উপসংহৰি কপিল বাক্য যত।
এৰিব সাধুৰ সঙ্গ হেন যাৰ মত।।
পৰম অজ্ঞানী তাৰ বচন নিস্ফল।
বিনে সাধু সঙ্গে নাহি কাহাৰো কুশল।।৩২৮
মুকুতি সুখক প্ৰতি ইচ্ছা আছে যাৰ।
কহিলোঁ সন্তৰ সঙ্গ প্ৰাৰ্থনি তাহাৰ।।
লভিল মুকুতি পায়া সাক্ষাতে কৃষ্ণক।
তাৰাসৰো বাঞ্ছা কৰে সাধুৰ সঙ্গক।।৩২৯
লৈয়োক প্ৰমাণ আৰ ধ্ৰুৱৰ বচনে।
কৰন্ত প্ৰাৰ্থনা অতি কৃষ্ণৰ চৰণে।।
সদায়ে তোমাত যিটো কৰয় ভকতি।
পৰম নিৰ্ম্মল তাৰা সমস্তৰ মতি।।৩৩০
তাসম্বাৰ প্ৰসঙ্গ সততে মোৰ হোক।
হেন অনুগ্ৰহ নাথ কৰিয়োক মোক।।
বুলিবা কিসক মোক নোখোজে মুকুতি।
নলাগে মাগিবে তাৰ শুনিয়ো যুগুতি।।৩৩১
ভকতৰ মুখে তযু চৰিত্ৰ অমৃত।
পৰম সন্তোষে অতি পিওঁ প্ৰতি নিত।।
কথামৃত পান কৰি হৈবো মহামত্ত।
তৰিবোহোঁ সুখে সংসাৰৰ দুঃখ যত।।৩৩২
নাহি কথামৃত পান সুখ মুকুতিত।
কথাতে মুকুতি সুখ হোৱয় বিদিত।।
তযু কথামৃত পানে হোৱে যেন মত্ত।
কৰোহোঁ বেকত প্ৰভু তোমাৰ আগত।।৩৩৩
তযু পাদপদ্মত লুবুধ যাৰ মন।
তেসম্বে সহিতে কৰে প্ৰসঙ্গ যিজন।।
তাৰাসৰে নুসুমৰে প্ৰিয়তম দেহ।
ভাৰ্য্যা পুত্ৰ বিত্ত সুহৃদতো গুচে স্নেহ।।৩৩৪
ভকতত হন্তে কথামৃত পান কৰে।
মহামত্ত হুয়া আতি সৱাকো পাসৰে।।
ধ্ৰুৱৰ বচন এৰে থৈলো এহিমানে।
সৎসঙ্গৰ মহিমা দেখাইলো বিদ্যমানে।।৩৩৫
মহন্ত সৱৰ কথা থাকোক তাৰত।
শুনা তাসম্বাৰ পদ ৰেণুৰ মহত্ত্ব।।

৩২২-৩২৭। মূঃ শ্লোঃ -- (সাধু বা মহন্তৰ লক্ষণ সম্পৰ্কে কপিলদেৱৰ উক্তি)
তিতিক্ষৱঃ কাৰুণিকাঃ সুহৃদঃ সৰ্ব্ব দেহিনাম্। অজাতশত্ৰৱঃ শান্তাঃ সাধৱঃ সাধুভূষণাঃ।।
ময্যনন্যেন ভাৱেন ভক্তিং কুৰ্ব্বন্তি যে দৃঢ়ম্। মৎকৃত্যে ত্যক্তকৰ্ম্মাণস্ত্যক্ত স্বজন বান্ধৱাঃ।।
মদাশ্ৰয়াঃ কথা মৃষ্টা শৃণ্বন্তি কথয়ন্তি চ। তপন্তি ৱিৱিধাস্তাপা নৈতান্ মদ্গত চেতসঃ।।
ত এতে সাধৱঃ সাধ্বি সৰ্ব্বসঙ্গ ৱিৱৰ্জ্জিতাঃ। সঙ্গস্তেষ্বথ তে প্ৰাৰ্থ্যঃ সঙ্গদোষহৰা হি তে।। - ৩/২৫/২১-১৪
৩৩০-৩৩৩। মূঃ শ্লোঃ-- ভক্তিং মুহুঃ প্ৰৱহতাং ত্বয়ি মে প্ৰসঙ্গো ভূয়াদনন্ত মহতামমলাশয়ানাম্।
যেনাঞ্জসোল্বণমুৰুব্যসনং ভৱাব্ধিং নেষ্যে ভৱদ্গুণ কথামৃতপানমত্তঃ।। -৪/৯/১১
৩৩৪-৩৩৫। মূঃ শ্লোঃ-- তে ন স্মৰন্ত্যতিতৰাং প্ৰীয়মীশ মৰ্ত্ত্যং যে চান্বদঃ সুতসুহৃদ্ গৃহৱিত্তদাৰাঃ।
য়ে ত্বব্জনাভ ভৱদীয়পদাৰৱিন্দসৌগন্ধ্য লুব্ধহৃদয়েষু কৃতপ্ৰসঙ্গাঃ।। - ৪/৯/১২

প্ৰাৰ্থিলন্ত পৃথু মহাজন সমস্তত।
শুনিয়ো মহন্তসৱ মোৰ অভিমত।।৩৩৬
ভকতৰ পদৰেণু যাৰে জীৱ মানে।
কিৰীটিৰ অগ্ৰত বহিবো সাৱধানে।।
তেৱেসে মোহোৰ হৈবে জন্মৰ সফল।
পৰশ মাত্ৰকে কৰে পাপীকো নিৰ্ম্মল।।৩৩৭
হেন পদ ৰেণুক নিতান্তে যিটো ধৰে।
সমস্ত গুণৰ পাত্ৰ হোৱে সিটো নৰে।।
থৈলো এহিমানে ইটো বচন পৃথুৰ।
দেখাইলোহোঁ মহন্তৰ মহিমা প্ৰচুৰ।।৩৩৮
বৈষ্ণৱৰ সঙ্গৰ মহিমা কৈবো কত।
কহন্তা শুনন্তা যত সৱাৰ সন্মত।।
জানি মহাজনৰ সঙ্গক কৰা সাৰ।
সৱাৰো সুখক অতি কৰয় বিস্তাৰ।।৩৩৯
কহিলো সাধুৰ সঙ্গ প্ৰাৰ্থনি বিশেষ।
পৰকো সাধুৰ সঙ্গ দিবা উপদেশ।।
এহিমানে পৰক পৰম উপকাৰ।
ৰুদ্ৰৰ বচনে লৈয়ো প্ৰমাণ ইহাৰ।।৩৪০
দেন্ত উপদেশ হৰে দশ প্ৰচেতাক।
শুনিয়োক ৰাজপুত্ৰসৱ মোৰ বাক।।
কহোঁ তোমাসাত সৰ্ব্ব শাস্ত্ৰৰ সন্মত।
কৰিবা প্ৰাৰ্থনা হেন ঈশ্বৰ কৃষ্ণত।।৩৪১
তযু পদ স্মৰণে সংহৰে পাপ যত।
কৰোঁ আমি প্ৰাৰ্থনা তোমাৰ চৰণত।।
তৱ কথা শ্ৰৱণে মনৰ মল হৰে।
পাদোদক গঙ্গায়ে বাহিৰ শুদ্ধি কৰে।।৩৪২
হেন দুই তীৰ্থ সেৱি মহন্তসকল।
বাহিৰে ভিতৰে আতি হোৱয় নিৰ্ম্মল।।
এতেকে ভূতক দায়া কৰে নিৰন্তৰ।
ৰাগ লোভ কাম ক্ৰোধ গুচিল মনৰ।।৩৪৩
হেন মহন্তৰ সঙ্গ কৰিয়োক দান।
আমাক তোমাৰ অনুগ্ৰহ এহিমান।।
মহেশৰ বচনক এহিমানে থওঁ।
দশ প্ৰচেতাৰ বাক্য প্ৰপঞ্চিয়া কওঁ।।৩৪৪
পায়া দশ জনে উপদেশ মহেশৰ।
কৰিলন্ত তপ দশ হাজাৰ বৎসৰ।।
তাসম্বাৰ তপে তুষ্ট হৈয়া অতিশয়।
সাক্ষাতে দিলন্ত দেখা কৃষ্ণ কৃপাময়।।৩৪৫
বৰলোৱা বুলি প্ৰলোভিলা বাৰম্বাৰ।
বিনাৱন্ত দশ পাছে কৰি নমস্কাৰ।।
পাইলো আমি আসি সুখে তযু পদমূল।
আছে আৰ আন কোন বৰ আক তুল।।৩৪৬
যেন মধুকৰে সুখে পাৰিজাত পাই।
তাক ত্যজি পুনঃ আন বৃক্ষক নযাই।।
সেহিমতে পায়া প্ৰভু তযু চৰণক।
তাক ত্যজি কেনে প্ৰভু বাঞ্ছিবো আনক।।৩৪৭
ব্ৰহ্মপদ পায়ো মনোৰথ সীমা নাই।
তথাপিতো এক বৰ দিয়োক গোসাঁই।।
তোমাৰ মায়ায়ে আমি নিজ কৰ্ম্ম গতি।
ভ্ৰমোহো যাৱত ইটো সংসাৰে সম্প্ৰতি।।৩৪৮
জন্মে জন্মে হোক তযু সঙ্গ ভকতৰ।
মিলোক প্ৰসঙ্গ প্ৰভু দিয়ো এহি বৰ।।
বুলিবা মোহোৰ সঙ্গ নুখুজিলা কিক।
ভকত সৱৰ সঙ্গ তোমাতো অধিক।।৩৪৯
কৰোহোঁ বিদিত তাক তোমাৰ আগত।
মহন্ত জনৰ সঙ্গ শ্ৰেষ্ঠ যেন মত।।

৩৩৬-৩৩৮। মূঃ শ্লোঃ-- (পৃথুৰ উক্তি)
তেষামহং পাদসৰোজৰেণুমাৰ্য্যা ৱহেয়াধিকিৰীটমায়ুঃ।
যং নিত্যদা ৱিভ্ৰত আশু পাপং নশ্যত্যমুং সৰ্ব্বগুণা ভজন্তি।। - ৪/২১/৪৩
৩৩৯-৩৪০। মূঃ শ্লোঃ--
সঙ্গমঃ খলু সাধূনামুভয়েষাং চ সন্মতঃ। যৎসম্ভাষণসংপ্ৰশ্নঃ সৰ্ব্বেষাং ৱিতনোতি শম্।। -৪/২২/১৯
৩৪০-৩৪৪। মূঃ শ্লোঃ (ৰুদ্ৰদেৱৰ উক্তি)
অথানঘাঙ্‌ঘ্ৰেস্তৱ কীৰ্ত্তিতীৰ্থয়োৰন্তৰ্বহিঃ স্নান বিধূত পাপমনাম্।
ভূতেষ্বনুক্ৰোশসু সত্ত্ব শীলিনাং স্যাৎসঙ্গমোঽনুগ্ৰহ এষ নস্তৱ।। - ৪/২৪/৫৮

থাকন্ত যথাত তযু একান্ত ভকত।
তোমাৰ নিৰ্ম্মল কথা তৈতেসে বেকত।।৩৫০
যিটো কথামৃত পান কৰে যিটো জন।
গুচে তৃষ্ণা আদি তাৰ শুদ্ধ হোৱে মন।।
দূৰ হোৱে বৈৰ ভাৱ সমস্ত ভূতত।
একোৱে উদ্বেগ আৰো নোপজে মনত।।৩৫১
বাঢ়ে তৃষ্ণা আদি যত অসত সঙ্গত।
সন্তৰ সঙ্গত ক্ষয় হোৱয় সমস্ত।।
হেনয় মহন্তসৱ থাকয় যথাত।
থাকা তুমি নাৰায়ণ সাক্ষাতে তথাত।।৩৫২
একান্ত সন্তৰ গতি তুমিসি সৰ্ব্বথা।
মুক্ত সন্ত সকলো তোমাৰ সঙ্গ কথা।।
শ্ৰৱণ-কীৰ্ত্তন সদা কৰন্ত সাক্ষাত।
হৃদয়ত পৰম আনন্দ হোৱে জাত।।৩৫৩
হেনয় মহন্তসৱ যথায় ভ্ৰমন্ত।
সমস্ত তীৰ্থকে অতি পৱিত্ৰ কৰন্ত।।
সংসাৰ তাপত হন্তে ভয় আছে যাৰ।
সাধুৰ সঙ্গক চেষ্টা নুহিবে কি তাৰ।।৩৫৪
দশ প্ৰচেতাৰ বাক্য থৈলো এহিমানে।
শুনা যেন পৰমাৰ্থ কহো বিদ্যমানে।।
সাধু সঙ্গ বিনে নাহি সংসাৰ নিস্তাৰ।
ভাগৱত শাস্ত্ৰে জানা এহিমানে সাৰ।।৩৫৫
হোক সাধু সঙ্গ শ্ৰেষ্ঠ মানিলো ইহাক।
অসন্তৰ সঙ্গ কিয় লাগে ত্যজিবাক।।
হেন যদি বোলা শুনা ইহাৰ উত্তৰ।
দেখাইবোহো ফল যেন উভয় সঙ্গৰ।।৩৫৬
পৰিচয় অৰ্থে সাধুসৱৰ লক্ষণ।
কহোঁ শুনা ভগৱন্ত ঋষভ বচন।
মহন্তৰ সেৱা মুকুতিৰ মুখ্য দ্বাৰ।
স্ত্ৰীৰ সঙ্গীৰ সঙ্গ নৰক যাইবাৰ।।৩৫৭
সাধু সমস্তৰ সমস্ততে সম চিত্ত।
সৱাৰো সুহৃদ ক্ৰোধ নোপজে কিঞ্চিত।।
উৰুমি ৰহিত শান্ত মতি অতিশয়।
কদাচিতো সাধু সদাচাৰ নলঙ্ঘয়।।৩৫৮
মোতেসে সৌহৃদ্য ভাৱ মাত্ৰ প্ৰয়োজন।
কদাচিতো বিষয় সুখত নাহি মন।।
পুত্ৰ দাৰা ধন জন সমৃদ্ধি সহিত।
হেন গৃহ সম্পত্তিতো নাহি স্নেহ চিত্ত।।৩৫৯
দেহ মাত্ৰ প্ৰৱৰ্ত্তয় সি সৱ উপায়।
তাত পৰে সন্তৰ অধিক স্পৃহা নাই।।
ভৰত প্ৰমুখ্য কৰি শুনা পুত্ৰগণ।
কহো তোমাসাত মই স্বৰূপ বচন।।৩৬০
মৃত্যুৰ মুখত পৰি আছে যিটো নৰ।
ভকতিৰ উপদেশ দিয়া মাধৱৰ।।
নপাৰে মেলাইবে ঘোৰ সংসাৰ সঙ্কটে।
গুৰু আদি একো তাত সম্বন্ধ নঘটে।।৩৬১
কেনমতে গুৰু সিটো সুহৃদ কিসৰ।
কেনমতে পিতৃ মাতৃ ভৈল সিটো নৰ।।
ৰক্ষকৰ্ত্তা অধিকাৰী ভৈল কেন কৰি।
কিসক লৱয় পূজা দেৱ নাম ধৰি।।৩৬২
সিও কেনে গুৰু আদি বোলে তাসম্বাক।
যাত হন্তে নপাৰে মৃত্যুক এৰাইবাক।।
সিও গুৰু আদি কৰি নাম নধৰোক।
মৃত্যু এৰুৱাইবে নপাৰয় যিটো লোক।।৩৬৩
তাঙ্কেসে ধৰিব লাগে সম্বন্ধ নিঃশেষ।
যিটো জনে দেন্ত ভকতিৰ উপদেশ।।

---

৩৫০-৩৫১। মূঃ শ্লোঃ-- যত্ৰেড্যন্তে কথামৃষ্টাস্তৃষ্ণায়াঃ প্ৰশমো যতঃ। নিৰ্ব্বৈৰং যত্ৰ ভূতেষু নোদ্বেগো যত্ৰ কশ্চন।। - ৪/৩০/৩৫
৩৫২-৩৫৩। মূঃ শ্লোঃ-- যত্ৰ নাৰায়ণঃ সাক্ষাদ্ভগৱান্ ন্যাসিনাং গতিঃ। সংস্তূয়তে সৎকথাসু মুক্তসঙ্গৈঃ পুনঃ পুনঃ।। -৪/৩০/৩৬
৩৫৪-৩৫৫। মূঃ শ্লোঃ-- তেষাং ৱিচৰতাং পদ্ভ্যাং তীৰ্থানাং পাৱনেচ্ছয়া।
ভীতস্য কিং ন ৰোচেত তাৱকানাং সমাগমঃ।। ৪/৩০/৩৭
৩৫৭-৩৬০। মূঃ শ্লোঃ-- মহৎসেৱাং দ্বাৰমাহুৰ্ৱিমুক্তে স্তমোদ্বাৰং যোষিতাং সঙ্গিসঙ্গম্।
মহান্তস্তে সমচিত্তাঃ প্ৰশান্তা ৱিমন্যৱঃ সুহৃদঃ সাধৱো যে।।
যে ৱা ময়ীশে কৃত সৌহৃদাৰ্থা জনেষু দেহম্ভৰৱাৰ্ত্তিকেষু।।
গৃহেষু জায়াত্মজৰাতিমৎসু ন প্ৰীতিযুক্তা যাৱদৰ্থাশ্চলোকে।। - ৫/৫/২-৩

দিলো তোমাসাক মই ইটো মহাজ্ঞান।
ঋষভ দেৱৰ বাক্য থৈলো এহিমান।।৩৬৪
ভগৱন্ত ভক্তিযুক্ত নোহে যিটো নৰ।
স্বভাৱে অনুপকাৰী বৈষ্ণৱ জনৰ।।
এতেকে সৱাতে আশা এৰে সাধুজনে।
এহি অৰ্থকো কহো শুনা প্ৰহ্লাদ বচনে।।৩৬৫
গৃহ পুত্ৰ ভাৰ্য্যা ধন জন বন্ধু বিত্ত।
নোহোকক তাসম্বাৰ সঙ্গ কদাচিত।।
যেৱে মোৰ মহাভাগ্য আছে কথঞ্চিত।
মিলোক প্ৰসঙ্গ প্ৰভু বৈষ্ণৱে সহিত।।৩৬৬
ভগৱন্ত প্ৰিয় সঙ্গী ভৈল যিটো নৰ।
প্ৰাণ ধাৰণাতে তুষ্ট হন্ত নিৰন্তৰ।।
অতিশীঘ্ৰে প্ৰয়োজন সিজে তাসম্বাৰ।
গৃহাদিত মাত্ৰ আসকতি ভৈল যাৰ।।৩৬৭
ইন্দ্ৰিয়ৰ সুখত গোৱাৱে ৰাত্ৰি দিন।
নাহি তাৰ সিদ্ধি সিটো ভৈল ভাগ্যহীন।।
প্ৰহ্লাদ বচন থওঁ সম্প্ৰতি সংহৰি।
বুলিবাহা অসম্ভাৱনাক আদি কৰি।।৩৬৮
বহুবিধ কুতৰ্কে আকুল মন যাৰ।
সদায়ে সাধুৰ সঙ্গ হৈব কেনে তাৰ।।
ইটো আশঙ্কায়ে মন নকৰিবা ভঙ্গ।
কিসক বিস্তৰ লাগে বৈষ্ণৱৰ সঙ্গ।।৩৬৯
অল্প সাধু সঙ্গে সাধে সকল কল্যাণ।
ৰহূগণ বাক্যে লৈয়ো ইহাৰ প্ৰমাণ।।
জড় ভৰতক বুলিলন্ত ৰহু গণ।
সমস্ত জন্মত কৰি মনুষ্য শোভন।।৩৭০

দেৱাদি জন্মত কৰি শ্ৰেষ্ঠ অতিশয়।
স্বৰ্গত লভিয়া জন্ম কি কাৰ্য্য সাধয়।।
তুমি সৱ হেন মহাজনক সাক্ষাত।
নপাৱে প্ৰচুৰ সমাগম ৰস জাত।।৩৭১
এতেকে মনুষ্য জন্ম সৱাতো উত্তম।
পাৱে আত মহন্তৰ প্ৰচুৰ সঙ্গম।।
কৃষ্ণ যশে যাহাৰ শোধিত ভৈল চিত।
তাসম্বাৰ সঙ্গৰ মহিমা বিপৰীত।।৩৭২
পাইলো মই আজি হেৰা সাক্ষাত প্ৰমাণ।
তোমাক আলাপ কৰো দুই দণ্ড মান।।
পৰম কুতৰ্কে বদ্ধ হৃদয় আমাৰ।
মোত পৰে নাহিকে অজ্ঞানী অনাচাৰ।।৩৭৩
দুই দণ্ডে সিটো অবিৱেক নষ্ট গৈল।
তযু পদ প্ৰসাদে সমস্ত বোধ ভৈল।।
সততে উপাসে যিটো তোমাৰ চৰণ।
কৰিলে পাতক নষ্ট শুদ্ধ হৈল মন।।৩৭৪
নিৰ্ম্মল ভকতি তাৰ হৈবেক কৃষ্ণত।
নুহি অদভুত ইটো মোহোৰ মনত।।
ৰহূগণ বাক্য থৈলো সম্প্ৰতি তাৰত।
সন্তৰ চৰণ ৰেণুৰেসে প্ৰসাদত।।৩৭৫
হৈবেক ভকতি ভগৱন্ত ঈশ্বৰত।
অন্যথা নুহিকে শুনা প্ৰহ্লাদৰ মত।।
ভৈল যিটো জন আতি গৃহবাসে ৰতি।
কৃষ্ণ পাদপদ্মক নোচোৱে তাৰ মতি।।৩৭৬
পৰশিলে যাৰ চিত্তে চৰণ কৃষ্ণৰ।
হোৱে দূৰ তাৰ দুঃখচয় নিৰন্তৰ।।

---

৩৬১-৩৬৪। মূঃ শ্লোঃ-- গুৰুৰ্ন স স্যাৎ স্বজনো ন স স্যাৎ পিতা ন স স্যাজ্জননী ন সা স্যাৎ।
দৈৱং নতৎ স্যান্ন পতিশ্চ স স্যান্নমোচয়েদ্ যঃ সমুপেতমৃত্যুম্।। - ৫/৫/১৮
৩৬৬-৩৬৮। মূঃ শ্লোঃ-- মাগাৰদাৰাত্মজৱিত্তৱন্ধুষু সঙ্গোযদিস্যাদ্ভগৱৎপ্ৰিয়েষু নঃ।
যঃ প্ৰাণবৃত্তা পৰিতুষ্ট আত্মৱান্ সিদ্ধ্যত্যদূৰান্ন তথেন্দ্ৰিয়প্ৰিয়ঃ।। - ৫/১৮/১০
৩৬৯-৩৭৫। মূঃ শ্লোঃ-- (জড় ভৰতৰ প্ৰতি ৰহূগণৰ উক্তি)
অহো নৃজন্মাখিলজন্মশোভনং কিং জন্মভিস্তপৰৈৰপ্যমুষ্মিন্।
ন যদ্ধৃষীকেশযশঃ কৃতাত্মনাং মহাত্মনাং ৱঃ প্ৰচুৰ সমাগমঃ।।
নহ্যদ্ভুতং ত্বচ্চৰণাব্জৰেণুভিৰ্হতাংহসো ভক্তিৰধোক্ষজেঽমলা।
মৌহূৰ্ত্তিকাদ্ যস্য সমাগমাচ্চ মে দুস্তৰ্কমূলোঽপহতোঽৱিৱেকঃ।। -৫/১৩/২১-২২
৩৭৬-৩৭৭। মূঃ শ্লোঃ-- (প্ৰহ্লাদৰ উক্তি)
নৈষাং মতিস্তাৱদুৰুক্ৰমাঙ্ঘ্ৰিং স্পৃশত্যনৰ্থাপগমো যদৰ্থঃ।
মহীয়সাং পাদৰজোঽভিষেকং নিষ্কিঞ্চনানাং ন বৃণীত যাৱৎ।। - ৭/৫/৩২

সিটো কৃষ্ণ চৰণক নজানে তাৰত।
বৈষ্ণৱৰ পদৰেণু নলৱে যাৱত।।৩৭৭
অণুমাত্ৰ কৃষ্ণ বিনে সাৰ নাহি যাৰ।
কৰা অভিষেক পদৰেণু তাসম্বাৰ।।
তেৱেঁসে হৈবেক হৰি চৰণত ৰতি।
মুক্তৰো দুৰ্ল্লভ কৃষ্ণদেৱৰ ভকতি।।৩৭৮
প্ৰকৰণ অৰ্থ উপসংহৰি নিঃশেষ।
প্ৰহ্লাদ বচনে শুনা কহো সবিশেষ।।
নৃসিংহৰ পাদপদ্ম ধৰিয়া আহ্লাদে।
পৰম বিনয়ভাৱে বোলন্ত প্ৰহ্লাদে।।৩৭৯
শুনা প্ৰভু ব্ৰহ্মা আদি কৰি জীৱ যত।
জানো সাঙ্গ পাঙ্গে মই সৱাৰো মহত্ত্ব।।
আয়ু শ্ৰীযশ যত বিভৱ প্ৰধান।
জানো ইন্দ্ৰিয়ৰ ভোগ যাৰ যতমান।।৩৮০
নাহি তাক ইচ্ছা মোৰ বোলো নিষ্ঠ কৰি।
তুমি কালৰূপে নিয়া ক্ষণেকে সংহৰি।।
অণিমা লঘিমা আদি ঐশ্বৰ্য্য যতেক।
তাকো কালে বিধ্বংসন কৰয় প্ৰত্যেক।।৩৮১
জনম মৰণ মহা সৰ্প অদভুত।
ইটো ভৱকূপে সেহি ভুজঙ্গে দংশন্ত।।
ইহাতে পৰিয়া সদা আছে সৰ্ব্বজন।
ময়ো তাসম্বাৰ সঙ্গী জানা নাৰায়ণ।।৩৮২
তুমি কৃপাময় প্ৰভু নাৰদৰ হাতে।
পূৰ্ব্বে অনুগ্ৰহ মোক কৰিছা সাক্ষাতে।।
এৰুৱাইলা মোক নাথ কালৰ হাতৰ।
আপোনাৰ ভৃত্য কৰি লৈলা দামোদৰ।।৩৮৩
সেহি মই তযু নিজ ভৃত্য দেৱ হৰি।
নাৰদৰ গুণ পাসৰিবো কেন কৰি।।
সম্প্ৰতি তোমাৰ অনুগ্ৰহ এৱে হোক।
তযু নিজ ভৃত্যৰ পাশক নিও মোক।।৩৮৪
প্ৰহ্লাদে প্ৰাৰ্থিলা অতি সঙ্গ মহন্তৰ।
সংসাৰত মগ্ন হুয়া আছে যিটো নৰ।।
সাধু সঙ্গ বিনা তাৰ নাহি আন গতি।
এহিমানে শাস্ত্ৰফল শুনিয়ো সম্প্ৰতি।।৩৮৫
শুনে কৃষ্ণ কথা যিটো মহন্ত সঙ্গত।
কৰ্ণ পথে হৰি তাৰ হন্ত অন্তৰ্গত।।
আছে দুৰ্ব্বাসনা যত অনাদি জন্মৰ।
কৰন্ত সৱাকো দূৰ দেৱ দামোদৰ।।৩৮৬
গঙ্গা আদি কৰি যত তীৰ্থ নিৰন্তৰ।
হৰন্ত কেৱল পাপ মাত্ৰ শৰীৰৰ।।
সন্ত সঙ্গে বাহিৰে ভিতৰে শুদ্ধি কৰে।
হেন সাধু সেৱা নকৰিবে কোন নৰে।।৩৮৭
বুলিবাহা কিবা কাজ মহন্ত সেৱাত।
কিসক নকৰে সেৱা কৃষ্ণক সাক্ষাত।।
স্বতন্ত্ৰ ঈশ্বৰ আন অধীন সকল।
তাসম্বাক সেৱা কৰিবাৰ কোন ফল।।৩৮৮
নুবুলিবা হেন শুনা ইহাৰ উত্তৰ।
নুহিকে স্বতন্ত্ৰ হৰি অধীন সন্তৰ।।
ভকতৰ অনুগ্ৰহতেসে তাঙ্ক পাই।
বৈকুণ্ঠনাথৰ বাক্যে লৈয়ো অভিপ্ৰায়।।৩৮৯
দুৰ্ব্বাসাৰ আগত বদতি দামোদৰ।
শুনিয়ো দুৰ্ব্বাসা মই নোহো স্বতন্ত্ৰৰ।।

৩৭৯-৩৮১। মূঃ শ্লোঃ --
তস্মাদমূস্তনুভৃতামহমাশিযো জ্ঞ আয়ুঃশ্ৰিয়ং ৱিভৱমৈন্দ্ৰিয়মা ৱিৰিঞ্চাৎ।
নেচ্ছামি তে ৱিলুলিতানুৰুৱিক্ৰমেণ কালাত্মনোপনয় মাং নিজভৃত্য পাৰ্শ্বম্।। - ৫/৯/২৪
৩৮২-৩৮৪। মূঃ শ্লোঃ--
এৱং জনং নিপতিতং প্ৰভৱাহিকূপে কামাভিকামমনু যঃ প্ৰপতন্ প্ৰসঙ্গাৎ।
কৃত্বাহত্মসাৎ সুৰৰ্ষিণা ভগৱন্ গৃহীতঃ সোহহং কথং নু ৱিসৃজে তৱভৃত্য সেৱাম্।। - ৫/৯/২৮
৩৮৬-৩৮৭। মূঃ শ্লোঃ --
যৎসঙ্গলব্ধং নিজৱীৰ্য্যবৈভৱং তীৰ্থংমূহুঃ সংস্পৃশতাং হি মানসম্।
হৰত্যজোহন্তঃ শ্ৰুতিভিৰ্গতোহঙ্গজং কো ৱৈ ন সেৱেত মুকুন্দ ৱিক্ৰমম্।। -৫/১৮/১১
৩৯০। মূঃ শ্লোঃ -- (দুৰ্ব্বাসাৰ উক্তি)
অহং ভক্ত পৰাধীনো হ্যস্বতন্ত্ৰ ইৱ দ্বিজ।
সাধুভিৰ্গস্তহৃদয়ো ভক্তৈৰ্ভক্ত জনপ্ৰিয়ঃ।। - ৯/৪/৬৩

হওঁ মই ঈশ্বৰ সমস্ত জগতৰ।
তথাপি অধীন ভৈলোঁ বৈষ্ণৱ জনৰ।।৩৯০
তোমাৰ আগত মই কহোঁ স্বৰূপত।
কায় বাক্য মন মোৰ খাটে ভকতত।।
মই সি পৰম গতি ভৈল যিজনৰ।
মোৰ প্ৰিয়তম আৰ নাহি তাত পৰ।।৩৯১
নিজ ভাৰ্য্যা লক্ষ্মী ইটো প্ৰিয়তম দেহ।
সাধুজন বিনে আতো নাহি মোৰ স্নেহ।।
গৃহ পুত্ৰ দাৰা ধন জন প্ৰাণ বিত্ত।
ইহ পৰলোকৰ সুখত এৰি চিত্ত।।৩৯২
কেৱল মোতেসে সিটো পশিল শৰণ।
হৈবে কেনমতে তাক ত্যজিবাক মন।।
বুলিবাহা আপোনাৰ কুশল কাৰণে।
পশিল শৰণ সিটো তোমাৰ চৰণে।।৩৯৩
তুমি কিবা কাৰ্য্যে বশ্য হোৱা তাসম্বাৰ।
দৃষ্টান্ত সহিতে শুনা কাৰণ ইহাৰ।।
যেন স্বভাৱতে সতী নাৰী নিৰন্তৰে।
পতিব্ৰতা ধৰ্ম্মে শান্ত পতি বশ্য কৰে।।৩৯৪
সেহিমতে সাধুসৱো জানিবা নিশ্চয়।
মোতেসে কেৱলে বদ্ধ কৰিলে হৃদয়।।
একান্ত ভকতি ভাৱে কৰে মোক বশ্য।
কহিলো দুৰ্ব্বাসা ইটো তোমাত ৰহস্য।।৩৯৫
স্বামী সেৱা কৰে নাৰী সুখক আশায়।
কিন্তু মোৰ ভক্ত সৱ নিষ্কাম সদায়।।
তাতো যেৱে মই বশ্য নভৈলো সম্প্ৰতি।
মোত পৰে নাহি তেৱে পৰম কপটী।।৩৯৬

বৈকুণ্ঠৰ চাৰি পদ সালোক্য প্ৰমুখ্যে।
মোহোৰ সেৱাত আসি পাৰে মহাসুখে।।
নলৱন্ত সেৱা ৰসে পূৰ্ণ হুয়া চিত্ত।
কাল বশ্য স্বৰ্গাদিকো নকৰে ইঙ্গিত।।৩৯৭
কহিবো বিস্তৰ কিবা তোমাৰ আগত।
মোহোৰ হৃদয় নিষ্ঠে জানিবা ভকত।।
ভকতৰো হৃদয় মইসে সাৰে সাৰ।
মোতপৰে অণুমাত্ৰ নজানন্ত আৰ।।৩৯৮
মই ভকতত পৰে নজানোহো আন।
কৰো ৰাত্ৰি দিনে মাত্ৰ তাসম্বাক ধ্যান।।
কহিলো তোমাত ইটো তত্ত্ব নিৰন্তৰ।
এহিমানে থৈলো বাক্য বৈকুণ্ঠ নাথৰ।।৩৯৯
কহো তাতপৰ্য্য উপসংহৰি প্ৰত্যেক।
সাধু সমস্তৰ অনুগ্ৰহ ব্যতিৰেক।।
ভগৱন্ত ঈশ্বৰক জানন দুৰ্ল্লভ।
আন একো সাধনত নুহিকে সুলভ।।৪০০
এহিমানে মাত্ৰ পৰমাৰ্থ সমুদায়।
ভাগৱত গ্ৰন্থৰ কহিলো অভিপ্ৰায়।।
বুলিবা দেৱক ভজি পাইবা মাধৱক।
কিসক কৰিবে লাগে সেৱা মনুষ্যক।।৪০১
নুবুলিবা কদাচিতো ইটো বচনক।
শুনা যেন কৃষ্ণে বুলিলন্ত অক্ৰূৰক।।
তুমি সৱ মহাভাগৱত শ্ৰেষ্ঠতম।
সমস্ত লোকৰ তোৰা পূজনী উত্তম।।৪০২
মোৰ ভকতিক মাত্ৰ চাহে যিটো নৰ।
নাহিকে ভজনী তাৰ তোমাসাত পৰ।।

---

৩৯১-৩৯২। মূঃ শ্লোঃ--
নাহমাত্মানমাশাসে মদ্ভক্তৈঃ সাধুভিৰ্ৱিনা। শ্ৰিয়ং চাত্যান্তিকীং ব্ৰহ্মন্ যেষাং গতিৰহং পৰা।। - ৯/৪/৬৪
৩৯৪-৩৯৩। মূঃ শ্লোঃ--
যে দাৰাগাৰপুত্ৰাপ্তান্ প্ৰাণান্ ৱিত্তমিমং পৰম। হিত্বা মাং শৰণং য়াতাঃ কথং তাংস্ত্যক্তুমুৎসহে।। - ৯/৪/৬৫
৩৯৪-৩৯৫। মূঃ শ্লোঃ--
ময়ি নিৰ্ব্বদ্ধহৃদয়াঃ সাধৱঃ সমদৰ্শনাঃ। ৱশীকুৰ্ব্বন্তি মাং ভক্ত্যা সৎস্ত্ৰিয়ঃ সৎপতিং যথা।। -৯/৪/৬৬
৩৯৭। মূঃ শ্লোঃ--
মৎসেৱয়া প্ৰতীতং চ সালোক্যাদি চতুষ্টয়ম্। নেচ্ছন্তি সেৱয়া পূৰ্ণাঃ কুতোহন্যত কালবিদ্ৰূতম্।। - ৯/৪/৬৭
৩৯৮-৩৯৯। মূঃ শ্লোঃ --
সাধৱো হৃদয়ং মহ্যং সাধুনাং হৃদয়ং ত্বহম্। মদন্যৎ তে ন জানন্তি নাহং তেভ্যো মনাগপি।। -৯/৪/৬৮
৪০২-৪০৪। মূঃ শ্লোঃ--ভৱদ্বিধা মহাভাগা নিষেব্যা অৰ্হসত্তমাঃ। শ্ৰেয়স্কামৈৰ্বৃভিৰ্নিত্যং দেৱাঃ স্বাৰ্থা ন সাধৱঃ।। -১০/৪৮/৩০

আপোনাৰ কাৰ্য্য মাত্ৰ সাধে দেৱগণে।।
পৰকেসে উপকাৰ কৰন্ত সজ্জনে।।৪০৩
এতেকেসে পৰমাৰ্থে মহন্তেসে দেৱ।
তাসম্বাক মাত্ৰ কৰিবাক লাগে সেৱ।।
যদ্যপি দেৱক সেৱা কৰি অতিশয়।
কদাচিতো নৰে সিটো ভকতি পাৱয়।।৪০৪
তাতো বহুকালে সিদ্ধি কৰে কি নকৰে।
সদ্যে সাধু সেৱাত সাক্ষাতে ফল ধৰে।।
তাতেসে সৎসঙ্গ শ্ৰেষ্ঠ দেৱতাত কৰি।
শুনা কহো মুচুকুন্দ বচন উদ্ধাৰি।।৪০৫
কৃষ্ণক কৰন্ত স্তুতি মুচুকুন্দ ৰায়।
শুনিয়োক প্ৰভু হৰি মোৰ অভিপ্ৰায়।।
সংসাৰত ভ্ৰমি মৰে যত জীৱ ৰাশি।
তযু অনুগ্ৰহে যাৰ যিকালত আসি।।৪০৬
ভৱবন্ধ অপবৰ্গ সীমা ভৈল যেৱে।
বৈষ্ণৱ জনৰ সিটো সঙ্গ পাৱে তেৱে।।
জগত ঈশ্বৰ তুমি মহন্তৰ গতি।
তযু পদে সদ্যে তাৰ হোৱয় ভকতি।।৪০৭
তৱে তেৱে সিটো সুখে ঘোৰ সংসাৰক।
থৈলো এহিমানে মুচুকুন্দৰ বাক্যক।।
সাধু সঙ্গ বিনে সদ্যে নোপজে ভকতি।
এহিমানে তাৎপৰ্য্য দেখাইলো সম্প্ৰতি।।৪০৮
পুনঃ সাধু সঙ্গে সদ্যে ফল যেন মত।
দেখাওঁ স্পষ্ট কৰি ভগৱন্তৰ বাক্যত।।
সিও তীৰ্থ হয় জলময় তীৰ্থ যত।
শিলাৰ প্ৰতিমা সিও দেৱ স্বৰূপত।।৪০৯
কিন্তু দেৱে তীৰ্থে চিৰকালে কৰে শুদ্ধি।
দেখিলাত মহন্তে নিৰ্ম্মল কৰে বুদ্ধি।।

ক্ষীণ পাপ পুৰুষৰ ভকতি সুলভ।
কিন্তু মহন্তৰ সেৱা দেৱৰো দুৰ্ল্লভ।।৪১০
দেৱে সাধু সঙ্গে সম হৈবে কদাচিত।
নানিবা মনত ইটো শঙ্কা বিপৰীত।।
দেৱে নপাৰন্তে দুঃখে সন্তৰ সঙ্গতি।
মুনিগণে আগে কৃষ্ণ দেৱ নিগদতি।।৪১১
কিনো আমাসাৰ আজি ভৈল সুপ্ৰভাত।
লভিলো জন্মৰ সৱে ফলক সাক্ষাত।।
যাক দেখিবাক নপাৰন্ত দেৱগণ।
হেন তোমাসাক আমি ভৈলো দৰশন।।৪১২
আমি অল্পপুণ্যমতি একোৱে নজানো।
তীৰ্থস্নান আদিক তপস্যা কৰি মানো।।
প্ৰতিমাতে কেৱল দেৱতা বুদ্ধি কৰোঁ।
অল্পদান দক্ষিণাকে ধৰ্ম্ম বুলি ধৰোঁ।।৪১৩
তথাপিতো দৰশন ভৈলো তোমাসাক।
নম্ৰভাৱে পাইলোহোঁ চৰণ অৰ্চ্চিবাক।
আশ্চৰ্য্য আমাৰ মহাভাগ্য বিপৰীত।
অঘটনো ঘটে আসি কিনো আচৰিত।।৪১৪
পায়া পদৰেণু অতি ভৈলোহো নিৰ্ম্মল।
আজিসে ধৰিল নৰ শৰীৰৰ ফল।।
বুলিবাহা ভক্তি প্ৰতিবন্ধ পাপ যত।
অগ্নি আদি দেৱতায়ে হৰয় সমস্ত।।৪১৫
এহিসে প্ৰসিদ্ধ কথা সমস্ত শাস্ত্ৰৰ।
শুনিয়ো ইহাৰ যেন যুগুতি উত্তৰ।।
অগ্নি চন্দ্ৰ সূৰ্য্য বায়ু পৃথিৱী আকাশ।
ইত্যাদি দেৱতা পাপ নকৰন্ত নাশ।।৪১৬
আত্মপৰ ভেদবুদ্ধি কৰন্ত সৱাক।
নপাৰন্ত এহিহেতু পাপ হৰিবাক।।

---

৪০৬-৪০৮। মূঃ শ্লোঃ--
ভৱাপৱৰ্গো ভ্ৰমতো যদা ভৱেৎ জনস্য তৰ্হ্যচ্যুত সৎসমাগমঃ।
সৎসঙ্গমো যৰ্হি তদৈৱ সদ্‌গতৌ পৰাৱৰেশে ত্বয়ি জায়তে মতিঃ।। - ১০/৫১/৫৪
৪০৯-৪১০। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)
নহ্যম্ময়ানি তীৰ্থানি ন দেৱা মৃচ্ছিলাময়াঃ। তে পুণ্যন্ত্যুৰুকালেন দৰ্শনাদেৱ সাধৱঃ।। - ১০/৮৪/১১
৪১০-৪১২। মূঃ শ্লোঃ--
অহোৱয়ং জন্মভৃতো লব্ধং কাৰ্ৎস্নেন তৎফলম্। দেৱানামপি দুষ্প্ৰাপং যদযোগেশ্বৰ দৰ্শনম্।। -১০/৮৪/৯
৪১৩-৪১৪। মূঃ শ্লোঃ--
কিংস্বল্পতপসাং নৃণামচাৰ্য্যাং দেৱচক্ষুযাম্। দৰ্শনস্পৰ্শনপ্ৰশ্নপ্ৰহ্বপাদাৰ্চনাদিকম্।। - ১০/৮৪/১০

ঈশ্বৰ সেৱক সৱ মহন্ত উত্তম।
নিৰন্তৰে প্ৰাণীক দেখন্ত আত্মসম।।৪১৭
অণুমাত্ৰ ভেদবুদ্ধি নাহিকে মনত।
মুহূৰ্ত্ত মাত্ৰকে তাৰা কৰে পাপহত।।
এতেকে ভকত শ্ৰেষ্ঠ দেৱতাতো কৰি।
নাহি সংসাৰত বিষ্ণু ভকতক সৰি।।৪১৮
হেন মহাজনক এৰিয়া মূঢ় নৰে।
শৱ তুল্য শৰীৰক আত্ম বুদ্ধি কৰে।।
বোলে মোৰ পুত্ৰ ভাৰ্য্যা অপৰ সৱক।
মানয় দেৱতা বুলি প্ৰতিমা সৱক।।৪১৯
জলত কৰয় তীৰ্থ বুদ্ধি নিৰন্তৰে।
ইটো চাৰি বুদ্ধি মহাজনত নকৰে।।
জানিবা গৰ্দ্দভ সিটো গৰুতো অধম।
মহামন্দমতি আৰ নাহি তাৰ সম।।৪২০
শুনা সৰ্ব্বজন ইটো কৃষ্ণৰ বচন।
কৰিয়োক জানি সাধুসঙ্গক যতন।।
ভাগৱত শাস্ত্ৰে এহিমানে মাত্ৰ সাৰ।
বোলা ৰাম ৰাম সুখে তৰিবা সংসাৰ।।৪২১

## ছবি

দেৱে তীৰ্থ চিৰকালে কদাচিতো শুদ্ধি কৰে
সাধু সৱে সদ্যে পাপহৰে।
হেন সাধু সঙ্গ এড়ে মোক্ষ চাহে যিটো নৰে
নাহি মূঢ়মতি তাত পৰে।।
হেনবা বুলিবা বাক পাপ নষ্ট কৰিবাক
আছে কোন সমৰ্থ সন্তৰ।
শুনা মন সাৱধানে গঙ্গা দেৱী বিদ্যমানে
যেন ভগীৰথৰ উত্তৰ।।৪২২
গঙ্গা দেৱী বুলিলন্ত শুনা বাপু ভগীৰথ
হৰিবো সৱাৰো পাপচয়।
মই কেনমতে শুদ্ধি হৈবো নেজানোহো বুদ্ধি
কি কৰিবো কহিয়ো নিৰ্ণয়।।
শুনি ভগীৰথ পাছে বুলিলা গঙ্গাৰ আগে
শুনা মাৰ বচন আমাৰ।
নকৰিবা তুমি ডৰ তযু পাপ নিৰন্তৰ
সাধুসৱে কৰিবে সংহাৰ।।৪২৩
নজানে ব্ৰহ্মত পৰে সিটো সাধু শান্ত নৰে
জগতকে পৱিত্ৰ কৰন্ত।
তাসম্বাৰ সঙ্গী যিটো তাৰো শুদ্ধ হৃদয়ত
প্ৰকটে আছন্ত ভগৱন্ত।।
এহি হেতু মহন্তক নোচোৱে কিঞ্চিতো পাপে
যেহেন সূৰ্য্যক অন্ধকাৰ।
তাৰা সৱে অঙ্গ সঙ্গে পৰশিলে পাপ মানে
সমূলঞ্চে হোৱে বুন্দামাৰ।।৪২৪
দেৱ সৱ মনুষ্যৰ সুখ দুখ দুইৰো হেতু
সুখ হেতু মাত্ৰ সাধুজন।
এতেকেসে সাধু সঙ্গ পৰম দুৰ্ল্লভ অতি
শুনা বসুদেৱৰ বচন।।
দেৱ ঋষি নাৰদক বুলিলন্ত বসুদেৱে
শুনা মুনিৰাজ মহাশয়।
দেৱৰ চৰিত্ৰ যত ইটো প্ৰাণী সমস্তত
সুখ দুঃখ দুয়ো মিলাৱয়।।৪২৫
অচ্যুতেসে আত্মা যাৰ হেন তুমিসৱ মহা
জনৰ চৰিত্ৰ নিৰন্তৰ।

---

৪১৬-৪১৮। মূঃ শ্লোঃ--
নাগ্নি ৰ্ন সূৰ্য্যো ন চ চন্দ্ৰ তাৰকা নভূৰ্জলং খং শ্বসনোঽথবাঙ্‌মনঃ।
উপাসিতা ভেদকৃতো হৰন্ত্যঘং ৱিপশ্চিতো ঘ্নন্তি মুহূৰ্ত্তসেৱয়া।। -১০/৮৪/১২
৪১৯-৪২০। মূঃ শ্লোঃ--
যস্যাত্মবুদ্ধিঃ কুণপে ত্ৰিধাতুকে স্বধীঃ কলত্ৰাদিষু ভৌম ইজ্যধীঃ।
যত্তীৰ্থবুদ্ধিঃ সলিলে ন কহিৰ্চিজ্জনেষ্বভিজ্ঞেষু স এৱ গোখৰঃ।। - ১০/৮৪/১৩
৪২৪-৪২৫। মূঃ শ্লোঃ-- (গঙ্গা দেৱীৰ প্ৰতি ভগীৰথৰ উক্তি)
সাধৱো ন্যাসিনঃ শান্তা ব্ৰহ্মিষ্ঠা লোকপাৱনাঃ।
হৰন্ত্যঘং তেঽঙ্গসঙ্গাৎ তেষ্বাস্তেহ্যঘভিদ্ধৰিঃ।। -৯/৯/৬

গুচাৰে সংসাৰ দুখ মিলাৰে মুকুতি সুখ
চৰাচৰ যত জগতৰ।।
ভজে যিটো যেন মতে দেৱসৱো সেহিমতে
মনুষ্যক কৰে ফলদান।
শুনিও দৃষ্টান্ত যেন যিবা বস্তু যতমান
ছাঁয়া তাৰ হয় সেহিমান।।৪২৬
তুমি সৱ মহাজনে কেৱল পৰম দুঃখ
হৰা মাত্ৰ নচাই উপকাৰ।
হেন মহা মহন্তক দৰশন ভৈলোঁ আজি
কিনো ভাগ্য মিলিল আমাৰ।।
বসুদেৱ বাক্য থওঁ বিদেহ বচন কওঁ
সাধুসৱ শ্ৰেষ্ঠ যেনমত।
যদ্যপি ক্ষণিক কাল জীৱন মনুষ্য দেহ
তথাপিতো দুৰ্ল্লভ সৱাত।।৪২৭
মহা পুৰুযাৰ্থ হেতু তাহাতো দুৰ্ল্লভ মানো
বৈকুণ্ঠৰ প্ৰিয় দৰশন।
হেন সাধু উপাসিয়া ভকতি নসাধে যিটো
পৰম দুৰ্ম্মতি সিটো জন।।
শুনা উদ্ধৱত যেন কহিলন্ত ভগৱন্তে
সাধু সঙ্গ যিমতে উত্তম।
সৰ্ব্ব সাধনত শ্ৰেষ্ঠ সন্তৰ উপাস্য আত
নাহি অধিকাৰীৰ নিয়ম।।৪২৮

## দুলড়ি

সংগোপে বোলন্ত শুনিয়ো উদ্ধৱ
তোমাত কহো ৰহস্য।
সাধু সঙ্গ বিনে আন একো ধৰ্ম্ম
নকৰে আমাক বশ্য।।
তপ জপ যজ্ঞ ব্ৰত একাদশী
অহিংসা ধৰ্ম্ম সন্ন্যাস।
কূপাদ নিৰ্ম্মাণ দান মহাজ্ঞান
কৰয় যোগ অভ্যাস।।৪২৯
গঙ্গা আদি কৰি যত তীৰ্থ স্থান
আৰৱ আৰ নিয়ম।
বেদ পাঠ আদি আন যত যত
আছয় ধৰ্ম্ম উত্তম।।
ই সৱ ধৰ্ম্মক মহাশুদ্ধভাৱে
আচৰয় যিটো নৰে।
তথাপি আমাক নপাৰে যিমতে
সাধু সঙ্গ বশ্য কৰে।।৪৩০
সন্তৰ সঙ্গত থাকি মহাসুখে
পাইল মোক যত লোক।
তাসম্বাৰ লেখা দেওঁ প্ৰতি প্ৰতি
তাক সখি শুনিয়োক।।
বৃষপৰ্ব্বা বৃত্ৰ বলি বাণ মঞ
বিভীষণ হনুমন্ত।
জটায়ু সুগ্ৰীৱ তুলাধাৰ ধৰ্ম্ম
ব্যাধ বৃদ্ধ জাম্বৱন্ত।।৪৩১
দ্বিজ ভাৰ্য্যাগণ কুঁজী কংস দাসী
যত গোপী গোকুলৰ।
তাসম্বাৰ আৰ একোৰে সাধন
নাহিকে আন জন্মৰ।।
এহি জন্মে মাত্ৰ সাধু সঙ্গ লৈয়া
কৰিয়া ৰতি আমাত।

৪২৫-৪২৭(ক)। (নাৰদৰ প্ৰতি বসুদেৱৰ উক্তি)
ভূতানাং দেৱচৰিতং দুঃখায় চ সুখায় চ। সুখায়ৈৱ হি সাধূনাং ত্বাদৃশামচ্যুতাত্মনাম্।। - ১১/২/৫
৪২৭(খ)-৪২৮ (ক)। মূঃ শ্লোঃ--
ভজন্তি যে যথা দেৱান্ দেৱা অপি তথৈৱ তান্। ছায়েৱ কৰ্ম্মসচিৱাঃ সাধৱো দীনৱৎসলাঃ।। - ১১/২/৬
৪২৮ (খ) - ৪২৯। মূঃ শ্লোঃ-- (বিদেহৰাজ নিমিৰ উক্তি)
দুৰ্ল্লভো মানুষো দেহো দেহিনাং ক্ষণভঙ্গুৰঃ। তত্ৰাপি দুৰ্ল্লভ মন্যে ৱৈকুণ্ঠ প্ৰিয়দৰ্শনম্।। -১১/২/২৯
৪৩০-৪৩১। মূঃ শ্লোঃ--
ন ৰোধয়তি মাং যোগো ন সাংখ্যং ধৰ্ম্ম এৱ চ। ন স্বাধ্যায়স্তপস্ত্যাগো নেষ্টাপূৰ্ত্তং ন দক্ষিণা।।
ব্ৰতানি যজ্ঞশ্ছন্দাংসি তীৰ্থানি নিয়মা যমাঃ। যথাৱৰুন্ধে সৎসঙ্গঃ সৰ্ব্বসঙ্গাপহো হি মাম্।। -১১/১২/১-২

এতেকে পৰম সুখে মোৰ লোক
পাইলেক গৈয়া সাক্ষাত।।৪৩২
মোৰ সঙ্গ এৱে মহন্তৰ সঙ্গ
নুহিকে কিছু অন্তৰ।
এতেকে দুঃসঙ্গ এৰি সাধুসঙ্গ
লৌক বুদ্ধিৱন্ত নৰ।।
ভক্তি প্ৰতিবন্ধ দুৰ্ব্বাসনা আদি
যত দোষ দুঃসঙ্গৰ।
ভক্তিৰ মহিমা কহি সাধু সৱে
ছেদিবন্ত নিৰন্তৰ।।৪৩৩
হেন সাধু সঙ্গ এড়িয়া অসাধু
সহিতে যি সৱ নৰে।
শিশ্ন উদৰৰ অৰ্থে অতিশয়
বিষয়ত ৰতি কৰে।।
মুক্ত হেন যদি ভৈলা তথাপিতো
ভ্ৰষ্ট হুয়া পূৰ্ব্বমত।
নিকাৰ ভুঞ্জিয়া ফুৰিবেক পুনঃ
তমোময় সংসাৰত।।৪৩৪
সত্য শৌচ দয়া মৌন বুদ্ধি লজ্জা
শ্ৰীযশ ক্ষমা যত।
সম দম মহা ভাগ্য ইটো সৱে
নষ্ট হৰে দুঃসঙ্গত।।
শুনিয়োক এৱে অসাধু সৱৰ
লক্ষণ কৰো বিদিত।
মহা অহম্মম নুগুচে মনৰ
সদা ক্ৰোধপৰ চিত্ত।।৪৩৫
সিটো মূঢ় সৱ স্ত্ৰী সমস্তৰ
ক্ৰীড়াৰ যেন বানৰ।

নজানে আত্মাক পাপতেসে মাত্ৰ
কৰয় ৰতি পামৰ।।
দেহ অহঙ্কাৰে মহন্ত জনক
কৰয় নিন্দা অধিক।
ইটো দুৰ্জ্জনৰ নলৈবেক সঙ্গ
ভকতি যিটো ৰসিক।।৪৩৬
অসন্ত সৱক নিন্দিয়া সন্তৰ
মহিমা কৰো বিদিত।
উপদেশ দিৱে নলাগে সন্তৰ
চাপোক মাত্ৰ সন্নিত।।
এতেকে সংসাৰ ভৰিৱেক সুখে
শুনিও দৃষ্টান্ত আৰ।
অগ্নিৰ আশ্ৰয় পাইলে যেন গুচে
ভয় শীত অন্ধকাৰ।।৪৩৭
সন্তৰ আশ্ৰয় পাইলে সেহিমতে
ত্ৰিতয় কাৰ্য্য সাধয়।
গুচে কৰ্ম্মজড় অজ্ঞান আন্ধাৰ
আৰৱ সংসাৰ ভয়।।
কিবা বহুতৰ কহিবো সন্তৰ
মহিমাৰ নাহি পাৰ।
যেন সমুদ্ৰত মাজে লোকে যত
নৌকাসে আশ্ৰয় তাৰ।।৪৩৮
সেহিমতে ঘোৰ সংসাৰ সাগৰে
মজে যত প্ৰাণী চয়।
তাৰ আন গতি নাহিকে কেৱল
সন্তেসে মাত্ৰ আশ্ৰয়।।
আনো নানা বিধ দৃষ্টান্ত দেখায়া
ইহাকে কৰো বিদিত।

৪৩১-৪৩৩। মূঃ শ্লোঃ -- সৎসঙ্গেন হি দৈতেয়া যাতুধানা মৃগাঃ খগাঃ। গন্ধৰ্ব্বাপ্‌সৰসো নাগাঃ সিদ্ধাশ্চাৰণগুহ্যকাঃ।।
ৱিদ্যাধৰা মনুয্যেষু ৱৈশ্যাঃ শূদ্ৰাঃ স্ত্ৰিয়োহন্ত্যজাঃ। ৰজস্তমঃ প্ৰকৃতয়স্তস্মিংস্তস্মিন্ যুগেহনঘ।।
বহৱো মৎপদং প্ৰাপ্তাস্ত্বাষ্ট্ৰকায়াধৱাদয়ঃ। বৃষপৰ্ৱা বলিৰ্বাণো ময়শ্চাথ ৱিভীষণঃ।।
সুগ্ৰীৱো হনুমানৃক্ষো গজো গৃধ্ৰো বণিক্‌পথঃ। ৱ্যাধঃ কুব্জা ব্ৰজেগোপ্যোযজ্ঞপত্ন্যাস্তথাপৰে।।
তে নাধীতশ্ৰুতিগণা নোপাসিত মহত্তমাঃ। অব্ৰতাতপ্ততপসঃ সৎসঙ্গান্মামুপাৰ্গতাঃ।। - ১১/১২/৩-৭
৪৩৩। মূঃ শ্লোঃ-- ততো দুঃসঙ্গমুৎসৃজ্য সৎসু সজ্জেত বুদ্ধিমান্। সন্ত এতস্য ছিন্দন্তি মনোব্যাসঙ্গমুক্তিভিঃ।। -১১/২৬/২৬
৪৩৪। মূঃ শ্লোঃ-- যদ্যসদ্ভিঃ পথি পুনঃ শিশ্নোদৰকৃতোদ্যমৈঃ। আস্থিতো ৰমতে জন্তুস্তমো ৱিশতি পূৰ্ব্বৱৎ।। -৩/৩১/৩২
৪৩৫-৪৩৭। মূঃ শ্লোঃ -- সত্যং শৌচং দয়া মৌনং বুদ্ধিঃ শ্ৰীৰ্হ্ৰীৰ্য়শঃ ক্ষমা। শমো দমো ভগশ্চেতি যৎসঙ্গাৎ যাতি সংক্ষয়ম্।।
তেষ্বশান্তেষু মূঢ়েষু খণ্ডিতাত্মস্বসাধুষু। সঙ্গং ন কুৰ্য্যাচ্ছোচ্যেষু ঘোষিৎক্ৰীড়ামৃগেষু চ।। - ৩/৩১/৩৩-৩৪

যেন অন্নে মাত্ৰ প্ৰাণীৰ জীৱন
ধৰ্ম্ম পৰ লোক বিত্ত।।৪৩৯
মই যেন মাত্ৰ দুঃখীৰ শৰণ
নাহি মোত পৰে আৰ।
সেহিমতে ইটো সংসাৰ তাপত
হন্তে ভয় ভৈলা যাৰ।।
সন্তেসে তাহাৰ কেৱলে শৰণ
কহিলোহো নিষ্ঠ কৰি।
সাঙ্গো পাঙ্গো ইটো প্ৰকৰণ অৰ্থ
শুনিয়ো উপ-সংহৰি।।৪৪০
সাক্ষাতে আদিত্য উদয় ভৈলেয়ো
বাহিৰ মাত্ৰ প্ৰসন্ন।
ঘট পট জ্ঞান উপজে কেৱলে
নুহিকে প্ৰকাশ মন।।
সন্ত সূৰ্য্য যাৰ ভৈলন্ত প্ৰকাশ
কি কৈবো ভাগ্য তাহাৰ।
সগুণ নিৰ্গুণ ভকতি প্ৰকাশে
প্ৰকাশে চক্ষু অপাৰ।।৪৪১
এতেকে সন্তেসে দেৱতা বান্ধৱ
আত্মাময় মহেশ্বৰ।
মহন্তে সহিতে অণুমাত্ৰ মোৰ
নাহিকে জানা অন্তৰ।।
হেন জানি নৰে মহন্তৰ সঙ্গে
কৰোক মোত ভকতি।
সাধু সঙ্গ বিৰ- চন কথামৃত
এহিমানে সমাপতি।।৪৪২

শুনা সভাসদ কৃষ্ণৰ মুখৰ
বচন বেদৰ সাৰ।
পূৰ্ব্বাপৰ ইটো কথা হুই নুই
দেখিয়ো কৰি বিচাৰ।।
ভাগৱত ক্ষীৰ সাগৰ মথিয়া
বিষ্ণুপুৰী মহামতি।
ভক্তি-ৰত্নাৱলী অমৃত প্ৰচাৰ
কৰিলা লোকক প্ৰতি।।৪৪৩
ইহাৰ অৰ্থত মহাজন যত
তেসম্বো হন্ত বিস্ময়।
আমি অতি মহা মূৰ্খতো অধম
আমাক কোনে গণয়।।
তথাপিতো হৃদী- শ্বৰ নাৰায়ণে
দিলা যেন মোক মতি।
সেহি অনুৰূপে ভক্তি-ৰত্নাৱলী
ৰচিলো পদ সম্প্ৰতি।।৪৪৪
তুমি সৱে আতে নিন্দা নকৰিবা
মোক মূৰ্খ হেন জানি।
কোননো মহন্ত পণ্ডিতে মূৰ্খক
বুলি আছে নিন্দা বাণী।।
যদি নিন্দা বাণী বোলা তথাপিতো
মোৰ নাহি নাহি কাজ।
কিন্তু পৰমাৰ্থে মূৰ্খক নিন্দিয়া
পণ্ডিতেসে পাৰে লাজ।।৪৪৫
যিহোক সিহোক ই কথা থাকোক
আপোনাৰ চিন্তা হিত।

---

৪৩৮-৪৩৯। (ক)। মূঃ শ্লোঃ-- (উদ্ধৱৰ প্ৰতি ভগৱন্তৰ উক্তি)

যথোপশ্ৰয়মাণস্য ভগৱন্তং ৱিভাৱসুম্। শীতং ভয়ং তমোঽপ্যেতি সাধুন্ সংসেৱতথা।। -১১/২৬/৩১

৪৩৯খ-৪৪০(ক)। মূঃ শ্লোঃ-- (উদ্ধৱৰ প্ৰতি ভগৱন্তৰ উক্তি)

নিমজ্জ্যোন্মজ্জতাং ঘোৰে ভৱাব্ধৌ পৰমায়ণম্। সন্তো ব্ৰহ্মৱিদঃ শান্তা নৌৰ্দৃঢ়েৱাপ্সু মজ্জতাম্।। -১১/২৬/৩২

৪৪০খ-৪৪১। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)

অন্নং হি প্ৰাণিনাং প্ৰাণ আৰ্ত্তানাং শৰণং ত্বহম্। ধৰ্ম্মোৱিত্তং নৃণাং প্ৰেত্য সন্তোঽৰ্ৱাগ্‌ৱিভ্যতোঽৰণম্।। -১১/২৬/৩৩

৪৪২-৪৪৩(খ)। মূঃ শ্লোঃ-- (ভগৱন্তৰ উক্তি)

সন্তোদিশন্তি চক্ষুংসি ৱহিৰৰ্কঃ সমুত্থিতঃ। দেৱতা ৱান্ধৱাঃ সন্তঃ সন্ত আত্মাহমেৱ চ।। -১১/২৬/৩৪

আলাস তেজিয়া ভজিয়ো হৰিক
তৰিবা তেৰে কলিত।।
হৰি গুণ নাম শ্ৰৱণ কীৰ্ত্তন
বিনে ধৰ্ম্ম নাহি আন।
ত্যজি আন কাম বোলা ৰাম ৰাম
পাইবা বৈকুণ্ঠত স্থান।।৪৪৬

**তৃতীয় ঃ ভক্তি-বিশেষণ বিৰচন**

**পদ**

কহিবাক প্ৰতি ভকতিৰ বিশ্লেষণ।
পুনৰপি মই আৰম্ভিলো বিৰচন।।
বহুবিধ মাধৱৰ ভকতি আছয়।
তাহাতে প্ৰধান নৱবিধ অতিশয়।।৪৪৭
প্ৰথমতঃ তাক মই দেখাইবাক প্ৰতি।
কহো প্ৰহ্লাদৰ যেন বচন সম্প্ৰতি।।
শ্ৰৱণ কীৰ্ত্তন পদ সেৱন স্মৰণ।
অৰ্চ্চন বন্দন দাস্য দেহ নিৱেদন।।৪৪৮
সখিত্ব সহিতে নৱ বিধ এহিমান।
ইহাৰ লক্ষণ শুনা যাৰ যেন ঠান।।
অন্যেবা আপুন গুণ নাম উক্ত কৰে।
তাহাকে শ্ৰৱণ বুলি কৰ্ণে যাক ধৰে।।৪৪৯
নিজমুখে উচ্চাৰিলে বোলয় কীৰ্ত্তন।
মনে নামৰূপ সুমৰণক স্মৰণ।।
প্ৰতিমা আদিত পৰিচৰ্য্যা সাধাৰণ।
কৰে যিটো বুলি তাক পদ নিসেৱন।।৪৫০
বুলিয়া অৰ্চ্চন জল আদিত পূজয়।
তাকে বুলি দাস্য যত কৰ্ম্ম সমৰ্পয়।।
বুলিয়া সখিত্ব তান্তে বিশ্বাসাদি কৰে।
কৃষ্ণত শৰীৰ সমৰ্পয় যিটো নৰে।।৪৫১
সিজনৰ লক্ষণ শুনিয়ো যেন মত।
যেন গৰাদিক যিটো বিকিলে পৰত।।
পালন পোষণ চিন্তা নকৰে সিজনে।
সেহিমতে দেহ অৰ্পি কৃষ্ণৰ চৰণে।।৪৫২
শৰীৰৰ অৰ্থে চিন্তা এৰয় সমস্ত।
ভকতিৰ এহি নৱ লক্ষণ প্ৰশস্ত।।
সমস্তকে প্ৰথমতঃ কৃষ্ণত অৰ্পিব।
পাছে সাৱধান মতে ভকতি কৰিব।।৪৫৩
ইহাকে বুলিয় মহা উত্তম ভকতি।
দেখাওঁ শিষ্টাচাৰ শুক বচনে সম্প্ৰতি।।
শুক নিগদতি পৰীক্ষিত মহাৰায়।
শুনা অম্বৰীষে যেন কৰিলে সদায়।।৪৫৪
কৃষ্ণ পাদ পদ্ম মাত্ৰ স্মৰিলন্ত মনে।
হৰি গুণ নাম মাত্ৰ বৰ্ণাইলো বচনে।।
হস্ত দুই সদা হৰি কৰ্ম্ম কৰিলন্ত।
অচ্যুতৰ সন্ত কথা শ্ৰৱণে শুনন্ত।।৪৫৫
মুকুন্দৰ স্থান দেখি আছিল নয়ন।
কৰে সদা শৰীৰে ভক্তক আলিঙ্গন।।
হৰি পদ পঙ্কজ নিৰ্ম্মাল্য তুলসীৰ।।
সদায়ে সুৰভী ঘ্ৰাণ লৈলা মহাবীৰ।।৪৫৬
কৃষ্ণত অৰ্পিত অন্ন আদি কৰি যত।
তাহাৰ স্বাদক লৈলা জিহ্বায়ে সতত।।
কৰিলা চৰণে হৰি ক্ষেত্ৰক গমন।

---

৪৪৮-৪৫৪। মূঃ শ্লোঃ-- (প্ৰহ্লাদৰ উক্তি)
শ্ৰৱণং কীৰ্ত্তনং ৱিষ্ণোঃ স্মৰণং পাদসেৱনম্। অৰ্চ্চনং ৱন্দনং দাস্যং সখ্যমাত্মনিৱেদনম্।।
ইতি পুংসাৰ্পিতাৱিষ্ণৌ ভক্তিশ্চেন্নৱলক্ষণা। ক্ৰিয়তে ভগৱত্যদ্ধা তন্মন্যেঽধীতমুত্তমম্।। - ৭/৫/২৩-২৪

৪৫৬-৪৬১ (ক)। মূঃ শ্লোঃ-- (অম্বৰীষ ৰজাৰ সম্পৰ্কে শুকদেৱৰ উক্তি)
স ৱৈ মনঃ কৃষ্ণপদাৰৱিন্দয়ো ৰ্বচাংসি বৈকুণ্ঠগুণানুৱৰ্ণনে।
কৰৌ হৰেৰ্মন্দিৰমাৰ্জ্জনাদিষু শ্ৰুতিং চকাৰাচ্যুত সৎকথোদয়ে।।
মুকুন্দলিঙ্গালয়দৰ্শনে দৃশৌ তদ্ভৃত্যগাত্ৰস্পৰ্শেঽঙ্গসঙ্গমম্।
ঘ্ৰাণং চ তৎপাদসৰোজসৌৰভে শ্ৰীমত্তুলস্যা ৰসনাং তদৰ্পিতে।।
পাদৌ হৰেঃ ক্ষেত্ৰপদানুসৰ্পণে শিৰোহৃষীকেশপদাভিৱন্দনে।
কামং চ দাস্যে নতু কামকাম্যয়া যথোত্তমশ্লোকজনাশ্ৰয়া ৰতিঃ।। -৯/৪/১৮-২০

শিৰে হৰি চৰণক কৰিলা বন্দন।।৪৫৭
ঈশ্বৰ প্ৰসাদ বুদ্ধি কৰি মহা যশী।
চন্দনাদি কৰি ভোগ কৰিলা হৰিষি।।
ভাল ইন্দ্ৰিয়ৰ ভোগ কৰোহো সম্প্ৰতি।
কদাচিতো ইটো তান নাছিল কুমতি।।৪৫৮
সমস্তে ভকতি ইটো আচৰি কৃষ্ণৰ।
প্ৰাৰ্থিলা ইহাৰ ফল সঙ্গ ভকতৰ।।
সদায় পৰম তান ভাৱ ভকতত।
আছিলেক মাত্ৰ আক কৰিলো বেকত।।৪৫৯
শুক বাক্য দেখাইলোহো পূৰ্ব্ব সদাচাৰ।
শুনা ভকতিৰ এৱে যেন ব্যৱহাৰ।।
মন্দিৰ মাৰ্জ্জন আদি ভকতি যতেক।
প্ৰসঙ্গ সঙ্গত থাকি কহিলো প্ৰত্যেক।।৪৬০
শ্ৰৱণ কীৰ্ত্তন আদি প্ৰধান ভকতি।
তাকেসে কৰিবো মাত্ৰ বিৰক্ষা সম্প্ৰতি।।
শ্ৰৱণ কীৰ্ত্তন ধ্যান অৰ্চ্চন আদৰ।
ইসৱ ভক্তিৰ ফল শুনা নিৰন্তৰ।।৪৬১
হৃদি গত হুয়া আসি প্ৰভু ভগৱন্ত।
অনাদি জন্মৰ দুৰ্ব্বাসনা সংহৰন্ত।।
শ্ৰৱণ কীৰ্ত্তন আদি ভক্তি যত যত।
একৈকে সমস্ত পাপ হৰিবে শকত।।৪৬২
যেন ফল পাৱে সৱে পাপ ভৈলে নষ্ট।
কুন্তীৰ বচনে সাঙ্গোপাঙ্গে কৰো স্পষ্ট।।
কৃষ্ণক কৰন্ত কুন্তী স্তুতি অতিশয়।
বোলন্ত শুনিয়ো মোৰ মত কৃপাময়।।৪৬৩
তযু নাম শুনে বা ভণে বা মনে স্মৰে।
অন্যেবা গাৱন্তে যিটো অভিনন্দা কৰে।।
সেহিসে এৰাইবো ঘোৰ মৃত্যুৰ সঙ্কট।
পাৱে অল্পকালে তযু চৰণ নিকট।।৪৬৪
কুন্তীৰ বচনে দেখাইলোহো ইটো ফল।
শ্ৰৱণাদি পৰ ভৈল যাহাৰা সকল।।
নুহিকে সংসাৰে তাৰ দুঃখৰ কাৰণ।
শুনিয়োক কহো আৱে বৃত্ৰৰ বচন।।৪৬৫
কৃষ্ণক প্ৰাৰ্থন্ত বৃত্ৰে কৰিয়া বেকত।
শুনিয়োক প্ৰভু যেন মোৰ অভিমত।।
তযু পাদ পদ্মত যাহাৰ ভৈল বাস।
জন্মে জন্মে তাহাৰ দাসৰো হৈবো দাস।।৪৬৬
তুমি প্ৰাণ নাথৰেসে গুণ সৰ্ব্বক্ষণে।
কৰোক কীৰ্ত্তন বাক্যে সুমৰোক মনে।।
শৰীৰে তোমাৰ কৰ্ম্ম কৰোক সদায়।
আতপৰে মোৰ আৰ একো ইচ্ছা নাই।।৪৬৭
বৃত্ৰৰ প্ৰাৰ্থনে আক জানিবা নিশ্চয়।
সংসাৰৰ দুঃখে ভকতক নলঙ্ঘয়।।
বুলিবাহা কিনো অতি মিলিল অসুখ।
বৃত্ৰৰ সাক্ষাতে দেখি সাংসাৰিক দুঃখ।।৪৬৮
কাটিলন্ত শিৰঃ তাৰ ইন্দ্ৰে বজ্ৰ হানি।
নাহি ভকতৰ দুঃখ বৃথা বোলা বাণী।।
নকৰিবা মনে ইটো সংশয় সৰ্ব্বথা।
আৰূঢ় ভক্তৰ দুঃখ নাহি কোন কথা।।৪৬৯
কেৱলে কৃষ্ণৰ পাৱে পশিয়া শৰণ।
তান গুণ নাম কৰে শ্ৰৱণ কীৰ্ত্তন।।
এতেকতে ইহ পৰলোক দুঃখ যত।
নথাকয় শেষ নিৰন্তৰে হোৱে হত।।৪৭০
কৃষ্ণ পাদ পদ্মৰ পৰাগ সেৱা ৰতি।

---

৪৬১(ক)-৪৬২(খ)। মূঃ শ্লোঃ-- শ্ৰৱণং কীৰ্ত্তনং চাস্য স্মৰণং মহতাং গতেঃ। সেৱেজ্যাৱনতিৰ্দাস্যং সখ্যমাত্মসমৰ্পণম্।। - ৭/১১/১১
৪৬২-৪৬৪। মূঃ শ্লোঃ-- (শুকদেৱৰ উক্তি)
শ্ৰুতঃ সঙ্কীৰ্তিতো ধ্যাতঃ পূজিতশ্চাদৃতোহপি ৱা। নৃণাংধুনোতি ভগৱান্ হৃৎস্থোজন্মায়ুতাশুভম্।। -১২/৩/৪৬
৪৬৫-৪৬৭(ক)। মূঃ শ্লোঃ-- (কুন্তীদেৱীৰ উক্তি)
শৃণ্বন্তি গায়ন্তি গৃণন্ত্যভীক্ষ্ণশঃ স্মৰন্তি নন্দন্তি তৱেহিতং জনাঃ।
ত এৱ পশ্যন্ত্যচিৰেণ তাৱকং ভৱপ্ৰৱাহোপৰমং পদাম্বুজম্।। -১/৮/৩৬
৪৬৭-৪৬৯। মূঃ শ্লোঃ-- (বৃত্ৰাসুৰৰ উক্তি)
অহং হৰে তৱ পাদৈকমূলদাসানুদাসো ভৱিতাস্মি ভূয়ঃ।
মনঃ স্মৰেতাসুপতেৰ্গুণাংস্তে গৃণীত ৱাক্কৰ্ম্ম কৰোতু কায়ঃ।। -৬/১১/২৪

মহাভাগ্য যাৰ মনে মিলিল সম্প্ৰতি।।
তাসম্বাৰ দুঃখ নষ্ট হৈব সমুদায়।
কি কহিবো ইটো কথা কহন নযায়।।৪৭১
কদাচিতো মনে নেদেখিবা বিপৰীত।
কহো আৰ হেতু শুনা স্থিৰ কৰি চিত্ত।।
উত্তম শ্লোকৰ কথামৃত পান কৰে।
কৃষ্ণ পাদ পঙ্কজক মনত সুমৰে।।৪৭২
নোপোজয় ভয় তাৰ মৰণ কালত।
স্বস্থ সময়ৰ আৰ কি কৈবো মহত্ত্ব।।
দেখাইলোহো ভকতৰ নাহি একো দুখ।
সি সি জনে কৰে আতি ভকতিৰ সুখ।।৪৭৩
শুনিয়োক কহো এৰে কৰিয়া যুগুতি।
জীৱন মুকুতি আৰু পৰম মুকুতি।।
এই দুই ফল মহা ভক্তিৰ প্ৰধান।
অন্য ফলান্তৰ যেন কহো বিদ্যমান।।৪৭৪
কৃষ্ণৰ শ্ৰীমন্ত কথামৃত যিটো জন।
কৰে ঘৰে বহি সুখে শ্ৰৱণ কীৰ্ত্তন।।
অনুবৃতি চিন্তি যিটো ভকতি বঢ়াৱে।
দুৰ্ল্লভ বৈকুণ্ঠ সিটো সুখে গৈয়া পাৱে।।৪৭৫
যদ্যপি বাক্যত বৈকুণ্ঠকো লোক বুলি।
তথাপি দুৰ্জ্জয় কালে নেদেখে সমূলি।।
এহিমানে পৰম দুৰ্ল্লভ্য পুৰুষাৰ্থ।
নৃপতিত শুকে কহিলন্ত পৰমাৰ্থ।।৪৭৬
যাৰ অৰ্থে অতি ক্ষিতিভুজ নিৰন্তৰে।
গ্ৰাম এৰি বনত দুষ্কৰ তপ কৰে।।
তাক ঘৰে বসি পাৱে ভকত সকল।
দেখাইলোহো কথা শুনিবাৰ যেন ফল।।৪৭৭
কিন্তু কথা শ্ৰৱণৰ মহিমা আছোক।
কেৱলে প্ৰশংসা মাত্ৰ কৰে যিটো লোক।।
কথা শুনিবাক ফল পাৱে যিটোজনে।
ইহাৰ প্ৰমাণ লৈয়া শুকৰ বচনে।।৪৭৮
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু নিৰন্তৰ।
অনন্ত বিচিত্ৰ কৰ্ম্ম কৰে দামোদৰ।।
যিটো শুনে গাৱে আক প্ৰশংসে সম্প্ৰতি।
হোৱে তাৰ ভগৱন্ত কৃষ্ণত ভকতি।।৪৭৯
এহি সেতু যত সংসাৰৰ দুঃখ চয়।
নপাৱে ভকত সাধু কৰিলা নিৰ্ণয়।।
শ্ৰৱণাদি পৰম ভকতি ভৈল যাৰ।
নৰকাদি যাতনাৰ দুঃখ নোহে তাৰ।।৪৮০
যিহেতু প্ৰাৰ্থনা অতি কৰে জ্ঞানীগণ।
জ্ঞানাদিতো কৰি শ্ৰেষ্ঠ শ্ৰৱণ কীৰ্ত্তন।।
সনকাদি বাক্যে লৈয়া ইহাৰ প্ৰমাণ।
বৈকুণ্ঠত কৃষ্ণক প্ৰাৰ্থন্ত বিদ্যমান।।৪৮১
কৃতাঞ্জলি হুয়া সৱে বচন বোলন্ত।
শুনিয়োক পৰম ঈশ্বৰ ভগৱন্ত।।
আজি আসি সমস্ত পাতক ভৈল জাত।
নভৈল আমাৰ তাত কিঞ্চিত পাতক।।৪৮২
আজি সীমা কৰি পূৰ্ব্ব বয়স যতেক।
যিহেতু শাপিলো তযু ভক্তক সাক্ষাত।।
এতেকে জানিলো নিজ পাপে স্বৰূপত।
হৈবেক আমাৰ জন্ম সৱে নৰকত।।৪৮৩
হোক শূকৰাদি জন্ম বঞ্চো আমি তাক।

---

৪৭২-৪৭৩। মূঃ শ্লোঃ— (মৈত্ৰেয়ৰ উক্তি)
অশেষসংক্লেশশমং ৱিধত্তে গুণানুৱাদ শ্ৰৱণং মুৰাৰেঃ। কূতঃ পুনস্তচ্চৰণাৰৱিন্দপৰাগসেৱাৰতিৰাত্মলব্ধা।। - ৩/৭/১৪
৪৭৩-৪৭৪। মূঃ শ্লোঃ—
নোত্তমশ্লোকৱাৰ্ত্তানাং জুযতাং তৎকথামৃতম্। স্যাৎসম্ভ্ৰমোহন্তকালেহপি স্মৰতাং তৎপদাম্বুজম্।। -১/১৮/৪
৪৭৬-৪৭৮। মূঃ শ্লোঃ—
মৰ্ত্ত্যস্তয়ানুসৱমেধিতয়া মুকুন্দ শ্ৰীমৎকথাশ্ৰৱণকীৰ্ত্তনচিন্তয়ৈতি।
তদ্ধাম দুস্তৰকৃতান্তজৱাপৱৰ্গ গ্ৰামাদ্বনং ক্ষিতিভুজোহপি যযুৰ্যদৰ্থাঃ।। -১০/৯০/৫০
৪৭৯-৪৮০। মূঃ শ্লোঃ—
য়ানীহ ৱিশ্বৱিলয়োদ্ভৱবৃত্তিহেতুঃ কৰ্ম্মাণ্যনন্যৱিষয়াণি হৰিশ্চকাৰ।
যস্ত্বঙ্গ গায়তি শৃণোত্যনুমোদতে ৱা ভক্তিৰ্ভৱেদ্ভগৱতিহ্যপৱৰ্গমাৰ্গে।। -১০/৬৯/৪৫

কিন্তু যদি হেন কৃপা কৰাহা আমাক।।
জগত দুৰ্ল্লভ ইটো তোমাৰ চৰণ।
নগণি বিঘিনি চিত্তে স্মৰে সৰ্ব্বক্ষণ।।৪৮৪
যদি বাক্যে কৰে তযু চৰিত্ৰ কীৰ্ত্তন।
কৰ্ণভৰি থাকয় তোমাৰ গুণগণ।।
কৰা যেৰে এহি অনুগ্ৰহ কৃপাময়।
নাহিকে আমাৰ তেৰে নৰককো ভয়।।৪৮৫
থওঁ এহিমানে সনকাদিৰ বচন।
জ্ঞানীও প্ৰাৰ্থিলা অতি শ্ৰৱণ কীৰ্ত্তন।।
জানিয়া ভকতি শ্ৰেষ্ঠ নাহি আত পৰ।
কহো আৰ শুনা যেন বচন নন্দৰ।।৪৮৬
মিলিল নন্দৰ মহা মনত উৎসৱ।
বোলন্ত শুনিয়া মোৰ বচন উদ্ধৱ।।
আমাৰ মনত যত বৃত্তি নিৰন্তৰ।
থাকোক সুমৰি পদ পঙ্কজ কৃষ্ণৰ।।৪৮৭
বচনে ৰহোক গুণ নামক সুমৰি।
ৰহোক শৰীৰ তানে মাত্ৰ কৰ্ম্ম কৰি।।
এহিমানে মাত্ৰ মোৰ প্ৰাৰ্থনি মনত।
জনাইবা উদ্ধৱ বাপকৃষ্ণ চৰণত।।৪৮৮
নন্দৰ বচন এৰে থৈলোহো সংহৰি।
বুলিবাহা শ্ৰৱণ কীৰ্ত্তন দেৱ হৰি।।
হৃদিগত হুয়া হৰন্তোক পাপচয়।
ইহাত আমাৰ কিছু আছয় সংশয়।।৪৮৯
শ্ৰৱণ কীৰ্ত্তনে পাপ মাত্ৰক সংহৰে।
ব্ৰতাদিও দানেও চিত্তক শুদ্ধি কৰে।।
শ্ৰৱণ কীৰ্ত্তন ভৈল কিমতে বিশেষ।
জানিও ইহাৰ দেওঁ উত্তৰ নিঃশেষ।।৪৯০
কৃষ্ণৰ নিৰ্ম্মল মহা উদাৰ চৰিত্ৰ।
শ্ৰৱণ কীৰ্ত্তন যিটো কৰে প্ৰতিনিত।।
সিটো শুদ্ধভাৱে ভকতিৰ অতিশয়।
পুৰুষৰ মন যেন পৱিত্ৰ কৰয়।।৪৯১
ব্ৰতে দানে তীৰ্থে শুদ্ধি নকৰে সিমতে।
এতেকে ভকতি শ্ৰেষ্ঠ ভৈল স্বভাৱতে।।
কৰে হৰি গুণ নামে পৰম নিৰ্ম্মল।
এৰে মন শুদ্ধিৰ শুনিয়ো যেন ফল।।৪৯২
কহন্ত আপুনি ভগৱন্তে উদ্ধৱত।
মোহোৰ কথাৰ সখি শুনিও মহত্ত্ব।।
শ্ৰদ্ধা ৰূপে অতি শ্ৰৱণ কীৰ্ত্তন।
যেই যেন মতে কৰে চিত্তক শোধন।।৪৯৩
সেহি সেহি ৰূপে মোৰ স্বৰূপ হিয়াত।
দেখে শুনা কহো আৰ দৃষ্টান্ত সাক্ষাত।।
বেঢ়িলে পতালে যাৰ চক্ষু অতিশয়।
সিজনে প্ৰথমে একো বস্তু নেদেখয়।।৪৯৪
দিব্য অঞ্জনেসে মল গুচাইবেক যেৰে।
সূক্ষ্মৰেণু পৰ্য্যন্তকো দেখে সিটো তেৰে।।
এহিমানে থৈলো বাক্য কৃষ্ণ দেৱতাৰ।
ঈশ্বৰৰ বচনে দেখাইলো বেদ সাৰ।।৪৯৫
বুলিবাহা এতেকে ফলৰ নাহি নষ্ট।
এৰে ভকতিৰ ফল সদ্যে কৰে স্পষ্ট।।
পৰম শ্ৰদ্ধায়ে নিতে হৰি গুণ যত।
শ্ৰৱণ কীৰ্ত্তন সুখে কৰয় সতত।।৪৯৬

---

৪৮২-৪৮৭। মূঃ শ্লোঃ— (সনত কুমাৰৰ উক্তি)
কামং ভৱঃ স্ববৃজিনৈৰ্নিৰয়েষু নঃ স্তাচ্চেতোঽলিৱদ্ য়দি নু তে পদয়ো ৰমেত।
ৱাচশ্চ নস্তুলসিৱদ্যদি তেঽঙ্‌ঘ্ৰিশোভাঃ পুৰ্যেত তে গুণগণৈৰ্যদি কৰ্ণৰন্ধ্ৰঃ।। - ৩/১৫/৪৯
৪৮৬-৪৮৮। মূঃ শ্লোঃ—
মনসো বৃত্তয়ো নঃ স্যুঃ কৃষ্ণপাদাম্বুজাশ্ৰয়াঃ। ৱাচোঽভিধায়িনীৰ্নাম্নাং কায়স্তৎ প্ৰহ্বণাদিষু।। -১০/৪৭/৬৬
৪৯২-৪৯৩। মূঃ শ্লোঃ—
শৃন্বতাং গৃণতাং ৱীৰ্যান্যুদ্দামানি হৰেৰ্মুহুঃ। যথা সুজাতয়া ভক্ত্যা শুদ্ধ্যেন্নত্মা ব্ৰতাদিভিঃ।। -৬/৩/৩২
৪৯৪-৪৯৬। মূঃ শ্লোঃ— (ভগৱন্ত শ্ৰীকৃষ্ণৰ উক্তি)
যথা যথাঽত্মা পৰিসৃজ্যতেঽসৌ মৎ পুণ্যগাথা শ্ৰৱণাভিধানৈঃ।
তথা তথা পশ্যতি ৱস্তু সূক্ষ্মং চক্ষুৰ্য্যথৈৱাঞ্জনসম্প্ৰযুক্তম্।। -১১/১৪/২৬
৪৯৭-৪৯৮ ক। মূঃ শ্লোঃ— শৃণ্বতঃ শ্ৰদ্ধয়া নিত্যং গৃণতশ্চ স্বচেষ্টিতম্। কালেন নাতিদীৰ্ঘেণ ভগৱান্ ৱিশতে হৃদি।। -২/৮/৪

অতি অল্পকালে আসি প্ৰভু ভগৱন্ত।
হিয়াতে সাক্ষাতে তাৰ প্ৰকাশ হোৱন্ত।।
এহি হেতু আছে আন উপায় যতেক।
তাত কৰি শ্ৰেষ্ঠ আৰু দেখিবা প্ৰত্যেক।।৪৯৭
কহো এৱে হৰি প্ৰকাশৰ যেন ফল।
শ্ৰৱণ কীৰ্ত্তন কৰে যাহাৰা সকল।।
তাহাৰ চিত্তত আসি প্ৰৱেশি অনন্ত।
স্ববাসনা নিঃশেষ দুঃখক সংহৰন্ত।।৪৯৮
গুচে অন্ধকাৰ যেন সূৰ্য্য উদয়ত।
দিলোহো দৃষ্টান্ত ইটো প্ৰকাশ মাত্ৰত।।
যাৰ হৃদয়ত হৰি কৰন্ত ব্যাপাৰ।
শুনিয়োক অপৰ দৃষ্টান্ত কহো তাৰ।।৪৯৯
পাইলেক মেঘক যেন প্ৰচণ্ড বতাসে।
উৰুৱাৱে লৱণেশো নাথাকে আকাশে।।
সেহিমতে ভকতৰ দুঃখ দামোদৰে।
হৃদয়ত প্ৰৱেশি হৰন্ত নিৰন্তৰে।।৫০০
নিজ ভৃত্যবৰ্গৰ সুহৃদ ভগৱন্ত।
মোক্ষ আদি কৰি যত সুখ মিলাৱন্ত।।
হৰি যাৰ হৃদয়ত নভৈল প্ৰকাশ।
নাহি কদাচিতো তাৰ দুঃখৰ বিনাশ।।৫০১
শুকমুনি বোলন্ত শুনিয়ো নৃপবৰ।
দুঃখ এড়াই মোক্ষ সুখ চাহে যিটো নৰ।।
কায় বাক্য মনে ভগৱন্তক স্মৰোক।
শ্ৰৱণ কীৰ্ত্তন তান সততে কৰোক।।৫০২
এতেকে পৰম সুখে পাইবেক মুকুতি।
আনমতে নাহি মোক্ষ কহিলো যুগুতি।।

কিন্তু পৰামৰ্শ অৰ্থ শুনা কৰ্ণ পাতি।।
মোক্ষতো অধিক ভকতিৰ সুখ আতি।।৫০৩
এতেকে যতেক আছে পুৰুষাৰ্থ চয়।
অনায়াসে ভকতিত সমস্তে মিলয়।।
লৈয়োক ইহাৰ সাক্ষী ধ্ৰুৱৰ বাক্যত।
বোলন্ত উৎসুকে ধ্ৰুৱ কৃষ্ণৰ আগত।।৫০৪
শুনা প্ৰভু নাৰায়ণ মোৰ অভিমত।
তযু ভক্ত সকলে কহন্ত কথা যত।।
তাক অতি শ্ৰদ্ধায়ে শুনন্তে নিৰন্তৰ।
মিলে যেন সুখ দেহধাৰী সমস্তৰ।।৫০৫
যিটো সুখ নাহি মহা মোক্ষ অৱস্থাত।
কালৰূপ খড়্গে ছেদন কৰে যাত।।
হেন স্বৰ্গ হন্তে যিটো পৰম সৰ্ব্বথা।
নাহি তাত সিটো সুখ ইটো কোন কথা।।৫০৬
কৃষ্ণৰ কথাৰ যেন সুখ বিপৰীত।
ধ্ৰুৱৰ বচনে তাক কৰিলো বিদিত।।
জানিয়া ইহাত লজ্জা আদি নকৰিব।
কেৱলে কথাক মাত্ৰ কহিব শুনিব।।৫০৭
পাঞ্জৰ কৰিয়া থৈয়ো ইহাৰ সংশয়।
কৰি সিদ্ধ বচনত লৈয়োক নিৰ্ণয়।।
কৰি নিগদতি এৱে শুনিয়ো নৃপতি।
কহিলো তোমাত ইটো দুষ্কৰ ভকতি।।৫০৮
কহো এৱে সুগম ভকতি যেন মত।
কৃষ্ণ জন্ম কৰ্ম্ম যত প্ৰসিদ্ধ লোকত।।
কৰিবেক তাকে মাত্ৰ শ্ৰৱণ কীৰ্ত্তন।
নেদিবেক আন একো বিষয়ত মন।।৫০৯

---

৪৯৯-৫০০। মূঃ শ্লোঃ—
সঙ্কীৰ্ত্যমানো ভগৱাননন্তঃ শ্ৰুতানুভাৱো ব্যসনং হি পুংসাম্।
প্ৰৱিশ্য চিত্তং ৱিধুনোত্যশেষং যথা তমোঽৰ্কোঽভ্ৰমিৱাতিৱাতঃ।। - ১২/১২/৪৭
৫০৩। মূঃ শ্লোঃ—
তস্মাদ্ভাৰত সৰ্ব্বাত্মা ভগৱানীশ্বৰো হৰিঃ। শ্ৰোতব্যঃ কীৰ্ত্তিতব্যশ্চ স্মৰ্ত্তব্যশ্চেচ্ছতা ভয়ম্।। -২/১/৫
৫০৬-৫০৭। মূঃ শ্লোঃ—
যা নিৰ্বৃতিস্তনুভৃতাং তৱ পাদপদ্মধ্যানাদ্ভৱজ্জনকথাশ্ৰৱণেন ৱা স্যাৎ।
সা ব্ৰহ্মণি স্বমহিমন্যপি নাথ মা ভুৎ কিংত্বন্তকাসিলুলিতাৎপততাং ৱিমানাৎ।। -৪/৯/১০
৫১০-৫১১। মূঃ শ্লোঃ— (কৰি সিদ্ধৰ উক্তি)
শৃণ্বন্‌সুভদ্ৰাণি ৰথাঙ্গপাণেৰ্জন্মানি কৰ্ম্মাণি চ য়ানি লোকে। গীতানি নামানি তদৰ্থকানি গায়ন্ ৱিলজ্জো ৱিচৰেদসঙ্গঃ।। - ১১/২/৩৯

যাৰ যেন সুখ সেহিমতে আচৰোক।
কিন্তু আত ভয় লজ্জা আদি নকৰোক।।
কহিলো তোমাত ইটো সুগম ভকতি।
অনায়াসে সমস্ত লোকৰ সাধে গতি।।৫১০
কবিৰ বচন এৱে এহিমানে থওঁ।
অন্যথা অনিষ্ট যেন তাৰ কথা কওঁ।।
শ্ৰৱণ কীৰ্ত্তন নাহি কৃষ্ণৰ যথাত।
তথাতে ৰাক্ষসী সৱে মিলাৱে বিঘাত।।৫১১
নকৰে ভকতি নিজ কৰ্ম্মসে আচৰে।
বহুবিধ বিঘ্নে তাত উপদ্ৰৱ কৰে।।
আছে পৰলোকতো বিস্তৰ ভয় তাৰ।
যমৰ বচনে লৈয়া প্ৰমাণ ইহাৰ।।৫১২
দূতৰ আগত যমে কহন্ত নিশ্চয়।
যাহাৰ জিহ্বায়ে হৰি নাম নলৱয়।।
কৃষ্ণ পাদপদ্ম চিত্তে নুসুমৰে যাৰ।
শিৰে নমস্কাৰ নকৰিলে একবাৰ।।৫১৩
পূজা আদি একো কৃত্য নকৰে কৃষ্ণৰ।
তাত পৰে নহে দুষ্ট অধম পামৰ।।
সেহি মোৰ পৰৱা তাহাক আন ধৰি।
হাতে গলে ভৰিত চামৰ লগাই জৰী।।৫১৪
বান্ধি জড়পুৰ কৰি পেলায়ো নৰ্কত।
পাৰমানে ভুঞ্জায়ো যাতনা আছে যত।।
এহিমতে থৈলো যম ৰজাৰ বচন।
ভক্তিহীন পুৰুষৰ নিষ্ফল জীৱন।।৫১৫
কৰিলেক ব্যৰ্থ দেহ ইন্দ্ৰিয় সমস্ত।
লৈয়োক প্ৰমাণ শৌনকৰ বচনত।।
শৌনক বদতি শুনা সূত মহাশয়।
ইসি মোৰ মহাখেদ ভৈল অতিশয়।।৫১৬
লভিয়া দুৰ্ল্লভ তনু ভাৰত ভূমিত।
কৃষ্ণৰ চৰিত্ৰ নুশুনিলে কদাচিত।।
বৃথা কৰ্ণৰন্ধ্ৰ তাৰ দেখিয়ো সাক্ষাত।
দেখিয়ো দুগোটা যেন অপৱিত্ৰ গাঁত।।৫১৭
যাহাৰ জিহ্বায়ে হৰি চৰিত্ৰ নগাৱে।
বেঙ্গৰ সদৃশ তাক জানিবা স্বভাৱে।।
সুৱৰ্ণৰ কিৰীটি মুকুট সৰ্ব্বক্ষণ।
কিন্তু মুকুন্দৰ পদে নকৰে বন্দন।।৫১৮
তাত পৰে নাহি আৰ অধম বৰ্ব্বৰ।
বহয়ে মিছাত মহাভাৰ মস্তকৰ।।
সুৱৰ্ণৰ ভূষণে প্ৰকাশে দুয়োহাত।
হৰিৰ কৰ্ম্মক যেৱে নকৰে সাক্ষাত।।৫১৯
অন্যসে কৰ্ম্মক আচৰিলে দিনে ৰাতি।
মৃতকৰ হস্ত যেন ভৈল সিটো আতি।।
যাৰ চক্ষে নেদেখিলে হৰিৰ ৰূপক।
ময়ূৰৰ পুচ্ছ যেন কৰে চকমক।।৫২০
হৰিৰ ক্ষেত্ৰক নেগৈলেক একবাৰ।
বৃক্ষ শিপা সদৃশ জানিবা ভৰি তাৰ।।
বৈষ্ণৱৰ পদৰেণু নলৈলা সাদৰি।
জীৱন্ততে শৱ সিটো জানা নিষ্ঠ কৰি।।৫২১

---

৫১২-৫১৩। মূঃ শ্লোঃ— (শুকদেৱৰ উক্তি)
ন যত্ৰ শ্ৰৱণাদীনি ৰক্ষোঘ্নানি স্বকৰ্ম্মসু। কুৰ্ব্বন্তি সাত্বতাং ভৰ্ত্তুৰ্যাতুধানশ্চ তত্ৰ হি।। - ১০/৬/৩
৫১৩-৫১৫। মূঃ শ্লোঃ—
জিহ্বা ন ৱক্তি ভগৱদ্গুণনামধেয়ংচেতশ্চ ন স্মৰতি তচ্চৰণাৰৱিন্দম্।
কৃষ্ণায় ন নমতি যচ্ছিৰ একদাপি তানানয়ধ্বমসতোঽকৃতৱিষ্ণুকৃত্যান্।। -৬/৩/২৯
৫১৭-৫১৯(ক)। মূঃ শ্লোঃ— (শৌনকে সুতক কৈছে)
ৱিলে ৱতোৰুক্ৰমৱিক্ৰমান্ য়েন শৃণ্বতঃ কৰ্ণপুটে নৰস্য।
জিহ্বাসতী দাৰ্দুৰিকেৱ সূত ন চোপগায়ত্যুৰুগায়গাথাঃ।। -২/৩/২০
৫১৯(খ)-৫২১(ক)। মূঃ শ্লোঃ—
ভাৰঃ পৰংপট্টকিৰীটজুষ্টমপ্যুত্তমাঙ্গং ন নমেন্মুকুন্দম্।
শাৱৌ কৰৌ নো কুৰুতঃ সপৰ্য্যা হৰেৰ্লসৎ কাঞ্চনকঙ্কণৌ ৱা।। -২/৩/২১
৫২১খ-৫২২ক। মূঃ শ্লোঃ—
ৱৰ্হায়িতে তে নয়নে নৰাণাং লিঙ্গানি ৱিষ্ণোৰ্ন নিৰীক্ষতো যে।
পাদৌ নৃণাং তৌ দ্ৰুমজন্মভাজৌ ক্ষেত্ৰাণি নানুব্ৰজতো হৰেৰ্যৌ।। -২/৩/২২

বিষ্ণুপদ লগ্ন তুলসীৰ যিটোজনে।
ঘ্ৰাণ লৈয়া অভিনন্দা নকৰিলে মনে।।
নিশ্বাস কাঢ়ন্তে সিটো শৱ সম আতি।
ফাঁচ ফোঁচ কৰে যেন কমাৰৰ ভাতী।।৫২২
ইসৱ ইন্দ্ৰিয় ব্যৰ্থ মাত্ৰ সমুদায়।
কিন্তু আৰ প্ৰতিকুল আচৰে সদায়।।
অসন্ত বিষয়ে ৰাত্ৰি দিনে আগ কৰি।
এহি যেতু জানিবা যাইবেক অধোগতি।।৫২৩
হেনবা বুলিবা ইটো ইন্দ্ৰিয় সকল।
কেনমতে মনুস্যৰ হোৱয় সফল।।
ইহাৰ উত্তৰ শুনিয়োক একমনে।
দেখাইবো প্ৰমাণ পৰীক্ষিতৰ বচনে।।৫২৪
শুকৰ আগত বিনাৱন্ত নৃপৱৰ।
যিটো বাক্যে লৱে গুণ নাম মাধৱৰ।।
তাকেসে বচন বুলি মহন্তে মানয়।
সি সি মন যিটো হৰি কৰ্ম্মক কৰয়।।৫২৫
সমস্ত ভুতত হৰি আছে নিৰন্তৰে।
সি সি হাত যিটো মাত্ৰ হৰিক সুমৰে।।
শুনে মাত্ৰ যিটো মাধৱৰ পুণ্য কথা।
তাসেকে বুলিয়া কৰ্ণ জানিবা সৰ্ব্বথা।।৫২৬
প্ৰতিমা স্বৰূপ ভক্তৰূপ মাধৱৰ।
দুইহাঙ্কো প্ৰণামে মাথ সি সি শ্ৰেষ্ঠতৰ।।
ইটো দুই ৰূপক কৃষ্ণৰ যিটো দেখে।
চক্ষু বুলি তাকেসে মহন্ত সৱে লেখে।।৫২৭
বিষ্ণু পাদোদক বা ভক্তৰ পদ জল।
লৱে যিটো নিতে অঙ্গ সেহিসে সফল।।
এহিমতে ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰে।
সৰ্ব্বভাৱে মাত্ৰ কৃষ্ণতেসে ৰতি কৰে।।৫২৮
তেৱে তাৰ ভাগ্যক বৰ্ণাইবো কিবা আৰ।
মহাসুখে নিস্তৰিল দুৰ্ঘোৰ সংসাৰ।।
থৈলো পৰীক্ষিতৰ বচন এহিমানে।
শ্ৰৱণ কীৰ্ত্তন আদি কহিলো সমানে।।৫২৯
এৱে ঋষি মৈত্ৰেয়ৰ বচন উদ্ধাৰি।
শ্ৰৱণ কীৰ্ত্তন দুইকো কহো শ্ৰেষ্ঠ কৰি।।
যাৰ যেন মতি কৃষ্ণ কথাক শুনয়।
সেহি বুদ্ধি অনুসাৰে কীৰ্ত্তন কৰয়।।৫৩০
এতেকে অৱশ্যে নৰে পাইবেক মুকুতি।
ভৈল দুইয়ে ভক্তি শ্ৰেষ্ঠ এহিসে যুগুতি।।
পুণ্যশ্লোক সৱৰ মুকুত ৰূপ হৰি।
হৰি গুণগণকেসে বচনে সাদৰি।।৫৩১
বাক্যৰ একান্ত লাভ এহিমানে মাত্ৰ।
কীৰ্ত্তনতে হোৱে সুখ মুকুতিৰ পাত্ৰ।।
মহাজন সকলে কহন্তে কথামৃত।
ওচৰতে মাত্ৰ কৰ্ণ পাতি শুনে নিত্য।।৫৩২
এহিমানে মহালাভ জানিবা কৰ্ণৰ।
অৱশ্যে মুকুতি বণ্টা পাইবেক কৃষ্ণৰ।।
দুইৰো মাজত একে তাৰিবে সমৰ্থ।
কহো এৱে সংহৰিয়া প্ৰকৰণ অৰ্থ।।৫৩৩
মনোহৰ যতেক চৰিত্ৰ গোৱিন্দৰ।

---

৫২১(খ)-৫২২। মূঃ শ্লোঃ— জীৱচ্ছৱো ভাগৱতাঙ্ঘ্ৰিৰেণুং ন জাতু মৰ্ত্যোঽভিলভতে যস্তু।
শ্ৰীৱিষ্ণুপদ্যা মনুজস্তুলস্যাঃ শ্বসন্ শৱো যস্তু ন ৱেদগন্ধম্।। - ২/৩/২৩

৫২৪-৫২৯। মূঃ শ্লোঃ— সা ৱাগ্ যয়া তস্য গুণান্ গৃণীতে কৰৌ চ তৎ কৰ্ম্মকৰৌ মনশ্চ।
স্মৰেদ্বসন্তং স্থিৰ জঙ্গমেষু শৃণোতি তৎপুণ্য কথাঃ স কৰ্ণঃ।।
শিৰস্তু তস্যোভয়লিঙ্গমানমেত্তদেৱ যৎ পশ্যতি তদ্ধি চক্ষুঃ।
অঙ্গানি বিষ্ণুৰথ তজ্জনানাং পাদোদকং যানি ভজন্তি নিত্যম্।। -১০/৮০/৩-৪

৫৩২-৫৩৪। মূঃ শ্লোঃ— (বিদুৰৰ প্ৰতি মৈত্ৰেয়ৰ উক্তি)
একান্তলাভং ৱচসো নু পুংসাং সুশ্লোকমৌলেৰ্গুণৱাদমাহুঃ।
শ্ৰুতেশ্চ ৱিদ্বদ্ভিৰুপাকৃতায়াং কথাসুধায়ামুপসম্প্ৰয়োগম্।। -৩/৬/৩৭

৫৩৪। মূঃ শ্লোঃ— এই শ্লোক কিন্তু শ্ৰীমদ্‌ভাগৱতপুৰাণৰ শ্লোক নহয়। শ্ৰীহৰিভক্তিসুধোদয়ৰ (৮/৬)। এই শ্লোকৰ দ্বাৰা তৃতীয় বিৰচনৰ সামৰণি মৰা হৈছে- এই শ্লোক নাৰদৰ উক্তি।
তস্মাদ্ গোৱিন্দমাহাত্ম্যমানন্দৰস সুন্দৰম্। শৃণুয়াৎ কীৰ্ত্তয়েন্নিত্যং স কৃতাৰ্থো ন সংশয়ঃ।।

সম্পূৰ্ণ আনন্দ ৰসে পৰম সুন্দৰ।।
শ্ৰৱণ কীৰ্ত্তন আক কৰে যিটো নিত্য।
নাহিকে সংশয় সিটো ভৈল কৃতকৃত্য।।৫৩৪
এহিমানে ইটো বিৰচন সমাপতি।
ৰচিল মাধৱ মহা দীন হীন মতি।।
শুনা সভাসদ সাধুজন স্থিৰ মনে।
লভিবা পৰম পদ শ্ৰৱণ কীৰ্ত্তনে।।৫৩৫
মনুষ্যৰ শ্ৰেষ্ঠ ধৰ্ম্ম এহিমানে মাত্ৰ।
দেখিয়ো বিচাৰি মহাভাগৱত শাস্ত্ৰ।।
কলিত নাহিকে গতি বিনে হৰিনাম।
জানিয়া আলস্য ত্যজি বোলা ৰাম ৰাম।।৫৩৬

## চতুৰ্থ ঃ শ্ৰৱণ বিৰচন

### দুলড়ি

শ্ৰৱণ কীৰ্ত্তন উপদেশ ক্ৰমে
ভকতিৰ নিৰূপণ।
কহিবাক প্ৰতি পুনশ্চ সম্প্ৰতি
আৰম্ভিলো বিৰচন।।
দুৰ্ব্বাসনা মুখ্য বীজ সংসাৰৰ
যতেক অনৰ্থচয়।
কেৱলে কৃষ্ণৰ কথা শুনিলেসে
সিটো সৱে নিৱৰ্ত্তয়।।৫৩৭
ভকত জনৰ পৰম সুহৃদ
উপকাৰী ভগৱন্ত।
তানে গুণ নাম শুনন্তে আসিয়া
হৃদয়ত প্ৰৱেশন্ত।।
অনাদি জন্মৰ আছে তাৰ যত
দুৰ্ব্বাসনা হৃদয়ত।
তথাতে থাকিয়া প্ৰভু নাৰায়ণ
হৰন্ত তাক সমস্ত।।৫৩৮
দুৰ্ব্বাসা নষ্ট ভৈলে অনন্তৰে
শুনা যেন ফল পাৰে।
মহন্ত সৱৰ আত্মা ৰূপে হৰি
প্ৰকাশ হন্ত স্বভাৱে।।
ভকত সৱৰ মুখত তাহান
কথায়ে হন্ত অমৃত।
তাক শ্ৰদ্ধা কৰি কৰ্ণাঞ্জলি ভৰি
পিয়ে যিটো প্ৰতিনিত।।৫৩৯
বিষয় বাসনা মলিন মনক
কৰয় সিটো শোধিত।
কৃষ্ণৰ অভয় চৰণ পদ্মৰ
পাৱয় গৈয়া সন্নিত।।
বুলিবা সংশয় স্বধৰ্ম্মে পাৱয়
ইমান কাৰ্য্য সাধিত।
মাধৱৰ কথা কিবা কাৰ্য্যে বৃথা
শুনিবাক লাগে নিত।।৫৪০
ভাল ইটো প্ৰশ্ন কৰিলা শুনিয়ো
উত্তৰ দেওঁ ইহাৰ।
স্বধৰ্ম্মত বুদ্ধি যদি হয় শুদ্ধি
তথাপি কথাৰ দ্বাৰ।।
যাৰ যেন ধৰ্ম্ম সুনিশ্চিত ভাৱে
আচৰয় শুদ্ধ মতি।
তথাপিতো যদি ঈশ্বৰ কৃষ্ণৰ
কথাত নকৰে ৰতি।।৫৪১
তেৱে সিটো ধৰ্ম্ম জানিবা কেৱলে
শ্ৰম মাত্ৰ সমুদায়।
হৰি কথা বিনে আন যত ধৰ্ম্ম
বিনাশী সিটো সদায়।।
এতেকে কৃষ্ণৰ কথাত যাহাৰ

---

৫৩৭-৫৩৮। মূঃ শ্লোঃ— (সূতৰ উক্তি)
শৃণ্বতাং স্বকথাং কৃষ্ণঃ পুণ্যশ্ৰৱণকীৰ্ত্তনঃ। হৃদ্যন্তঃস্থো হ্যভদ্ৰাণি ৱিধুনোতি সুহৃৎসতাম্ - ১/২/১৭
৫৩৯-৫৪০। মূঃ শ্লোঃ— (শুকৰ উক্তি)
পিৱন্তি যে ভগৱত আত্মনঃ সতাং কথামৃতং শ্ৰৱণ পুটেষু সম্ভৃতম্।
পুনন্তি তে ৱিষয়ৱিদূষিতাশয়ং ব্ৰজন্তি তচ্চৰণ সৰোৰুহান্তিকম্।। -২/২/৩৭
৫৪১-৫৪২(ক)। মূঃ শ্লোঃ— (সূতৰ উক্তি)
ধৰ্ম্মঃ স্বনুষ্ঠিতঃ পুংসাং বিস্বক্সেন কথাসু য়ঃ। নোৎপাদয়েদ্ যদিৰতিং শ্ৰম এৱ হি কেৱলম্।। -১/২/৮

উতপন্ন ভৈল ৰতি।
কথাৰ সাধন কৰ্ম্মত জ্ঞানত
এৰিয়া যত্ন সম্প্ৰতি।।৫৪২
কথাকেসে মাত্ৰ শুনি শ্ৰদ্ধা ভাৱে
কৃষ্ণক কৰিব বশ্য।
শুনিয়োক এৱে ব্ৰহ্মাৰ বচনে
দেখাওঁ ইটো ৰহস্য।।
কৃতাঞ্জলি হৈয়া ব্ৰহ্মায়ে বোলন্ত
কৃষ্ণৰ চাই চৰণ।
অণুমাত্ৰ জ্ঞান পথত প্ৰয়াস
নকৰিয়া নাৰায়ণ।।৫৪৩
তীৰ্থ আদি আন পথত ভ্ৰমণ
ক্লেশ আদি নকৰয়।
নিজ স্থানে থাকি মহন্তৰ মুখে
তোমাৰ কথা শুনয়।।
তিনিও লোকত যদ্যপি তোমাক
একেজনে নজয়য়।
কথাকে সৎকাৰ কৰে যিটো সিটো
তোমাক বশ্য কৰয়।।৫৪৪
ব্ৰহ্মাৰ বচনে দেখাইলো জ্ঞানতো
অধিক কথা শ্ৰৱণ।
বুলিবাহা জ্ঞান সত্বে মোক্ষ ফল
এৰিবে কেনে যতন।।
সনত কুমাৰ বচনে ইহাৰ
উত্তৰ লৈয়ো নিশ্চয়।
মুকুতিতো কৰি কথা শ্ৰৱণৰ
অধিক সুখ আছয়।।৫৪৫
চাৰিয়ো সনকে কৃষ্ণৰ আগত
বোলন্ত বাক্য বিনয়।
তোমাৰ পৱিত্ৰ কথা অমৃতৰ
ৰসক যিটো জানয়।।
তাৰাসৱে প্ৰভু তোমাৰ মুকুতি
প্ৰসাদকো নাদৰন্ত।
কালৰ অধীন যত স্বৰ্গ সুখ
তাহাকো কৈত গণন্ত।।৫৪৬
সনত কুমাৰ বচনে দেখালো
কথা শুনিবাৰ ফল।
সমস্তে পাপত পৱিত্ৰ হৈবেক
চাহয় চাৰা সকল।।
হৰিৰ পৰম নিৰ্ম্মল চৰিত্ৰ
শুনোক মাত্ৰ সৰ্ব্বথা।
চতুঃপাদ পূৰ্ণ কলিৰ মলক
হৰয় কৃষ্ণৰ কথা।।৫৪৭
শুনিয়োক আৰু দৃষ্টান্ত সহিতে
কথাৰ কহো মহত্ত্ব।
কৰ্ণৰন্ধ্ৰে হৰি হোৱন্ত প্ৰৱেশ
ভকতৰ হৃদয়ত।।
তথাত থাকিয়া বাসনা সহিতে
হৰন্ত মল সকল।
যেন জল যত শৰত কালত
স্বভাৱে হোৱে নিৰ্ম্মল।।৫৪৮
নদী পুখুৰীৰ পানীক নিৰ্ম্মল
কৰিবে চাহে যিজন।
কোন দ্ৰব্য দিয়া কেৱলে কুম্ভৰ
কৰয় মাত্ৰ শোধন।।
নদী পুখুৰীৰ পানীক নিৰ্ম্মল

৫৪৪। মূঃ শ্লোঃ—
জ্ঞানে প্ৰয়াসমুদপাস্য নমন্ত এৱ জীৱন্তি সন্মুখৰিতাং ভৱদীয় ৱাৰ্ত্তাম্।
স্থানে স্থিতাঃ শ্ৰুতিগতাং তনুৱাঙ্‌মনোভিৰ্য়ে প্ৰায়শোঽজিতোঽপ্যসি তৈস্ত্ৰিলোক্যাম্।। - ১০/১৪/৩
৫৪৬। মূঃ শ্লোঃ—
নাত্যান্তিকং ৱিগণয়ন্ত্যপি তে প্ৰসাদং কিন্ত্বন্যদৰ্পিতভয়ং ভ্ৰুৱ উন্নয়ৈস্তে।
যেঽঙ্গত্বদঙ্ঘ্ৰিশৰণা ভৱতঃ কথায়াঃ কীৰ্ত্তন্যতীৰ্থযশসঃ কুশলাৰ সজ্ঞাঃ।। -১০/১৫/৪৮
৫৪৭। মূঃ শ্লোঃ— (শৌণকাদি ঋষিসকলৰ উক্তি)
কো ৱা ভগৱতস্তস্য পুণ্যশ্লোকেড্যকৰ্ম্মণঃ। শুদ্ধিকামো ন শৃনুয়াদ্ যশঃ কলিমলাপহম্।। -১/১/১৬
৫৪৮। মূঃ শ্লোঃ—
প্ৰৱিষ্টঃ কৰ্ণৰন্ধ্ৰেণ স্বানাং ভাৱসৰোৰুহম্। ধুনোতি শমলং কৃষ্ণঃ সলিলস্য যথা শৰৎ।। -২/৮/৫

করিবে নোহে শকত।
কলসৰো নষ্ট নোহে সমুদায়
পৰিয়া থাকে তলত।।৫৪৯
কলস চালিলে পুনঃ পূৰ্ব্বৰত
হোৱে মল নিৰন্তৰে।
সেহিমতে তপ জপ দান আদি
প্ৰায়শ্চিত্ত যিটো কৰে।।
যিটো প্ৰায়শ্চিত্তে সৱাৰো সমস্তে
পাপক নকৰে শুদ্ধি।
কোন পুৰুষৰ কিঞ্চিতেক মান
পৱিত্ৰ কৰয় বুদ্ধি।।৫৫০
তাহাৰো সমূলি বীজ নুগুচয়
বাসনা থাকে সতত।
পুনৰপি চিত্ত চলিলে দুনাই
হোৱে পাপী পূৰ্ব্বৰত।।
হৃদয়ত কৃষ্ণ প্ৰৱেশ মাত্ৰকে
যত পাপ নিৰন্তৰে।
হৰয় নিঃশেষ যেন সৰে জল
শৰতে নিৰ্ম্মল কৰে।।৫৫১
দেৱৰ বচনে ইটো দৃষ্টান্তৰ
তাৎপৰ্য্য কৰো স্পষ্ট।
আন কৰ্ম্মে ধৰ্ম্মে সিমতে পাপীৰ
পাপক নকৰে নষ্ট।।
যেনমতে তযু চৰিত্ৰ অমৃত
শুনিয়া মহন্ত নৰে।
বঢ়ায়া ভকতি হৈয়া শুদ্ধি মতি
জগত পৱিত্ৰ কৰে।।৫৫২
দেৱৰ বচন দেখাইলো কৃষ্ণৰ
কথাৰ যেন মহত্ত্ব।
এতেকে কৃষ্ণৰ কথা শুনিলেসে
জানে ভকতিৰ তত্ত্ব।।
হেন জানি সভা- সদ নিৰন্তৰে
শুনিয়ো কৃষ্ণৰ কথা।।
ডাকি মুখ ভৰি বোলা হৰি হৰি
নকৰিয়ো জন্ম বৃথা।।৫৫৩

**পদ**

বুলিবা পাপত শুদ্ধি হৈবে যাৰ মন।
কৃষ্ণ কথা অমৃত পিয়োক সিটো জন।।
জীৱন্ত মুকুত সব ভৈল কৃতকৃত্য।
তাৰ কথা শুনিবে নলাগে কদাচিত।।৫৫৪
মুকুত হৈবেক প্ৰতি চাহে যিটো নৰ।
সিয়ো যোগ জ্ঞান অভ্যাসয় নিৰন্তৰ।।
কথা শুনিবাৰ প্ৰয়োজন নাহি তাৰ।
বিষয়ত অতি আসকতি চিত্ত যাৰ।।৫৫৫
ইন্দ্ৰিয়ৰ প্ৰীতি মাত্ৰ সাধে সৰ্ব্বক্ষণ।
তাৰ হৰি কথাত কমন প্ৰয়োজন।।
এহি তিনি বিধ মাত্ৰ লোক সংসাৰত।
নাহিকে তিনিৰো কাৰ্য্য কথা শ্ৰৱণত।।৫৫৬
কেৱলে পাতকী মাত্ৰ শুনিবেক কথা।
ইহাত সংশয় কিছু নকৰিয়ো বৃথা।।
শুনিয়ো উত্তৰ ইটো ত্যজি কুনিৰ্ব্বন্ধ।
কথাক শুনিবে কেনে এতেক প্ৰৱন্ধ।।৫৫৭
সমস্ত শাস্ত্ৰৰ এহিমানে মাত্ৰ সাৰ।
ভৈলন্ত মুকুত তৃষ্ণা নিৱৰ্ত্তিল যাৰ।।
তাৰাসৱো কৰে সদা শ্ৰৱণ কীৰ্ত্তন।
মুকুত হৈবাৰ এহিমানে প্ৰয়োজন।।৫৫৮
দেখাইলোহো মুকুতৰ পৰম সন্মত।
মুকুত হৈবাক যিটো খোজে সংসাৰত।।
সিও হৰি চৰিত্ৰ ঔষধ কৰি পান।

৫৫২-৫৫৩। মূঃ শ্লোঃ—
শুদ্ধিৰ্নৃণাং ন তু তথেড্য দুৰাশয়ানাং ৱিদ্যাশ্ৰুতাধ্যয়নদানতপঃ ক্ৰিয়াভিঃ।
সত্ত্বাত্মনামৃষভ তে যশসি প্ৰবৃদ্ধসচ্ছ্ৰদ্ধয়া শ্ৰৱণসম্ভৃতয়া যথা সাৎ।। - ১১/৬/৯
৫৫৮-৫৬১। মূঃ শ্লোঃ—
নিবৃত্ততৰ্ষৈৰুপগীয়মানাদ্ ভৱৌষধাচ্ছ্ৰোত্ৰ মহোঽভিৰামাৎ।
ক উত্তমশ্লোকগুণানুৱাদাৎ পুমান্ বিৰজ্যেত ৱিনা পশুঘ্নাৎ।। -১০/১/৪

দুৰ্ঘোৰ সংসাৰ ব্যাধি কৰয় নিৰ্ব্বাণ।।৫৫৯
মুমুক্ষু জনৰো দেখাইলোহো প্ৰয়োজন।
বিষয়ৰ সুখত কেৱল যাৰ মন।।
উত্তম শ্লোকৰ গুণ চৰিত্ৰ সম্বাদে।
তাৰো কৰ্ণ মনৰ পৰম সুখ সাধে।।৫৬০
বিষয়ীৰো পৰম শ্লাঘনী হৰি কথা।
ইহাত বিমুখ যিটো পামৰ সৰ্ব্বথা।।
তাত পৰে নাহিকে অধম মন্দমতি।
শুনিয়োক তাৰ এৰে যিমত দুৰ্গতি।।৫৬১
সেহিসে চাণ্ডাল মহাব্যাধ আত্মঘাতী।
অসুৰ ৰাক্ষস সিসি মৰাশৰ আতি।।
যজ্ঞৰ ঈশ্বৰ হৰি তাহাক নভজে।
বলিদান কৰি আন দেৱতাক যজে।।৫৬২
বৃথা বধভাগী যদি নুহিকে সাক্ষাত।
যিহেতু নকৰে ৰতি কৃষ্ণৰ কথাত।।
এহি হেতু ভৈল বৃথা পশু বধভাগী।
যাইবেক অৱশ্যে ঘোৰ নৰকক লাগি।।৫৬৩
বুলিবা যাহাৰ ইচ্ছা আছে মুকুতিক।
সদায়ে সি সৱ নৰ ভকতি ৰসিক।।
সি সৱে সাধোক সিদ্ধি হৰি কথা শুনি।
জীৱন মুকুত সৱ কৃতাৰ্থ আপুনি।।৫৬৪
তাৰ কিবা কাজ কৃষ্ণ কথা শুনিবাক।
ইহাৰ উত্তৰ যেন শুনিয়োক তাক।।
মোক্ষতো অধিক কথা ৰস বিপৰীত।
এহিহেতু মুকুতৰো শুনিবে উচিত।।৫৬৫
মহাজন সৱৰ আশ্ৰয় ভগৱন্ত।
তান মহা নিৰ্ম্মল গুণৰ নাহি অন্ত।।
ব্ৰহ্মা হৰ আদি কৰি যত যোগেশ্বৰ।
তাহাৰা নপাৰে অন্ত নিৰ্গুণ কৃষ্ণৰ।।৫৬৬
তাহান কথাৰ মহাৰস যিটো জানে।
সি কি বুলিবেক তুষ্ট ভৈলো এহিমানে।।
এতেকে মুকুত সৱো শুনে সৰ্ব্বক্ষণ।
শুনা শ্ৰৱণৰ আৰু কহো গুণগণ।।৫৬৭
পৰম নিৰ্ম্মল জ্ঞান হোৱে উতপন।
হোৱে সংসাৰৰ যত উৰ্ম্মি নিৰৰ্ত্তন।।
গুচে কৰ্ম্ম বাসনা নিৰ্ম্মল হোৱে মতি।
ইহ পৰলোক সুখে মিলে বিৰকতি।।৫৬৮
মোক্ষৰো সন্মত ভক্তি যোগ উপজয়।
শুনি যিটো আনন্দ লভিল অতিশয়।।
হৰিৰ কথাত সি কি নকৰিবে ৰতি।
সংসাৰৰ তাপ যত এৰাৰে সম্প্ৰতি।।৫৬৯
দেখাইলোহো শ্ৰৱণৰ গুণ নিৰন্তৰ।
হেন হৰি কথাত বিমুখ যিটো নৰ।।
তাৰ যেন গতি তাক শুনিয়ো সাম্প্ৰত।
যাই জগতৰ আয়ু সূৰ্য্যৰ লগত।।৫৭০
একক্ষণ মাত্ৰ কথা শুনে মাধৱৰ।
হোৱয় সাফল আয়ু তাৰ সিদিনৰ।।
সিও ক্ষণ কথা নুশুনয় যিটো নৰ।
বিফলে হৰন্ত সূৰ্য্য আয়ু সিজনৰ।।৫৭১
বুলিবা জীৱন আদি আয়ুৰ সফল।
তাহাৰ উত্তৰ যেন শুনিয়ো সকল।।
হৰি কথা হীনো যদি জীয়ে স্বৰূপত।
নিজীয়ে কি জানা ইটো তৰুবন যত।।৫৭২
বুলিবা বৃক্ষৰ নাহি বিশ্বাস ভোজন।
কেনমতে বৃক্ষ তুল্য হৈব সিটোজন।।
দেখিয়ো সাক্ষাতে ভোজনাদি সৱে কৰে।

৫৬৬-৫৬৭। মূঃ শ্লোঃ— (শৌনকাদি ঋষিসকলৰ সূতৰ প্ৰতি উক্তি)
কো নাম তৃপ্যেদ্ৰসৱিৎ কথায়াং মহত্তনৈকান্তপৰায়ণস্য।
নান্তং গুণানামগুণস্য জগ্মুৰ্যোগেশ্বৰা যে ভৱপাদ্মমুখ্যাঃ।। - ১/১৮/১৪
৫৬৮-৫৬৯। মূঃ শ্লোঃ— (পৰীক্ষিতৰ প্ৰতি শুকদেৱৰ উক্তি)
জ্ঞানং যদা প্ৰতিনিবৃত্তগুণোৰ্মিচক্ৰমাত্মপ্ৰসাদ উত যত্ৰ গুণেষ্বসঙ্গঃ।
কৈৱল্যসন্মতপথস্ত্বথ ভক্তিযোগঃ কো নিৰ্বৃতো হৰিকথাসু ৰতিং ন কুৰ্য্যাৎ।। -২/৩/১২
৫৭০-৫৭১। মূঃ শ্লোঃ—
আয়ুৰ্হৰতি ৱৈ পুংসামুদ্যন্নস্তং চ যন্নসৌ। তস্যৰ্ত্তে যৎ ক্ষণোনীত উত্তমশ্লোকবাৰ্ত্তয়া।। -২/৩/১৭
৫৭২-৫৭৪। মূঃ শ্লোঃ—
তৰৱঃ কিং ন জীৱন্তি ভস্ত্ৰাঃ কিং ন শ্বসন্ত্যত। ন খাদন্তি ন মেহন্তি কিং গ্ৰাম পশৱোহপৰে।। -২/৩/১৮

ইহাৰ উত্তৰ শুনিয়োক নিৰন্তৰে।।৫৭৩
কমাৰৰ ভাতী যত ফোকাৰ ত্যজয়।
তাক কোন জনে জীয়া বুলিয়া আছয়।।
বিষ্ঠাক ভোজন আদি কৰয় শুকৰে।
তেৱে তাক প্ৰশংসা কৰয় কোন নৰে।।৫৭৪
তৰুলতা আদিৰ জীৱন যেন বৃথা।
সেহিমতে যিজনে নুশুনে হৰি কথা।।
যাৰ কৰ্ণ পথক নগৈল দামোদৰ।
পশুতো অধম পশু অজ্ঞানী বৰ্ব্বৰ।।৫৭৫
অৱজ্ঞাৰ স্থলী সিটো কুকুৰ সদৃশ।
বিষ্ঠা ভুঞ্জি কৰে যেন শূকৰে হৰিষ।।
উটে যেন কণ্টক চোবায়া অতি মৰে।
ভাৰ পায়া গৰ্দ্দভে আনন্দ যেন কৰে।।৫৭৬
হৰিকথা এৰি বিষয়ত ৰতি যাৰ।
এহি চাৰি গোটা পশু পটন্তৰ তাৰ।।
কিন্তু পশু সৱ নুহি ভকতিৰ পাত্ৰ।
ভকতিত অধিকাৰ মনুষ্যৰ মাত্ৰ।।৫৭৭
হেনয় মনুষ্যে কৃষ্ণ কথা নুশুনয়।
চাৰিও পশুত সিটো অধম নিশ্চয়।।
যতেক নিন্দিত লোক আছে নিৰন্তৰ।
তাহাৰো নিন্দিত হৰি বিমুখ পামৰ।।৫৭৮
বিদুৰ বচনে লৈয়ো ইহাৰ প্ৰমাণ।
বুলিলা বিদুৰে মৈত্ৰেয়ৰ বিদ্যমান।।
শুনিয়ো মৈত্ৰেয় মোৰ যেন অভিমত।
যতেক শোচনা আছে ইটো জগতত।।৫৭৯
সি সৱো তাহাক প্ৰতি কৰয় ক্ৰন্দন।
নজানিয়া কৃষ্ণ কথা নুশুনে যিজন।।
সিও বোলে মোক প্ৰতি নকান্দ সদায়।
নজানোহো আমি একো শাস্ত্ৰ অভিপ্ৰায়।।৫৮০
তুমি আমি দুইয়ো আহা কান্দো তাক প্ৰতি।
সৱে শাস্ত্ৰ তাৎপৰ্য্য জানিয়া সম্প্ৰতি।।
তথাপি কৃষ্ণৰ কথা নকৰে শ্ৰৱণ।
মিছাত পঢ়িলে মাত্ৰ শাস্ত্ৰ যিটো জন।।৫৮১
সমস্ত শাস্ত্ৰৰ সাৰ মাধৱৰ কথা।
তাহাক নুশুনি জন্ম কৰিলেক বৃথা।।
অনেক জন্মৰ দুৰ্ব্বাসনা আছে তাৰ।
তাতেসে কৰিলে কালে আয়ুৰ সংহাৰ।।৫৮২
বাক্য মন শৰীৰ ব্যাপাৰ সকল।
হৰি কথা বিনে আৰ সকলে বিফল।।
তাত পৰে জানিবা নাহিকে আত্মঘাতী।
তাক লাগি ময়ো অনুশৌচ কৰো আতি।।৫৮৩
বিদুৰৰ বচনক এহিমানে থওঁ।
আৰো তাৰ যিমত অৱস্থা তাক কওঁ।।
কেৱল ব্যৰ্থেসে আয়ু ভৈল সমাপতি।
কিন্তু সিটো অৱশ্যে যাইবেক অধোগতি।।৫৮৪
লৈয়োক ইহাৰ সাক্ষী ব্ৰহ্মাৰ বাক্যত।
কহন্ত ব্ৰহ্মায়ে দেৱসৱৰ আগত।।
সৃষ্টি আদি কৰি মাধৱৰ লীলা যত।
তাত বহিৰ্ভূত অন্য কুকথা সমস্ত।।৫৮৫
সিটো কুকথাক কৰে যিজনে শ্ৰৱণ।
কদাচিতো বৈকুণ্ঠক নযায় সিটোজন।।
ভৈলা সিটো মহাভাগ্যহীন সমুদায়।
পূৰ্ব্ব পুণ্যমানে নষ্ট কৰে কুকথায়।।৫৮৬
পেলাৱে তাহাক মহা ঘোৰ নৰকত।
আপোনাৰ পাতকে আপুনি ভৈল হত।।
দেখাইলো ব্ৰহ্মাৰ বাক্যে কুকথাৰ ফল।
শুনে মাধৱৰ কথা যাহাৰা সকল।।৫৮৭

৫৭৫-৫৭৬। মূঃ শ্লোঃ—
শ্বৱিড়্ৱৰাহোষ্ট্ৰখৰৈঃ সংস্তুতঃ পুৰুষঃ পশুঃ। ন যৎ কৰ্ণপথোপেতো যাতু নাম গদাগ্ৰজঃ।। - ২/৩/১৯
৫৭৯-৫৮৪। মূঃ শ্লোঃ— (মৈত্ৰেয়ৰ প্ৰতি বিদুৰৰ উক্তি)
তান্ শোচ্যশোচ্যানৱিদোনুশোচে হৰেঃ কথায়াং ৱিমুখানঘেন।
ক্ষিণোতি দেৱোহনিমিষস্তু যেষামায়ুৰ্বৃথাৱাদগতিস্মৃতীনাম্।। -৩/৫/১৪
৫৮৫-৫৮৬। মূঃ শ্লোঃ— (ব্ৰহ্মাৰ উক্তি)
যন্ন ব্ৰজন্ত্যঘভিদো ৰচনানুৱাদাচ্ছৃন্বন্তি যেহন্যৱিষয়াঃ কুকথা মতিঘ্নীঃ।
যাস্তু শ্ৰুতা হতভগৈৰ্নৃভিৰাত্তসাৰাস্তাংস্তান্ক্ষিপন্ত্যশৰণেষু তমঃ সু হন্ত।। -৩/১৫/২৩
৫৮৮-৫৯০। মূঃ শ্লোঃ— (দেৱৰূপী তত্ত্বগণৰ উক্তি)
পানেন তে দেৱ কথা সুধায়াঃ প্ৰবৃদ্ধভক্ত্যা ৱিশদাশয়া য়ে।
ৱৈৰাগ্যসাৰং প্ৰতিলভ্যবোধং যথাঞ্জসাহন্বীয়ুৰকুণ্ঠধিষ্ণ্যম্।। -৩/৫/৪৫

কহো তাৰ ফল স্পষ্ট তত্ত্বৰ বচনে।
কৃষ্ণৰ আগত বাক্য বোলে তত্ত্বগণে।।
তযু কথা অমৃতক পিয়ে যিটোজন।
তাহাৰ ভকতি আতি বাঢ়ে অনুক্ষণ।।৫৮৮
হোৱে চিত্ত শুদ্ধ মিলে বৈৰাগ্য সাক্ষাত।
হোৱয় নিৰ্ম্মল বোধ হৃদয়ত জাত।।
তোমাৰ কৰুণা তাক মিলয় স্বভাৱে।
অনায়াসে সুখে গৈয়া বৈকুণ্ঠক পাৱে।।৫৮৯
তত্ত্বৰ বচন এৱে থওঁ এহিমানে।
কৃষ্ণ কথা ফল আৰু শুনা সাৱধানে।।
পৰম শ্ৰদ্ধায়ে যিটো পিয়ে প্ৰতিনিত।
হন্ত ভগৱন্ত আসি তাৰ সন্নিহিত।।৫৯০
ইঠাইতে বৈকুণ্ঠ সুখ মিলে সৰ্ব্বক্ষণে।
লৈয়োক ইহাৰ সাক্ষী ব্ৰহ্মাৰ বচনে।।
কৃষ্ণৰ আগত বিনাৱন্ত সৃষ্টিকৰ।
কি কহিবো মহত্ত্ব তোমাৰ ভকতৰ।।৫৯১
তযু পদ পঙ্কজৰ সুগন্ধ যশক।
শৰদ বতাসে নিয়ে কৰ্ণৰ পথক।।
পাইয়া সিটো গন্ধ মহাসন্তোষ মিলয়।
কৰ্ণৰন্ধ্ৰ ভৰি সুখে সদায় শুনয়।।৫৯২
কথাৰস পাইয়া বিষয়কে পৰিহৰে।
মহাভক্তি ভাৱে তযু চৰণক ধৰে।।
তোমাৰ পাৱত লগাইলেক প্ৰেমজৰী।
যাইবাক নপাৰা তাৰ হৃদয়ক এৰি।।৫৯৩
তুমি যাৰ হৃদয়ত সদায়ে প্ৰকাশ।
সিজনে নকৰে মুকুতিকো অভিলাষ।।
পৰম কৃতাৰ্থ ভৈল সিটো মহাজন।
এহিমানে থৈলো ব্ৰহ্মাদেৱৰ বচন।।৫৯৪
কৃষ্ণকথা শুনি যেন হোৱে কৃতকৃত্য।
সিদ্ধ সমস্তৰ বাক্য কৰোহো বিদিত।।
সনত কুমাৰ আদি সিদ্ধগণ যত।
কৃষ্ণক কৰন্ত স্তুতি দক্ষৰ যজ্ঞত।।৫৯৫
বোলন্ত আমাক অনুগ্ৰহ কৰা যদি।
তযু কথা অমৃত নিৰ্ম্মলময় নদী।।
মহামদে উন্মত্ত আমাৰ মন গজে।
সেহি নদী মাজে মজি থাকোক সহজে।।৫৯৬
যেন বন পোৱাত পুৰিয়া হস্তীচয়।
অগাধ গঙ্গাৰ জলে মজিয়া থাকয়।।
বনজুইক ডৰে তাৰ পৰা নুঠে আৰ।
সেহিমতে মন প্ৰভু মাতঙ্গ আমাৰ।।৫৯৭
দাৱাগ্নি সদৃশ তিনি তাপ সংসাৰৰ।
অনাদি জনম তাতে পোড়ে নিৰন্তৰ।।
এৱে তযু কথাৰ নদীত বুৰ দিউক।
তাৰ পৰা পুনৰপি উঠিয়া নাসোক।।৫৯৮
পাসৰিবো তেৱে সংসাৰৰ যত দুখ।
মিলিবে মনত মহা ব্ৰহ্মানন্দ সুখ।।
যেন ব্ৰহ্মজ্ঞানী নুহি ব্ৰহ্মত পৃথক।
এক ভাৱ হুইয়া পাইয়া থাকয় ব্ৰহ্মক।।৫৯৯
সেহিমতে মজি মন তোমাৰ কথাত।
পৰম আনন্দে মগ্ন হৈবোহো সাক্ষাত।।
শ্ৰৱণ বিৰাম আৰ নুহিবেক মন।
এহিমানে থৈলো সিদ্ধসৱৰ বচন।।৬০০
দেখাইলো মুকুতি তুল্যসুখ শ্ৰৱণৰ।
পুনু পৰমাৰ্থ তাতো কৰি শ্ৰেষ্ঠতৰ।।
লৈয়োক ইহাৰ সাক্ষী পৃথুৰ বচনে।
প্ৰাৰ্থিলন্ত পৃথু যেন কৃষ্ণৰ চৰণে।।৬০১
বোলন্ত কৃষ্ণক প্ৰভু কোননো পণ্ডিতে।
তোমাৰ চৰণ আৰাধিয়া একচিত্তে।।
ইন্দ্ৰিয়ৰ সুখ অৰ্থে প্ৰাৰ্থিবন্ত বৰ।
নাৰকিয়ো নিত্য যাক পাৱে নিৰন্তৰ।।৬০২

---

৫৯১-৫৯৪। মূঃ শ্লোঃ— (ভগৱন্তৰ প্ৰতি ব্ৰহ্মাৰ উক্তি)
যে তু ত্বদীয়চৰণাম্বুজকোশগন্ধং জিঘ্ৰন্তি কৰ্ণৱিৱৈঃ শ্ৰুতিৱাতনীতম্।
ভক্ত্যা গৃহীতচৰণঃ পৰয়া চ তেষাং নাপৈষি নাথ হৃদয়াম্বুৰুহাৎস্বপুংসাম্।। - ৩/৯/৫
৫৯৫-৬০০। মূঃ শ্লোঃ— (সিদ্ধসকলৰ উক্তি)
অয়ং ত্বৎকথামৃষ্টপীয়ুষনদ্যাং মনোৱাৰণঃ ক্লেশদাৱাগ্নি দগ্ধঃ।
তৃষাৰ্তোঽৱগাঢ়ো ন সস্মাৰ দাৱং ন নিষ্ক্ৰামতি ব্ৰহ্মসম্পন্নৱন্নঃ।। -৪/৭/৩৫
৬০২-৬০৩। মূঃ শ্লোঃ—ৱৰান্ ৱিভো ত্বদ্‌ৱৰদেশ্বৰাদ্ বুধঃ কথং বৃণীতে গুণৱিক্ৰিয়াত্মনাম্।
যে নাৰকাণামপি সন্তি দেহিনাং তানীশ কৈৱল্যপতে বৃণে চ।। -৪/২০/২৩

অহংকাৰী দেৱে যত ব্ৰহ্মা প্ৰতিমুখ।
তাসম্বাতো হন্তে পায় ইন্দ্ৰিয়ৰ সুখ।।
নিৰ্গুণ ঈশ্বৰ তুমি কৈৱল্যৰ প্ৰতি।
নোখোজোহো তাক মই তোমাত সম্প্ৰতি।।৬০৩
বুলিবা কৈৱল্যপতি বুলিলা আমাক
খোজা যদি দেওঁ তেৱে মুকুতি তোমাক।।
শুনিয়ো উত্তৰ মোৰ মনৰ যুগুতি।
তথাপিতো নাথ মই নোখোজো মুকুতি।।৬০৪
পৰম মহন্ত মহা একান্ত ভকত।
তযু পাদপদ্ম মকৰন্দ যশ যত।।
হৃদয়ৰ পৰা মুখে কৰন্ত বিদিত।
নপাই তাক শুনিবাক যিটো মুকুতিত।।৬০৫
সিসৱ মুকুতি পদে মোৰ কাৰ্য্য নাই।
কিন্তু এক বৰ মই মাগোহোঁ গোসাঁই।।
মহন্তৰ মুখে পাওঁ কথা শুনিবাক।
হাজাৰ দশেক কৰ্ণ দিয়োক আমাক।।৬০৬
বুলিবা ইহাক নতু খোজে একোজন।
ইহাৰ উত্তৰ শুনিয়োক নাৰায়ণ।।
আনৰ চিন্তাত মোৰ কিবা প্ৰয়োজন।
এহিসে বৰক মোৰ অভিৰুচি মন।।৬০৭
বুলিবাহা ভৈলা যিটো মুকুতি বিহীন।
ৰাগদ্বেষে হৈব মন পৰম মলিন।।
নুগুচিবে তাৰ একো সংসাৰৰ দুখ।
নপাইবেক সিটো কথা শ্ৰৱণৰ সুখ।।৬০৮
ইহাৰ উত্তৰ শুনিয়োক ভগৱন্ত।
তোমাৰ একান্ত যত ভকত মহন্ত।।
তাৰাসৱে তযুকথা অমৃত প্ৰকাশে।
তাৰ এক কথা মান আনিব বতাসে।।৬০৯
তাক কৰ্ণপথে যিটো শুনে কদাচিত।
কুযোগীৰো আত্মতত্ত্ব হোৱয় বিদিত।।
আমি পুনু সাৰগ্ৰাহী তোমাৰ ভকত।
নাহিকে আমাৰ কাৰ্য্য অন্যত্ৰ বৰত।।৬১০
মোক্ষ আদি কৰি সুখ আছে যত যত।
শ্ৰৱণ সুখতে আছে হুয়া অন্তৰ্গত।।
কথাক শুনন্তে সৱে সুখে লাগ পাৱে।
তাসম্বাৰ ৰাগদ্বেষ নাহিকে স্বভাৱে।।৬১১
বুলিবা মুকুতি ফল যেৱেসে শ্ৰৱণ।
ফল এৰি কৰা কেন সাধনে যতন।।
শুনিয়োক ইহাৰ উত্তৰ কৃপাময়।
কেৱল মঙ্গলৰূপ তযু গুণ চয়।।৬১২
মহন্তৰ সঙ্গে যিটো শুনে একবাৰ।
নুহি পশু জানে যেৱে গুণক তাহাৰ।।
তেৱে কেনমতে আৰ ত্যজিব কথাক।
পৰম শ্ৰদ্ধায়ে লক্ষ্মী বৰন্ত যাহাক।।৬১৩
সৱে পুৰুষাৰ্থ সমাপতি হোৱে যাত।
জানি যশ মাত্ৰ লক্ষ্মী বৰন্ত সাক্ষাত।।
এতেকে মুকুতি এৰি খুজিলো শ্ৰৱণ।
থৈলো এহিমানে পৃথুৰাজৰ বচন।।৬১৪
দেখাইলো শ্ৰৱণ সুখ মুখ্যতো অধিক।
নোখোজে মুকুতি যিটো শ্ৰৱণ ৰসিক।।
শ্ৰৱণৰ মহাসুখ মুকুতিত নাই।
মোক্ষ আদি কৰি সুখ শ্ৰৱণত পায়।।৬১৫
ভাগৱত শাস্ত্ৰৰ কহিলো তত্ত্ব মৰ্ম্ম।
বুলিবাহা ক্ষুধা আদি প্ৰাণীৰ স্বধৰ্ম্ম।।
বুলিলা কিমতে ভকতক নবাধয়।
যেৱে বা ইসৱ ধৰ্ম্ম যাহাত থাকয়।।৬১৬

---

৬০৫-৬০৬। মূঃ শ্লোঃ— ন কাময়ে নাথ তদপ্যহং ক্কাচিন্ ন যত্ৰ যুষ্মচ্চৰণাম্বুজাসৱঃ।
মহত্তমান্তৰ্হৃদয়ান্মখচ্যুতো ৱিধৎস্ব কৰ্ণাযুতমেষ মে ৱৰঃ।। - ৪/২০/২৪
৬০৯-৬১০। মূঃ শ্লোঃ— (সিদ্ধসকলৰ উক্তি)
স উত্তমশ্লোক মহন্মুখচ্ছ্যুতো ভৱৎপদাম্ভোজসুধাকণানিলঃ।
স্মৃতিপুনৰ্ৱিস্মৃততত্ত্ববৰ্ত্মনাং কুযোগিনাং নো ৱিতৰত্যলংবৰৈঃ।। -৪/২০/২৫
৬১৩-৬১৪। মূঃ শ্লোঃ— যশঃ শিৱং সুশ্ৰৱ আৰ্যসঙ্গমে যদৃচ্ছয়া চোপশৃণোতি তে সকৃৎ।
কথং গুণজ্ঞো ৱিৰমেদ্বিনা পশুং শ্ৰীৰ্যৎপ্ৰৱব্ৰে গুণসংগ্ৰহেচ্ছয়া।। -৪/২০/২৬

হৈব কেনমতে তাত শ্ৰৱণৰ সুখ।
নাহি মুকুতিত ক্ষুধা আদি একো দুখ।।
শ্ৰৱণত কৰি শ্ৰেষ্ঠ এতেকে মুকুতি।
বুলিবা শ্ৰৱণ শ্ৰেষ্ঠ কমন যুগুতি।।৬১৭
নকৰি সংশয়চয় শুনা স্থিৰ মনে।
ইহাৰ প্ৰমাণ লৈয়ো নাৰদ বচনে।।
প্ৰাচীনবৰ্হিক মুনি দেন্ত উপদেশ।
বোলন্ত শুনিয়ো মোৰ বচন নিশেষ।।৬১৮
সাধু সমস্তৰ সঙ্গ লৈবা যত্ন কৰি।
কৰিবা শুশ্ৰূষা তাৰাসৱক সাদৰি।।
হৰিকথা ৰসে তাৰাসৱৰ জীৱন।
পৰম শ্ৰদ্ধায়ে অতি কহে সৰ্ব্বক্ষণ।।৬১৯
তাসম্বাৰ মুখে যত হৰিৰ চৰিত্ৰ।
নুহিকে অসাৰ সিটো সাক্ষাতে অমৃত।।
নদীৰূপে সিটো দশ দিশক বহয়।
তাক যিটো স্থিৰ কৰ্ণ কৰি অতিশয়।।৬২০
পৰম শ্ৰদ্ধায়ে পান কৰে প্ৰতিনিতি।
তথাপিতো মনে যাৰ নখণ্ডে তৃপিতি।।
তেৱে তাক ক্ষুধা পিয়াসে নোচোৰয়।
নপাৰে ওচৰ আসি শোক মোহ ভয়।।৬২১
বলিবাহা কথা মাত্ৰ যিজনে শুনয়।
যেৱে তাক ক্ষুধা আদি একো নবাধয়।।
তেবে কিয় কথাক নুশুনে সৰ্ব্বলোক।
ইহাৰ উত্তৰ যেন তাক শুনিয়োক।।৬২২
ক্ষুধা আদি কৰি ইটো দুখ নিৰন্তৰে।
সহজে সবাকে মহা উপদ্ৰৱ কৰে।।
এতেকে দুৰ্ল্লভ কথা অমৃত নিধিত।
নকৰয় সৰ্ব্বজনে ৰতি কদাচিত।।৬২৩
শুনিয়োক যেন আৰ পৰমাৰ্থতত্ত্ব।
কৰিয়ো যতনে মহাজনৰ সঙ্গত।।

কথাৰ মহিমা জানি নুশুনে যাৱত।
ক্ষুধা আদি কৰি বাধা কৰয় তাৱত।।৬২৪
নুবুজয় যদ্যপি কথাৰ একো তত্ত্ব।
তথাপি শুনোক নিত্য সাধুৰ সঙ্গত।।
শুনন্তে শুনন্তে পাচে ৰতি হৈলা জাত।
তেৱে ক্ষুধা আদি বাধা এৰিবে সাক্ষাত।।৬২৫
নাৰদৰ বাক্য এৱে থৈলোহো সাম্প্ৰত।
নাহি একো দুখ হৰিকথা শ্ৰৱণত।।
তথাপি সঞ্জাত যদি নাহি বিদ্যমান।
পৰীক্ষিত অনুভৱে লৈয়োক প্ৰমাণ।।৬২৬
শুকৰ আগত পৰীক্ষিতে বিনাৱন্ত।
বোলন্ত শুনিয়ো শুক মুনি মহাশান্ত।।
সাক্ষাতে অমৃত ইটো কৃষ্ণ কথাচয়।
তোমাৰ বদন পদ্ম হন্তে বাজ হয়।।৬২৭
লাগিছো কৰিবে পান পৰম শ্ৰদ্ধায়।
জলমাত্ৰ ভোজন ত্যজিয়া সমুদায়।।
তথাপিতো পৰম দুঃসহ ক্ষুধা দুখে।
নকৰয় বাধা মোক আছো মহাসুখে।।৬২৮
নপাওঁ শুনিবাক হেন কৃষ্ণ কথা যেৱে।
সদ্যে মোৰ শৰীৰ পৰিব প্ৰভু তেৱে।।
পৰীক্ষিত অনুভৱে কৰিলো বেকত।
নাহি অন্ত কথাৰ মহিমা আছে যত।।৬২৯
ইহাৰ ফলক কিবা বৰ্ণাইবো অধিক।
ভৈলা যিটো জন অতি শ্ৰৱণ ৰসিক।।
মৰণতো হন্তে ভয় নোপজয় আৰ।
পৰীক্ষিত প্ৰাৰ্থনে প্ৰমাণ লৈয়ো তাৰ।।৬৩০
বোলন্ত শুনিয়ো বিপ্ৰসৱ আছা যত।
মাৰ গঙ্গাদেৱী সাক্ষী হৈবাহা সাম্প্ৰত।।
ঈশ্বৰ কৃষ্ণৰ যিটো অভয় চৰণ।
লৈলো সৰ্ব্বভাৱে হেৰা তাহাতে শৰণ।।৬৩১

৬১৮-৬২১। মূঃ শ্লোঃ— তস্মিহন্মুখৰিতা মধুভিচ্চৰিত্ৰপীয়ুষশেষসৰিতঃ পৰিতঃ স্ৰৱন্তি।
তা যে পিৱন্ত্যৱিতৃযোনৃপগাঢ়কৰ্ণৈস্ত্যান্ন স্পৃশন্ত্যশনতৃড্‌ভয়শোকমোহাঃ।। - ৪/২৯/৪০
৬২৩। মূঃ শ্লোঃ—
ঐতৈৰুপদ্ৰুতো নিত্যং জীৱলোকঃ স্বভাৱজৈঃ। ন কৰোতি হৰ্ৰেনুনং কথামৃতনিধৌ ৰতিম্। -৪/২৯/৪১
৬২৭-৬২৯। মূঃ শ্লোঃ—
নৈষাতি দুঃসহাক্ষুন্মাং ত্যক্তোদমপি ৱাধতে। পিৱন্তং ত্বম্মুখাম্ভোজচ্যুতং হৰিকথামৃতম্।। -১০/১/১৩
৬৩১-৬৩৩। মূঃ শ্লোঃ— তং মোপয়াতং প্ৰতিয়ন্তু ৱিপ্ৰা গঙ্গা চ দেৱী ধৃতচিত্তমীশে।
দ্বিজোপসৃষ্টঃ কুহকস্তক্ষকো ৱা দশত্বলং গায়ত ৱিষ্ণুগাথাঃ।। -১/১৯/১৫

বিপ্ৰশাপ স্বৰূপ তক্ষক মায়াচয়।
দংশোক আমাক তাক নকৰোহো ভয়।।
মিলোক মোহোৰ মহা মৰণ সৰ্ব্বথা।
কিন্তু তুমি সৱে মাত্ৰ কৈয়ো কৃষ্ণ কথা।।৬৩২
কৃষ্ণেসে সুহৃদ আত্মা কৃষ্ণ ইষ্টদেৱ।
কৃষ্ণবিনে মোহোৰ বান্ধৱ নাহি কেৱ।।
এতেকে জানিয়া লৈলো কৃষ্ণত শৰণ।
থৈলো এহিমানে পৰীক্ষিতৰ বচন।।৬৩৩
কৃষ্ণ কথা শুনন্তে মৃত্যুৰ গুচে ভয়।
নেদেখিবা আক বিপৰীত আতিশয়।।
কৃষ্ণৰ একান্ত যত ভকত সকল।
তাহাৰ সৱৰো যশ পৰম নিৰ্ম্মল।।৬৩৪
তাক শ্ৰদ্ধাৰূপে যিটো শুনয় সতত।
তাহাৰ সমস্ত পাপ তাপ হোৱে হত।।
পৰম আনন্দ আৰু মিলয় মনত।
কৃষ্ণৰ কথাৰ কিবা কহিবো মহত্ত্ব।।৬৩৫
এহি অৰ্থ শুক বাক্যে কৰোহো বিদিত।
বোলন্ত শুনিয়ো বুদ্ধিমন্ত পৰীক্ষিত।।
গোৱিন্দৰ পুণ্য কথা সাক্ষাতে অমৃত।
পৰম শ্ৰদ্ধায়ে তাক শুনে প্ৰতিনিত।।৬৩৬
এতেকতে তাহাৰ সংসাৰ নিৱৰ্ত্তয়।
জানি মাধৱৰ কথা শুনা মহাশয়।।
শুকৰ বচন থৈলো সম্প্ৰতি সংহৰি।
নিমিৰ বচনে আক কহো স্পষ্ট কৰি।।৬৩৭
নৱসিদ্ধ সমস্তৰ আগত সাক্ষাত।
নম্ৰভাৱে ৰাজা বিনাৱন্ত যোৰ হাত।।
তোমাৰ মুখত হৰি চৰিত্ৰ অমৃত।
পিওঁ নাহি তথাপিতো তৃপিতি কিঞ্চিত।।৬৩৮
সংসাৰ তাপত পৰি আছো সমুদায়।
ইহাৰ ঔষধ হৰি কথা বিনে নাই।।
জানিয়া বিস্তৰ কৰি পিয়ায়োক বাপ।
পাসৰিয়া থাকো সংসাৰৰ তিনি তাপ।।৬৩৯
থৈলো উপসংহাৰিয়া নিমিৰ বাক্যক।
কৃষ্ণ কথা বিনে নাহি সংসাৰ তাৰক।।
কহো তাক পুনৰপি বচনে শুকৰ।
বোলন্ত শুনিয়ো পৰীক্ষিত নৃপবৰ।।৬৪০
দাৱনল তুল্য তিনি তাপ বিপৰীত।
জীৱক দগধ আতি কৰে প্ৰতিনিত।।
বহুবিধ দুখ ইটো অপাৰ সাগৰ।
পৰম দুস্তৰ আক জানিবা জীৱৰ।।৬৪১
আক অতিশয় তৰিবাক যিটো চায়।
কৃষ্ণ কথামৃত সেৱা কৰোক সদায়।।
তেৱেঁসে তৰিবে ঘোৰ সংসাৰ সাগৰে।
নাহি আন নৌকা কথা শ্ৰৱণত পৰে।।৬৪২
এহিহেতু আছে যাৰ যিমান শকতি।
শুনিয়োক মাধৱৰ চৰিত্ৰ সম্প্ৰতি।।
এহিমতে শুকে শিক্ষা দিলন্ত ৰাজাক।
জানিয়া যতেক শুনা কৃষ্ণৰ কথাক।।৬৪৩
বুলিবা অজ্ঞান আদি নিৱৰ্ত্তিল যাৰ।
হোৱে নিৱৰ্ত্তন তাৰ দুৰ্ঘোৰ সংসাৰ।।
গুচিবে অজ্ঞান কেন কথাৰ শ্ৰৱণে।
ইহাৰ উত্তৰ শুনিয়োক একমনে।।৬৪৪
অজ্ঞানক গুচাইবাৰ সাধনা যতেক।
বহুবিধ বিঘ্নগ্ৰস্ত জানিবা প্ৰত্যেক।।
যদি কদাচিতো একো বিঘিনি নপাৱে।
সিয়ো যেৱে শ্ৰৱণত ৰতি উপজাৱে।।৬৪৫

৬৩৪-৬৩৫। মূঃ শ্লোঃ— (সূতৰ উক্তি)
অন্যেষাং পুণ্যশ্লোকানামুদ্দামযশসাংসতাম্। উপশ্ৰুত্য ভৱেন্মোদঃ শ্ৰীৱৎসাঙ্কস্য কিংপুনঃ।। - ৩/১৯/৩৪
৬৩৬-৬৩৭। মূঃ শ্লোঃ— (শুকদেৱৰ উক্তি)
তস্মাদীশকথাংপুণ্যাং গোৱিন্দচৰিতাশ্ৰিতাম্। মহাপুণ্যপ্ৰদা যস্মাৎ শৃনুষ্ব নৃপসত্তম।।
৬৩৮-৬৪০। মূঃ শ্লোঃ— (বিদেহৰাজ নিমিৰ উক্তি)
নানুতৃপ্যে জুষন্ যুষ্মদ্বচো হৰিকথামৃতম্। সংসাৰ তাপনিস্তপ্তো মৰ্ত্ত্যস্তত্তাপভেষজম্।। -১১/৩/২
৬৪০-৬৪৩। মূঃ শ্লোঃ— (শুকদেৱৰ উক্তি)
সংসাৰসিন্ধুমতিদুস্তৰমুত্তিতীৰ্ষোৰ্নান্যঃ প্লৱো ভগৱতঃ পুৰুষোত্তমস্য।
লীলাকথাৰসনিষেৱনমন্তৰেণ পুংসো ভৱেদ্বিৱিধ দুঃখদৱাৰ্দিতস্য।। -১২/৪/৪০

তেৰেসে তাহাৰ গুচে যতেক অজ্ঞান।
যুধিষ্ঠিৰ বাক্যে লৈয়ো তাহাৰ প্ৰমাণ।।
বোলন্ত কৃষ্ণক শুনিয়োক কৃপাময়।
তযু পাদপদ্ম মকৰন্দ যশ চয়।।৬৪৬
মহাজন মনহন্তে মুখে বাজ হয়।
তাক যিটো কৰ্ণে পান কৰে অতিশয়।।
নাহি কদাচিতো আৰ তাৰ অকল্যাণ।
গুচে মহাসুখে আছে যতেক অজ্ঞান।।৬৪৭
যুধিষ্ঠিৰ বাক্য এৰে এহিমানে থৈলো।
অজ্ঞান গুচিবে যেনমতে তাকো কৈলো।।
বুলিবাহা নামানো তোমাৰ ইটোমত।
কেৱল অজ্ঞান গুচে জ্ঞান অভ্যাসত।।৬৪৮
বুলিবা কিমতে গুচে কথাতে অজ্ঞান।
ইহাৰ উত্তৰ শুনা কহো বিদ্যমান।।
নিৰ্ম্মল মনত হোৱে জ্ঞানৰ উদয়।
কৃষ্ণৰ কথায়ে মন নিৰ্ম্মল কৰয়।।৬৪৯
দেৱৰ বচনে লৈয়ো প্ৰমাণ সাক্ষাত।
কৰন্ত কৃষ্ণক স্তুতি দেৱে দ্বাৰকাত।।
কৃতাঞ্জলি বোলন্ত শুনিয়ো দামোদৰ।
তযু কথা অমৃত নিৰ্ম্মল নদীবৰ।।৬৫০
পাদোদক গঙ্গা তিনি জগতে প্ৰশস্ত।
ত্ৰৈলোক্যৰ পাপ দুয়ো হৰয় সমস্ত।।
কীৰ্ত্তি নদী সেৱা কৰে কৰ্ণে মহাৰঙ্গে।
গঙ্গাক কৰয় অভিষেক আঙ্গে সঙ্গে।।৬৫১
এহিমতে দুয়ো তীৰ্থ উপাসি মহন্তে।
বাহিৰে ভিতৰে শুদ্ধি হোৱয় একান্তে।।
অনায়াসে তৰে ইটো দুৰ্ঘোৰ সংসাৰ।
এহিমানে থৈলোহো বচন দেৱতাৰ।।৬৫২
শুনা পৰমাৰ্থ ফল কথা শ্ৰৱণৰ।
সাক্ষাতে অজ্ঞান নিৱৰ্ত্তাৱে নিৰন্তৰ।।
দেখাওঁ প্ৰমাণ উদ্ধৱৰ বচনত।
বোলন্ত বিনয়ে কৃষ্ণদেৱৰ আগত।।৬৫৩
পৰম মঙ্গল তযু চৰিত্ৰ অমৃত।
কৰ্ণপথে যিটো আৰ স্বাদ লৱে নিত্য।।
অন্যত্ৰ যতেক সাধ্য সাধন আছয়।
এৰে সমস্তৰ বাঞ্ছা সিটো মহাশয়।।৬৫৪
কৰ্ম্ম পথে ভ্ৰমো আমি যত গৃহবাসী।
তযু মহা ভকতৰ সঙ্গ লৈয়া আসি।।
তোমাৰ চৰিত্ৰ কথা ৰস কৰি পান।
তৰিবো বাসনাসমে যতেক অজ্ঞান।।৬৫৫
এহিমানে থৈলো উদ্ধৱৰ বচনক।
বুলিবা বিচাৰ কৰি কৰ্ম্ম অকৰ্ম্মক।।
নিৰ্ণয় জানিয়া আক এৰিবাহা পাছে।
অন্যথা এৰিলে আত মহাদোষ আছে।।৬৫৬
ইহাৰ সিদ্ধান্ত লৈয়ো বচনে কৃষ্ণৰ।
বুজাই উদ্ধৱত কহি আছে দামোদৰ।।
যাহাৰ ভোগত নতু হোৱে বিৰকতি।
স্বৰ্গাদিৰ অৰ্থে কৰ্ম্ম কৰিব সম্প্ৰতি।।৬৫৭
ইন্দ্ৰিয়ৰ ভোগে বিৰকতি ভৈল যাৰ।
নিত্য নৈমিত্তিক কৰিবাক লাগে তাৰ।।
ভৈল যাৰ শ্ৰদ্ধা মোৰ কথা শ্ৰৱণত।
নিত্য নৈমিত্তিক আদি কৰি কৰ্ম্ম যত।।৬৫৮

---

৬৪৬-৬৪৮। মূঃ শ্লোঃ—(শ্ৰীকৃষ্ণৰ প্ৰতি যুধিষ্ঠিৰৰ উক্তি)
কুতোঽশিৱং ত্বচ্চৰণাম্বুজাসৱং মহন্মনস্তো মুখনিঃসৃতং ক্বচিৎ।
পিৱন্তি যে কৰ্ণপুটৈৰলং প্ৰভো দেহম্ভৃতাং দেহকৃদ্স্মৃতিচ্ছদম্।। - ১০/৮৩/৩
৬৫০-৬৫২। মূঃ শ্লোঃ—
বিভ্ৱ্যস্তৱামৃতকথোদৱহাস্ত্ৰীলোক্যাঃ পাদাৱনেজসৰিতঃ শমলানি হস্তুম্।
আনুশ্ৰৱং শ্ৰুতিভিৰঙ্ঘ্ৰিজমঙ্গসঙ্গৈস্তীৰ্থদ্বয়ং শুচিষদস্ত উপস্পৃশন্তি।। -১১/৬/১৯
৬৫৪। মূঃ শ্লোঃ— তৱ ৱিক্ৰীড়িতং কৃষ্ণ নৃণাং পৰমমঙ্গলম্। কৰ্ণপীয়ুষমাস্বাদ্য ত্যজন্ত্যন্যস্পৃহ্যাংজনঃ।। -১১/৬/৪৪
৬৫৫। মূঃ শ্লোঃ— ৱয়ং ত্বিহ মহাযোগিন্ ভ্ৰমন্তঃ কৰ্ম্মৱৰ্ত্মসু। ত্বদ্ৱাৰ্ত্তয়া তৰিষ্যামস্তাৱকৈৰ্দুস্তৰং তমঃ।। -১১/৬/৪৮
৬৫৭-৬৫৯। মূঃ শ্লোঃ— তাৱৎ কৰ্ম্মাণি কুৰ্ব্বীত নিৰ্ব্বিদ্যেত যাৱতা। মৎকথাশ্ৰৱণাদৌ ৱা শ্ৰদ্ধা যাৱন্ন জায়তে।। -১১/২০/৯

কথাৰ বিৰোধী জানি ত্যজিবে সকল।
সমস্তে কৰ্ম্মৰ কথা শ্ৰৱণেসে ফল।।
কৃষ্ণৰ বচনচয় থৈলো এহিমানে।
ইহাক কৰোহো স্পষ্ট শৌনক বচনে।।৬৫৯
মহা বিৰকত শৌনকাদি ঋষি যত।
কৰন্ত বিদিত সৱে সূতৰ আগত।।
শুনিয়োক সূত কহোঁ তোমাৰ স্বৰূপ।
কৰোঁ আমি সৱে ইটো কৰ্ম্মসূত্ৰ ৰূপ।।৬৬০
গুচিল আমাৰ আত বিশ্বাস সমস্ত।
নাহি ফল নিশ্চয় বিস্তৰ বিঘ্নিগ্ৰস্ত।।
ভৈলো ধূম্ৰবৰ্ণ মাত্ৰ হোমৰ ধোঁৱাত।
শৰীৰক দগ্ধ আদি কৰিল সাক্ষাত।।৬৬১
এৱে আমাসাক দয়া কৰা মহাশয়।
কৃষ্ণ পাদ পদ্ম মকৰন্দ মধুচয়।।
কৰায়োক পান হৌক শৰীৰ শীতল।
গুচি কৰ্ম্মময় মহা মিলোক মঙ্গল।।৬৬২
শৌনক বচন এৱে এহিমানে থওঁ।
শুনা তাৎপৰ্য্য উপসংহাৰিয়া কওঁ।।
পৰম চতুৰ মহা বিৰেকী যিজন।
তাহাৰ কৰ্ত্তব্য মাত্ৰ কথাসে শ্ৰৱণ।।৬৬৩
এহিমানে সমস্তে শাস্ত্ৰৰ তত্ত্ব অৰ্থ।
অন্যথা যতেক পাঠ আদি সৱে ব্যৰ্থ।।
গুৰুক শুশ্ৰূষা কৰি পৰম যতনে।
চিৰকাল বেদ আদি পঢ়ে যিটোজনে।।৬৬৪
সিসৱ শ্ৰমৰ এহিমানে মাত্ৰ ফল।
কহিয়া আছন্ত মহা মহন্ত সকল।।
হৰি পাদপদ্ম যাৰ হিয়াতে সাক্ষাত।
শুনিবা কৃষ্ণৰ গুণ নাম তাসম্বাত।।৬৬৫
শুনা সভাসদগণ যুগুতি বচন।
হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ।।
মহন্তৰ মুখে কথা শুনা প্ৰথমত।
তেৱেসে পুৰুষে পাৱে ভকতিৰ তত্ত্ব।।৬৬৬
কথা শুনিলেসে গুচে মনৰ সংশয়।
কৃষ্ণৰ সেৱাত ৰতি তেৱেসে বাঢ়য়।।
জানি হৰি কথা শুনা মহন্তৰ মুখে।
বোলা ৰাম ৰাম তেৱে তৰিবাহা সুখে।।৬৬৭

**ছবি**

সমস্তে ধৰ্ম্মৰ ফল কথা শ্ৰৱণেসে মাত্ৰ
দেখাইলোহোঁ যুগুতি পূৰ্ব্বত।
পৰম যোগীৰ কৃত্য জানা এহিমানে মাত্ৰ
দেখাওঁ মৈত্ৰেয়ৰ বচনত।।
মৈত্ৰেয়ে বোলন্ত মাতি শুনিয়ো বিদুৰ ধীৰ
কহোঁ মই স্বৰূপ তোমাত।
যিটো মহাযোগীগণ অভ্যাসিয়া অনুক্ষণ
কৰিলন্ত আত্মাক সাক্ষাত।।৬৬৮
মিলে যোগসিদ্ধি যত তাকো স্পৃহা নকৰন্ত
যিহেতু আত্মাত মাত্ৰ ৰত।
যিটো মহাজ্ঞানে ইটো ছেদিলে সংশয় যত
তাকো সৱে ত্যজন্ত পাছত।।
সাধ্য পাইলে সাধনত নাহি কিছু প্ৰয়োজন
থাকে ব্ৰহ্মএৰে এক হুই।
হেনয় অনেক যতি পাইয়া যিটো যোগে গতি
তথাপিতো অপ্ৰমত্ত নুই।।৬৬৯
কৃষ্ণ কথা শ্ৰৱণত যাৱত নকৰে ৰতি
তাৱে মল নুগুচে চিত্তৰ।
এতেকে যোগীৰো জানা নাহিকে কৰ্ত্তব্য আন
কৃষ্ণ কথা শ্ৰৱণত পৰ।।
এহিমানে মৈত্ৰেয়ৰ বচন সংহৰি থৈলো
হেনবা বুলিবা কদাচিত।

---

৬৫৯-৬৬৩। মূঃ শ্লোঃ—(শৌনকাদি ঋষিসকলৰ উক্তি)
কৰ্ম্মণ্যস্মিন্ অনাশ্বাসে ধূম ধূমধূম্ৰাত্মনাং ভৱান্। আপায়য়তি গোৱিন্দপাদ পদ্মাসৱং মধু।। - ১/১৮/১২
৬৬৮-৬৭০। মূঃ শ্লোঃ— (মৈত্ৰেয়ৰ উক্তি)
ছিন্নান্যধীৰধিগতাত্মগতিৰ্নিৰীহ স্তত্তত্যজেহচ্ছিনদিদং ৰয়ুনেন যেন।
তাৱন্ন যোগগতিভিৰ্যতিৰপ্ৰমত্তো যাৱদ্‌গদাগ্ৰজ কথাসু ৰতিং ন কুৰ্য্যাৎ। -৪/২৩/১২

যোগৰ সিদ্ধিত স্পৃহা এৰিবেক কিবা হেতু
শুনা কহো সিদ্ধান্ত বিদিত।।৬৭০
ভগৱন্ত ঈশ্বৰৰ কথা শ্ৰৱণত পৰ
নাহি মহা লাভ ত্ৰিভুৱনে।
এতেকে সমস্ত এৰি কথাক শুনিব মাত্ৰ
লৈয়ো সাক্ষী গোপীৰ বচনে।।
কৃষ্ণ দৰশন আশে গোপীসৱে গাৱে গীত
বোলে শুনা প্ৰভু লক্ষ্মীপতি।
তয়ু কথা অমৃতেসে মৰাকো জীয়াৱে আতি
লৈয়ো তাৰ যুগুতি সম্প্ৰতি।।৬৭১
দেৱতা সৱৰ ভোগ্য প্ৰসিদ্ধ অমৃত যিটো
কথামৃত শ্ৰেষ্ঠ তাত কৰি।
ব্ৰহ্মজ্ঞানীগণে সিটো অমৃত কাৰয়া তুচ্ছ
কথামৃত পিৱন্ত সাদৰি।।
ভোগ্য অমৃতেসে আতি বঢ়াৱে সকাম কৰ্ম্ম
কথামৃতে কৰে কৰ্ম্মনাশ।
নচাৰয় অনুষ্ঠান শ্ৰৱণ মাত্ৰকে মহা
মুকুতিকো কৰন্ত প্ৰকাশ।।৬৭২
দেৱৰ অমৃতে মহা উন্মত্ত কৰায় মাত্ৰ
কথামৃতে কৰায় সুশান্ত।
হেন কথা পৃথিৱীত কৰে যিটো বিস্তাৰিত
নাহি তাত পৰে দাতাৱন্ত।।
যিজনে কেৱলে মাত্ৰ কথাকে শ্ৰৱণ কৰে
তাহাৰ ভাগ্যৰ নাহি সীমা।
যি পুনু তোমাক আনি কৰিল সাক্ষাত প্ৰভু
তাৰ আৰ কিকৈবো মহিমা।।৬৭৩

গোপীৰ বচন থওঁ এহি অৰ্থ পুনু কওঁ
যি ভৈল কৃষ্ণক দৰশন।
তাৰ মত পাপক্ষয় হৈব অদভুত নয়
কিন্তু ভৈল কৃতাৰ্থ সিজন।।
যাহাৰ নামক মাত্ৰ একবাৰ শ্ৰৱণত
অধম চণ্ডাল আতিশয়।
সেহিতো শৰীৰ সমে সমস্তে পাপত হন্তে
হোৱে মহা পৱিত্ৰ নিশ্চয়।।৬৭৪
বুলিবা সৱাকে শুদ্ধি কৰয় কেৱলে পুনু
নুহি ধীৰ সমস্ত লাভত।
লৈয়োক সিদ্ধান্ত আৰ কৃষ্ণ কথা শুনিবাৰ
মহিমা কহিবোঁ মই কত।।
পুৰুষাৰ্থ মাজে সাৰ জানিয়া মহন্ত সৱে
পূৰ্ব্বে কহি আছা বিদ্যমান।
ভগৱন্ত মাধৱৰ চৰিত্ৰ অমৃত কথা
সংসাৰক কৰয় নিৰ্য্যাণ।।৬৭৫
হেন কথা অমৃতক মহন্ত সৱৰ মুখে
পিয়ে যিটো কৰ্ণাঞ্জলি ভৰি।
নুহি যেৱে পশু যিটো জানয় কথাৰ ৰস
নুশুনিবে কোনেনো সাদৰি।।
কৃষ্ণ কথামৃত এৰি শুনে বিষয়ৰ কথা
পশুতো অধম সিটো আতি।
প্ৰতিকূল কৰ্ণ দিয়া জানিবা নিশ্চয়ে তাক
বিধাতায়ে কৰিলন্ত শাস্তি।।৬৭৬
কলা হৈলে ভাল তাৰ কুকথাক শুনিবাৰ
নপাইলেক হন্তে দোষে আসি।
কৃষ্ণৰ কথাত কৰি কুকথা যিমত তুচ্ছ

---

৬৭১-৬৭৩। মূঃ শ্লোঃ— (গোপসকলৰ উক্তি)
তৱ কথামৃতং তপ্তজীৱনং কৱিভিৰীড়িতং কল্মষাপহম্। শ্ৰৱণমঙ্গলং শ্ৰীমদাততং ভূৱিগৃণন্তি যে ভূৱিদাজনাঃ।।- ১০/৩১/৯
৬৭৪। মূঃ শ্লোঃ— (চিত্ৰকেতুৰ উক্তি)
ন হি ভগৱন্নঘটিতমিদং ত্বদ্দৰ্শনান্নৃণামখিলপাপক্ষয়ঃ। য়ন্নাম সকৃচ্ছ্ৰৱণাৎ পুল্কসকোঽপি ৱিমুচ্যতে সংসাৰাৎ।। -৬/১৬/৪৪
৬৭৬। মূঃ শ্লোঃ—(মৈত্ৰেয়ৰ উক্তি) কো নাম লোকে পুৰুষাৰ্থ সাৰৱিৎ পুৰাকথানাং ভগৱৎকথাসুধাম্।
আপীয় কৰ্ণাঞ্জলিভিৰ্ভৱাপহা মহো ৱিৰজ্যেত ৱিনা নৰেতৰম্।। -৩/১৩/৫০
৬৭৭। মূঃ শ্লোঃ— (কপিলদেৱৰ উক্তি)
নূনং দৈৱেন ৱিহতা যে চাচ্যুতকথাসুধাম্। হিত্বা শৃণ্বন্ত্যসদ্গাথাঃ পুৰীষমিৱ ৱিড়্ভুজঃ।। -৩/৩২/১৯

শুনা কহো দৃষ্টান্ত প্ৰকাশি।।
অমৃত পৰিয়া থাকে যেন শূকৰৰ ঝাকে
বিষ্ঠাকেসে কৰন্ত ভোজন।
জানিয়া কুকথা বিষ্ঠা ত্যজিয়া কৃষ্ণৰ কথা
অমৃতক কৰিয়ো যতন।।৬৭৭

## দুলড়ি

কৃষ্ণৰ চৰিত্ৰ শ্ৰৱণেসে মাত্ৰ
পৰম শ্ৰেষ্ঠ ভকতি।
শুক মহামুনি নৃপতিৰ আগে
কহিলন্ত প্ৰতিপ্ৰতি।।
উত্তম শ্লোকৰ গুণৱাদ কথা
যিটো শুনে একবাৰ।
এতেকে যতেক অমঙ্গল তাৰ
নষ্ট হোৱে বাৰম্বাৰ।।৬৭৮
হেনজানি মহা নিৰ্ম্মল ভকতি
যিজনে চাহে কৃষ্ণত।
তাহান কথাক পৰম শ্ৰদ্ধায়ে
শুনোক মাত্ৰ সতত।।
ইটো প্ৰকৰণ উপসংহৰিয়া
কহো অৰ্থ নিৰন্তৰ।
নিজ ধৰ্ম্মপথ ৰক্ষাৰ নিমিত্তে
যিটো কৃষ্ণ মহেশ্বৰ।।৬৭৯
শুদ্ধ সত্ত্বগুণে লীলায়ে ধৰন্ত
ৰাম আদি অৱতাৰ।
তেহেঁ ভগৱন্ত দেৱ যদুত্তম
জানিবাহা সাৰে সাৰ।।
আন অৱতাৰ সদৃশ যতেক
কৰিলা কৰ্ম্ম লীলায়ে।
সেহি কৰ্ম্মে বেদ বিহিত কৰ্ম্মক
নিৰৱৰ্ত্তাৱে সমুদায়ে।।৬৮০
হেনয় কৃষ্ণৰ চৰণে যিসৱে
সেৱা মাত্ৰ বাঞ্ছা কৰে।
তাহন চৰিত্ৰ অমৃতক মাত্ৰ
শুনোক সিসৱ নৰে।।
এতেকে কৃষ্ণৰ চৰণে হৈবেক
পৰম শ্ৰেষ্ঠ ভকতি।
কথা শ্ৰৱণৰ বিৰচন ভৈল
এহিমানে সমাপতি।।৬৮১
নমো নমো কৃষ্ণ প্ৰভু মহেশ্বৰ
কৰা কৃপা কিছু মোক।
ভকত সঙ্গত তযু কথামৃত
শ্ৰৱণত ৰতি হোক।।
তোমাৰ চৰণে কায় বাক্য মনে
শৰণ লৈলো সম্প্ৰতি।
মই মূঢ়মতি প্ৰণতি মিনতি
নাজানো স্তুতি ভকতি।।৬৮২
তুমিসি পৰম প্ৰিয়তম আত্মা
ইষ্টদেৱ গুৰু নিষ্ঠ।
তুমিসি সুহৃদ বান্ধৱ তোমাক
নাজানো মই পাপীষ্ঠ।
পৰম কৃতঘ্ন পাপী মোত পৰে
নাহি জানা দামোদৰ।
শুনি আছো মহা পতিত পাৱন
নাহিকে তোমাত পৰ।।৬৮৩
সংসাৰ সাগৰে উপকাৰ চিন্তা
কৰিব মোক যিজন।
তুমি বিনে হেন বান্ধৱ নেদেখো

---

৬৭৮-৬৭৯। মূঃ শ্লোঃ— (পৰীক্ষিতৰ প্ৰতি শুকদেৱৰ উক্তি)
যস্তূত্তমশ্লোকগুণানুৱাদঃ সঙ্গীয়তে হভীক্ষ্ণমমঙ্গলঘ্নঃ।
তমেৱ নিত্যং শৃনুয়াদভীক্ষ্ণং কৃষ্ণেঽমলাং ভক্তিমভীপ্সমানঃ।। - ১২/৩/১৫
৬৭৯-৬৮১। মূঃ শ্লোঃ— (পৰীক্ষিতৰ প্ৰতি শুকদেৱৰ উক্তি)
ইত্থং পৰস্য নিজৱৰ্ত্মৰিক্ষয়াহত্তলীলাতনোস্তদনুৰূপৱিড়ম্বনানি।
কৰ্ম্মাণি কৰ্ম্মকষণানি যদুত্তমস্য শ্ৰূয়াদমুষ্য পদয়োৰনুবৃত্তিমিচ্ছন্।।-১০/৯০/৪৯

জানিয়া লৈলো শৰণ।।
শৰণাগতক যেন লাগে কৃষ্ণ
কৰা যথোচিত কাম।
নছাড়িবা মোক সামাজিক লোক
ডাকি বোলা ৰাম ৰাম।।৬৮৪

**পঞ্চম ঃ কীৰ্ত্তন বিৰচন**

দেখাইলো মহিমা কৃষ্ণ কথা শ্ৰৱণৰ।
শুনিয়া কৌতুকে সভাসদ নিৰন্তৰ।।
শুনিয়োক আৰ আৰম্ভিলো বিৰচন।
কৃষ্ণৰ কীৰ্ত্তন এৱে কৰো নিৰূপণ।।৬৮৫
সংসাৰত যত ধৰ্ম্ম আছে শ্ৰেষ্ঠতৰ।
সমস্ততে কৰি শ্ৰেষ্ঠ কীৰ্ত্তন কৃষ্ণৰ।।
এহিমান অভিপ্ৰায় সকলো শাস্ত্ৰৰ।
তপ জপ আদি যত ধৰ্ম্ম নিৰন্তৰ।।৬৮৬
কৰে বেদ পাঠ যজ্ঞ যাগ যোগ দান।
সমস্তৰে অভিলাষী ফল এহিমান।।
উত্তম শ্লোকৰ গুণ নামৰ কীৰ্ত্তন।
ইহাসেকে কহি আছে মহাজ্ঞানীগণ।।৬৮৭
কৰয় কীৰ্ত্তন যিটো জানিবা সাম্প্ৰত।
সকল কৰ্ম্মক কৰি আছয় পূৰ্ব্বত।।
ভগৱন্ত মাধৱৰ কীৰ্ত্তন নকৰে।
জানিবা তাহাৰ ব্যৰ্থ ধৰ্ম্ম নিৰন্তৰে।।৬৮৮
দেখাত বেকতে কীৰ্ত্তনৰ ফল যত।
সুত নিগদতি শৌনকৰ সমাজত।।
শুনিও শৌনক মোৰ স্বৰূপ উত্তৰ।
সমস্তে অসতী যত কথা অসন্তৰ।।৬৮৯
যিসৱ কথাত মাধৱক নকহয়।
সিসৱ সকলে মিছা জানিবা নিশ্চয়।।
সেহিসে সকল সত্য সেহিসে মঙ্গল।
সেহিসে পৰম পুণ্য সেহিসে কুশল।।৬৯০
সেহিসে ৰম্য সেহিসে ৰুচিৰ নৱ নৱ।
সেহিসে বঢ়াৱে মহা মনৰ উৎসৱ।।
সেহি শোক সাগৰ শোষয় মনুষ্যৰ।
সেহিসে ঐশ্বৰ্য্য আনি মিলাৱে কৃষ্ণৰ।।৬৯১
যিটো বাক্যে কৰে হৰি চৰিত্ৰ কীৰ্ত্তন।
সেহি নৰ হয় সৰ্ব্ব গুণৰ ভাজন।।
নুহিকে আশ্চৰ্য্য ইটো শুনিয়ো যুগুতি।
যিহেতু কীৰ্ত্তনে সাধে পৰম মুকুতি।।৬৯২
ঘোৰ সংসাৰক পাইয়া আছে যিটোজন।
যদি অজ্ঞানতো কৰে নামক কীৰ্ত্তন।।
যদি সদ্যে সংসাৰত হৰয় মুকুত।।
আক আতি মনে নেদেখিবা অদভুত।।৬৯৩
যিটো নাম গ্ৰহণ কৰন্তে অতিশয়।
কাল মায়া মৃত্যু তৰতৰিয়া কাম্পয়।।
ইহাক জানিয়া যিটো নকৰে কীৰ্ত্তন।
সিটো অধমৰ জানা নিষ্ফল জীৱন।।৬৯৪
যাৰ বচনত কৃষ্ণ গুণ নাম নাই।
তাৰ বাক্য পাঠ আদি ব্যৰ্থ সমুদায়।।
জগত পৱিত্ৰকাৰী কৃষ্ণৰ চৰিত্ৰ।
নকৰে গ্ৰহণ যিটো বাক্যে কদাচিত।।৬৯৫
যদি চিত্ৰ বিচিত্ৰ বচন সৰ্ব্বোত্তম।

---

৬৮৬-৬৮৭। মূঃ শ্লোঃ— (নাৰদৰ উক্তি)
ইদংহি পুংসস্তপসঃ শ্ৰুতস্য ৱা স্বিষ্টস্য সূক্তস্য চ বুদ্ধিদত্তয়োঃ।
অৱিচ্যুতোহৰ্থঃ কৱিভিৰ্নিৰূপিতো যদুত্তমশ্লোক গুণানুৱৰ্ণনম্।। - ১/৫/২২
৬৮৯-৬৯১। মূঃ শ্লোঃ—
মৃষাগিৰস্তা হ্যসতীৰসৎকথা ন কথ্যতে যদ্‌ভগৱানধোক্ষজঃ।
তদেৱ সত্যং তদুহৈৱ মঙ্গলং তদেৱ পুণ্যং ভগৱদ্‌গুণোদয়ম্।।
তদেৱ ৰম্যং ৰুচিৰং নৱং নৱং তদেৱ শশ্বন্মনসো মহোৎসৱম্।
তদেৱ শোকাৰ্ণৱ শোষণং নৃণাং যদুত্তমশ্লোক যশোহনুগীয়তে।। -১২/১২/৪৮-৪৯
৬৯৩-৬৯৪। মূঃ শ্লোঃ—
আপন্নং সংসৃতিং ঘোৰাং যন্নাম ৱিৱশো গৃণন্। ততঃ সদ্যোৱিমুচ্যেত যদ্বিভেতি স্বয়ং ভয়ম্।। -১/১/১৪
৬৯৫-৬৯৯। মূঃ শ্লোঃ— (নাৰদৰ উক্তি)
ন যদ্বচশ্চিত্ৰপদং হৰেৰ্যশো জগৎ পৱিত্ৰং প্ৰগৃণীত কৰ্হিচিৎ।
তদ্বায়সং তীৰ্থমুশন্তি মানসা ন যত্ৰ হংসা নিৰমন্ত্যশিক্‌ক্ষয়াঃ।। -১/৫/১০

তথাপি জানিবা উচ্ছিষ্টৰ গৰ্ত্ত সম।।
কাক তুল্য কামাতুৰ নৰ যিটো জন।
সি সি সৰ্ব্বক্ষণে কৰে তাহাতে ৰমণ।।৬৯৬
ৰাজহংস সদৃশ পৰম সাধু নৰে।
শুদ্ধ সত্ব মন সৰোৱৰে মাত্ৰ চৰে।।
কৃষ্ণ পাদপদ্মে বাস কৰয় কেৱল।
কৰে পান কৃষ্ণ যশ জল সুনিৰ্ম্মল।।৬৯৭
যেহেন প্ৰসিদ্ধ যত ৰাজহংসচয়।
কেৱলে মানস সৰোৱৰত চৰয়।।
কৰে বাসা কমনীয় পদ্ম সমূহত।
বিচিত্ৰ অন্নাদিযুক্ত উচ্ছিষ্ট গৰ্ত্তত।।৬৯৮
কদাচিতো তাত ৰাজহংস নপৰয়।
জানিবা কাকেসে মাত্ৰ সদায় ৰময়।।
দেখাইলো কৃষ্ণৰ গুণ নাম নাহি যাত।
অপৱিত্ৰ সিটো বাক্য জানিবা সাক্ষাত।।৬৯৯
কৃষ্ণ গুণ নাম মাত্ৰ কৰয় বেকত।
যদি পদ চাতুৰী নাহিকে বচনত।।
তথাপিতো জগতকে পৱিত্ৰ কৰয়।
সি সি বচনক মহাজনে সাদৰয়।।৭০০
কহন্তা থাকিলে কৰ্ণ পাতিয়া শুনয়।
শুনন্তা থাকিলে মহা শ্ৰদ্ধায়ে কহয়।।
কহিবাক শুনিবাক যেৱে নপাৰন্ত।
পৰম শ্ৰদ্ধায়ে বসি আপুনি গাৱন্ত।।৭০১
হেন হৰি গুণ যদি কীৰ্ত্তন নকৰে।
কদাচিতো তত্ব নজানিব সিটো নৰে।।
নাৰদে বোলন্ত শুনা ব্যাস মহাশয়।
দেওঁ ইটো উপদেশ তোমাক নিশ্চয়।।৭০২
কৰা সাৱধানে মহাভাগৱত শাস্ত্ৰ।
বৰ্ণাইবা কেৱলে কৃষ্ণ গুণ নাম মাত্ৰ।।
তেৱেসে তোমাৰ মহাশান্ত হৈবে মন।
কৰা যেৱে অনাদৰ মোহোৰ বচন।।৭০৩
উৰুক্ৰম চৰিত্ৰক কৰিয়া পৃথক।
বৰ্ণাইবো শাস্ত্ৰত যদি অন্যত্ৰ অৰ্থক।।
কদাচিতো বিষয়ে তোমাৰ ইটো মতি।
নপাইবেক স্থিতি আক জানিবা সম্প্ৰতি।।৭০৪
প্ৰচণ্ড বতাসে যেন নাৱ সাগৰৰ।
কাণ্ডাৰী বিহীনে পাক ফুৰাই নিৰন্তৰ।।
সেহিমতে পাক ফুৰিবেক তযু মন।
জানিয়া কৰিয়ো ব্যাস কৃষ্ণৰ কীৰ্ত্তন।।৭০৫
পৰম আনন্দে মতি মজিবে তোমাৰ।
তেৱে সদ্যে হৈবে স্থিৰ কহিলোহো সাৰ।।
তথাপিতো তুমি যেৱে নোযোৱা সঞ্জাত।
লৈয়ো মোৰ অনুভৱে প্ৰমাণ সাক্ষাত।।৭০৬
নিবীড় স্বৰূপে কৰো যখন কীৰ্ত্তন।
আনন্দ সমুদ্ৰে মন হোৱয় মগন।।
তীৰ্থ পদ ভগৱন্ত জগত নিৱাস।
তেখনে হৈৱন্ত আসি হিয়াত প্ৰকাশ।।৭০৭
যেন কোন জনে ডাক দিলে পুৰুষক।
সিজন পুৰুষ আসে তেখনে আগক।।
এহিমানে থৈলোহো বচন নাৰদৰ।
শুনা এহি ফল কহো বচনে সূতৰ।।৭০৮
বোলন্ত শুনিয়ো শৌনকাদি ঋষি যত।
বিস্তৰ কহিবো কিবা তোমাৰ আগত।।
এহিমানে পৰম কৰ্ত্তব্য মনুষ্যৰ।
কহো তোমাসাত সাৰ সকলে শাস্ত্ৰৰ।।৭০৯
কৃষ্ণ গুণ নামচয় অমৃত সাক্ষাত।
আছয় আশ্ৰয় কৰি যিসৰ কথাত।।
তাকে মাত্ৰ সেৱা কৰিবেক প্ৰতিনিত।
নিৰ্ব্বিষয় হৈবাক আছয় যাৰ চিত।।৭১০
অন্যথা নুগুচে ঘোৰ সংসাৰৰ ভয়।

---

৭০০-৭০২। মূঃ শ্লোঃ— তদ্বাগ্বিসৰ্গো জনতাঘবিপ্লৱো যস্মিন্ প্ৰতিশ্লোকমবদ্ধৱত্যপি।
নামান্যনন্তস্য যশোহঙ্কিতানি যৎ শৃণ্বন্তি গায়ন্তি গৃণন্তি সাধৱঃ।। - ১/৫/১১

৭০৪-৭০৫। মূঃ শ্লোঃ— ততোহন্যথা কিঞ্চন যদ্বিৱক্ষতঃ পৃথগ্‌দৃশঃ তৎকৃতৰূপনামভিঃ।
ন কুত্ৰচিৎ ক্বাপি চ দুঃস্থিতামতিৰ্লভেত ৱাতাহত নৌৰিৱাস্পদম্।। -১/৫/১৪

৭০৭-৭০৮। মূঃ শ্লোঃ— প্ৰগায়তঃ স্বৱীৰ্য্যাণি তীৰ্থপাদঃ প্ৰিয়শ্ৰৱাঃ। আহূত ইৱ মে শীঘ্ৰং দৰ্শনং যাতি চেতসি।। -১/৬/৩৪

৭০৯-৭১০। মূঃ শ্লোঃ— যা যাঃ কথা ভগৱতঃ কথনীয়োৰুকৰ্ম্মণঃ। গুণকৰ্ম্মাশ্ৰয়াঃ পুম্ভিঃ সংসেৱ্যাস্তা বুভূষুভিঃ।। -১/১৮/১০

এহিমানে থাকোক সূতৰ বাক্যচয়।।
শুক বাক্যে এই অর্থ কৰোহো বিদিত।
বোলন্ত শুনিয়ো মহাৰাজ পৰীক্ষিত।।৭১১
দেওঁ পৰিচ্ছেদ মই সকল শাস্ত্রৰ।
সংসাৰত হন্তে মোক্ষ চাহে যিটো নৰ।।
কৃষ্ণ কীর্ত্তনেসে তাৰ মোক্ষৰ সাধন।
বিষয় ভোগক ইচ্ছা কৰে যিটোজন।।৭১২
কীর্ত্তনেসে দেয় তাকো সেই সেই ফল।
ভৈলন্ত মুকুত আতি যাহাৰা সকল।।
তাসম্বাৰো এহিমানে ফল সমুদায়।
কৃষ্ণৰ কীর্ত্তন মাত্র কৰিব সদায়।।৭১৩
এহিমানে স্পষ্ট সৰ্ব্ব শাস্ত্রৰ নির্ণয়।
ইহাৰ প্রমাণ নুখুজিবা মহাশয়।।
প্রমাণৰ উপৰি প্রমাণ নাহি আৰ।
বিষয় বাসনাবদ্ধ ভৈল মন যাৰ।।৭১৪
পৰম আতুৰ চিত্ত বিষয় চিন্তাত।
ঘোৰ আপদত মজি আছয় সাক্ষাত।।
তাহাৰো সংসাৰ সিন্ধু তৰিবাক প্ৰতি।
বিহি আছে নাৰ কৃষ্ণ কীর্ত্তন সম্প্রতি।।৭১৫
নুবুলিবা বেদ মাত্র কেৱল প্রমাণ।
কিন্তু লৌকিকতো আক দেখি বিদ্যমান।।
কীর্ত্তন নকৰি নতু তৰে একোজন।
পৰম বিষয়ী তৰে কৰিয়া কীর্ত্তন।।৭১৬
এহিমানে থৈলো এৰে বচন শুকৰ।
সদায় কীর্ত্তন যিটো কৰয় কৃষ্ণৰ।।
কি কহিবো তাসম্বাৰ মহিমা আছোক।
অন্তকালে কীর্ত্তন কৰয় যিটো লোক।।৭১৭
এতেকে মুকুত হোৱে ঘোৰ সংসাৰত।
লৈয়োক প্রমাণ ব্রহ্মাদেৱৰ বাক্যত।।
নাহি জন্ম কৰ্ম্ম কৃষ্ণ জগত কাৰণ।
তান জন্ম কৰ্ম্ম গুণ নাম বিড়ম্বন।।৭১৮
সেহি জন্ম কৰ্ম্মময় নাম মাধৱৰ।
মৃত্যু কালে অজ্ঞানতো লৱে যিটো নৰ।।
এতেকে তেখনে তাৰ ছিণ্ডে কৰ্ম্মবন্ধ।
মিলয় মনত আসি পৰম আনন্দ।।৭১৯
হোৱয় প্ৰৱেশ পৰমব্রহ্ম স্বৰূপত।
প্রণাম সদায় হেন কৃষ্ণ চৰণত।।
থৈলোহোঁ সংহৰি ব্রহ্মাদেৱৰ বচন।
অজ্ঞানতে অন্তকালে কৰিয়া কীর্ত্তন।।৭২০
অনায়াসে গৈলা ঘোৰ সংসাৰক তৰি।
বিষ্ণুদূত বচনে দেখাওঁ স্পষ্ট কৰি।।
মাধৱৰ মুখ্য পাৰিষদ চাৰিজন।
যমৰ দূতক চাহি বুলিলা বচন।।৭২১
শুন আৰে যমদূত পৰম পামৰ।
নজানস কিছু তোৰা মহিমা নামৰ।।
যদ্যপি অজ্ঞানী ইটো বিপ্র অজামিল।
তথাপি সাক্ষাতে হৰি নাম উচ্চাৰিল।।৭২২
এতেকেসে বিপ্রে কোটি জন্মৰ পাপৰ।
কৰিলে সৱাৰো প্রায়শ্চিত্ত শ্রেষ্ঠতৰ।।
হেন নুবুলিবি ভৈল প্রায়শ্চিত্ত মাত্র।
কিন্তু ভৈল দ্বিজ মহা মুকুতিৰ পাত্র।।৭২৩
হেনবা হৈৱেক তোৰ সংশয় মনত।
কৰ্ম্ম মাত্র হোৱে সাঙ্গ নাম কীর্ত্তনত।।
স্বতন্ত্রে কিমতে নামে সংহাৰিবে পাপ।
ইহাৰ উত্তৰ শুনা ত্যজিয়া সন্তাপ।।৭২৪
হৈবে লাগি মাত্র পাপ মানে প্রায়শ্চিত্ত।
সম্পূর্ণ নালাগে হৰিনাম উচ্চাৰিত।।
পৰম মঙ্গল হৰিনামৰ আভাসে।
সমস্তে লোকৰ মহাপাপক বিনাশে।।৭২৫
দেখিলি সাক্ষাতে ইটো বিপ্র অজামিল।

---

৭১২-৭১৩। মূঃ শ্লোঃ— এতন্নিৰ্ব্বিদ্যমানানামিচ্ছতামকুতোভয়ম্। যোগিনাং নৃপ নির্ণীতং হৰেৰ্নামানুকীর্ত্তনম্।। - ২/১/১১
৭১৪-৭১৫। মূঃ শ্লোঃ— এতদ্ধ্যাতুৰচিত্তানাং মাত্ৰাস্পৰ্শেচ্ছয়া মুহুঃ। ভৱসিন্ধুপ্লৱো দৃষ্টো হৰিচৰ্য্যানুবৰ্ণনম্।। -১/৬/৩৫
৭১৮-৭২০। মূঃ শ্লোঃ— যস্যাৱতাৰগুণকৰ্ম্মৱিড়ম্বনানি নামানি যেঽসুৱিগমে ৱিৱশা গৃণন্তি।
তেনৈকজন্মশমলং সহসৈৱ হিত্বা সংয়ান্ত্যপাবৃতমৃতং তমজং প্রপদ্যে।। -৩/৯/১৫
৭২২-৭২৩। মূঃ শ্লোঃ— অয়ং হি কৃতনিৰ্ব্বেশো জন্ম কোট্যংহসামপি। যদ্ব্যাজহাৰ ৱিৱশো নাম স্বস্ত্যয়নং হৰেঃ।। -৬/২/৭

পূৰ্ণ চাৰি অক্ষৰে নামক উচ্চাৰিল।।
নাৰায়ণ আইস বুলি আৰ্ত্তনাদ কৰি।
ডাকিলা প্ৰভুক ইটো পুত্ৰনাম ধৰি।।৭২৬
কৃষ্ণৰো আসিবে লাগে ইহাৰ পাশক।
কোন অদভুত ইটো নাশিল পাতক।।
বুলিবি ব্ৰাহ্মণ মহা পাতকী প্ৰধান।
কৰিলে সমস্তে পাপ আছে যত মান।।৭২৭
অনেক সহস্ৰবাৰ কৰিয়াছে নিত্য।
কৰে যদি ইটো কোটি কোটি প্ৰায়শ্চিত্ত।।
তথাপিতো পাপনষ্ট নুহিকে ইহাৰ।
একে নামে হৈবে কেনে পাতক সংহাৰ।।৭২৮
ইহাৰ উত্তৰ দেওঁ শুন দূতগণ।
ব্ৰাহ্মণৰ সুৱৰ্ণক হৰে যিটো জন।।
মিত্ৰদ্ৰোহ সুৰাপান ব্ৰহ্মবধ কৰে।
স্ত্ৰীবধ ৰাজবধ গুৰুভাৰ্য্যা হৰে।।৭২৯
গোবধ পিতৃবধ কৰে দুৰাশয়।
সংসাৰত আছে আনো যত পাপাচয়।।
সমস্তৰে মুখ্য প্ৰায়শ্চিত্ত হৰিনাম।
উচ্চাৰন্তে হোৱে নষ্ট পাতকৰ দাম।।৭৩০
নকৰিবি দূত তয় ইহাত সংশয়।
যিটোজন মুখে হৰিনাম উচ্চাৰয়।।
ইটো মোৰ ভৈল বুলি প্ৰভু ভগৱন্ত।
সমস্ত ভয়ত তাক ৰাখিয়া ফুৰন্ত।।৭৩১
এতেকেসে শ্ৰেষ্ঠ প্ৰায়শ্চিত্ত হৰিনাম।
আত যমদূত শঙ্কা কৰ কোন কাম।।
মনুপ্ৰতি মুখ্য কৰি যত বেদবাদী।
বিহিয়া আছন্ত যত যাগ যোগ আদি।।৭৩২
সিটো প্ৰায়শ্চিত্তে শুদ্ধি নকৰে সিমতে।
নাম উচ্চাৰন্তে পাপ গুচে যেন মতে।।
শুন দূত নামৰ মহিমা বিপৰীত।
নেৰে নামে পুৰুষক কৰাই প্ৰায়শ্চিত্ত।।৭৩৩
উত্তম শ্লোকৰ আছে গুণ গণ যত।
তাকো আনি নামে মিলাৱয় পুৰুষত।।
আন প্ৰায়শ্চিত্তে যদি পৱিত্ৰ কৰয়।
কদাচিতো পাতকৰ বীজ নুগুচয়।।৭৩৪
প্ৰায়শ্চিত্ত কৰিয়ো পাপক ধাৱে মনে।
বীজ নষ্ট কৰিবাক চাহে যিটোজনে।।
হৰি গুণ নাম মাত্ৰ কৰোক কীৰ্ত্তন।
কৰয় প্ৰভুৰ নাম চিত্তক শোধন।।৭৩৫
গুচাইলো সংশয়চয় তোহোৰ মনৰ।
কৰোহোঁ আদেশ শুন যমৰ কিঙ্কৰ।।
নিনিবি দ্বিজক তই পাপৰ পথক।
মৰন্তে লৈলেক ইটো হৰিৰ নামক।।৭৩৬
কৰিলেক প্ৰায়শ্চিত্ত নিঃশেষ পাপৰ।
উচ্চাৰিল নাৰায়ণ চাৰিও অক্ষৰ।।
এতেকে মুকুতি দ্বিজে পাইলে হেনজান।
নাম একাক্ষৰে কৰে পাপক নিৰ্য্যাণ।।৭৩৭
যি বুলিলো লৈলে নাম মৃত্যু সময়ত।
নুপজিল পাপ পুনৰপি ব্ৰাহ্মণত।।
তাতেসে মৰণ কাল কৰিলো মুকুত।
নকহিলে বিধি তই জান যমদূত।।৭৩৮
কৃচ্ছ্ৰ চান্দ্ৰায়ণ আদি কৰি বিধি যত।

---

৭২৫-৭২৭। মূঃ শ্লোঃ— এতেনৈৱ হ্যঘোনোঽস্য কৃতং স্যাদ্ ঘনিষ্কৃতম্। যদা নাৰায়ণায়েতি জগাদ চতুৰক্ষৰম্।। - ৬/২/৮

৭২৯-৭৩২। মূঃ শ্লোঃ— স্তেনঃ সুৰাপোমিত্ৰধ্ৰুগ্ ব্ৰহ্মাহা গুৰুতল্পগঃ। স্ত্ৰীৰাজপিতৃগোহন্তা যে চ পাতকিনোঽপৰে।।
সৰ্ব্বেষামপ্যঘৱতামিদমেৱ সুনিষ্কৃতম্। নামব্যাহৰণং ৱিষ্ণোৰ্যতস্তদ্বিষয়ামতিঃ।।। -৬/২/৯-১০

৭৩২-৭৩৪। মূঃ শ্লোঃ— ন নিষ্কৃতৈৰুদিতৈৰ্ব্ৰহ্মৱাদিভিস্তথা ৱিশুদ্ধয়ত্যঘৱান্ ব্ৰতাদিভিঃ।
যথা হৰেনামপদৈৰুদাহৃতৈস্তদুত্তমশ্লোক গুণোপলম্ভকম্।। -৬/২/১১

৭৩৪-৭৩৫। মূঃ শ্লোঃ— নৈকান্তিকংতদ্ধি কৃতেঽপিনিষ্কৃতে মনঃ পুনৰ্ধাৱতি চেদসৎপথে।
তৎকৰ্ম্মনিৰ্হাৰমভীপ্সতাং হৰেৰ্গুণানুৱাদঃ খলু সত্ত্বভাৱনঃ।।। -৬/২/১২

৭৩৬-৭৩৭। মূঃ শ্লোঃ— অথৈনংমাপনয়ত কৃতাশেষাঘনিষ্কৃতম্। যদসৌ ভগৱন্নাম ম্ৰিয়মানঃ সমগ্ৰহীৎ।। -৬/২/১৩

কহে যেন প্ৰায়শ্চিত্ত পাপৰ অন্তত।।
সিমত বিধান নাহি হৰিৰ নামত।
যেই সেই বেলা লৈলে পাপ কৰে হত।।৭৩৯
যেন আকস্মিকে কাক উৰাৰ কৰিল।
পকা তাল ফল সেই সময় সৰিল।।
সেহি তাল পৰি যেন কাক ভৈল হত।
হৰিৰ নামৰ জান তেহ্নয় মহত্ত্ব।।৭৪০
বুলিবি নলৈলে বিপ্ৰে হৰিৰ নামক।
মৰণ সময়ে ডাক দিলেক পুত্ৰক।।
কেনমতে ব্ৰাহ্মণৰ পাপ ভৈলা নষ্ট।
শুন আৰ উত্তৰ ত্যজিয়া মন কষ্ট।।৭৪১
পুত্ৰ নাম ধৰিয়া সঙ্কেতে লৱে নাম।
পৰিহাস কৰিও যদ্যপি বোলে ৰাম।।
গীত তাল মান পুৰাণতো নাম লয়।
অৱহেলা কৰি হৰি নাম উচ্চাৰয়।।৭৪২
ইসব প্ৰকাৰে যদি নামক উচ্চাৰে।
তথাপিতো সমস্ত পাতক তাৰহৰে।।
বুলিবি বিপ্ৰৰ নাহি সংকল্প মনত।
বৈকুণ্ঠৰ নাম লওঁ পাপ হৌক হত।।৭৪৩
পুত্ৰৰ স্নেহত বুলিলেক নাৰায়ণ।
কিমতে হৈবেক ব্ৰাহ্মণৰ পাপছন্ন।।
ইহাৰ উত্তৰদূত শুনিবি সকলে।
কৰে জ্বৰে তাপে পীড়া পৰে বা পিছলে।।৭৪৪
সৰ্পে দংশে মাৰে শত্ৰু ভাঙ্গে হাত ভৰি।
এতেকে সময়ে অজ্ঞানতো বোলে হৰি।।
তথাপি সমস্তে পাপ হোৱয় বিনাশ।
আৰো তাকো যাতনা ভুঞ্জাইবে কৰ আশ।।৭৪৫
হেনবা বুলিবি তই যমৰ কিঙ্কৰ।
কৰি আছে বিপ্ৰে মহাপাপ গুৰুতৰ।।
বহুপ্ৰায়শ্চিত্তেসে পৱিত্ৰ হোৱে গাত্ৰ।
সুমৰিয়া আছে ইটো অল্পনাম মাত্ৰ।।৭৪৬
কেনমতে ইহাৰ গুচিল সৱেপাপ।
শুন আৰ উত্তৰ ত্যজিয়া মনস্তাপ।।
মনু আদি কৰি যত মহন্ত প্ৰধান।
কৰি আছে তাৰাসৱে যি সৱ বিধান।।৭৪৭
গুৰু পাতকৰ প্ৰায়শ্চিত্ত গুৰুতৰ।
ক্ষুদ্ৰ মাত্ৰ প্ৰায়শ্চিত্ত ক্ষুদ্ৰ পাতকৰ।।
পাপ তাৰতম্য জানি কহিয়া আছন্ত।
সিসৱ নিয়ম তাতে মাত্ৰ বিহিলন্ত।।৭৪৮
নাহিকে ব্যৱস্থা ইটো হৰিৰ নামত।
সমস্তে পাতক উচ্চাৰন্তে হোৱে হত।।
যেন এক বিন্দুমাত্ৰ পিলেক মদ্যক।
তথাপিতো মহাপাপী বুলি ব্ৰাহ্মণক। ৭৪৯
সেহিমতে অল্পমাত্ৰ সুমৰে নামক।
দহে ততকালে মহা মহা পাতকক।।
তপ জপ যাগ যোগ যজ্ঞ তীৰ্থ ব্ৰত।
যাক যৈতে বি তাক তৈতে কৰে হেত।।৭৫০
কৰ্ম্ম প্ৰায়শ্চিত্তে পাপ নুগুচে সমূলি।
হৰিনামে পেলাৱে পাপৰ আলু তুলি।।
শুন যমদূত কহোঁ কৰিয়া নিৰ্ণয়।
লৈলে একবাৰ নাম পাপ হোৱে ক্ষয়।।৭৫১
যেন বহুকাল ঘোৰ আন্ধাৰ আছয়।
একবাৰ প্ৰদীপ জ্বলিলে নষ্ট হয়।।
সেহিমতে হৰিনাম লৈলে একবাৰ।
অনাদি জন্মৰ পাপ হোৱয় সংহাৰ।।৭৫২
পুনৰপি পাপ আস চাপয় সমীপ।
বেৰে অন্ধকাৰে যেন নিমাইলে প্ৰদীপ।।
নামৰ আবৃত্তি নেৰে এতেকে মহন্তে।
নাশে অন্ধকাৰ যেন প্ৰদীপ থাকন্তে।।৭৫৩
সদানাম লোৱন্তে বাসনা হোৱে ক্ষয়।

৭৪২-৭৪৩। মূঃ শ্লোঃ— সাঙ্কেত্যং পাৰিহাস্যং ৰা স্তোভং হেলনমেৰ ৰা। ৰৈকুণ্ঠনামগ্ৰহণশেষাঘহৰং ৰিদুঃ।। - ৬/২/১৪
৭৪৩-৭৪৫। মূঃ শ্লোঃ— পতিতঃ স্খলিতো ভগ্নঃ সন্দষ্টস্তপ্ত আহতঃ। হৰিৰিত্যৱশেনাহ পুমান্নাৰ্হতি যাতনাম্।। -৬/২/১৫
৭৪৭-৭৫০। মূঃ শ্লোঃ— গুৰুণাং চ লঘুনাং চগুৰূণি চ লঘুনি চ। প্ৰায়শ্চিত্তানি পাপানাং জ্ঞাত্বোক্তানি মহৰ্ষিভিঃ।। -৬/১/১৬
৭৫০-৭৫১। মূঃ শ্লোঃ— তৈস্তান্যঘানি পূয়ন্তে তপোদান জপাদিভিঃ। নাধৰ্ম্মজং তদ্ধৃদয়ং তদপীশাঙ্‌ঘ্ৰি সেৱয়া।। -৬/২/১৭

নোপজয় পাপ পুনু চিত্ত শুদ্ধ হয়।।
এতেকেসে শাস্ত্রে কহে সদায় স্মৰণ।
কহিলো সমস্ত তোত নামৰ লক্ষণ।।৭৫৪
কহিলো ব্যৱস্থা ইটো সমস্ত লোকৰ।
শুন এৰে কথা অজামিল ব্ৰাহ্মণৰ।।
অনেক জনমে পাপ কৰি আছে যত।
মৰন্তে সুমৰি নাম দহিল সমস্ত।।৭৫৫
শুনিল কৃষ্ণৰ কথা মুখত আমাৰ।
দহি পাতকৰ বীজ তৰিল সংসাৰ।।
প্ৰভুৰ পৰম কৃপা ভৈল আক প্ৰতি।
ইহাক ধৰস তোৰা পৰম দুৰ্ম্মতি।।৭৫৬
হেনবা বুলিবি দূত ইটো অজামিল।
প্ৰায়শ্চিত্ত জানি হৰি নাম নুচ্চাৰিল।।
কিমতে গুচিবে পাপ অজ্ঞানী বিপ্ৰৰ।
শুন এৰে দূতসৱ ইহাৰ উত্তৰ।।৭৫৭
জ্ঞানে বা অজ্ঞানে নাম লৱে মাধৱৰ।
তথাপি সমস্ত পাপ দহে নিৰন্তৰ।।
অজ্ঞান বালক সৱে যেন জুই দেয়।
তথাপি সমস্ত কাষ্ঠ ভস্ম কৰি নেয়।।৭৫৮
বুলিবি কাহাতো নতু উপদেশ পাৱে।
আপোনাৰ শ্ৰদ্ধা আৰ নাহিকে স্বভাৱে।।
কেনমতে নামে পাপ হৰিল বিপ্ৰৰ।
ইহাৰ উত্তৰ শুন যমৰ কিঙ্কৰ।।৭৫৯
যেন মহাবীৰ্য্যোত্তম পাই ঔষধক।
কাতো হন্তে নতু তাৰ শুনয় গুণক।।
নাজানিয়া ৰোগী সৱে কৰে তাক পান।
তথাপি সমস্ত ব্যাধি কৰয় নিৰ্য্যাণ।।৭৬০
সেহিমতে হৰিনাম মহাবীৰ্য্যোত্তম।
সমস্ত পাপৰ যেন কালান্তক যম।।

নজানি গুণক অশ্ৰদ্ধাতো সুমৰয়।
নিঃশেষে পাতক দহি নিৰ্ম্মল কৰয়।।৭৬১
নচাৱে শ্ৰদ্ধাক বাট বস্তুৰ শকতি।
শুনিয়ো নামৰ আৰো দৃষ্টান্ত সম্প্ৰতি।।
নিচিনিয়া বিষখাইয়া যেন মৰে নৰ।
নজানি অমৃত খাইয়া হোৱয় অমৰ।।৭৬২
অজ্ঞানতো হাত দিলে দহয় অগনি।
সেহিমতে হৰিনাম ধৰ্ম্ম শিৰোমণি।।
নজানিয়া কৰে আক যিজনে কীৰ্ত্তন।
তাহাৰ সমূলি পাপ দহি কৰে ছন্ন।।৭৬৩
কহিবো জতেক আমি নামৰ মহিমা।
অচিন্ত্য প্ৰভাৱ নাম নাহি আৰ সীমা।।
হেন নাম উচ্চাৰিল দ্বিজ অজামিল।
কৰ্ম্মৰ বন্ধন আৰ সকল ছিণ্ডিল।।৭৬৪
এতেকে পাইলেক বিপ্ৰে দুৰ্ল্লভ মুকুতি।
ইহাক ধৰস তোৰা কমন যুগুতি।।
এহি বুলি পাৰিষদে খেদায়া দূতক।
ভৈলা অন্তৰ্দ্ধান তৈতে ৰাখিয়া বিপ্ৰক।।৭৬৫
উপসংহাৰিয়া অজামিল উপাখ্যান।
পৰীক্ষিত ৰাজাত কহন্ত বিদ্যমান।।
বোলন্ত শুনিয়ো ৰাজা মোহোৰ উত্তৰ।
অতৰ্ক মহিমা কিনো হৰিৰ নামৰ।।৭৬৬
পৰম পামৰ পাপপুঞ্জ দ্বিজাধম।
এৰিলেক ব্ৰাহ্মণৰ যতেক নিয়ম।।
বেশ্যাপতি হুয়া কৰি গৰিহিত কৰ্ম্ম।
সমস্ত ধৰ্ম্মক নাশি সাধিল অধৰ্ম্ম।।৭৬৭
নৰকত পৰে পৰে হেন সময়ত।
নাৰায়ণ বুলি ডাক দিলে অজ্ঞানত।।
তথাপিতো সদ্যে এৰাই পাতকৰ হাত।
সংসাৰত হন্তে মোক্ষ লভিল সাক্ষাত।।৭৬৮

৭৫৮। মূঃ শ্লোঃ— অজ্ঞানাদথৱা জ্ঞানাদুত্তমশ্লোকনাম যৎ। সংকীৰ্ত্তিতমঘং পুংসো দহেদেধো যথাঽনলঃ।। - ৬/২/১৮
৭৬০। মূঃ শ্লোঃ— যথাগদং ৱীৰ্য্যতমমুপযুক্তং যদৃচ্ছয়া। অজানতোঽপ্যাত্মগুণং কুৰ্য্যান্মন্ত্ৰোঽপ্যুদাহৃতঃ।। -৬/২/১৯
৭৬৭-৭৬৮। মূঃ শ্লোঃ— এৱং স ৱিপ্লাৱিত সৰ্ব্বধৰ্ম্মা দাস্যাঃ পতিঃ পতিতো গৰ্হ্যকৰ্ম্মণা।
নিপাত্যমানো নিৰয়ে হতব্ৰতঃ সদ্যো ৱিমুক্তো ভগৱন্নাম গৃহ্নন্।। -৬/২/৪৫
৭৬৯-৭৭০। মূঃ শ্লোঃ— নাতঃ পৰং কৰ্ম্মনিবন্ধকৃন্তনং মুমুক্ষতাং তীৰ্থপদানুকীৰ্ত্তনাৎ।
ন যৎ পুনঃ কৰ্ম্মসু সজ্জতেমনো ৰজস্তমোভ্যাং কলিলং ততোঽন্যথা।। -৬/২/৪৬

অদভুত বুলি ৰাজা নুহিবা বিকল।
এহিমানে সমস্ত শাস্ত্ৰৰ মুখ্যফল।।
চাহে মোক্ষ এৰাই যিটো কৰ্ম্মৰ বন্ধন।
তীৰ্থ পদ মাধৱৰ কৰোক কীৰ্ত্তন।।৭৬৯
আতপৰে নাহি আন অস্ত্ৰ তীক্ষ্ণতৰ।
কীৰ্ত্তনেসে ছেদে কৰ্ম্মবন্ধ পুৰুষৰ।।
আন যত প্ৰায়শ্চিত্ত কৰে নিৰন্তৰ।
ৰজস্তম মল আতি নুগুচে মনৰ।।৭৭০
হৰিনাম কীৰ্ত্তনেসে কৰে মল দূৰ।
নামৰ মহিমা ৰাজা কহিলো প্ৰচুৰ।।
কৰোহোঁ তোমাৰ দূৰ অসম্ভাৱনাক।
সাক্ষাতে প্ৰমাণ পুনু দেখাওঁ তোমাক।।৭৭১
মিলৈ ছাগলীতো দ্বিজ হেনসে অধম।
আৰো মৃত্যুবেলা চিত্ত অসুস্থ পৰম।।
হৰিনাম লওঁ তাৰ হেন নাহি মন।
পুত্ৰ উপচাৰে নাম কৰিল কীৰ্ত্তন।।৭৭২
তথাপিতো দগ্ধ কৰি সমস্ত পাপক।
পাৰিষদ ৰূপ ধৰি গৈলা বৈকুণ্ঠক।।
হেনয় নামক যিটো লৰে ভক্তিভাৱে।
তাহাৰ ভাগ্যক কোন কহি অন্ত পাৰে।।৭৭৩
জানি ইটো পৰমাৰ্থ সভাসদ জন।
হৰি গুণ নাম কৰা সদায় কীৰ্ত্তন।।
এতেকে এৰাইবা সুখে সংসাৰৰ হাত।
দুৰ্ল্লভ মুকুতি পদ লভিবা সাক্ষাত।।৭৭৪
নমো নমো নাৰায়ণ দেৱ হৃদীশ্বৰ।
কিঞ্চিতেক কৃপা মোক কৰা দামোদৰ।।
মোৰ কৰ্ম্ম গতি জন্ম হৌক যথা তথা।
তযু ভকতৰ সঙ্গ নেৰোক সৰ্ব্বথা।।৭৭৫
তোমাৰ নিৰ্ম্মল কথা শুনিবো সতত।
নুগুচোক মোৰ মুখে তযু নাম যত।।
তযু পাদ-পদ্ম সদা মনে সুমৰোক।
এহিমান অনুগ্ৰহ কৰা প্ৰভু মোক।।৭৭৬
পৰম অনৰ্থ মোত পৰে নাহি আন।
মহা কাৰুণিক নাহি তোমাৰ সমান।।
শুনি আছো তুমি মহা পতিতৰো গতি।
মোত পৰে নাহি মহা পতিত সম্প্ৰতি।।৭৭৭
পতিত পাৱন হেন জানিয়া তোমাক।
পশিলো শৰণ নাথ নেৰিবা আমাক।।
তোমাক নেৰোক সদা মোৰ ইটো মনে।
সামাজিক লোক ৰাম ৰাম বোল ঘনে।।৭৭৮

**দুলড়ি**

নামৰ পৰম অতৰ্ক মহিমা
শুনিলাহা সৰেপ্ৰজা।
শুনা আৰু যেন দূতৰ আগত
কহিলন্ত যম ৰাজা।।
বিষ্ণুৰ দূতত মহাপীড়া পাইয়া
তিনিয়ো যম কিঙ্কৰ।
যমৰ আগত পৰি মহাদুখে
দিলেক কান্দি গোচৰ।।৭৭৯
দূতৰ অৱস্থা দেখিয়া যমৰ
পৰম কৃপা মিলিল।
তিনিও দূতক আশ্বাসিয়া পাচে
মাতিয়া প্ৰবোধ দিল।।
হৰিৰ নামৰ পৰম মহিমা
দেখ দেখ দূতগণ।
বিপ্ৰ অজামিল মৃত্যুকো তৰিল
উচ্চাৰিয়া নাৰায়ণ।।৭৮০
এতেকে জানিবি সংসাৰত যত
আছে পুৰুষাৰ্থ চয়।
নাম কীৰ্ত্তনেসে নিৰপেক্ষ তাৰ
সাধন জান নিশ্চয়।।
নামৰ সম্যক কীৰ্ত্তন নলাগে

৭৭২-৭৭৩। মূঃ শ্লোঃ— ম্ৰিয়মাণো হৰেৰ্নাম গৃণন্ পুত্ৰোপচাৰিতম্। অজামিলোঽপ্যগাদ্ধাম কিং পুনঃ শ্ৰদ্ধয়া গৃণন্।। - ৬/২/৪৯
৭৮০-৭৮১। মূঃ শ্লোঃ— (যমৰ উক্তি)
নামোচ্চাৰণ মাহাত্ম্যং হৰেঃ পশ্যত পুত্ৰকাঃ। অজামিলোঽপি যেনৈৱ মৃত্যুপাশাদমুচ্যত।। -৬/৩/২৩

পাপক্ষয় মাত্ৰকত।
কেৱল নামৰ আতাসে কৰয়
সমুলঞ্চে পাপ হত।।৭৮১
মোহোৰ বাক্যত নযাহ সঞ্জাত
সাক্ষাতে প্ৰমাণ দেখ।
অজামিল মহা অধম দ্বিজৰ
পাতকৰ নাহি লেখ।।
মৰন্তে কেৱল ডাকিল পুত্ৰক
নাৰায়ণ নাম লৈয়া।
এতেকে মৃত্যুকো এৰায়া বৈকুণ্ঠ
পদত উঠিল গৈয়া।।৭৮২
নামৰ আভাস কীৰ্ত্তন মাত্ৰকে
মুকুতি দিলা সাক্ষাত।
ধৰ্ম্ম অৰ্থ কাম দিৱে হৰিনামে
কিবা কথা কৈৰো আত।।
বুলিবি সংশয় যেৱে এহি হয়
কহিলা যিসৰ অৰ্থ।
মনু আদি কৰি প্ৰায়শ্চিত্ত যত
বিহিলন্ত সৱে ব্যৰ্থ।।৭৮৩
তাহাত বিস্তৰ প্ৰয়াস আছয়
হৰিনাম সুখকৰ।
কেৱলে নামক কীৰ্ত্তন কৰিয়া
কৃতকৃত্য হোৱে নৰ।।
নাম এৰি আন গুৰু প্ৰায়শ্চিত্তে
যিহেতু প্ৰৱৰ্ত্তে প্ৰাণী।
নামে সত্য কিবা প্ৰায়শ্চিত্তে সত্য
স্বৰূপ একো নজানি।।৭৮৪
ইহাৰ উত্তৰ শুনিবি কিঙ্কৰ
হুয়া সাৱধানে মন।
বিহিলন্ত প্ৰায়- শ্চিত্ত মনু আদি
যত মহা সাধুজন।।
যেন অল্পমতি বৈদ্যে নজানিয়া
মহা মৃত্যু সঞ্জীৱনী।
তথাপিতো নানা বিধ ঔষধক
ৰুগীয়াক দেয় আনি।।৭৮৫
সেহিমতে ব্ৰহ্মা হৰপ্ৰতি মুখে
বাৰজন ব্যতিৰেক।
মনু আদি কৰি ইটো সংসাৰত
মহন্ত আছে যতেক।।
হৰিৰ নামৰ পৰম ৰহস্য
মহিমাক নজানন্ত।
বাহ্ল বাৰিষিক আদি কৰি নানা
প্ৰায়শ্চিত্ত বিহিলন্ত।।৭৮৬
কৃষ্ণৰ দুৰ্জ্জয় মায়াত সৱাৰো
বিমোহিত ভৈল মতি।
বেদৰ মধুৰ পুষ্পিত বাক্যত
কৰন্ত সদায় ৰতি।।
ফলহীন মনো- হৰবেদ বাদে
জড়ীকৃত্য ভৈল চিত্ত।
এতেকে নামৰ নজানি বিহিল
মহাকৰ্ম্ম প্ৰায়শ্চিত্ত।।৭৮৭
প্ৰকৃতিৰ গুণে বশ্য হুয়া আতি
অল্পমতি মূঢ় নৰে।
অস্পষ্ট কঠিন মহামন্ত্ৰ আদি
ঘোৰ কৰ্ম্মে ৰতি কৰে।।
অলপ অক্ষৰ পৰম কোমল
ৰাম কৃষ্ণ আদি নাম।
আতি অনায়াসে উচ্চাৰন্তে সাধে
ধৰ্ম্ম অৰ্থ মোক্ষ কাম।।৭৮৮
আক অল্প বুলি এৰি পাপীসৱে

৭৮২-৭৮৩। মূঃ শ্লোঃ— (যমৰ উক্তি)
এতাৱতালমঘনিৰ্হৰণায় পুংসাং সঙ্কীৰ্ত্তনং ভগৱতো গুণকৰ্ম্মনাম্নাম্।
ৱিকুশ্য পুত্ৰমঘৱান্ যদজামিলোহপি নাৰায়ণেতি ম্ৰিয়মান ইয়ায় মুক্তিম্।। - ৬/৩/২৪
৭৮৫-৭৯৬। মূঃ শ্লোঃ—
প্ৰায়েণ ৱেদ তদিদং ন মহাজনোহয়ং দেৱ্যাৱিমোহিতমতিৰ্বতমায়য়ালম্।
ত্ৰয্যাং জড়ীকৃতমতিৰ্মধু পুষ্পিতায়াং ৱৈতানিকে মহতি কৰ্ম্মণি যুজ্যমানঃ।। -৬/৩/২৫

কৰ্ম্ম পথে প্ৰৱৰ্ত্তিল।
এতেকে গ্ৰাহক নেদেখি জানন্তো
জনে নাম নকহিল।।
জানিয়ো হৰিৰ নাম নকৈবাৰ
আৰো আছে অভিপ্ৰায়।
যেন কোনজনে কুকুৰ শৃগাল
খেদাইবাক মাথো চায়।।৭৮৯
তাক লাগি যেন পোষণ সিংহক
মেলি নেদে কদাচিত।
সেহিমতে অতি তুচ্ছ ছায় ইটো
কোন পাপ প্ৰায়শ্চিত্ত।।
পৰম মঙ্গল হৰিনাম ধৰ্ম্ম
মুকুতৰো যাত ৰতি।
পাপ প্ৰায়শ্চিত্ত অৰ্থে মহাজনে
নকৈলা নাম সম্প্ৰতি।।৭৯০
নাম নকৈবাৰ আৰো অভিপ্ৰায়
শুনিবি সমস্ত দূত।
নামৰ মহিমা জানিল মাত্ৰকে
জগতে হৈব মুকুত।।
এহিমনে গুণি মহাজন সব
জানিয়ো নাম নকৈল।
আন প্ৰায়শ্চিত্ত বিহিয়া নামক
গুপুত কৰিয়া থৈল।।৭৯১
মনু আদি কৰি যত মহাজন
বেদ অৰ্থ বিচাৰক।
নামৰ মহিমা জানি স্থানে স্থানে
স্থাপিয়া আছে নামক।।
তথাপিতো অপ্ৰ- মাণ নকৰিলে
আন প্ৰায়শ্চিত্ত যত।
যেহেন বেদত যাগ যোগ আদি
কহি আছে প্ৰথমত।।৭৯২
পাচত সমস্ত কৰ্ম্মক মৰ্দ্দিয়া
অদ্বৈত জ্ঞান কহিল।
সেহিমতে আগে প্ৰায়শ্চিত্ত কহি
পাচত নাম বিহিল।।
সকলে কৰ্ম্মক আচৰিয়া নৰে
পাচত নাম সুমৰে।
হৰিৰ নামেসে জানিবা নিশ্চয়
কৰ্ম্মকো সুসাঙ্গ কৰে।।৭৯৩
যদ্যপি নামৰ মহিমা শ্ৰদ্ধালু
নকৰয় কৰ্ম্ম আন।
প্ৰায়শ্চিত্ত বিধা- য়ক শাস্ত্ৰ তভো
নকৰিলে অপ্ৰমাণ।।
অদ্বৈত শ্ৰদ্ধালু সৱে যেন একো
যাগ আদি নাচৰন্ত।
তথাপিতো কৰ্ম্ম বিধায়ক বেদ
অপ্ৰমাণ নকৰন্ত।।৭৯৪
সেহিমতে মহা- জনে অপ্ৰমাণ
নকৰিলা প্ৰায়শ্চিত্ত।
অসম্ভাৱনাক আদি কৰি যাৰ
পৰম মলিন চিত্ত।।
কদাচিতো হৰি নাম নাসিৰেক
সিটো মনুষ্যৰ মুখে।
অদ্বৈত জ্ঞানক যেন কৰ্ম্মী নৰে
ৰাখিবে নপাৰে দুখে।।৭৯৫
আন প্ৰায়শ্চিত্ত অপ্ৰমাণ দেখি
নকৰিব তাত ৰতি।
নাম কৰ্ম্ম দুইকো এৰিয়া কেৱলে
যাইবে সিটো অধোগতি।।
এতেকে অজ্ঞানী মনুষ্যৰ পদে
প্ৰায়শ্চিত্ত ৰাখিলন্ত।
কৃষ্ণৰ নামক নানাবিধ শাস্ত্ৰে
নিবন্ধি থৈয়া আছন্ত।।৭৯৬
অনেক জন্মৰ যিটো মহন্তৰ
পৰম পুণ্য আছয়।
স্বভাৱে নামক বিচাৰি পাইবেক
সিটো সাধু মহাশয়।।
হেন জানি দূত যিটো সাধুনৰে

৭৯৭-৭৯৮। মূঃ শ্লোঃ— এৱং ৱিমৃশ্য সুধিয়ো ভগৱত্যনন্তে সৰ্ব্বাত্মনা ৱিদধত্তে খলু ভাৱযোগম্।
তে মে ন দণ্ডমৰ্হন্ত্যথ যদ্যমীষাং স্যাৎ পাতকং তদপি হন্ত্যুৰুগায়ৱাদঃ।। - ৬/৩/২৬

কৃষ্ণত লৈয়া শৰণ।
ধৰ্ম্ম শিৰোমণি কৃষ্ণৰ নামক
সদায় কৰে কীৰ্ত্তন।।৭৯৭
সিটো মহাজনে চেতনে পাপত
নকৰিবে অভিলাষ।
যদি প্ৰমাদত সিজে কদাচিত
কীৰ্ত্তনে কৰিবে নাশ।।
পাপী হেন বুলি তাহাৰ ওচৰ
নচাপিবি দূতগণ।
মোৰ দণ্ড যোগ্য নুহিকে জানিবি
সিটো মহা সাধুজন।।৭৯৮
যমৰ বচন থৈলো এহিমানে
শুনা সামাজিক জন।
সমস্তে ধৰ্ম্মৰ নামেসে ঈশ্বৰ
জানিয়া কৰা কীৰ্ত্তন।।
নমো নমো কৃষ্ণ তোমাৰ অভয়
চৰণে লৈলো শৰণ।
পৰম অনাথ জানি মোক প্ৰভু
কৃপা কৰা নাৰায়ণ।।৭৯৯
তোমাৰ অৰুণ চৰণ দুখানি
ক্ৰীয়াৰ হোক ভুৱন।
তথাতে সদায় আনন্দে ক্ৰীড়োক
আমাৰ বালক মন।।
তযু পাদপদ্ম মকৰন্দ ৰস
পিয়োক কৰ্ণ ভ্ৰমৰে।
গুণ নামামৃত ফলক ভুঞ্জোক
বাক্য শুনে নিৰন্তৰে।।৮০০
এহিমানে মোক কৰা অনুগ্ৰহ
কৃপাময় কৃষ্ণদেৱ।
তুমি বিনে মোৰ পৰম সুহৃদ
বান্ধৱ নাহিকে কেৱ।।
কৃপাৰ সাগৰ প্ৰাৰ্থক জনৰ
পূৰিয়ো মনৰ কাম।
গুচোক আপদ যত সভাসদ
ডাকি বোলা ৰাম ৰাম।।৮০১

## পদ

শুনিলাহা সামাজিক মহিমা নামৰ।
কহো আৰ যুগুতি শুনিয়ো আতপৰ।।
বোলে কেহো জনে বহু প্ৰয়াসে সাধিত।
বাৰ বাৰিষিক আদি মুখ্য প্ৰায়শ্চিত্ত।।৮০২
হৰিনাম উচ্চাৰণ অতি সুখকৰ।
সিটো প্ৰায়শ্চিত্ত জানা নুহি শ্ৰেষ্ঠতৰ।।
ইটো বচনত পৰে নাহি মহামন্দ।
নকৰিবা তুমি সৱে ইহাত আনন্দ।।৮০৩
অনেক জনমে যিটো কৰি মহাশ্ৰম।
পুণ্যৰ সমূহ সাঞ্চি আছে মেৰু সম।।
নাম উচ্চাৰিতে পাৰে সি সি মহাজনে।
লৈয়ো আৰ সাক্ষী অজামিলৰ বচনে।।৮০৪
যমৰ দূতৰ হাত এৰাই ব্ৰাহ্মণে।
বসি পাছে আপুনি গুণন্ত মনে মনে।।
নাহি সীমা মই পাপ কৰি আছো যত।
তথাপিতো হৰিনাম আসিল মুখত।।৮০৫
ইজন্মত পাপী যদি নাহি মোত পৰ।
তথাপিতো জানো পুণ্য আছয় পূৰ্ব্বৰ।।
দেৱতো উত্তম মহা চাৰি বিষ্ণুদূত।
দেখিলোহো তাসম্বাৰ ৰূপ অদভুত।।৮০৬
নাছিলেক হন্তে মোৰ পূৰ্ব্ব পুণ্য যেৱে।
দেখিলোহো হন্তে কিয় তাসম্বাক তেৱে।
এতেকে জানিলো আছে পূৰ্ব্ব পুণ্যগণ।
কহোঁ আৰু আত মই উত্তম কাৰণ।।৮০৭
পৰম অধম মই বেশ্যাত পতিত।
ঘোৰ ঘোৰ পাতকে অশুদ্ধ মোৰ চিত্ত।।

৮০৫-৮০৭। মূঃ শ্লোঃ— (অজামিলৰ উক্তি)
অথাপি মে দুৰ্ভগস্য ৱিবুধোত্তমদৰ্শনে। ভৱিতৱ্যং মঙ্গলেন যেনাত্মা মে প্ৰসীদতি।। - ৬/২/৩২
৮০৮। মূঃ শ্লোঃ—অন্যথা ম্ৰিয়মাণস্য নাশুচেৰ্ৱৃষলীপতেঃ। ৱৈকুণ্ঠ নাম গ্ৰহণং জিহ্বা ৱক্তুমিহাৰ্হতি।। -৬/২/৩৩
৮০৯-৮১০। মূঃ শ্লোঃ— (অজামিলৰ উক্তি)
ক্ক চাহং কিতৱঃ পাপো ব্ৰহ্মঘ্নো নিৰপত্ৰপঃ। ক্ক চ নাৰায়ণেত্যেতদ্‌ভগৱন্নাম মঙ্গলম্।। -৬/২/৩৪

তথাপি মৰন্তে নাম আসিল জিহ্বাত।
এতেকে জানিলো পুণ্য আছে অসংখ্যাত।।৮০৮
ইহাতো পৰম আৰু হেতু কহোঁ আতি।
কৈত মই ধূৰ্ত্ত ব্ৰহ্মবধী আত্মঘাতী।।
পৰম মঙ্গল কৈত নাৰায়ণ নাম।
মোক্ষতো অধিক ইটো ধৰ্ম্ম অনুপাম।।৮০৯
হেন নাম লৈলো মই মৰণ সঙ্কটে।
পূৰ্ব্ব পুণ্য বিনে ইটো সম্বন্ধ নঘটে।।
অজামিল বচনক এহিমানে থওঁ।
যিমত মঙ্গল নাম তাৰ কথা কওঁ।।৮১০
গো বিপ্ৰ পিতৃ মাতৃ গুৰু বধ কৰে।
কুকুৰকো খাই মহা ম্লেচ্ছ নিৰন্তৰে।।
যাৰ ৰাম কৃষ্ণ নাম কীৰ্ত্তন কৰন্তে।
ইসৱ পৱিত্ৰ হোৱে পাতকত হন্তে।।৮১১
এতেকে জানিবা নাম গ্ৰহণ কৃষ্ণৰ।
বহুজন্ম সুকৃতী বলেসে পাৱে নৰ।।
দেৱহূতি বাক্যে আক দেখাওঁ স্পষ্ট কৰি।
কপিলক স্তুতি দেৱী কৰন্ত সাদৰি।।৮১২
তোমাৰ নামৰ প্ৰভু আশ্চৰ্য্য মহত্ত্ব।
থাকে যিটো চণ্ডালৰ জিহ্বাৰ আগত।।
সেহি শৰীৰতে আতি হোৱে শ্ৰেষ্ঠতম।
নাহি সংসাৰত আৰ শ্ৰেষ্ঠ তাক সম।।৮১৩
তপ হোম দান সদাচাৰ তীৰ্থব্ৰত।
যজ্ঞ যাগ বেদ পাঠ আদি ধৰ্ম্ম যত।।
শুদ্ধভাৱে জন্মান্তৰে কৰিয়া আছয়।
তযু নাম কীৰ্ত্তনে দেখিও ভাগ্যোদয়।।৮১৪
যতেক সুকৃতী আছে ইটো সংসাৰত।
হুয়া আছে নাম কীৰ্ত্তনৰ অন্তৰ্গত।।
এহিহেতু কৰে যিটো নামক কীৰ্ত্তন।
জগতৰে পূজ্যোত্তম ভৈল সিটো জন।।৮১৫
এহিমানে দেৱহূতি বচন সংহৰি।
দেখাইলো কীৰ্ত্তন সৰ্ব্বজাতি উপকাৰী।।
সৱে আশ্ৰমীৰ অধিকাৰ কীৰ্ত্তনত।
দেখাওঁ সাক্ষাতে ভগৱন্তৰ বাক্যত।।৮১৬
গৃহাশ্ৰমে সুখে আসকতি আতি চিত্ত।
বেদৰ নিষিদ্ধ কৰ্ম্ম নকৰে কিঞ্চিত।।
নিয়ে কাল অন্যো অন্যে কহি মোৰ কথা।
সিটো গৃহে পুৰুষকো নবান্ধে সৰ্ব্বথা।।৮১৭
যিহেতু সিসৱ গৃহে ভকতি সাধয়।
নলাগে এৰিবে থাকিবাৰ যোগ্য হয়।।
বিষয়ীৰো সাধে গতি কীৰ্ত্তনে সৰ্ব্বথা।
আনৰ সাধিৱে গতি কি কহিবো কথা।।৮১৮
ভগৱন্ত বাক্য থৈলো সংহৰি সাম্প্ৰত।
দেখাওঁ সদাচাৰ প্ৰহ্লাদৰ বচনত।।
পৰম উৎসুকে কথা প্ৰহ্লাদে কহন্ত।
কীৰ্ত্তনতে যিহেতু সন্তুষ্ট ভগৱন্ত।।৮১৯
এতেকে যদ্যপি মই নীচ আতিশয়।
গুচিল সকল মোৰ মনৰ সংশয়।।
মহাযত্নে বুদ্ধি অনুসাৰে অণুক্ষণ।
কৃষ্ণ গুণ মহিমাক কৰোহোঁ বৰ্ণন।।৮২০
কহোঁ হেতু নজানিও গুণ বৰ্ণাইবাৰ।
অবিদ্যা ৰচিত ইটো যতেক সংসাৰ।।
ইহাত প্ৰৱেশ হুয়া আছে জীৱ যত।
কৃষ্ণক নভজি মজি আছয় পাপত।।৮২১
সিয়ো শুদ্ধ হোৱে আতি কৰিয়া কীৰ্ত্তন।
আতপৰে নাহি আৰ শুদ্ধিৰ কাৰণ।।
গুচয় অৱিদ্যা হৰি কীৰ্ত্তন কৰন্তে।।

৮১১। মূঃ শ্লোঃ— ব্ৰহ্মহা পিতৃহা গোঘ্নো মাতৃহাচাৰ্য্যহাঘৱান্। শ্বাদঃ পুল্কসকো ৱাপি শুদ্ধ্যেৰন্ যস্যকীৰ্ত্তনাৎ।। - ৬/১৩/৮
৮১৩-৮১৫। মূঃ শ্লোঃ— (কপিলৰ প্ৰতি দেৱহূতিৰ উক্তি)
অহো ৱেত শ্বপাচোহতো গৰীয়ান্ যস্য জিহ্বাগ্ৰেৱৰ্ত্ততে নাম তুভ্যম্।
তে পুস্তপস্তে জুহুবুঃ সস্নুৰাৰ্য্যা ব্ৰহ্মানুচুৰ্নাম গৃণন্তি যেতে।।। -৩/৩৩/৭
৮১৭-৮১৮। মূঃ শ্লোঃ— গৃহেস্ববিশতাং চাপি পুংসাং কুশল কৰ্ম্মণাম্। মদ্বাৰ্ত্তাযাতয়ামানাং ন বন্ধায় গৃহা মতাঃ।। -৪/৩০/১৯
৮১৯-৮২২। মূঃ শ্লোঃ— (প্ৰহ্লাদৰ উক্তি)
তস্মাদহং ৱিগতৱিক্লৱ ঈশ্বৰস্য সৰ্ব্বাত্মনা মহি গৃণামি যথামনীষম্।
নীচোহজয়া গুণৱিসৰ্গমনুপ্ৰৱিষ্টঃ পূয়েত যেন হি পুমাননুৱৰ্ণিতেন।। -৭/৯/১২

অনায়াসে হোৱে মোক্ষ সংসাৰত হন্তে।।৮২২
ইহাক দেখাওঁ পুনঃ প্রহ্লাদ প্রার্থনে।
বোলন্ত বিনয় কৰি নৃসিংহ চৰণে।।
হে প্রভু নৃসিংহ প্ৰণামো তয়ু পাৰে।
ভৈলোহোঁ তোমাৰ দাস জানিয়া স্বভাৱে।।৮২৩
তুমি মোৰ প্ৰিয়তম সুহৃদ বান্ধৱ।
তুমি বিনে শ্ৰেষ্ঠ দেৱ নাহিকে মাধৱ।।
জানি লৈলো শৰণ অভয় চৰণত।
যেৱে মই ভৈলো তয়ু দাস স্বৰূপত।।৮২৪
কৰিবা অৱশ্যে মোক কৃপা দামোদৰ।
পাইবোহোঁ নিশ্চয় সঙ্গ তয়ু ভকতৰ।।
ব্ৰহ্মা আদি পূৰ্ব্ব সম্প্ৰদায় সিদ্ধ আতি।
কহে যিটো কথা সাধুসৱে দিনে ৰাতি।।৮২৫
সিটো কথা অমৃত কৰিবো কৰ্ণে পান।
বিষয়ৰ অনুৰাগ হৈৱেক নিৰ্য্যাণ।।
তোমাৰ গুণক মুখে কৰিবো বৰ্ণন।
পৰম আনন্দে মন হৈৱেক মগন।।।৮২৬
এতেকে সংসাৰ দুঃখে নপাইবে আমাক।
তৰিবোহোঁ সুখে ঘোৰ দুৰ্জ্জয় মায়াক।।
সম্প্ৰতি সংহৰি থৈলো প্ৰহ্লাদ বচন।
কীৰ্ত্তনেসে নিৰপেক্ষ মুকুতি সাধন।।৮২৭
দেখাইলোহোঁ ইদানিক শুনিয়ো নিশ্চয়।
কৰ্ম্মৰো বিঘিনি কীৰ্ত্তনেসে সংহৰয়।।
লৈয়ো আৰ সাক্ষী মই দেখাওঁ হৰিষি।
বামনৰ আগত বোলন্ত শুক্ৰ ঋষি।।৮২৮
মন্ত্ৰ তন্ত্ৰ দেশ কাল পাত্ৰ বস্তু যত।
বহুবিধ ছিদ্ৰ যত আছয় সমস্ত।।
তয়ু নাম কীৰ্ত্তনে সৱাকে কৰে দূৰ।
তোমাৰ নামৰ প্ৰভু মহিমা প্ৰচুৰ।।৮২৯
এহিমানে থৈলো শুক্ৰ ঋষিৰ বচন।
হৰিৰ কীৰ্ত্তন পৰ ভৈল যিটো জন।।
সেহিসে মহন্ত ধন্য দেখাওঁ যতনে।
কংস ৰঙ্গশালে নাৰীগণৰ বচনে।।৮৩০
কহয় সম্বোধি অন্যো অন্যে নাৰীগণ।
শুনা সখী ধন্য ধন্য গোপীৰ জীৱন।।
ধেনুক দোহন্তে কতো দধিক মথন্তে।
ছৱালক নিচুকান্তে গৃহক মাৰ্জ্জন্তে।।৮৩১
অন্যসৱ কৃত্য গোপী কৰন্তে সদায়।
এহিতো কৃষ্ণৰ গুণ অনুৰাগে গায়।।
আনন্দ সাগৰে গোপী মজে সমুদায়।
প্ৰেমভৰে নয়নৰ নীৰ বহি যায়।।৮৩২
কৃষ্ণ বিষয়ত চিত্ত ভৈল যান প্ৰায়।
তাতে চড়ি গোপীসৱ বিষয়ক যায়।।
গোপীসৱ সম কোন আছে ভাগৱতী।
এতেকেসে আমি সৱে বোলোহোঁ সম্প্ৰতি।।৮৩৩
সংসাৰ মাজত হেন আছে কোনজন।
নকৰিবে অন্যো অন্যে কৃষ্ণৰ কীৰ্ত্তন।।
তাতেসে কেৱল তুষ্ট হোন্ত নাৰায়ণ।
নিজানন্দ লাভে পৰিপূৰ্ণ সৰ্ব্বক্ষণ।।৮৩৪
নাহি তান ইচ্ছা লক্ষ্মী ভাৰ্য্যাত কিঞ্চিত।
তথাপি কৃষ্ণক লক্ষ্মী নেৰে কদাচিত।।
নিজ ভকতক বৰ নেদি লক্ষ্মী দেৱী।
থাকন্ত সদায় কৃষ্ণ পাদ-পদ্ম সেৱী।।৮৩৫
কীৰ্ত্তন বিমুখে যিটো জানিবা স্বভাৱে।
তাক অনুগ্ৰহ নকৰন্ত লক্ষ্মী মাৱে।।
এতেকতে বিচাৰ চতুৰ সৱে আতি।
কৃষ্ণৰ কীৰ্ত্তন মাত্ৰ কৰে দিনে ৰাতি।।৮৩৬

---

৮২৩-৮২৭। মূঃ শ্লোঃ— সোঽহং প্ৰিয়স্য সুহৃদঃ পৰদেৱতায়া লীলাকথাস্তৱ নৃসিংহবিৰিঞ্চগীতাঃ।
অঞ্জস্তিতৰ্ম্যনুগৃণন্ গুণবিপ্ৰমুক্তো দুৰ্গাণি তে পদযুগালয়হংসসঙ্গঃ।। - ৭/৯/১৮

৮২৯। মূঃ শ্লোঃ— মন্ত্ৰতস্তন্ত্ৰতশ্ছিদ্ৰং দেশকালাৰ্হৱস্তুতঃ। সৰ্ব্বং কৰোতি নিশ্ছিদ্ৰং নাম সংকীৰ্ত্তনং তৱ।। -৮/২৩/১৬

৮৩১-৮৩৩। মূঃ শ্লোঃ— যা দোহনেঽৱহননে মথনোপলেপ প্ৰেঙ্খেনাৰ্ভৰুদিতোক্ষণমাৰ্জ্জনাদৌ।
গায়ন্তি চৈনমনুৰক্তধিয়োঽশ্ৰুকণ্ঠ্যো ধন্যা ব্ৰজস্ত্ৰীয় উৰুক্ৰমচিত্ত য়ানঃ।। -১০/৪৪/১৫

৮৩৪-৮৩৬। মূঃ শ্লোঃ— ক উৎসহেত সন্ত্যক্তমুত্তমশ্লোকসংৱিদম্। অনিচ্ছাতোঽপি যস্য শ্ৰীৰঙ্গান্ন চ্যৱতে ক্কচিৎ।। -১০/৪৭/৪৮

দেখাওঁ প্ৰমাণ উদ্ধৱৰ বচনত।
বোলন্ত উদ্ধৱে কৃষ্ণ দেৱৰ আগত।।
জৰাসন্ধে ধৰি আছে যত ৰাজাগণ।
পৰম উৎসুকে তাসম্বাৰ পত্নীগণ।।৮৩৭
আপোনাৰ গৃহে তযু গুণগণ কই।
বালক সৱক নিচুকান্ত কোলে লই।।
নাকান্দা বালক সৱ শুন সত্য বাণী।
জৰাসন্ধ ৰাজাক বধিয়া চক্ৰপাণি।।৮৩৮
তোমাসাৰ পিতৃক মেলাইব কৃপাময়।
তোৰ মনোৰথ পূৰিবন্ত আতিশয়।।
নযাহ সঞ্জাত যদি দেখাওঁ প্ৰমাণ।
ভকত বৎসল নাহি কৃষ্ণৰ সমান।।৮৩৯।
শঙ্খচূড় যক্ষ মাৰি মেলাইলা গোপীক।
কংস মাৰি মেলাইলন্ত পিতৃক মাতৃক।।
ৰাম অৱতাৰে গৈয়া ৰাৱণক মাৰি।
আনিলন্ত প্ৰভু সীতা শান্তিক উদ্ধাৰি।।৮৪০
হৰি অৱতাৰত গ্ৰাহৰ ছিড়ি মুখ।
বৈকুণ্ঠক নিলা গজেন্দ্ৰৰ গুচাই দুখ।।
এহি কৃষ্ণ অৱতাৰে নৰকক মাৰি।
আনিলা মেলাই ষোল সহস্ৰ কুমাৰী।।৮৪১
আনো আনো লৱে যিটো কৃষ্ণত শৰণ।
সৱাৰো দুঃখক দূৰ কৰে নাৰায়ণ।।
লৈয়া আছে তোৰো পিতৃ শৰণ কৃষ্ণত।
অল্পতে কৰিব আসম্বাৰ দুঃখ হত।।৮৪২
এহিমতে ৰাত্ৰি দিনে ৰাজভাৰ্য্যাগণে।
তোমাৰ নিৰ্ম্মল যশ গাৱে সৰ্ব্বক্ষণে।।
কৰা তাসম্বাৰ গৈয়া দুঃখক নিৰ্য্যাণ।
থৈলো উদ্ধৱৰ বচনক এহিমান।।৮৪৩
কৃষ্ণৰ কীৰ্ত্তন ফল কৰি নিৰূপণ।
কৰে নিন্দা যিটো জনে নকৰে কীৰ্ত্তন।।
পায়া আছে জিহ্বা মুকুতিৰ সাঁকো প্ৰায়।
আত আৰোহণ কৃষ্ণ কথা সমুদায়।।৮৪৪
হেলাত নকৰি কৃষ্ণ কীৰ্ত্তন সম্প্ৰতি।
মোক্ষৰ সাঁকোত নুঠি নাশিল দুৰ্ম্মতি।।
নকৰে কীৰ্ত্তন যেৱে নপাইবে মুকুতি।
বুলিলা দুৰ্ম্মতি তাক কমন যুগুতি।।৮৪৫
ইহাৰ উত্তৰ এক কীৰ্ত্তন বিমুখ।
কৰে সিটো আৰ বৃথা বাক্য ব্যয় দুঃখ।।
ভগৱন্ত বাক্যে লৈয়ো প্ৰমাণ নিশ্চয়।
উদ্ধৱত আপুনি কহিলা কৃপাময়।।৮৪৬
মোৰ গুণ নাম নাহি যিটো বচনত।
কেৱলে সিসৱ বাক্য দুঃখসে সমস্ত।।
যেন দুখ পাৱে মাত্ৰ চাৰি বাঁঝী গাই।
অসতী ভাৰ্য্যাত যেন একো সুখ নাই।।৮৪৭
দুঃখ মাত্ৰ ভুঞ্জে যাৰ দেহ পৰাধীন।
দুষ্ট পুত্ৰ স্নেহে যেন আপদৰ চিন।।
সদপাত্ৰ পাইয়া বিত্ত নকৰিল দান।
নাহি যেন দুঃখী সিটো ধনীৰ সমান।।৮৪৮
অসত কীৰ্ত্তিত যেন নাহি একো সুখ।
ইটো সৱে দুঃখ অনন্তৰে যেন দুঃখ।।
এহিমতে মই হীন যত বাক্যচয়।
তাক কহি দুঃখমাত্ৰ ভুঞ্জিয়া ফুৰয়।।৮৪৯
মোৰ মহা মুখ্য কৰ্ম্ম সৃষ্টি স্থিতি লয়।

৮৪৪-৮৪৫। মূঃ শ্লোঃ— (নাৰদৰ উক্তি)
জিহ্বাং লৱন্ধাপি যো ৱিষ্ণুং কীৰ্ত্তনীয়ং ন কীৰ্ত্তয়েৎ।
লব্ধবাপি মোক্ষনিঃ শ্ৰেণীং স নাৰোহতি দুৰ্ম্মতিঃ।। (হৰি ভক্তি সুধোদয়, ৮/৫)

৮৪৭-৮৪৯। মূঃ শ্লোঃ— গাং দুগ্ধদোহামসতীং চ ভাৰ্য্যাং দেহং পৰাধীনমসৎ প্ৰজাং চ।
ৱিত্তং ত্বতীৰ্থীকৃতমঙ্গ ৱাচং হীনাং ময়া ৰক্ষতি দুঃখ দুঃখী।। -১১/১১/১৯

৮৩৭-৮৪৩। মূঃ শ্লোঃ— (উদ্ধৱৰ উক্তি)
গায়ন্তি তে ৱিশদকৰ্ম্ম গৃহেযু দেৱ্যো ৰাজ্ঞাং স্বশত্ৰুৱধমাত্মৱিমোক্ষণং চ।
গোপ্যশ্চ কুঞ্জৰ পতেৰ্জনকাত্মজায়াঃ পিত্ৰোশ্চ লব্ধশৰণা মুনয়ো ৱয়ং চ।। -১০/৭১/৯

৮৫০-৮৫২। মূঃ শ্লোঃ— যস্যাং ন মে পাৱনমঙ্গ কৰ্ম্ম স্থিত্যুদ্ভৱ প্ৰাণ নিৰোধমস্য
লীলাৱদতাৰেপ্সিত জন্মাৱা স্যাৎ ৱন্ধ্যাং গিৰং তাং বিভৃয়ান্ন ধীৰঃ।। -১১/১১/২০

সিসৰ কথায় অতি পৱিত্ৰ কৰয়।।
ৰামকৃষ্ণ আদি লীলা অৱতাৰ যত।
কৰি আছোঁ কৰ্ম্মচয় প্ৰসিদ্ধ লোকত।।৮৫০
প্ৰেমৰ আস্পদ সিটো চৰিত্ৰ অমৃত।
চাণ্ডাল পৰ্য্যন্ত কৰে জগত পৱিত্ৰ।।
যিটো বাক্য নাহি হেন কৰ্ম্ম সুনিৰ্ম্মল।
জানিবা উদ্ধৱ সিটো সকল নিষ্ফল।।৮৫১
দুঃখহেতু জানি তাক বুদ্ধিমন্ত নৰে।
যেন উচ্ছিষ্টক বিদূৰতে পৰিহৰে।।
কৃষ্ণৰ বচন থৈলো সম্প্ৰতি সংহৰি।
প্ৰশংসিলো কীৰ্ত্তন কু কথা নিন্দাকৰি।।৮৫২
বিশেষতঃ কলি যুগে কীৰ্ত্তন প্ৰশস্ত।
মহন্তসৱৰ মত দেখাওঁ সমস্ত।।
কলিৰ পৰম গুণ যাৰাসৰে জানে।
চাৰিযুগ মাঝত কলিক শ্ৰেষ্ঠ মানে।।৮৫৩
বুলিবা কলিত আছে দোষসে বিস্তৰ।
কিহেতু প্ৰশংসে শুনা ইহাৰ উত্তৰ।।
যিহেতু মহন্তসৰে দোষ পৰিহৰি।
অল্পমাত্ৰ গুণক লৱন্ত সাৰ কৰি।।৮৫৪
শুনিও কলিৰ মহা গুণ যেন মত।
কেৱল কৃষ্ণৰ কৰি কীৰ্ত্তন মুখত।।
এতেকে সংসাৰ দুঃখ হোৱে উপশাম।
পাৱে সুখে নৰে ধৰ্ম্ম অৰ্থ মোক্ষ কাম।।৮৫৫
ইটো সংসাৰত হৰি কীৰ্ত্তনত পৰ।
পৰম উত্তম লাভ নাহিকে জীৱৰ।।
কীৰ্ত্তনত গুচে ঘোৰ সংসাৰৰ বন্ধ।
অনায়াসে পাৱে মহা মুকুতি আনন্দ।।৮৫৬
যেন কোন জন আতি আতুৰ নাপৰা।
সকাশ পাইবাক লাগি ভুঞ্জয় শৰ্কৰা।।
খাহন্তে সন্তোষ গুচে ৰোগ নিৰন্তৰ।
সেহিমত নাম গুণ চৰিত্ৰ কৃষ্ণৰ।।৮৫৭
কীৰ্ত্তন কৰন্তে সুখে আনন্দ মিলয়।
গুচয় সংসাৰ ব্যাধি মুকুতি পাৱয়।।
এহিহেতু মহালাভ কীৰ্ত্তন কলিত।
ইহাৰ প্ৰশংসা যত সকল উচিত।।৮৫৮
জানিয়া কলিত যিটো কৃষ্ণৰ নামক।
আপুনি কীৰ্ত্তন কৰে কৰাৱে আনক।।
মহা ভাগ্যৱন্ত আৰ নাহি তাক সম।
তৰিল সংসাৰ সুখে সি সি নৰোত্তম।।৮৫৯
আৰ শুনা কলিত যিসৰ গুণ সাৰ।
যদ্যপি পাতক কলি দুষ্ট দুৰাচাৰ।।
তথাপিতো সত্যাদিৰ ধ্যানাদিৰ ফল।
কলিত কীৰ্ত্তনে দেয় সিসৰ সকল।।৮৬০
ইহাৰ লৈয়োক সাক্ষী বচনে শুকৰ।
বোলন্ত শুনিও পৰীক্ষিত নৃপবৰ।।
যদি কলিযুগ মহা পাপৰ সাগৰ।।
আছে তথাপিতো এক গুণ শ্ৰেষ্ঠতৰ।।৮৬১
পৰম আনন্দে কৰি কেৱল কীৰ্ত্তন।
কৃষ্ণত প্ৰৱেশে ছিণ্ডি কৰ্ম্মৰ বন্ধন।।
পাৱে যেন সিদ্ধি সত্য যুগে ধ্যান কৰি।
ত্ৰেতা যুগে নানাবিধ যজ্ঞে যজি হৰি।।৮৬২
লভে যেন ফল পূজা কৰি দ্বাপৰত।
কলিত কীৰ্ত্তনে তাক পাৱয় সমস্ত।।
কীৰ্ত্তনৰ ফল আৰু অধিক পাৱয়।
এতেকেসে কলিযুগ শ্ৰেষ্ঠ আতিশয়।।৮৬৩
বুলিবাহা তৰে কোন গুণ মাধৱৰ।

৮৫৩-৮৫৫। মূঃ শ্লোঃ— কলিং সভাজয়ন্ত্যাৰ্য্যা গুণজ্ঞাং সাৰভাগিনঃ। যত্ৰ সংকীৰ্ত্তনেনৈৱ সৰ্ব্বঃ স্বাৰ্থোঽভিলভ্যতে।। -১১/৫/৩৬
৮৫৬। মূঃ শ্লোঃ— ন হ্যতঃ পৰমোলাভো দেহিনাং ভ্ৰাম্যতামিহ। যতো ৱিন্দেত পৰমাং শান্তিং নশ্যতি সংসৃতিঃ।। -১১/৫/৩৭
৮৫৯। মূঃ শ্লোঃ— তে সভাগ্যা মনুষ্যেষু কৃত্যৰ্থা নৃপনিশ্চিতম্। স্মৰন্তি স্মাৰয়ন্তো যে হৰেৰ্নাম কলৌ যুগে।।
৮৬০-৮৬২। মূঃ শ্লোঃ— কলেৰ্দোষনিধে ৰাজন্ অস্তিহ্যেকো মহান গুণঃ।
কীৰ্ত্তনাদেৱ কৃষ্ণস্য মুক্তসঙ্গঃ পৰং ব্ৰজেৎ।। -১২/৩/৫১
৮৬২-৮৬৩। মূঃ শ্লোঃ— কৃতে যদ্ধ্যায়তো ৱিষ্ণুং ত্ৰেতায়াং যজতো মখৈঃ।
দ্বাপৰে পৰিচৰ্য্যায়াং কলৌ তদ্ধৰিকীৰ্ত্তনাৎ।। -১২/৩/৫২

কৰিব কীৰ্ত্তন শুনা ইহাৰ উত্তৰ।।
অনন্ত কৃষ্ণৰ চৰিত্ৰৰ নাহি অন্ত।
আপুনিও কৃষ্ণে যাৰ সীমা নপাৱন্ত।।৮৬৪
নিঃশেষে কৰিবে তাক কাহাৰ শকতি।
চাহে যিটো জনে তাক গণিবাক প্ৰতি।।
তাত পৰে নাহি মন্দমতি সংসাৰত।
লৈয়োক ইহাৰ সাক্ষী কৃষ্ণৰ বাক্যত।।৮৬৫
বোলন্ত উদ্ধৱ শুনা কহো নিৰূপত।
সাত পৃথিৱীৰ পৰমাণু আছে যত।।
বিস্তৰ কালেসে যেৱে মই মাত্ৰ তাক।
গণি সংখ্যা কৰিয়া পাৰোহো কহিবাক।।৮৬৬
তথাপিতো মায়াবলে সৃজি আছোঁ যত।
নপাৰোহোঁ গণিতে ব্ৰহ্মাণ্ড আছে কত।।
ময়ো নজানোহো ব্ৰহ্মাণ্ডৰ সীমা যত।
নাম গুণ বিভূতি যতেক আছে তাত।।৮৬৭
কাহাৰ শকতি তাক কৰিবেক অন্ত।
এতেকে উদ্ধৱ মোৰ চৰিত্ৰ অনন্ত।।
কৰোক কীৰ্ত্তন নিজ মতি অনুসাৰে।
গুচিবে সংসাৰ তাপ এতেকে সবাৰে।।৮৬৮
এহিমানে থৈলো কৃষ্ণ দেৱৰ বচন।
কহোঁ নিষ্ঠ কৰি শুনিয়োক সৰ্ব্বজন।।
বিষয় সম্বন্ধ যত বৃথা বাক্যচয়।
তাত যেৱে কৃষ্ণ গুণ নাম মিশ্ৰ হয়।।৮৬৯
হোৱে সিটো বচন সাৰ্থক অতিশয়।
অন্যথা সিসৱ বাক্য বৃথাসে নিশ্চয়।।
লৈয়ো আৰ সাক্ষী অক্ৰূৰৰ বচনত।
বোলন্ত অক্ৰূৰে বাক্য আসন্তে পথত।।৮৭০
কৃষ্ণ গুণ মিশ্ৰিত যতেক বাক্য চয়।
সেহি বাক্যে জগতকে পৱিত্ৰ কৰয়।।
সমস্তকে সেহি বাক্যে জীয়াৱে সকল।
শোভন কৰাৱে সেহি মিলাৱে মঙ্গল।।৮৭১
যিটো বচনত নাহি কৃষ্ণ গুণ গান।
নানা বাক্য অলঙ্কাৰে কৰাৱে শোভন।।
নাহি একো ছিদ্ৰ শুনিবাকো মনোৰম।
জানিবা তথাপি সিটো মৰাশৰ সম।।৮৭২
বস্ত্ৰ অলঙ্কাৰে যেন শৱক কচাৱে।
তথাপিতো অপৱিত্ৰ জানিবা স্বভাৱে।।
সেহিমতে হৰিগুণ হীন বাক্য যত।
থাকয়ে সিসৱ বাক্য যাহাৰ মুখত।।৮৭৩
মৰাশৰ যেন লৈয়া ফুৰে অতিশয়।
উত্তম মুখক আতি অশুদ্ধ কৰয়।।
এহিমানে থৈলোহোঁ বচন অক্ৰূৰৰ।
কীৰ্ত্তনেসে পৰম ভকতি মাধৱৰ।।৮৭৪
কহোঁ উপসংহৰিয়া ইটো প্ৰকৰণ।
মনোহৰ কৃষ্ণৰ যতেক গুণগণ।।
পৰম মঙ্গল শিশুলীলা বহুবিধ।
মহাভাগৱত শাস্ত্ৰে পৰম প্ৰসিদ্ধ।।৮৭৫
শ্ৰদ্ধাভাৱে কৰে যিটো কীৰ্ত্তন সতত।
পৰম ভকতি তাৰ মিলয় কৃষ্ণত।।
জানিবা কীৰ্ত্তন পৰ ভৈল যিটো নৰ।
সমস্ত ভকতি সিদ্ধি ভৈল সিজনৰ।।৮৭৬
এহিমানে ভৈল সমাপতি বিৰচন।
শুনিয়োক যত সভাসদ সাধুজন।।
হৰিগুণ কীৰ্ত্তনত কৰিয়োক ৰতি।
কীৰ্ত্তনেসে মাধৱৰ পৰম ভকতি।।৮৭৭
নমোনমো কৃষ্ণ অনাথৰ নাথ দেৱ।

৮৬৬-৮৬৭। মূঃ শ্লোঃ— (উদ্ধৱৰ প্ৰতি কৃষ্ণদেৱৰ উক্তি)
সংখ্যানং পৰমাণুনাং কালেন ক্ৰিয়তে ময়া। ন তথা মে ৱিভূতীনাং সৃজতোহণ্ডানি কোটিশঃ।। -১১/১৬/৩৯
৮৭১-৮৭৪। মূঃ শ্লোঃ— (অক্ৰূৰৰ উক্তি)
যস্যাখিলাভীবহভিঃ সুমঙ্গৈলৰ্ৱাচো ৱিমিশ্ৰা গুণকৰ্ম্মজন্মভিঃ।
প্ৰাণন্তি শুম্ভন্তি পুনন্তি ৱৈ জগদ্ যাস্তদ্বিৰক্তাঃ শৱশোভনা মতাঃ।। -১০/৩৮/১২
৮৭৫-৮৭৬। মূঃ শ্লোঃ— (শুকদেৱৰ উক্তি)
ইত্থং হৰেৰ্ভগৱতো ৰুচিৰাৱতাৰৱীৰ্য্যাণি ৱালচৰিতানি চ শন্তমানি।
অন্যত্ৰ চেহ চ শ্ৰুতানি গৃণন্ মনুষ্যো ভক্তিং পৰাং পৰমহংসগতৌ লভেত।। -১১/৩১/২৮

মোত পৰে অনাথ নাহিকে আন কেৰ।।
একে ভৱ ৰোগে মোক সহজে পীড়য়।
বিষয় অপথ্য তাতে খাইলো অতিশয়।।৮৭৮
মনোৰথ চিন্তা বিষে হুয়া অচেতন।
সংসাৰ কূপত পৰি আছোঁ নাৰায়ণ।।
হেন মই দুঃখিতক তুমি বিনে আন।
নেদেখোঁ কৃপালু যিটো কৰিবেক ত্ৰাণ।।৮৭৯
জানি কৃষ্ণ তয়ু গুণ পৰম অমৃত।
তোমাৰ ভক্তৰ সঙ্গে পিয়ায়োক নিত।।
তেৰেসে দুৰ্ঘোৰ ভৱৰোগ হৈবে দূৰ।
কৰিয়োক কৃষ্ণ মোক কৰুণা প্ৰচুৰ।।৮৮০
তোমাৰ অভয় দুই চৰণ পঙ্কজে।
তাতে মোৰ মন মজি ৰহোক সহজে।।
মই ভিক্ষুকৰ সিদ্ধি কৰা মনস্কাম।
সামাজিক লোকে ডাকি বোলা ৰাম ৰাম।।৮৮১

## ষষ্ঠ ঃ স্মৰণ বিৰচন

### ছবি

হৰি কীৰ্ত্তনৰ যেন কহিলো মহিমা তাক
শুনিলাহা সামাজিক জন।
শুনা হৰি স্মৰণৰ মহিমা কহিবে প্ৰতি
আৰম্ভিলো পুনঃ বিৰচন।।
হৰি স্মৰণসে যাৰ কেৱল স্বভাৱ ভৈল
পৰম কৃতাৰ্থ সি সি আতি।
লৈয়োক ইহাৰ সাক্ষী উদ্ধৱ মহন্তে যেন
বুলিলন্ত গোপিকাক মাতি।।৮৮২
শুনিয়োক গোপীগণ যেহেতু অৰ্পিলা মন
ভগৱন্ত মাধৱৰ পাৰে।
এতেকেসে তুমি সৱ লোকৰ পূজিত অতি
কৃতকৃত্য ভৈলাহা স্বভাৱে।।

পুৰুষ জনম যেৰে অনেক প্ৰয়াস কৰি
যাগ যোগ আচৰি থাকয়।
তেৰে কদাচিত নৰে কৃষ্ণ পদ পঙ্কজত
মন নিৱেশাইবাক পাৰয়।।৮৮৩
হেন কৃষ্ণ চৰণত মন অৰ্পি অনুৰাগে
তাহাঙ্ক সুমৰা অণুক্ষণ।
যাগ যোগাদিৰো ফল লভিলাহা তুমিসৱ
মহাভাগ্যৱতী গোপীগণ।।
উদ্ধৱৰ বাক্য থওঁ এহি অৰ্থ স্পষ্ট কওঁ
ভগৱন্ত কৃষ্ণৰ বচনে।
শুনিয়ো উদ্ধৱ এহি মানে মাত্ৰ যোগ কহি
আছে সনকাদি ঋষিগণে।।৮৮৪
আন বিষয়ৰ চিন্তা এৰিয়া সাক্ষাতে যিটো
মোতে মাত্ৰ অৰ্পিলেক মন।
গুচিল চিত্তৰ মল পাইলেক সমস্ত ফল
ভৈল কৃতকৃত্য সিটো জন।।
এহিমানে মাধৱৰ বচন সংহৰি থৈলো
শুনা সভাসদ নিৰন্তৰ।
কৃষ্ণ চৰণত মন অৰ্পিবাৰ ফল যেন
কহোঁ এৰে বচন শুকৰ।।৮৮৫
বোলন্ত শুনিয়ো মহা পৰীক্ষিত নৃপবৰ
কৃষ্ণৰ অভয় চৰণত।
দিয়া কায় বাক্য মন সুমৰয় অণুক্ষণ
কৈবো কিবা তাহাৰ মহত্ত্ব।।
চৰণৰ একদেশে ছলে বলে একবাৰ
কৰাইলেক মনক নিৱেশ।
এতেকে জানিবা সিটো মহা মহা পাতকৰ
প্ৰায়শ্চিত্ত কৰিলে নিঃশেষ।।৮৮৬
যম যমকিঙ্কৰক স্বপ্নতো নেদেখে আৰ
পাইলে পাৰ ইটো সংসাৰৰ।
যি পুনঃ স্বভাৱে মন দিয়া চিন্তে অণুক্ষণ
সমস্ত অঙ্গকে মাধৱৰ।।

---

৮৮৩-৮৮৪। মূঃ শ্লোঃ— (গোপীসকলৰ প্ৰতি উদ্ধৱৰ উক্তি)
অহো যূয়ং স্ম পূৰ্ণাৰ্থা ভৱত্যো লোকপূজিতাঃ। ৱাসুদেৱে ভগৱতি যাসামিত্যৰ্পিতং মনঃ।। -১০/৪৭/২৩
৮৮৫। মূঃ শ্লোঃ— এতাৱান্ যোগ আদিষ্টো মচ্ছিষ্যৈঃ সনকাদিভিঃ। সৰ্ব্বতো মন আকৃষ্য ময্যদ্ধাহৱেশ্যতে যথা।। -১১/১৩/১৪
৮৮৬-৮৮৭। মূঃ শ্লোঃ— (শুকদেৱৰ উক্তি)
সকৃন্মনঃ কৃষ্ণ পদাৰৱিন্দয়োৰ্নিৱেশিতঃ তদ্‌গুণৰাগি যৈৰিহ।
ন তে যমং পাশভৃতশ্চ তদ্ভটান্ স্বপ্নেঽপি পশ্যন্তি হি চীৰ্ণনিষ্কৃতাঃ।। -৬/১/১৯

তাহাৰ মহিমা আৰ কহিয়া নপাওঁ পাৰ
ভৈল সিটো বল্লভ কৃষ্ণৰ।
নাৰদৰ আগে ব্ৰহ্মা কহিলন্ত আৰ যেন
শুনা ফলান্তৰ স্মৰণৰ।।৮৮৭
বোলন্ত নাৰদ মোৰ বচনত দিয়া চিত্ত
কহোঁ মই তোমাত সাক্ষাত।
যিহেতু আনন্দময় প্ৰেমৰসে যুক্ত হৈয়া
ঈশ্বৰক চিন্তিলো হিয়াত।।
তাতেসে মোহোৰ ইটো মন বাক্য শৰীৰৰ
নোহে মিছা ব্যাপাৰ সকল।
মোহোৰ প্ৰভাৱ নুহি জানিবা নিশ্চয় তুমি
কিন্তু হৰি স্মৰণৰ ফল।।৮৮৮
এহিহেতু ভগৱন্ত স্মৰণেসে মহালাভ
নাহি আৰ আন সংসাৰত।
সাংখ্য অষ্টাঙ্গ যোগ জন্মৰ এহিসে ফল
কহিলোহোঁ ইটো স্বৰূপত।।
অন্তকালে নাৰায়ণ স্মৰে যিটো মহাজন
তাৰ কোনে কহিবে মহিমা।
নাহি লাভ আতপৰ কৃতকৃত্য সিটো নৰ
এহিমানে মুকুতিৰ সীমা।।৮৮৯
কহোঁ আক স্পষ্ট কৰি পুনৰপি শুক বাক্যে
বোলন্ত শুনিয়ো পৰীক্ষিত।
স্মৰণৰ মহিমাক জানি কেশৱক ৰাজা
কৰিয়োক আনি হৃদিস্থিত।।
তেৱে মৃত্যু সময়ত হৈব সাৱধান চিত্ত
ত্যজি ইটো মায়াময় তনু।
স্মৰণৰ প্ৰভাৱত দহি কৰ্ম্মফল যত
পৰম গতিক পাইবা পুনু।।৮৯০
ম্ৰিয়মান সময়ত যাহাৰ স্মৰণ ভৈল
ভগৱন্ত পৰম ঈশ্বৰ।
আত্মৰূপ দেন্ত তাক যিহেতু স্মৰণি সিটো
ভৈল অতি সমস্ত লোকৰ।।
বুলিবাহা জ্ঞান বিনে স্মৰণ মাত্ৰকে কেনে
পাইব নিজ স্বৰূপ কৃষ্ণৰ।
সত্য ইটো প্ৰশ্ন শুনা ইহাৰ উত্তৰ যেন
জ্ঞানত অধীন স্মৰণৰ।।৮৯১
কৃষ্ণ পাদ পঙ্কজক সদায়ে সুমৰে যিটো
হোৱে নষ্ট তাৰ পাপ যত।
বাসনাকো কৰে ক্ষয় চিত্ত মহা শুদ্ধ হয়
মিলে প্ৰেম ভকতি কৃষ্ণত।।
বিজ্ঞান সহিতে জ্ঞান উপজয় বিদ্যমান
বিষয়ত গুচে অভিলাষ।
পৰম কল্যাণ তাৰ হোৱে হৰি স্মৰণৰ
ফলান্তৰ কৰিলো প্ৰকাশ।।৮৯২
নমো নমো নাৰায়ণ নৰৰূপ বিড়ম্বন
দৈৱকী নন্দন চিদানন্দ।
মোৰ মন মধুকৰে সদায় কৰোক পান
তযু পাদপদ্ম মকৰন্দ।।
তোমাৰ নিৰ্ম্মল যশ পৰম অমৃত ৰস
সদায়ে কৰোক কৰ্ণে পান।
ৰাম কৃষ্ণ আদি নাম লৌক মুখে অবিশ্ৰাম
দিয়া দান মোক এহিমান।।৮৯৩
ইটো ব্ৰহ্মাণ্ডত হৰি দুঃখী নাহি মোত সৰি

৮৮৮। মূঃ শ্লোঃ— (নাৰদৰ প্ৰতি ব্ৰহ্মাৰ উক্তি)
ন ভাৰতী মেহঙ্গ মৃযোপলক্ষ্যতে ন ৱৈ ক্বচিন্মে মনসো মৃষাগতিঃ।
ন মে হৃষীকাণি পতন্ত্যসৎপথে যন্মে হৃদৌৎকণ্ঠ্যৱতা ধৃতো হৰিঃ।। -২/৬/৩৩
৮৮৯। মূঃ শ্লোঃ— এতাৱান্ সাংখ্যযোগ্যভ্যাং স্বধৰ্ম্ম পৰিনিষ্ঠয়া।
জন্ম লাভঃ পৰঃ পুংসামন্তে নাৰায়ণ স্মৃতিঃ।। -২/১/৬
৮৯০-৮৯১। মূঃ শ্লোঃ—(শুকদেৱৰ উক্তি)
তস্মাৎ সৰ্ব্বত্মনা ৰাজন্ হৃদিস্থং কুৰু কেশৱম্। ম্ৰিয়মাণো হ্যৱহিতস্ততো য়াসি পৰাং গতিম্।।
ম্ৰিয়মাণৈৰভিধ্যেয়ো ভগৱান্ পৰমেশ্বৰঃ। আত্মভাৱং নয়ত্যঙ্গ সৰ্ব্বাত্মা সৰ্ব্বসংশ্ৰয়ঃ।। -১২/৩/৪৯-৫০
৮৯২। মূঃ শ্লোঃ— অৱিস্মৃতিঃ কৃষ্ণ পদাৰৱিন্দয়োঃ ক্ষিণোত্যভদ্ৰাণি চ শমং তনোতি।
সত্ত্বস্য শুদ্ধিং পৰমাত্মভক্তিং জ্ঞানং চ ৱিজ্ঞানৱিৰাগ যুক্তম্।। -১২/১২/৫৪

দাতা নাহি তোমাৰ সমান।
হাতে দান্তে তৃণ ধৰি মাগোঁহোঁ কার্পূণ্য কৰি
দিয়া প্ৰভু প্ৰাৰ্থিবাৰ দান।।
নকৰিয়ো আশা ভঙ্গ তযু ভকতৰ সঙ্গ
নুগুচোক সদায় আমাৰ।
কৰা কৃপা কৃপাময় যত সামাজিকচয়
ৰাম বুলি তৰিয়ো সংসাৰ।।৮৯৪

**পদ**

শুনিলাহা সাধু সভাসদ নিৰন্তৰ।
অতৰ্ক মহিমা অতি হৰি স্মৰণৰ।।
জ্ঞানাদিৰ পদে একো শ্ৰম নলাগয়।
হৰি স্মৰণত সুখে সমস্তে মিলয়।।৮৯৫
বুলিবাহা জ্ঞানৰ কাৰণ চিত্ত শুদ্ধি।
বিদ্যাতপ আদিসে নিৰ্ম্মল কৰে বুদ্ধি।।
কেনে জ্ঞান উপজিব হৰি স্মৰণত।
ইহাৰ উত্তৰ শুনিয়োক যেন মত।।৮৯৬
দেৱতাক উপাসয় স্বধৰ্ম্ম আচৰে।
সমস্ত ভূততে মহা মিত্ৰৱতী কৰে।।
তপ জপ যত যজ্ঞ দান তীৰ্থ ব্ৰতে।
ইসৱে চিত্তক শুদ্ধি নকৰে সিমতে।।৮৯৭
যেনমতে হৃদিগত হুয়া ভগৱন্ত।
বাসনা সহিতে মল চিত্তৰ হৰন্ত।।
এহি অৰ্থে পুনৰপি কহোঁ স্পষ্ট কৰি।
স্মৰণতে হৃদয়ত প্ৰৱেশিয়া হৰি।।৮৯৮
কলিকৃত্য মল যত হৰন্ত সমস্ত।
বিশেষে বিস্তৰ মল কলিৰ যুগত।।
সিয়ো মল গুচে হৰি স্মৰণে সৰ্ব্বথা।
আন মল গুচিবেক ইটো কোন কথা।।৮৯৯
হৰি স্মৰি তৰে নৰ মৃত্যুৰো সঙ্কট।
দৃষ্টান্ত সহিতে এহি অৰ্থ কৰো স্পষ্ট।।
যেন সুৱৰ্ণৰ ধাতু মিশ্ৰ মল যত।
কেৱলে বহ্নিসে তাক হৰয় সমস্ত।।৯০০
ক্ষাৰ পানী টেঙা লৈয়া যদ্যপি প্ৰক্ষালে।
তথাপি দুৰ্ব্বৰ্ণ নুগুচয় একো কালে।।
সেহিমতে যোগীৰো চিত্তৰ মল যত।
বিষ্ণুসে হৰন্ত তাক জানিবা সমস্ত।।৯০১
কদাচিতো নুগুচয় যোগ অভ্যাসত।
হৰি স্মৰণৰ কত কহিবো মহত্ত্ব।।
নাহিকে উপায় আন স্মৰণৰ সম।
পূৰ্ব্বাপৰ সাধু ইটো কৰিল নিয়ম।।৯০২
আৰো স্মৰণৰ কৰো মহিমা বিদিত।
যেন তেন মতে মাত্ৰ সুমৰোক নিত।।
তথাপিতো পুৰুষাৰ্থ সিদ্ধি হৈবে তাৰ।
উদ্ধৱ বচনে সাক্ষী লৈয়োক ইহাৰ।।৯০৩
বোলন্ত উদ্ধৱে মহা উৎসুকে মনত।
অসুৰসৱক মানো মহা ভাগৱত।।
হাতত ধৰিয়া চক্ৰ প্ৰভু ভগৱন্ত।
গৰুড় স্কন্ধত চড়ি সাক্ষাতে আসন্ত।।৯০৪
তাঙ্ক নেত্ৰ ভৰি দেখে যুদ্ধ সময়ত।
যোগী যাক প্ৰবন্ধে নেদেখে হৃদয়ত।।
হেন ঈশ্বৰক দেখে স্মৰি দ্বেষ ভাৱে।
তান হাতে মৰিসুখে মুকুতিক পাৱে।।৯০৫
মহাক্ৰোধে শত্ৰুবিধি সুমৰে অসুৰ।

---

৮৯৭-৮৯৮। মূঃ শ্লোঃ—ৱিদ্যাতপঃপ্ৰাণনিৰোধমৈত্ৰীতীৰ্থাভিষেকব্ৰতদানজপ্যৈঃ।
নাত্যন্তশুদ্ধিং লভতেহসন্তৰাত্মা যথা হৃদিস্থে ভগৱত্যনন্তে।। -১২/৩/৪৮
৮৯৮-৮৯৯। মূঃ শ্লোঃ—পুংসাং কলিকৃতান্ দোষাণ্ দ্ৰব্য দেশাত্মসম্ভৱান্। সৰ্ব্বান্ হৰতি চিত্তস্থো ভগৱান পুৰুষোত্তমঃ।।-১২/৩/৪৫
৯০০-৯০২। মূঃ শ্লোঃ—যথা হেম্নি স্থিতো ৱহ্নিৰ্দুৰ্ব্বৰ্ণ হন্তি ধাতুজম্। এৱমাত্মগতো ৱিষ্ণুৰ্যোগিনামশুভাশয়ম্।। -১২/৩/৪৭
৯০৩-৯০৭। মূঃ শ্লোঃ—মন্যেহসুৰান্ ভাগৱতাংস্ত্ৰ্যধীশে সংৰম্ভমাৰ্গাভিনিৱিষ্টচিত্তান্।
যে সংযুগেহচক্ষত তাৰ্ক্ষ্যপুত্ৰমংসে সুনাভায়ুধমাপতন্তম্।। -৩/২/২৪

তাকো অনুগ্ৰহ হৰি কৰন্ত প্ৰচুৰ।।
যিটো ভক্তিভাৱে তাঙ্ক শ্ৰদ্ধায়ে সুমৰে।
তাহাৰ ভাগ্যৰ অন্ত পাইব কোন নৰে।।৯০৬
উদ্ধৱৰ বচনত দেখাইলো সকল।
এহিমানে পুৰুষৰ পুৰুষাৰ্থ ফল।।
এতেকে মহন্তসৱে একান্ত যতনে।
ভজন্ত কৃষ্ণৰ দুই অভয় চৰণে।।৯০৭
ঈশ্বৰৰ পাদপদ্ম স্মৰণত পৰ।
অন্যত্ৰ নিমিত্ত আৰ নাহি কুশলৰ।।
ভগৱন্ত স্মৰণ স্বভাৱ ভৈল যাৰ।
নিজকৰ্ম্ম অনৰ্থো দুঃখাৰ্থ নুহি তাৰ।।৯০৮
লৈয়ো সাক্ষী জয় বিজয়ৰ বচনত।
সনকাদি ঋষিক বোলন্ত বৈকুণ্ঠত।।
কৰিলোহো অপৰাধ নিবাৰি তোমাক।
তাৰ প্ৰায়শ্চিত্ত সদ্যে কৰাইলা আমাক।।৯০৯
পাপ অনুসাৰে দণ্ড ভৈল সমুচিত।
আত অপৰাধ নাহি তোমাৰ কিঞ্চিত।।
মিলোক আমাত যিটো দিলা চণ্ড পাশ।
আৰ যেন মহন্তক নেদো উপতাপ।।৯১০
আজ্ঞা লঙ্ঘি হেলা কৰিলোহোঁ ঈশ্বৰক।
কৃপায়ে শাপিয়া সিয়ো নাশিলা পাপক।।
কিন্তু তোমাসাৰ অপৰাধৰ নিমিত্ত।
হৌক আমাসাৰ জন্ম নাৰকী যোনিত।।৯১১
তথাপিতো যেন ঈশ্বৰক নপাসৰো।
এহিমতে প্ৰাৰ্থনা তোমাত আমি কৰোঁ।।
জয় বিজয়ৰ বাক্য এহিমানে থওঁ।
ৰাজাগণ বাক্যে পুনঃ এহি অৰ্থ কওঁ।।৯১২
জৰাসন্ধে যত ৰাজা আছে বন্দী কৰি।
মেলাইলা সৱাকো জৰাসন্ধ বধি হৰি।।
মাগয়া কৃষ্ণত বৰ সেহি ৰাজাগণ।
কৃতাঞ্জলি হুয়া সৱে বোলন্ত বচন।।৯১৩
হেনমতে উপায় দিয়োক নাৰায়ণ।
সংসাৰে ভ্ৰমন্তে যেন তোমাৰ চৰণ।।
নপাসৰো আমি সদা যিসৱ উপায়।
এহি মহা অনুগ্ৰহ কৰা যদুৰায়।।৯১৪
বুলিবা তথাপি হৈব সংসাৰৰ দুঃখ।
নুহিবেক একো হৰি স্মৰণৰ সুখ।।
নুবুলিবা হেন শুনা ইহাৰ উত্তৰ।
কৃষ্ণে দিয়া চিত্ত বৃষ্ণিবংশ নিৰন্তৰ।।৯১৫
শয়ন ভোজন স্নান ক্ৰীয়া আদি কৰি।
কৰন্তে থাকয় সদা দেহক পাসৰি।।
দুঃখ পাসৰিব নুহি আশ্চৰ্য্য ইহাত।
ভগৱন্ত বাক্যে লৈয়ো প্ৰমাণ সাক্ষাত।।৯১৬
বোলন্ত উদ্ধৱ শুনা বচন আমাৰ।
মোত পৰে আনত আগ্ৰহ নাহি যাৰ।।
জিতেন্দ্ৰিয় শুদ্ধ সমচিত্ত সৰ্ব্বক্ষণ।
মোক স্মৰি সদায়ে সন্তুষ্ট যাৰ মন।।৯১৭
সিজনৰ ভৈল সুখময় দশদিশ।

---

৯০৭-৯০৮। মূঃ শ্লোঃ— (পৃথুৰ উক্তি)
ভজন্ত্যথ ত্বামত এৱ সাধৱো ব্যুদস্তমায়া গুণৱিভ্ৰমোদয়ম্।
ভৱৎ পদানুস্মৰণাদৃতে সতাং নিমিত্তমন্যদ্ভগৱন্ন ৱিদ্মহে।। -৪/২০/২৯
৯০৯-১০। মূঃ শ্লোঃ— ভূয়াদ্‌ঘোনি ভগৱদ্ভিৰকাৰি দণ্ডো যো নৌ হৰেত সুৰহেলনমপ্যশেষম্।
মা ৱোঽনুতাপকলয়া ভগৱৎ স্মৃতিঘ্নো মোহো ভৱেদিহ তু নৌ ব্ৰজতোৰঘোঽঘঃ। -৩/১৫/৩৬
৯১৩-৯১৪। মূঃ শ্লোঃ—তং নঃ সমাদিশোপায়ং যেন তে চৰণাব্জয়োঃ।
স্মৃতিৰ্যথা ন ৱিৰমেদপি সংসৰতামিহ।। -১০/৭৩/১৫
৯১৬। মূঃ শ্লোঃ— শয্যাসনাটনালাপক্ৰীড়াস্নানাকৰ্মদিসু। ন ৱিদুঃ সন্তমাত্মানং বৃষ্ণয়ঃ কৃষ্ণচেতসঃ।। -১০/৯০/৪৬
৯১৭-৯১৮। মূঃ শ্লোঃ—(ভগৱান শ্ৰীকৃষ্ণৰ উক্তি)
অকিঞ্চনস্য দান্তস্য শান্তস্য সমচেতসঃ। ময়া সন্তুষ্টমনসঃ সৰ্ব্বাঃ সুখময়া দিশঃ।। --১১/১৪/১৩
৯১৯-৯২০। মূঃ শ্লোঃ— ন পাৰমেষ্ঠ্যং ন মহেন্দ্ৰধিষ্ণ্যং ন সাৰ্ব্বভৌমং ন ৰসাধিপত্যম্।
ন যোগসিদ্ধীৰপুনৰ্ভৱং ৱা ময্যৰ্পিতাত্মেচ্ছতি মদ্বিনান্যৎ।। -১১/১৪/১৪

সংসাৰৰ দুঃখে তাক কৰিবেক কিস।।
আনন্দ সমুদ্রে মজি থাকে অতি মন।
নাহি অণুমাত্র তাৰ দুঃখক স্মৰণ।।৯১৮
হুয়া পৰিপূৰ্ণ মনে মোৰ চৰণত।
শুদ্ধ ব্ৰহ্মপদ সাৰ্ব্বভৌম সুখ যত।।
অণিমাদি সিদ্ধিকো নকৰে মনে বাঞ্ছা।
মই বিনে মুকুতিকো নকৰন্ত ইচ্ছা।।৯১৯
মইসে পৰম প্রিয়তম ভকতৰ।
মোহোৰ স্মৰণে কৃতকৃত্য হোৱে নৰ।।
মোক্ষতো অধিক মহাসুখ স্মৰণৰ।
তাৰ আগে কোন ইটো সুখ বিষয়ৰ।।৯২০
সমস্তকে এৰি মোত অৰ্পিলেক চিত্ত।
মই আত্মাৰূপে হওঁ হিয়াত বিদিত।।
মোক হৃদয়তে দেখি পাৰে যেন সুখ।
তাক কৈত পাইব যিটো বিষয় সন্মুখ।।৯২১
কৃষ্ণৰ বচন থওঁ সংহৰি সাম্প্রত।
নাহি অসম্ভাৱনা কৃষ্ণৰ স্মৰণত।।
শিশুপাল শাল্ব আদি যত ৰাজাগণ।
বৈৰভাৱে কৃষ্ণক সুমৰি অণুক্ষণ।।৯২২
কৃষ্ণৰ সমান ৰূপ পাইয়া অতিশয়।
মৰি মৰি গৈল সৱে বৈকুণ্ঠ নিলয়।।
যিটো অনুৰাগে চিন্তে হেনয় কৃষ্ণক।
কোনে কহি অন্ত পাৰে তাহাৰ ভাগ্যক।।৯২৩
পুনৰপি কৰোঁ অসম্ভাৱনা অন্তৰ।
শুনা যেন বেদ শিৰোৰত্নৰ উত্তৰ।।
নমানিবে কোনজনে বেদৰ বচন।
কৃষ্ণক কৰন্ত স্তুতি যত মন্ত্রগণ।।৯২৪
বোলন্ত শুনিয়ো কৃপাময় মহেশ্বৰ।
আশ্চৰ্য্য মহিমা কিনো তযু স্মৰণৰ।।
প্ৰাণ মন ইন্দ্ৰিয় নিয়মি যোগীগণ।
পাৰে যেন গতি চিন্তি তোমাৰ চৰণ।।৯২৫
বৈৰভাৱে থাকি যত বিপক্ষ নৃপতি।
তোমাক দ্বেষত স্মৰি পাইল সেহি গতি।।
বাসুকী সদৃশ তযু বাহু সুবলিত।
দেখি গোপীসৱৰ আসক্ত ভৈল চিত্ত।।৯২৬
পৰিচ্ছিন্ন দৃষ্টিৰে চিন্তিল অণুক্ষণ।
চিন্তোহোঁ ব্যাপক ৰূপে আমি বেদগণ।।
তথাপিতো সম গতি গোপীৰ আমাৰ।
অতৰ্ক্য মহিমা পদ স্মৰণ তোমাৰ।।৯২৭
ইন্দ্ৰিয় নিয়ম কৈত থাকিল যোগীৰ।
কিবা হানি ভৈল যত শত্রু নৃপতিৰ।।
নসাধিল গোপী কিবা কাম ভাৱে স্মৰি।
কিবাধিক পাইলো আমি সমদৃষ্টি কৰি।।৯২৮
চাৰিৰো আমাৰ ভৈল গতি সমসৰ।
হেনয় মহিমা প্ৰভু তযু স্মৰণৰ।।
এহিমানে সংহৰিলো বচন বেদৰ।
হেনবা বুলিবা বৈৰ নৃপতি সৱৰ।।৯২৯
বৈৰকৃত পাপচয় আছে বিদ্যমান।
কেনমতে হৈব তাৰা কৃষ্ণৰ সমান।।
দৃষ্টান্ত সহিতে শুনা উত্তৰ ইহাৰ।
ইজন্মৰ যত পাপ ৰাজা সকলৰ।।৯৩০
পূৰ্ব্ব জনমত পাপ কৰি আছে যত।
বৈৰভাৱে মাধৱক স্মৰিল সতত।।
তথাপিতো সমস্ত পাতক দূৰ ভৈল।
কৃষ্ণৰ স্বৰূপ পাইয়া বৈকুণ্ঠক গৈল।।৯৩১
যেন বাঘ পৰুৱা ধৰিয়া পোকা যত।

৯২১। মূঃ শ্লোঃ— ময্যৰ্পিতাত্মনঃ সভ্য নিৰপেক্ষস্য সৰ্ব্বতঃ। ময়াত্মনা সুখং যত্তৎ কুতঃ স্যাদ্‌ৱিষয়াত্মনাম্।। -১১/১৪/১২
৯২২-৯২৩। মূঃ শ্লোঃ—ৱৈৰেণ যং নৃপতয়ঃ শিশুপাল পৌণ্ড্ৰশাল্বাদয়ো গতিৱিলাসৱিলোকনাদ্যৈঃ।
ধ্যায়ন্ত আকৃতধিয়ঃ শয়নাসনাদৌ তৎসাম্যমাপুৰনুৰক্তধিয়াং পুনঃ কিম্।। -১১/৫/৪৮
৯২৪-৯২৯। মূঃ শ্লোঃ— (বেদৰ উক্তি)
নিভৃতমৰুন্মনোক্ষ দৃঢ় যোগযুজোহৃদি যন্মুনয় উপাসতে তদৰয়োহপি যযুঃ স্মৰণাৎ।
স্ত্রিয় উৰগেন্দ্রভোগভুজদণ্ডৱিষক্তধিয়ো ৱয়মপি তে সমাঃ সমদৃশোহঙ্‌ঘ্রিসৰোজসুধাঃ।। -১০/৮৭/২৩
৯৩১-৯৩২। মূঃ শ্লোঃ— (নাৰদৰ উক্তি)
এনঃ পূৰ্ব্বকৃতং যৎতদ্ ৰাজানঃ কৃষ্ণৱৈৰিণঃ। জহুস্ত্বন্তে তদাত্মানঃ কীটঃ পেশস্কৃতো যথা। -৭/১০/৩৯

নমাৰি জীৱন্তে আনি থৱয় বাসত।।
বাঘ পৰুৱাক পোকে চিন্তিয়া ভয়ত।
তাহাৰ স্বৰূপ পাৱে সেহি শৰীৰত।।৯৩২
যিবা যাকে সৰ্ব্বক্ষণে চিন্তিয়া থাকয়।
তাহাৰ স্বৰূপ সিটো অৱশ্যে পাৱয়।।
ইহাৰ প্ৰমাণ লৈয়ো বচনে কৃষ্ণৰ।
বোলন্ত উদ্ধৱ শুনা মোহোৰ উত্তৰ।।৯৩৩
বিষয়ক ধ্যান কৰি থাকে যিটোজন।
বিষয়ৰ আকাৰ হোৱয় তাৰ মন।।
মোক মাত্ৰ অণুক্ষণ চিন্তিয়া থাকয়।
মোহোৰ স্বৰূপ পাৱে সিটো মহাশয়।।৯৩৪
ভগৱন্ত বচনক থৈলোহোঁ সংহৰি।
এহিমানে তাৎপৰ্য্য কৈলো নিষ্ঠ কৰি।।
সমস্ত সুখতো শ্ৰেষ্ঠ কৃষ্ণৰ স্মৰণ।
হোৱে কৃতকৃত্য হৰি স্মৰি সৰ্ব্বক্ষণ।।৯৩৫
এতেকে কৃতাৰ্থ আতি ভৈল সিটো নৰ।
তথাপি প্ৰাৰ্থনা কৰে স্মৰণ কৃষ্ণৰ।।
নাৰদৰ বাক্যে লৈয়ো প্ৰমাণ সাক্ষাত।
কৃষ্ণক কৰন্ত স্তুতি ঋষি দ্বাৰকাত।।৯৩৬
বোলন্ত তোমাৰ ইটো চৰণ যুগল।
সমস্ত লোকৰ মহা মুকুতি মঙ্গল।।
ব্ৰহ্মা প্ৰতিমুখ্যে আছে যত যোগেশ্বৰ।
পৰম অগাধ বোধ তাহাৰা সবৰ।।৯৩৭
এহি চৰণক মাত্ৰ চিন্তে হৃদয়ত।
সংসাৰ কূপত পৰি আছে লোক যত।।
তাৰো অৱলম্ব্য এহি পাদপদ্ম মাত্ৰ।
আশ্ৰয় মাত্ৰকে হোৱে মুকুতিৰ পাত্ৰ।।৯৩৮
হেন চৰণক আমি সাক্ষাতে দেখিলো।
কিনো মোৰ ভাগ্য আজি কৃতকৃত্য ভৈলো।।
তথাপিতো মোক অনুগ্ৰহ কৰা হৰি।
তযু দুই পদ যেন সদায় সুমৰি।।৯৩৯
ইহাৰ গুণক প্ৰকাশিয়া জগতত।
ফুৰিবো সদায় মই চিন্তিয়া মনত।।
এহিমানে সংহৰিলো নাৰদ বাক্যক।
যাৰা সৱে এৰিবে নপাৰে বিষয়ক।।৯৪০
তাৰো ত্যাগ নুহি হৰি স্মৰণ মনত।
লৈয়ো সাক্ষী সাক্ষাতে গোপীৰ বচনত।।
কুৰুক্ষেত্ৰে গোপীসৱে কৃষ্ণৰ আগত।
কৰন্ত প্ৰাৰ্থনা সৱে পৰি দণ্ডৱত।।৯৪১
হে পদ্মনাভ দেৱ দেৱ দামোদৰ।
তযু পদ পঙ্কজ পৰম শ্ৰেষ্ঠতৰ।।
বুদ্ধিত অগাধ মহা মহা যোগেশ্বৰ।
হৃদয়ত চিন্তে এহি চৰণ সুন্দৰ।।৯৪২
ভৱ অন্ধকূপে পৰি আছে যিটোজন।
তাৰো উঠিবাৰ লতা তোমাৰ চৰণ।।
আমি গৃহ সেৱকিনী গোপীগণ যত।
এহি পদ অৰবিন্দ আমাৰ মনত।।৯৪৩
সদায় উদয় হৌক স্বপ্নতো সাক্ষাত।
এতেক প্ৰাৰ্থনা হৰি কৰিলো তোমাত।।
এহিমানে থৈলো গোপীসৱৰ বচন।
ভগৱন্ত বাক্যে সংহৰোহো প্ৰকৰণ।।৯৪৪
উদ্ধৱক বোলন্ত শুনিয়ো মহাশয়।
সংসাৰত যত সাধ্য সাধন আছয়।।
স্বপ্ন মনোৰথ যেন অসন্ত কেৱল।
জানিয়া ইহাক সখি তেজিয়ো সকল।।৯৪৫

---

৯৩৩-৯৩৪। মূঃ শ্লোঃ— ৱিষয়ান্ ধ্যায়তশ্চিত্তং ৱিষয়েষু ৱিষজ্জতে। মামনুস্মৰতশ্চিত্তং ময্যেৱ প্ৰৱিলীয়তে।। -১১/১৪/২৭
৯৩৭-৯৪০। মূঃ শ্লোঃ— (ভগৱন্তৰ প্ৰতি নাৰদৰ উক্তি)
দৃষ্টং তৱাঙ্‌ঘ্ৰিযুগলং জনতাপৱৰ্গং ব্ৰহ্মাদিভিৰ্হৃদি ৱিচিন্ত্যমগাধৱোধৈঃ।
সংসাৰকূপপতিতোত্তৰণালম্বং ধ্যায়ংশ্চৰাম্যনুগৃহাণ যথা স্মৃতিঃ স্যাৎ।। -১০/৬৯/১৮
৯২৪-৯২৯। মূঃ শ্লোঃ— আহুশ্চ তে নলিননাভ পদাৰৱিন্দং যোগেশ্বৰৈৰ্হৃদি ৱিচিন্ত্যমগাধবোধৈঃ।
সংসাৰকূপপতিত্তোৰণালম্বং গেহং জুষামপি মনুষ্যদিয়াৎ সদা নঃ।। -১০/৮২/৪৯
৯৪৫-৯৪৬। মূঃ শ্লোঃ— (উদ্ধৱৰ প্ৰতি ভগৱন্তৰ উক্তি)
তস্মাদসদভিধ্যানং যথা স্বপ্ন মনোৰথম্। হিত্বা ময়ি সমাধৎ স্ব মনো মদ্ভাৱভাৱিতম্।। -১১/১৪/২৮

মোৰ ভজনত মন কৰিয়ো শোধন।
তাতে স্থাপি মোক সুমৰিয়ো অণুক্ষণ।।
এতেকে গুচিবে ঘোৰ সংসাৰৰ দুঃখ।
অনায়াসে লভিবা পৰমানন্দ সুখ।।৯৪৬
এহিমানে থৈলো ভগৱন্তৰ বচন।
কৰিলোহো সমাপত ইটো বিৰচন।।
শুনিলোহো সাধু সভাসদ নিৰন্তৰ।
আশ্চৰ্য্য মহিমা যেন হৰি স্মৰণৰ।।৯৪৭
জাতি অন্ত্যজাতি জ্ঞানী অজ্ঞানী সকল।
যেই সেই মতে স্মৰি পাৱে সমফল।।
জানিয়া হৰিক সুমৰিয়ো সৰ্ব্বক্ষণ।
মায়াময় বিষয়ত তেজিয়ো যতন।।৯৪৮
দুৰ্ল্লভ ভাৰতে নৰ তনু আছা পাই।
ব্ৰহ্মা আদি দেৱে যাক প্ৰাৰ্থন্ত সদায়।।
আক অতি অল্প নেদেখিবা কদাচিত।
জানি কৃষ্ণ পাদপদ্ম সুমৰিয়ো নিত।।৯৪৯
এতেকে সংসাৰ দুঃখ হৈবেক নিৰ্য্যাণ।
কৃষ্ণৰ সমান ৰূপ পাইবা বিদ্যমান।
স্বভাৱে ঈশ্বৰ কৃষ্ণ দেৱ সৰ্ব্বোত্তম।।
নাহি আন ধৰ্ম্ম তান ভকতিক সম।।৯৫০

## সপ্তম ঃ পদসেৱন বিৰচন

### পদ

কহিলোহোঁ তাৎপৰ্য্য সকল শাস্ত্ৰৰ।
আৰম্ভিলো বিৰচন আত অনন্তৰ।।
নিৰূপণ কৰো কৃষ্ণ পদ নিসেৱন।
প্ৰতিমাদি পৰিচৰ্য্যা কৰে যিটো জন।।৯৫১
সাধাৰণ পদ নিসেৱন নাম তাৰ।
ভগৱন্ত পদসেৱা সৰ্ব্ব উপকাৰ।।
লৈয়ো আৰ প্ৰমাণ প্ৰহ্লাদ বচনত।
বোলন্ত প্ৰহ্লাদে শুনা অসুৰ সমস্ত।।৯৫২
দেৱাসুৰ নৰ যক্ষ গন্ধৰ্ব্ব যতেক।
মুকুন্দ চৰণ যিটো ভজয় প্ৰত্যেক।।
হৈবেক সৱাৰো মহা পৰম কল্যাণ।
মই যেন স্বাস্থ্যৱন্ত ভৈলো বিদ্যমান।।৯৫৩
ইহ পৰলোকে তাৰ মিলিবে মঙ্গল।
লৈয়ো তোৰাসৱে মোত প্ৰমাণ সকল।।
প্ৰহ্লাদ বচন থৈলো সংহৰি তাৰত।
ইহলোকে কল্যাণ মিলয় যেন মত।।৯৫৪
দেখাওঁ সাক্ষাতে লক্ষ্মী দেৱীৰ বাক্যত।
বোলন্ত সাদৰে দেৱী কৃষ্ণৰ আগত।।
ব্ৰহ্মাহৰ আদি কৰি যত দেৱচয়।
ইন্দ্ৰিয় সুখত আশা কৰি অতিশয়।।৯৫৫
মোহোৰ নিমিত্তে তপ কৰয় দুৰ্ঘোৰ।
তথাপি কটাক্ষ বিলাসত শ্ৰীক মোৰ।।
তযু পদ পৰায়ণ বিনে যত দেৱ।
কদাচিতো ঐশ্বৰ্য্যক নপাৱন্ত কেৱ।।৯৫৬
যিহেতু তোমাত মন মজিল আমাৰ।
তুমি বিনে আনক নজানো মই আৰ।।
তযু পৰতন্ত্ৰ যাতো ভৈলো নাৰায়ণ।
তোমাৰ ভক্তক মাত্ৰ কৰো বিলোকন।।৯৫৭
এহিমানে থৈলো লক্ষ্মী দেৱীৰ উত্তৰ।
পৰলোকে যিমত কুশল ভকতৰ।।
দেখাওঁ প্ৰমাণ ব্ৰহ্মা আদিৰ বচন।
দৈৱকীৰ গৰ্ভ লক্ষ্য কৰি দেৱগণ।।৯৫৮
কৃতাঞ্জলি হুয়া সৱে বোলন্ত সাদৰি।
শুনিয়োক কমললোচন দেৱহৰি।।

---

৯৫৩-৯৫৪। মূঃ শ্লোঃ—দেৱাহসুৰো মনুষ্যো ৱা যক্ষো গন্ধৰ্ব্ব এৱ চ। ভজন্ মুকুন্দচৰণং স্বস্তিমান্ স্যাদ যথা ৱয়ম। -৭/৭/৫০

৯৫৫-৯৫৮। মূঃ শ্লোঃ—মৎ প্ৰাপ্তয়েজেশসুৰাদয়ঃ স্তপ্যন্ত উগ্ৰং তপ ঐন্দ্ৰিয়েধিয়ঃ।
ঋতে ভৱৎ পাদপৰায়ণান্নমাং ৱিন্দন্ত্যহংত্বদ্ধদয়া যতোহজিত।। -৭/১৮/২২

৯৫৮-৯৬০। মূঃ শ্লোঃ— ত্বয্যম্বুজাক্ষাখিলসত্ত্বধাম্নি সমাধিনাহৱেশিতচেতসৈকে।
ত্বৎপাদপোতেন মহৎকৃতেন কুৰ্ব্বন্তি গোৱৎসপদং ভৱাব্ধিম্।। -১০/২/৩০

সমস্ত জীৱৰ তুমি পৰম আশ্ৰয়।
তোমাত একান্ত চিত্ত দিয়া অতিশয়।।৯৫৯
তযু পাদপদ্ম মহা নৌকা কৰি সাৰ।
গোখোজ সমান কৰি তৰয় সংসাৰ।।
ব্ৰহ্মাদিৰ বচন থৈলোহোঁ এহিমান।
বুলিবাহা যাৰত নুপজে তত্ত্বজ্ঞান।।৯৬০
ভগৱন্ত পাদপদ্ম সেৱা মাত্ৰকতে।
সংসাৰ সাগৰ নৰে তৰিব কিমতে।।
সত্য প্ৰশ্ন শুনিয়ো উত্তৰ যেন নয়।
হৰিপদ সেৱাতেসে জ্ঞানৰ উদয়।।৯৬১
ব্ৰহ্মাৰ বচনে সাক্ষী লৈয়োক সাক্ষাত।
কৰন্ত কৃষ্ণক স্তুতি কৰি যোৰহাত।।
যদ্যপি জ্ঞানৰ আছে সাধন বিস্তৰ।
তথাপি তোমাৰ দুই পদ পঙ্কজৰ।।৯৬২
এক প্ৰদেশৰ প্ৰসাদৰ এক লেশ।
দিয়া যাক অনুগ্ৰহ কৰা হৃষীকেশ।।
সি সি জনে জানে তযু মহিমাৰ তত্ত্ব।
তৰে অনায়াসে তেৰে ইটো সংসাৰত।।৯৬৩
অন্যথা অসঙ্গ হুয়া যোগ অভ্যাসত।
চিৰকাল বিচাৰি নজানে তযু তত্ত্ব।।
তোমাৰ ভকতে তত্ত্ব মহাসুখে জানে।
জ্ঞান অভ্যাসৰো প্ৰভু ফল এহিমানে।।৯৬৪
থৈলো উপসংহৰি ব্ৰহ্মাৰ বাক্যচয়।
হৰিপদ সেৱাতেসে গুচে সৱেভয়।।
লৈয়ো আৰ সাক্ষী দৈৱকীৰ বচনত।
কৃষ্ণক কৰন্ত স্তুতি সূতিকা গৃহত।।৯৬৫
হুয়া মহাভয় ভীত মৃত্যু সৰ্প হন্তে।
পলাই সৰ্ব্বজন ব্ৰহ্ম ভুৱন পৰ্য্যন্তে।।
একোৱে স্থানত জীৱে অভয় নপাৱে।
সৰ্ব্বলোক গ্ৰহিকালে আছয় স্বভাৱে।।৯৬৬
কোনো ভাগ্যোদয়ে তযু অভয় চৰণে।
সেৱা কৰিবাক প্ৰতি পশিল শৰণে।।
তেৱে মৃত্যু সৰ্পে এৰি হোৱয় অন্তৰ।
পৰম নিৰ্ভয় হুয়া থাকে সুখে নৰ।।৯৬৭
সিজনে এৰাইল হাত মৃত্যুৰ নিশ্চয়।
কোন অদভুত গুচিবেক আন ভয়।।
দৈৱকীৰ বচনক সংহৰিয়া থওঁ।
প্ৰহ্লাদ বচনে পুনঃ এহি অৰ্থ কওঁ।।৯৬৮
বোলন্ত প্ৰহ্লাদে শুনা দৈত্য নিৰন্তৰ।
ইটো গৃহবাস মূল কেৱলে দুঃখৰ।।
শোক মোহভয় স্পৃহা নুগুচে বিষাদ।
ৰাগ লোভ ক্ৰোধ আদি অনেক প্ৰমাদ।।৯৬৯
মিলে ক্ষণে ক্ষণে বহুবিধ মন দুঃখ।
সদায়ে নিকাৰময় নাহি একো সুখ।।
সংসাৰ চক্ৰৰ মাত্ৰ হেতু সমুদায়।
হেনয় গৃহৰ আশা ত্যজিয়ো সদায়।।৯৭০
পৰম অভয় দুই নৃসিংহ চৰণে।
শৰণ পশিয়া সেৱা কৰা অণুক্ষণে।।
থৈলোহো সাম্প্ৰত প্ৰহ্লাদৰ বাক্যচয়।
বুলিবাহা যেৱে এহি পৰমাৰ্থ হয়।।৯৭১
তেৱে কেনে সৱে কৃষ্ণ চৰণ পঙ্কজে।
নভজয় পাৱে যাত মুকুতি সহজে।।
শুনিয়ো ইহাৰ যেন উত্তৰ সম্প্ৰতি।
কৃষ্ণৰ মায়াত বিমোহিত হুয়া মতি।।৯৭২

৯৬২-৯৬৫। মূঃ শ্লোঃ— অথাপি তে দেৱ পদাম্বুজদ্বয়প্ৰসাদলেশানুগৃহীত এৱ হি।
জানাতি তত্ত্বং ভগৱন্মহিম্নো ন চান্য একোঽপি চিৰং ৱিচিন্বন্।। -১০/১৪/২৯
৯৬২-৯৬৫। মূঃ শ্লোঃ— ন যৎ প্ৰসাদাযুতভাগলেশ মন্যে চ দেৱা গুৱৱো জনাঃ স্বয়ম্।
কৰ্ত্তুং সমেতাঃ প্ৰভৱন্তি পুংসস্তমীশ্বৰং ত্বাং শৰণং প্ৰপদ্যে।। -৮/২৪/৪৯
৯৬৫-৯৬৮। মূঃ শ্লোঃ— (দৈৱকীৰ উক্তি)
মৰ্ত্ত্যো মৃত্যুব্যালভীতঃ পলায়ন লোকান সৰ্ব্বান্নিৰ্ভয়ং নাধ্যগচ্ছন্।
ত্বৎ পাদাব্জং প্ৰাপ্য যদৃচ্ছয়াদ্য স্বস্থঃ শেতে মৃত্যুৰস্মাদপৈতি।। -১০/৩/২৭
৯৬৯-৯৭১। মূঃ শ্লোঃ— তস্মাদ্ৰজোৰাগৱিষাদমন্যুমানস্পৃহাভয়দৈন্যাধিমূলম্।
হিত্বা গৃহং সংসৃতিচক্ৰৱালং নৃসিংহ পাদং ভজতাকুতোভয়মিতি।। -৫/১৮/১৪

নভজয় সৰ্ব্বজনে চৰণ কৃষ্ণৰ।
লৈয়ো সাক্ষী ইহাৰ বচনে উদ্ধৱৰ।।
বোলন্ত কৃষ্ণক প্ৰভু শুনিয়ো প্ৰত্যেক।
তযু পদ সেৱা বিনে উপায় যতেক।।৯৭৩
দুঃখ মাত্ৰ জানি তাক কৰি পৰিহাৰ।
মহাজন সৱে সাৰ কৰিয়া বিচাৰ।।
তোমাৰ চৰণ পদ্ম মহা শ্ৰেষ্ঠতৰ।
সমস্ত আনন্দ পূৰ্ণ কৰে ভকতৰ।।৯৭৪
জানি সুখে সেৱা আৰ কৰন্ত সদায়।
যাৰ মন মোহি আছে তোমাৰ মায়ায়।।
যতেক বিষয়ী কৰ্ম্ম যোগক আচৰি।
তোমাক নকৰে সেৱা তাতে গৰ্ব্ব কৰি।।৯৭৫
তোমাৰ ভক্তক মায়া নকৰে মোহিত।
যদি যোগ কৰ্ম্ম তাৰা কৰে কদাচিত।।
তথাপিতো অণুমাত্ৰ গৰ্ব্ব নুপজয়।
তযু সেৱাহীন যত যোগী কৰ্ম্মী চয়।।৯৭৬
মই মহাযোগী মই কৰ্ম্মত কুশল।
এহি অহঙ্কাৰে গৰ্ব্ব ওপজে কেৱল।
একোকালে মুকুতি নপাৰে সিটো নৰ।
এহিমানে থৈলোহোঁ বচন উদ্ধৱৰ।।৯৭৭
বুলিবা বহুত পন্থা আছে শ্ৰেয়স্কৰ।
কেনমতে ভৈল সাৰ সেৱা মাধৱৰ।।
ইহাৰ উত্তৰ যেন শুনিয়ো সমস্ত।
আন যত পন্থা সৱে বহু বিঘ্নগ্ৰস্ত।।৯৭৮
লৈয়ো সাক্ষী সনত কুমাৰ বচনত।
কহন্ত সাক্ষাতে পৃথু ৰাজাৰ আগত।।
বোলন্ত শুনিয়ো ৰাজা বচন আমাৰ।
নভৈল তৰণ হেতু ঈশ্বৰ যাহাৰ।।৯৭৯
তাহাৰ সংসাৰ সিন্ধু তৰণ দুষ্কৰ।
ষডুৰ্ম্মি ইন্দ্ৰিয় ঘোৰ কুম্ভীৰ মগৰ।।
লোভ মোহ কাম ক্ৰোধ ৰাগ দ্বেষ ভয়।
ইসৱ শত্ৰুৱে পুৰুষক নছাৰয়।।৯৮০
শোক সন্তাপ তৃষ্ণা আদি বহু দুঃখ।
নাহি ইটো সংসাৰত অণুমাত্ৰ সুখ।।
হেনয় দুৰ্গম ভৱ তৰিবাক আশে।
পৰম দুঃখক যোগ জ্ঞানাদি অভ্যাসে।।৯৮১
ঈশ্বৰ চৰণ সেৱা নকৰে যাৱত।
সংসাৰ তৰিৱে সিটো নপাৰে তাৱত।।
হেনজানি পৃথু তুমি আন পৰিহৰি।
ঈশ্বৰ কৃষ্ণৰ পাদপদ্ম নৌকা ধৰি।।৯৮২
তৰা মহাসুখে ভৱ দুস্তৰ সাগৰ।
সংহৰিলো বচন সনত কুমাৰৰ।।
দেখাইলোহো হৰি সেৱা পৰম সুখৰ।
আতপৰে যত পন্থ সকলো দুষ্কৰ।।৯৮৩
জানি কৃষ্ণপদ সেৱা নেৰিবা যতনে।
তান গুণ নাম মাত্ৰ জপা সৰ্ব্বক্ষণে।।
অন্যথা বিফল দেহ আদি নিৰন্তৰ।
লৈয়ো আৰ প্ৰমাণ বচনে মহেশৰ।।৯৮৪
দেন্ত উপদেশ দশ প্ৰচেতাসৰক।
বুলিবাহা তুমি সৱে ঈশ্বৰ কৃষ্ণক।।
হে কৃষ্ণ তযু পদ পঙ্কজ যুগল।
এৰিবেক আন কোন পণ্ডিত সকল।।৯৮৫
তোমাৰ চৰণ যিটো কৰে অনাদৰ।
ব্যৰ্থে ক্ষয় হোৱে দেহ সিটো অধমৰ।।
যিটো পদ পঙ্কজক ব্ৰহ্মা আদি কৰি।
বিনাশ শঙ্কায়ে অৰ্চ্চা কৰন্ত সাদৰি।।৯৮৬
সুদৃঢ় বিশ্বাসে অতি পৰম শ্ৰদ্ধায়।
চতুৰ্দ্দশ মনু আদি অৰ্চ্চন্ত সদায়।।
হেন চৰণক যেৱে কৰে পৰিহাৰ।

---

৯৭৪-৯৭৭। মূঃ শ্লোঃ— অথাত আনন্দদুঘং পদাম্বুজং হংসাঃ শ্ৰয়েৰন্নৰৱিন্দলোচন।
সুখং নু ৱিশ্বেশ্বৰ যোগকৰ্ম্মভি স্তন্মায়য়ামী ৱিহতা ন মানিনঃ।। -১১/২৯/৩

৯৭৯-৯৮৩। মূঃ শ্লোঃ— কৃচ্ছ্ৰো মহানিহ ভৱাৰ্ণৱমপ্লৱেশাং ষড়ৱৰ্গনক্ৰমসুখেনতিতীৰ্ষন্তি।
তত্ত্বং হৰেৰ্ভগৱতোভজনীয়মঙ্ঘ্ৰিং কৃত্বোডুপংৱ্যসনমুত্তৰ দুস্তৰাৰ্ণম।। -৪/২২/৪০

৯৮৫-৯৮৭। মূঃ শ্লোঃ— কস্ত্বং পদাব্জং ৱিজহাতি পণ্ডিতো য়স্তেৰমান ৱ্যয়মান কেতনঃ।
ৱিশঙ্কয়াস্মদ্ গুৰুৰ্চতিস্ম যদ্ ৱিনোপপত্তিং মনৱশ্চতুৰ্দ্দশ।। -৪/২৪/৬৭

যত পণ্ডিতালি আদি সৱে ব্যৰ্থ তাৰ।।৯৮৭
এহিমানে সংহৰিলো ৰুদ্ৰ বাক্য যত।
আছোক কৃষ্ণৰ পদ সেৱাৰ মহত্ত্ব।।
সেৱা কৰিবাক অভিৰুচি মাত্ৰকত।
পৰি আছে যিটো ঘোৰ সংসাৰ তাপত।।৯৮৮
তাহাৰো বুদ্ধিৰ মল অশেষ জন্মৰ।
তাৰক্ষণে সৱেনষ্ট হোৱে নিৰন্তৰ।।
পৰম সাত্বিকী শ্ৰদ্ধা বাঢ়ে প্ৰতি নিত।
কৃষ্ণ পাদ-পদ্মৰ মহিমা বিপৰীত।।৯৮৯
সেৱাৰ শ্ৰদ্ধাতে মল গুচয় নিঃশেষ।
শুনিয়ো ইহাৰ যেন দৃষ্টান্ত বিশেষ।।
যেন কৃষ্ণ পাদাঙ্গুষ্ঠে গঙ্গা হুয়া জাত।
তিনিয়ো জগত কৰে পৱিত্ৰ সাক্ষাত।।৯৯০
এৱে চিত্ত শুদ্ধিৰ শুনিয়ো যেন ফল।
পুৰুষৰ গুচিল বুদ্ধিৰ যেৱে মল।।
তেৱে বিষয়ত তাৰ বৈৰাগ্য মিলয়।
নিৰ্ম্মল মনত হোৱে জ্ঞানৰ উদয়।।৯৯১
হৃদয়তে ঈশ্বৰকো সাক্ষাতে দেখয়।
তৱে সুখে দুৰ্ঘোৰ সংসাৰ দুঃখভয়।।
কহিলোহোঁ ইসৱ যতেক ফল চয়।
হৰি পদ সেৱাতেসে সৱ উপজয়।।৯৯২
অন্যথা প্ৰকাৰে জ্ঞান আদি নপাৱয়।
বুলিবাহা কৰ্ম্মে চিত্ত পৱিত্ৰ কৰয়।।
ইহাৰ উত্তৰ শুনিয়োক যেন মত।
কৃষ্ণ পাদপদ্ম মকৰন্দ ৰস যত।।৯৯৩
তাক পান কৰে যত ভকত ভ্ৰমৰে।
দুঃখপ্ৰদ গৃহসুখে ৰমণ নকৰে।।
আন যত কৰ্ম্মী নানাকামে হুয়া মত্ত।
সদায় আসক্ত মাত্ৰ গৃহৰ সুখত।।৯৯৪
কৰ্ম্ম কৰি কৰিবাক খোজে মন শুদ্ধি।
নুগুচয় অধিকা মলিন হোৱে বুদ্ধি।।
এতেকেসে কৃষ্ণপদ সেৱা শ্ৰেষ্ঠতৰ।
শ্ৰদ্ধা মাত্ৰকতে মল গুচয় চিত্তৰ।।৯৯৫
এহি অৰ্থ কৰো স্পষ্ট ব্ৰহ্মাৰ বাক্যত।
বোলন্ত কৃষ্ণক স্তুতি হুয়া অৱনত।।
শুনিয়োক কৃষ্ণ কৃপাময় মহেশ্বৰ।
আনে আনে ভোগ লৱে তযু প্ৰসাদৰ।।৯৯৬
মই পুনু নোখোজোহোঁ মোক্ষ আদি যত।
এহি ব্ৰহ্ম শৰীৰে বা তিৰ্য্যক মধ্যত।।
হুয়া কোনো জন তযু ভক্তৰ মাজত।
তোমাৰ চৰণ সেৱা কৰিবো সতত।।৯৯৭
ব্ৰহ্মাৰ বচন থৈলো সংহৰি সকল।
কহোঁ পুনু হৰি পদ সেৱিবাৰ ফল।।
ৰাজাৰ আগত শুকে বোলন্ত বচন।
সংহৰিয়া কহো ব্ৰহ্মস্তুতি প্ৰকৰণ।।৯৯৮
কৃষ্ণেসে পৰম দেৱ জানি যিটো মনে।
তাহাৰ চৰণে মাত্ৰ পশিয়া শৰণে।।
তান পদ পল্লৱক নৌকা কৰি সাৰ।
গোখোজ সমান কৰি তৰয় সংসাৰ।।৯৯৯
পাৱে চতুৰ্ভুজ ৰূপ কৃষ্ণৰ সমান।

৯৯০-৯৯২। মূঃ শ্লোঃ— যৎপাদসেৱাভিৰুচিস্তপস্বিনামশেষ জন্মোপচিতং মলং ধিয়ঃ।
সদ্যঃক্ষিণোত্যন্বহমেধতী সতী যথা পদাঙ্গুষ্ঠৱিনিঃসৃতা সৰিৎ।।
ৱিনির্ধুতাশেষমনোমলঃ পুমানসঙ্গৱিজ্ঞানৱিশেষৱীৰ্যৱান্।
যদঙঘ্রিমূলেঃকৃতকেতনঃ পুন সংসৃতিং ক্লেশৱহাং প্ৰপদ্যতে।। -৪/২১/৩১-৩২
৯৯৪-৯৯৫। মূঃ শ্লোঃ— কৃষ্ণাঙ্ঘ্ৰি পদ্মমধূলিণ্ ন পুনৰ্ৱিসৃষ্টমায়া গুণেষু ৰমতে বৃজিনাৱহেষু।
অন্যস্তু কামহত আত্মৰজঃ প্ৰমাৰ্ষ্টুমীহেত কৰ্ম্ম যত এৱ ৰজঃ পুনঃ স্যাৎ।। -৬/৩/৩৩
৯৯৬-৯৯৭। মূঃ শ্লোঃ— (ব্ৰহ্মাদেৱৰ উক্তি)
তদস্তু মে নাথ সভূৰিভাগো ভৱেঽত্ৰৱান্যত্ৰ তু ৱা তিৰশ্চাম্।
যেনাহমেকোঽপি ভৱজ্জনানাং ভূত্বা নিষেৱে তৱ পাদপল্লৱম্।। -১০/১৪/৩০
৯৯৯-১০০০। মূঃ শ্লোঃ— সমাশ্ৰিতা যে পদপল্লৱপ্লৱং মহৎপদং পুণ্যযশোমুৰাৰেঃ।
ভৱাম্বুধিৰ্ৱৎসপদং পৰং পদং পদং পদং যদ্বিপদাং ন তেষাম্।। -১০/১৪/৫৮

পৰম্পদ বৈকুণ্ঠত হোৱে তাৰ স্থান।।
আপদৰ স্থান ইটো দুৰ্ঘোৰ সংসাৰ।
আক প্ৰতি সিটো পুনৰপি নাসে আৰ।।১০০০
শুকদেৱ বচনক সংহৰিয়া থৈলো।
হৰিৰ সেৱাৰ যেন ফল তাক কৈলো।।
নকৰয় সেৱা কৃষ্ণ পদ পঙ্কজত।
দেখা তাৰ ফল মুচুকুন্দ বচনত।।১০০১
বোলন্ত নৃপতি কৃষ্ণ দেৱৰ আগত।
দুৰ্ল্লভ মনুষ্য তনু পায়া ভাৰতত।।
যতন নকৰে সাধু সৱৰ সঙ্গত।
নভজে তোমাৰ দুই পদ পঙ্কজত।।১০০২
কৰে মাত্ৰ আশা মিছা বিষয় সুখত।
পাৱে যাক সুখে শূকৰাদি শৰীৰত।।
দুৰ্ল্লভ শৰীৰ তাৰ অৰ্থে নষ্ট কৰে।
গৃহ অন্ধকূপত পৰিয়া সিটো মৰে।।১০০৩
যেন পশু তৃণ লোভে পৰে অন্ধকূপে।
সিয়ো সেহিমতে মৰে কহিলো স্বৰূপে।।
মই পুনু লৈলো প্ৰভু তোমাত শৰণ।
এহিমানে থৈলো মুচুকুন্দৰ বচন।।১০০৪
যদি কু-নিৰ্ব্বন্ধে কদাচিতো বোলা বাণী।
কৃষ্ণ পদ সেৱ নকৰিলে নাহি হানি।।
স্বধৰ্ম্মতে পৰম কৃতাৰ্থ হোৱে নৰ।
প্ৰহ্লাদ বচনে শুনা ইহাৰ উত্তৰ।।১০০৫
নৃসিংহৰ আগত বোলন্ত মহাশয়।
মোহোৰ যুগুতি শুনিয়োক কৃপাময়।।
ধৰ্ম্ম সত্য দম তপ জপ যজ্ঞ বৰ।
অনসূয়া ধৃতি ক্ষমা লজ্জা অমৎসৰ।।১০০৬
দানে সমে এহি বাৰ গুণ ব্ৰাহ্মণৰ।
সদায়ে ইসব গুণে যুক্ত দ্বিজবৰ।।
কিন্তু যেৱে ভৈল প্ৰভু তোমাত বিমুখ।
সাধে মাত্ৰ ৰাত্ৰি দিনে ইন্দ্ৰিয়ৰ সুখ।।১০০৭
তাতো কৰি শ্ৰেষ্ঠ মানো সিটো চাণ্ডালক।
কায় বাক্য মনে যিটো তোমাৰ সেৱক।।
সমস্ত কুলকে সিটো কৰিলে পৱিত্ৰ।
হুইবেক আপুনি শুদ্ধ ইটো কোন চিত্ৰ।।১০০৮
নকৰন্ত সিটো বিপ্ৰে আপোনাকো শুদ্ধি।
কৰ্ম্ম গৰ্ব্বে অধিক মলিন হোৱে বুদ্ধি।।
এতেকে যিজন হৰি ভক্তিহীন অতি।
ভৈল সিটো জানিবা অধম হীন জাতি।।১০০৯
নুবুলিবা সিটোজন হীনজাতি মাত্ৰ।
কিন্তু সিটো ভৈল যম যাতনাৰো পাত্ৰ।।
যমৰ বচনে আৰ প্ৰমাণ লৈয়োক।
বোলন্ত শুনিয়ো মোৰ যমদূত লোক।।১০১০
হৰিপদ পঙ্কজৰ মকৰন্দ ৰস।
নিষ্কিঞ্চন ভকতৰ পৰম সৰ্ব্বস্ব।।
অজস্ৰে সেৱন্ত সংসাৰত জানি সাৰ।
হৰি সেৱা ৰসেসে জীৱন তাসম্বাৰ।।১০১১
সদায় বিমুখ যিটো হেনয় ৰসত।
বান্ধিলেক তৃষ্ণা গৃহে নৰক পথত।।
সেহিতো অসন্ত দৃষ্ট পৰম অজ্ঞান।

১০০৩-১০০৪। মূঃ শ্লোঃ— লব্ধাজনো দুৰ্ল্লভমত্ৰমানুষং কথঞ্চিদব্যঙ্গময়ত্নতোঽনঘ।
পাদাৰৱিন্দং ন ভজত্যসন্মতিৰ্গৃহান্ধকূপে পতিতো যথা পশুঃ।। -১০/৫১/৪৭
১০০৬-১০০৯। মূঃ শ্লোঃ— (প্ৰহ্লাদৰ উক্তি)
ৱিপ্ৰাদ্ দ্বিষড়্গুণযুতাদৰৱিন্দনাভপাদাৰৱিন্দৱিমুখাচ্ছ্বপচং ৱৰিষ্ঠম্।
মন্যে তদৰ্পিতমনোৱচনে হিতাৰ্থ প্ৰাণং পুনাতি সকুলং নতু ভূৰিমানঃ।।
দ্বাদশ গুণ (বাহ্বব্ৰত) ঃ ধৰ্ম্মশ্চ সত্যং চ দমঃ তপশ্চামাৎসৰ্য্যে হ্ৰীঃ তিতিক্ষাঽনসূয়া।
যজ্ঞশ্চ দানং চ ধৃতিঃ শ্ৰুতং চ ব্ৰতানি ৱৈ দ্বাদশ ব্ৰাহ্মণস্য।।
১০১১-১০১২। মূঃ শ্লোঃ—(দূতবিলাকৰ প্ৰতি যমৰ উক্তি)
তানানয়ধ্বমসতো ৱিমুখান্ মুকুন্দপাদাৰৱিন্দমকৰন্দৰসাদজস্ৰম্।
নিষ্কিঞ্চনৈঃ পৰমহংসকুলৈৰসঙ্গৈৰ্জুষ্টাদ্ গৃহে নিৰয়ৱৰ্ত্মনিবদ্ধতৃষ্ণান্।। -৬/৩/২৮
১০১৪। মূঃ শ্লোঃ— দেৱদত্তমিমং লব্ধা নৃলোকমজিতেন্দ্ৰিয়ঃ। যো নাদ্ৰিয়েত ত্বৎ পাদৌ শোচ্যোহ্যাত্মৱঞ্চকঃ।। -১০/৬৩/৪১

তাকে গৈয়া বান্ধি নৰকক লাগি আন।।১০১২
এহিমানে থৈলো যমৰাজাৰ বচন।
হৰিপদ সেৱাহীন ভৈল যিটো জন।।
জীৱন্ততে মৰা সিটো অধম পামৰ।
লৈয়োক ইহাৰ সাক্ষী বচনে ৰুদ্ৰৰ।।১০১৩
বাণৰ যুদ্ধত হৰে বোলন্ত কৃষ্ণক।
তুমি দিয়া আছা ইটো নৰ শৰীৰক।।
তথাপি তোমাৰ পদে কৰে অনাদৰ।
পৰম শোচনী আত্মঘাতী সিটো নৰ।।১০১৪
এহিমানে থৈলোহোঁ বচন মহেশ্বৰ।
ভৈল যিটোজন হৰিপদ সেৱাপৰ।।
সি সি মহামতি অতি ভৈল কৃতকৃত্য।
যুধিষ্ঠিৰ বাক্যে কৰো প্ৰমাণ বিদিত।।১০১৫
কৃষ্ণৰ আগত ৰাজা বোলন্ত উৎসুকে।
যিটো মহাজনে প্ৰভু তোমাৰ পাদুকে।।
শৰীৰে কৰয় সেৱা চিন্তে সদা মনে।
খড়মৰে গুণনাম বৰ্ণাৱে বচনে।।১০১৬
এতেকে গুচয় সংসাৰৰ যত বন্ধ।
অনায়াসে পাৱে মহা মুকুতি আনন্দ।।
আনো সৱ সুখ আসি মিলে যেৱে চাৱে।
আন জ্ঞানী কৰ্ম্মী যাক দেখিবে নপাৱে।।১০১৭
এহিমানে থৈলো যুধিষ্ঠিৰ বাক্য যত।
কিন্তু ভক্তে একোৱে নবাঞ্ছে বাস্তৱত।।
লৈয়োক প্ৰমাণ নাগ পত্নীৰ বাক্যত।
বোলে অৱনতে সৱে কৃষ্ণৰ আগত।।১০১৮
শুনিয়োক প্ৰভু কৃপাময় নাৰায়ণ।
তোমাৰ চৰণ ৰজে প্ৰপন্ন যিজন।।
সেৱাৰসে পৰিপূৰ্ণ হুয়া অতিশয়।
স্বৰ্গ ব্ৰহ্মপদ সাৰ্ব্বভৌম নবাঞ্ছয়।।১০১৯
পাতালাধিপতি যোগ সিদ্ধি মুকুতিত।
নোখোজয় যিটো জন ভকতি ৰসিক।।
সংহৰিয়া থৈলো নাগপত্নী বাক্য যত।
বুলিবা ভকতে কিবা বাঞ্ছে মাধৱত।।১০২০
ইহাৰ উত্তৰ শুনিয়োক কৌতূহলে।
কৰয় প্ৰাৰ্থনা যেন ভকত সকলে।।
হে দুঃখহাৰী হৰি জগত ব্যাপক।
আৰাধিয়া তোমাৰ চৰণ পঙ্কজক।।১০২১
সেৱা ত্যজি কোননো পণ্ডিত মহাজন।
প্ৰাৰ্থিবে তোমাত বৰ আত্মাৰ বন্ধন।
এহিমতে ভক্তে সেৱা এৰি আন বৰ।
নোখোজে সেৱাৰ সুখ জানে যিটো নৰ।।১০২২
বুলিবাহা যিটো বৰে আত্মাক বান্ধয়।
নোখোজোক তাক ইটো ব্যৱহাৰ হয়।।
মোক্ষে কিবা অপৰাধ কৰিয়া আছয়।
কৃষ্ণে যাচি দিয়ন্ত ভকতে নলৱয়।।১০২৩
নকৰিবা শঙ্কা শুনা ইহাৰ উত্তৰ।
সেৱাত ৰসিক যিটো ভৈল ঈশ্বৰৰ।।
তাহাৰ বিৰোধী যেন অন্যত্ৰ বিষয়।
মুকুতিয়ো সেহিমতে সেৱাক বাধয়।।১০২৪
কৃষ্ণৰ চৰণ সেৱা নাই মুকুতিত।
হৰি সেৱকৰ তাক এৰিবে উচিত।।
শ্ৰীকৃষ্ণ পত্নীৰ বাক্যে লৈয়োক প্ৰমাণ।
যোল হাজাৰৰ মাঝে ৰুক্মিণী প্ৰধান।।১০২৫
তেহেঁ দ্ৰৌপদীৰ আগে কহন্ত সাক্ষাত।
শুনিয়ো দ্ৰৌপদী কহোঁ স্বৰূপ তোমাত।।

---

১০১৬-১০১৭। মূঃ শ্লোঃ— ত্বৎপাদুকে অৱিৰতং পৰি যে চৰন্তি ধ্যায়ন্ত্যভদ্ৰনশনে শুচয়ো গৃণন্তি।
ৱিন্দন্তি তে কমলনাভ ভৱাপৱৰ্গ মাশাসতে যদি ত আশিস ঈশানান্যে।।। -১০/৭২/৪
১০১৯-১০২০। মূঃ শ্লোঃ— ন নাকপৃষ্ঠং ন চ সাৰ্ব্বভৌমং ন পাৰমেষ্ঠ্যং ন ৰসাধিপত্যম্।
ন যোগসিদ্ধীৰপুনৰ্ভৱং ৱা ৱাঞ্ছন্তি য়ৎ পাদৰজঃ প্ৰপন্নাঃ।।-- ১০/১৬/৩৭
১০২১-১০২২। মূঃ শ্লোঃ— ন কাময়েহন্যং তৱপাদ সেৱণাদাকিঞ্চন প্ৰাৰ্থ্যতমাদ্বৰং ৱিভো।
আৰাধ্য কস্ত্বাং হ্যপৱৰ্গদংহৰে বৃণীত আৰ্য্যো ৱৰমাত্মবন্ধনম্।।
১০২৬-১০২৮। মূঃ শ্লোঃ—ন ৱয়ং সাধ্বি সাম্ৰাজ্যং স্বাৰাজ্যং ভৌজ্যমপ্যুত। ৱৈৰাজ্যং পাৰমেষ্ঠ্যয়ে চ আনন্ত্যং ৱা হৰেঃ পদম্।।
কাময়ামহ এতস্য শ্ৰীমৎপাদৰজঃ শ্ৰিয়ঃ। কুচকুঙ্কুমগন্ধাঢ্যং মূৰ্দ্ধা ৱোঢুং গদ্যভৃতঃ।। -১০/৮৩/৪১-৪২

কৃষ্ণৰ চৰণ আমি কৰিয়া উপাসা।
সাৰ্ব্বভৌম পদকো নকৰো মনে আশা।।১০২৬
ইন্দ্ৰ ব্ৰহ্মপদ অণিমাদি সিদ্ধি যত।
নাহিকে আমাৰ ইচ্ছা মোক্ষৰ সুখত।।
হৰিৰ পৰমপদ সালোক্যাদি কৰি।
তাহাকো নোখোজোঁ তুমি জানিবা সুন্দৰী।।১০২৭
লক্ষ্মী কুচ কুঙ্কুমে সুগন্ধ অতিশয়।
কৃষ্ণ পদধূলি সৰ্ব্ব সম্পদ আশ্ৰয়।।
তাকে মাত্ৰ মাথায়ে বহিবো সৰ্ব্বক্ষণে।
এহিমানে বাঞ্ছো আমি কৃষ্ণৰ চৰণে।।১০২৮
শ্ৰীকৃষ্ণ পত্নীৰ বাক্য থৈলোহো সংহৰি
এহিমানে শাস্ত্ৰফল জানা নিষ্ঠ কৰি।।
কৰোহোঁ ইহাকে স্পষ্ট বচনে শুকৰ।
বোলন্ত শুনিয়ো ৰাজা কুৰু বংশধৰ।।১০২৯
দেৱতো উত্তম যত ব্ৰহ্মা আদি কৰি।
তেসম্বো সেৱন্ত কৃষ্ণ চৰণ সাদৰি।।
হেন মুকুন্দৰ পাদ পঙ্কজ উত্তম।
নকৰিবে সেৱা জানি কোননো অধম।।১০৩০
পায়া আছে তনু আতি ইন্দ্ৰিয় সম্পন্ন।
মৃত্যুৰ মুখত পৰি আছে সৰ্ব্বক্ষণ।।
তথাপি সিজনে মাধৱক নভজয়।
একোকালে সিটো নেৰাইবেক মৃত্যু ভয়।।১০৩১
কৃষ্ণ পদ সেৱাতেসে গুচে ভয় যত।
লৈয়োক প্ৰমাণ কৰি সিদ্ধৰ বাক্যত।।
কহন্ত প্ৰবোধি মুনি নিমি নৃপতিক।
শুনিয়োক ৰাজা যিটো সুখ আত্যন্তিক।।১০৩২
মিছা মায়াময় ইটো যতেক বিষয়।
আতে যাৰ উদ্বিগ্ন বুদ্ধি অতিশয়।।
কৰে আত্ম ভাৱনা অসন্ত শৰীৰত।
সিয়ো যেৱে লৱে একশৰণ কৃষ্ণত।।১০৩৩
তান পাদ পদ্ম মাত্ৰ সদা উপাসয়।
তাহাৰো নিঃশেষে দুঃখ ভয় নিৱৰ্ত্তয়।।
চৰণ উপাসা আৰ নেৰয় কৃষ্ণৰ।
আকে বুলি আত্যন্তিক সুখ নৃপবৰ।।১০৩৪
এহিমানে থৈলো কৰি বচন সংহৰি।
যাৰ যেন মত স্বধৰ্ম্মকো পৰিহৰি।।
কৃষ্ণৰ চৰণ সেৱা কৰিব অৱশ্য।
এহিমানে ভাগৱত শাস্ত্ৰৰ ৰহস্য।।১০৩৫
বুলিবাহা ভগৱন্ত ঈশ্বৰ কৃষ্ণৰ।
চৰণ সেৱাত প্ৰৱৰ্ত্তিল যিটো নৰ।।
সেৱা পৰিপক্ক যেৱে নভৈল তাহাৰ।
স্বধৰ্ম্ম ত্যাগত হৈব অনৰ্থ অপাৰ।।১০৩৬
নাৰদ বচনে লৈয়ো ইহাৰ উত্তৰ।
উপদেশি চিত্ত শান্ত কৰন্ত ব্যাসৰ।।
বোলন্ত ব্যাসক যত নিত্য নৈমিত্তিক।
অনাদৰি দিওঁ উপদেশ ভকতিক।।১০৩৭
স্বধৰ্ম্মক ত্যজি নৰে ভজে মাধৱক।
নভৈল যদ্যপি তাৰ সেৱা পৰিপক্ক।।
মৰিল বা ভকতি বা গুচিল সদায়।
তথাপিতো তাৰ অনৰ্থক শঙ্কা নাই।।১০৩৮
ভক্তি ৰসিকৰ নাহি কৰ্ম্মে অধিকাৰ।
ঊৰ্দ্ধবাহু হুয়া কহোঁ কৰি অঙ্গীকাৰ।।
তোমাকো কটাক্ষ ব্যাস কৰো আতিশয়।
কু যোনিত সিটো যদি জনম লভয়।।১০৩৯
ভক্তি শ্ৰদ্ধালুৰ তভো অকল্যাণ নাই।
তাৰিবেক ভকতিৰ বাসনায়ে পাই।।
নভজে যি সৱ নৰে ঈশ্বৰৰ পায়।
কেৱলে স্বধৰ্ম্ম মাত্ৰ আচৰে সদায়।।১০৪০
তাত হন্তে কিবা অৰ্থ পাৱে সিটো নৰ।
কিন্তু ভক্তি পৰিপক্ক ভৈল যিজনৰ।।

---

১০৩০-১০৩১। মূঃ শ্লোঃ—কো নু ৰাজন্ ইন্দ্ৰিয়ৱান্ মুকুন্দ চৰাণাম্বুজম্। ন ভজেং সৰ্ব্বতোমৃত্যুৰুপাস্যমমৰোত্তমৈঃ।। -১১/২/২

১০৩৩-১০৩৪। মূঃ শ্লোঃ—মন্যেহকুতশ্চিদ্ভয়মচ্যুতস্য পাদাম্বুজোপাসনমত্র নিত্যম্।
উদ্বিগ্নবুদ্ধেৰসদাত্মভাৱাদ্ ৱিশ্বাত্মনা যত্র নিৱৰ্ত্ততে ভীঃ।। --১১/২/৩৩

১০৩৭-১০৪০। মূঃ শ্লোঃ—(ব্যাসৰ প্ৰতি নাৰদৰ উপদেশ)
ত্যক্ত্বা স্বধৰ্ম্ম চৰণাম্বুজং হৰেৰ্ভজন্নপক্কোহথ পতেত্ততো যদি।
যত্র ক্ব ৱা ভদ্ৰমভূদমুষ্য কিং কো ৱাৰ্থ আপ্তোহভজতাং স্বধৰ্ম্মতঃ।।। -১/৫/১৭

সংসাৰত পতন নাহিকে তাসম্বাৰ।
সিজনৰ অনৰ্থক শঙ্কা কিবা আৰ।।১০৪১
দেহাদিতো ভাৱ যাৰ গুচিল সম্প্ৰতি।
অন্যত্ৰ দেৱতো আৰ নকৰে ভকতি।।
নুহিবে এতেকে তাৰ বিকৰ্ম্মত চিত্ত।
যদি প্ৰমাদত পাপ সিজে কদাচিত।।১০৪২
তাকো ততকালে দূৰ মাধৱে কৰন্ত।
বুলিবাহা তাক কিয় যমে সহিবন্ত।।
শুনিয়ো উত্তৰ যেন নকৰিবা চিন্তা।
কাল মায়াদিৰো জানা হৰিসে নিয়ন্তা।।১০৪৩
বুলিবাহা শ্ৰুতি স্মৃতি আজ্ঞা ঈশ্বৰৰ।
তান আজ্ঞা ভাঙ্গিলে তাহাঙ্কে হৈব ডৰ।।
নিজ আজ্ঞা ভঙ্গ ভৈলে নসৈৰন্ত হৰি।
ইহাৰ উত্তৰ শুনা শঙ্কা দূৰ কৰি।।১০৪৪
নধৰন্ত দোষ হৰি ভকত জনৰ।
নাহি প্ৰিয়তম তান ভকতত পৰ।।
বুলিবাহা পাপক্ষয় অৰ্থে নভজয়।
কিয় কৰিবন্ত হৰি তাৰ পাপক্ষয়।।১০৪৫
ইহাৰ উত্তৰ শুনিয়োক একমনে।
স্বভাৱে হিয়াত হৰি আছে সৰ্ব্বক্ষণে।।
উৎপত্তি মাত্ৰকে পাপ তেখনে হৰয়।
বস্তুৰ শকতি প্ৰাৰ্থনাক নাপেক্ষয়।।১০৪৬
শুনিয়োক সাধু সভাসদ নিৰন্তৰ।
পৰম কৃপালু গুণ দেখিয়ো কৃষ্ণৰ।।
নকৰন্ত ভকতৰ দোষক বিচাৰ।
ভজন মাত্ৰকে কৰে পাপক সংহাৰ।।১০৪৭
জানি উপকাৰী দেৱ ভজা ভগৱন্ত।
এতেকে মুকুতি হৰি স্বভাৱে দিৱন্ত।।
মনুষ্য হৈবাৰ ফল এহিমানে মাত্ৰ।
অন্যত্ৰ শৰীৰ নুহি ভকতিৰ পাত্ৰ।।১০৪৮
সমস্ত যোনিতে বিষয়ৰ সুখ পায়।
ঈশ্বৰৰ সেৱা নৰতনু বিনে নাই।।
জানিয়া কৃষ্ণক ভজা ত্যজি আন কাম।
মাধৱে ৰচিলা ডাকি বোলা ৰাম ৰাম।।১০৪৯

## দুলড়ি

কৃষ্ণৰ চৰণ সেৱাৰ মহত্ত্ব
শুনিলা যেন পূৰ্ব্বত।
স্বধৰ্ম্মকো এৰি কৃষ্ণৰ ভকতি
হোৱয় সিদ্ধি সমস্ত।।
জানিয়া ভকত সকলে যদ্যপি
কৰয় ত্যাগ বিহিত।
প্ৰমাদত অৱি- হিত আচৰিলে
নাহি আন প্ৰায়শ্চিত্ত।।১০৫০
কায় বাক্য মনে সুদৃঢ় বিশ্বাসে
কৰোক সেৱা কৃষ্ণত।
এতেকে পৰম কৃতাৰ্থ হৈবেক
ঈশ্বৰৰ প্ৰসাদত।।
উক্ত অৰ্থ পুনু দঢ়ায়া কহঞো
জনকৰ বচনত।
মিথিলাত ৰাজা বোলন্ত কৃষ্ণক
হুয়া অতি অৱনত।।১০৫১
হে কৃষ্ণ কৃপা- ময় প্ৰভু দেৱ
প্ৰণামো তোমাৰ পাৱে।
আজ্ঞা ভঙ্গ দোষ নিজ ভকতৰ
নধৰা তুমি স্বভাৱে।।
হেনয় পৰম কৃপালু গুণক
জানয় যেৱে তোমাৰ।
কোননো পুৰুষে তযু পাদপদ্ম
ভজিয়া ত্যজিবে আৰ।।১০৫২
তুমি বিনে যিটো শান্তমতি মুনি
সাৰ কিছু নেদেখয়।
তাসম্বাক প্ৰভু আপোনাক দিয়া
কিনো প্ৰভু কৃপাময়।।
জনক বচন থৈলো এহিমানে
কহিবো কিবা বিস্তৰ।
ভগৱন্ত পদ সেৱায়ে জানিবা

---

১০৪৫-১০৪৬। মূঃ শ্লোঃ—স্বপাদমূলং ভজতঃ প্ৰিয়স্য ত্যক্ত্যান্যভাৱস্য হৰিঃ পৰেশঃ।
ৱিকৰ্ম্ম যচ্চোৎপতিতং কথঞ্চিদ্ ধুনোতি সৰ্ব্বং হৃদি সন্নিৱিষ্টঃ।। -১১/৫/৪২

১০৫১-১০৫৩। মূঃ শ্লোঃ—কো নু ত্বচ্চৰণাম্ভোজমেৱং ৱিদ্ ৱিসৃজেৎ পুমান্। নিষ্কিঞ্চনানাং শান্তানাং মুনীনাং যস্ত্বমাৎ মদঃ।। -১০/৮৬/৩৩

সীমা সৰে অনৰ্থৰ।।১০৫৩
কৃষ্ণৰ আগত ব্ৰহ্মাৰ বচনে
লৈয়োক আৰ প্ৰমাণ।
বোলন্ত বিধিয়ে শুনিয়োক প্ৰভু
কহোঁ মই বিদ্যমান।।
ধন জন আদি থাকন্তে লোকৰ
নুগুচে মনৰ ভয়।
হৰাইলে মৰিলে মিলে মহাশোক
পুনু স্পৃহা উপজয়।।১০৫৪
তাতো হন্তে মহা পাৰে পৰাভৱ
তথাপি তৃষ্ণা বিস্তৰ।
পুনু কথঞ্চিত পাইলে মোৰ বুলি
আগ্ৰহ মিলে মনৰ।।
এহিমতে ভয় শোক আদি দুঃখ
পাৰয় লোকে তাৰত।
তোমাৰ অভয় চৰণ মূলত
নকৰে সেৱা যাৱত।।১০৫৫
যেবে তয়ু পদ আশ্ৰয় কৰিয়া
কৰে সেৱা নিৰন্তৰ।
তেৱে সৰ্ব্ব দুঃখ ভয় আদি কৰি
গুচয় সিটো জনৰ।।
ব্ৰহ্মাৰ বচন থৈলো এহিমানে
শুনিয়ো পুনু নিশ্চয়।
যোগী সমস্তৰ কৃষ্ণৰ চৰণ
সেৱাসে মাত্ৰ অভয়।।১০৫৬
ইহাৰ প্ৰমাণ কপিল বচনে
দেখাঞো সাক্ষাতে আনি।
বোলন্ত শুনিয়ো দেৱহূতি মাতৃ
কহো মই নিষ্ঠ বাণী।।
মোৰ পদমূল সেৱা নিশ্চয়ক
বুলিয় পৰম জ্ঞান।
ইহ পৰলোকে বৈৰাগ্যৰ হেতু
নাহি সেৱা বিনে আন।।১০৫৭
এতেকে ভকতি যোগক আশ্ৰয়
যত মহা যোগী সন্ত।
কুশলৰ অৰ্থে মোহোৰ অভয়
চৰণে সেৱা কৰন্ত।।
কপিল বচন থৈলো কৰি বাক্যে
কহোঁ উপসংহৰিয়া।
নিমি নৃপতিক বোলন্ত মোহোৰ
বচনত দিয়া হিয়া।।১০৫৮
এহিমতে অণু- ক্ষণে অচ্যুতৰ
ভজন্ত পদ কমল।
দুৰ্ব্বাসনা আদি কৰিয়া যতেক
গুচয় চিত্তৰ মল।।
সপ্ৰেম ভকতি মিলে বিৰকতি
দেহ গেহ সমস্তত।
ঈশ্বৰ স্বৰূপ হোৱয় প্ৰকাশ
নিশ্চল শুদ্ধ মনত।।১০৫৯
জ্ঞান আদি কৰি যত মহা গুণ
উপজে আসি হিয়াত।
পৰম শান্তিক পাছে অপ্ৰয়াসে
ভকতে পাৰে সাক্ষাত।।
ইহ পৰলোকে হোৱয় কৃতাৰ্থ
মাধৱৰ প্ৰসাদত।
ভগৱন্ত পদ সেৱা বিৰচন
এহিমানে সমাপত।।১০৬০
নমো নমো কৃষ্ণ কৰুণা সাগৰ
কৰিয়ো কৃপা আমাক।
যেই সেই অৱস্থাতে মোৰ মনে
নেৰোক সদা তোমাক।।
মই অধমৰ অহঙ্কাৰ আদি
গুচায়ো মায়া বন্ধন।

১০৫৪-১০৫৬। মূঃ শ্লোঃ-- তাৱদ্ভয়ং দ্ৰৱিণগেহসুহৃন্নিমিত্তং শোকঃ স্পৃহা পৰিভৱো ৱিপুলশ্চ লোভঃ।
তাৱন্মমেত্যসদৱগ্ৰহ আৰ্ত্তিমূলং যাৱন্নতেহঙ্‌ঘ্ৰিমভয়ংপ্ৰবৃণীত লোকঃ।। -৩/৯/৬

১০৫৭-১০৫৮। মূঃ শ্লোঃ-- জ্ঞান বৈৰাগ্যযুক্তেন ভক্তি যোগেন যোগিনঃ। ক্ষেমায় পাদমূলং মে প্ৰৱিশ্যন্ত্যকুতোভয়ম্।।-৩/২৫/৪৩

১০৫৯-১০৬০। মূঃ শ্লোঃ-- ইত্যচ্যুতাঙ্‌ঘ্ৰিং ভজতোঽনুবৃত্ত্যা ভক্তিৰ্বিৰক্তিৰ্ভগৱৎপ্ৰবোধঃ।
ভৱন্তি বৈ ভাগৱতস্য ৰাজন্ ততঃ পৰাং শান্তিমুপৈতি সাক্ষাৎ।। -১১/২/৪৩

তোমাৰ অভয় চৰণ পঙ্কজে
লৈলোহোঁ হেৰা শৰণ।।১০৬১
বিষয় ব্যাধিত ভৈলোহো আতুৰ
চিন্তা বিষে যায় প্ৰাণ।
ভকতৰ মুখে তযু কথামৃত
সদায়ে কৰায়ো পান।।
এতেকে কৃতাৰ্থ হৈবোঁ প্ৰভু কৃষ্ণ
পূৰিয়ো মনৰ কাম।
মূৰুখ মাধৱে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।১০৬২

## অষ্টম ঃ অৰ্চ্চন বিৰচন

### পদ

পুনৰপি আৰম্ভ কৰিলো বিৰচন।
কৃষ্ণপদ অৰ্চ্চনক কৰো নিৰূপণ।।
কৃষ্ণৰ পূজায় সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহো নপাৱয়।।১০৬৩
দৃষ্টান্ত দ্বিতীয়ে আক কৰোহোঁ বেকত।
যেন জল দান দিলে বৃক্ষৰ মূলত।।
হোৱয় তৃপিতি ডাল পত্ৰ পুষ্প যত।
অন্যথা নুহিকে যদি সিঞ্চে প্ৰত্যেকত।।১০৬৪
আৰু যেন প্ৰাণৰ ভোজনে অতিশয়।
নিৰন্তৰে ইন্দ্ৰিয়ৰ তৃপিতি মিলয়।।
নকৰে ভোজন ক্ষুধাতুৰ নৰে যাৰে।
বস্ত্ৰ অলঙ্কাৰ ফুল চন্দন পিন্ধাৰে।।১০৬৫
তথাপি তৃপিতি নাহি একো ইন্দ্ৰিয়ৰ।
প্ৰাণ তুষ্ট ভৈলে তুষ্ট হোৱে নিৰন্তৰ।।
সেহিমতে কৃষ্ণক আৰাধে যিটো জন।
ভৈল তাৰ সমস্ত দেৱক আৰাধন।।১০৬৬
কৃষ্ণক নুপূজি যদি পৃথকে পূজয়।
নুহিকে কাহাৰো পূজা জানিবা নিশ্চয়।।
যিহেতু স্বভাৱে জগতৰ আত্মা হৰি।
যিটো মহাজনে তাঙ্ক পূজয় সাদৰি।।১০৬৭
আপুনি সহিতে পূজিলেক চৰাচৰ।
জানিলেক তত্ত্ব সিটো বেদ আগমৰ।।
নানা ক্ৰিয়া পন্থে যিটো কৰ্ম্ম যোগীগণ।
ভগৱন্ত স্বৰূপক কৰয় পূজন।।১০৬৮
তাকেসে পণ্ডিত বুলি বেদ আগমত।
শুনিয়োক ভগৱন্ত ৰূপ যেন মত।।
জানি তাক প্ৰাণ মন ইন্দ্ৰিয়ৰ দ্বাৰে।
ঈশ্বৰ কৃষ্ণেসে জানা নিয়ন্তা সৱাৰে।।১০৬৯
যিহেতু চৈতন্য ভগৱন্তেসে কেৱল।
তাতেসে প্ৰৱৰ্ত্তে যত ইন্দ্ৰিয়সকল।।
চিনাইলোহো ভগৱন্ত স্বৰূপ নিশ্চয়।
তাঙ্কে পূজা কৰিলে যথেষ্ট সিদ্ধি হয়।।১০৭০
শাস্ত্ৰ চক্ষু দ্বাৰে যত পণ্ডিত উত্তম।
দেখাই আছে তাকে মুখ্য উপায় সুগম।।
চিত্তো উপশম হোৱে কৃষ্ণৰ পূজাত।
এহিমানে মাত্ৰ পন্থ জানিবা সাক্ষাত।।১০৭১
ন্যায় উপাৰ্জ্জিত বিত্ত শুদ্ধ অতিশয়।
সেহি শুদ্ধ বিত্তে ভগৱন্তক পূজয়।।
যিটো জন নিষ্কামে অৰ্চ্চয় শ্ৰদ্ধাভাৱে।

১০৬১-১০৬৭। মূঃ শ্লোঃ-- যথা তৰোৰ্ম্মূলনিষেচনেন তৃপ্যন্তি তৎস্কন্ধভুজোপশাখাঃ। -৪/৩১/১৪
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়াণাং তথৈৱ সৰ্ব্বাৰ্হণমচ্যুতেজ্যা।। -৪/৩১/১৪
তথাচ ঃ যথা হি স্কন্ধশাখানাং তৰোৰ্মূলাৱসেচনম্। এৱমাৰাধনং ৱিষ্ণোঃ সৰ্ব্বেষামাত্মনশ্চ হি।।- ৮/৫/৪৯
১০৬৮-১০৭০। মূঃ শ্লোঃ-- ক্ৰিয়া কলাপৈৰিদমেৱ যোগিনঃ শ্ৰদ্ধান্বিতাঃ সাধু যজন্তি সিদ্ধয়ে।
ভূতেন্দ্ৰিয়ান্তঃকৰণোপলক্ষিতং ৱেদে চ তন্ত্ৰে চ ত এৱ কোৱিদাঃ।। -৪/২৪/৬২
১০৭০-১০৭১। মূঃ শ্লোঃ-- চিত্তস্যোপশমোহয়ং ৱৈ কৱিভিঃ শাস্ত্ৰচক্ষুষা। দৰ্শিতঃ সুগমো যোগো ধৰ্ম্মশ্চাত্মমুদাৱহঃ।।-১০/৮৪/৩৬
১০৭২। মূঃ শ্লোঃ-- অয়ং স্বস্ত্যয়নঃ পন্থা দ্বিজাতেৰ্গৃহমেধিনঃ। যচ্ছ্ৰদ্ধয়াহপ্তৱিত্তেন শুক্লেনেজ্যেত পুৰুষঃ।। -১০/৮৪/৩৭

মোক্ষ আদি সমস্ত আনন্দ সিটো পাৰে।।১০৭২
কৃষ্ণৰ পূজাত অধিকাৰ সমস্তৰে।
পূজি কৃষ্ণয়েৰে এক হোৱে নিৰন্তৰে।।
প্রহ্লাদ বচনে লৈয়ো ইহাৰ প্রমাণ।
বোলন্ত সাক্ষাতে নৃসিংহৰ বিদ্যমান।।১০৭৩
অল্পমতি সকলে যতেক পূজা কৰে।
আপোনাৰ অৰ্থ তাক নলন্ত ঈশ্বৰে।।
প্রকৃতিৰ বশ্য আনো যত প্রাণীচয়।
ধনাদি অৰ্পিলে যেন তৃপিতি হোৱয়।।১০৭৪
সিমত সম্মান ইচ্ছা নাহিকে কৃষ্ণৰ।
নিজানন্দ লাভে পৰিপূৰ্ণ মহেশ্বৰ।।
তথাপিতো পৰম কৃপালু দেৱহৰি।
যিটো পূজে তাৰ অৰ্থে লৱন্ত সাদৰি।।১০৭৫
মোক পূজি ইয়ো পূজ্য হোক অতিশয়।
এহি বুলি পূজা আদি লন্ত কৃপাময়।।
তিলকাদি শ্রীযেন মুখৰ যতেক।
প্রতিবিম্ব মুখে যেন দেখয় প্রত্যেক।।১০৭৬
দেখিয়ো সাক্ষাতে তাক দৰ্পণত চাই।
প্রতিবিম্ব অন্যথা মিলাইবে শক্য নাই।।
সেহিমতে মাধৱক পূজিলে সাক্ষাত।
সিসৱ সকলো পূজা মিলে আপোনাত।।১০৭৭
কৃষ্ণক নিদিলে আপোনাতো নিমিলয়।
প্রহ্লাদৰ বচনে তাৰ দেখাওঁ নিৰ্ণয়।।
পৰমেশ্বৰক পূজা যেৱেসে কৰয়।
আপোনাৰে পূজা সিটো স্বভাৱে হোৱয়।।১০৭৮
তাৰ অতি তুচ্ছ ফল কাম সবে ব্যৰ্থ।
ধ্রুৱৰ বচনে শুনা কহো এহি অৰ্থ।।
পৰমেশ্বৰৰ আগে কহন্ত সাদৰি।
জন্ম মৰণৰ মুখ্য হেতু তুমি হৰি।।১০৭৯
ইন্দ্রিয়ৰ সুখ অৰ্থে ভজয় তোমাক।
সিটো মূঢ়মতি বঞ্চিলেক আপোনাক।।
তুমি কল্পতৰুক ভজয় অতিশয়।
শৱতুল্য দেহে উপভোগক ইচ্ছায়।।১০৮০
নুহি যোগ্য প্রাৰ্থিবে তোমাৰ চৰণত।
বিষয় সম্বন্ধ সুখ আছে যত যত।।
নাৰকী যোনিতো তাক স্বভাৱে পাৱয়।
স্বৰ্গসুখ প্রাৰ্থিবে এতেকে যোগ্য নয়।।১০৮১
দেখাইলো কামনা তুচ্ছ ধ্রুৱৰ বাক্যত।
শুনা কৃষ্ণ পূজাৰ সামগ্রী যেন মত।।
গৰ্ব্ব আদি দূষিত যতেক বহু ধন।
তাত অতি তৃপিতি নুহিকে নাৰায়ণ।।১০৮২
অকপট আদি ভাৱ শুদ্ধ হৃদয়ৰ।
পূজাৰ পৰম বস্তু এহিসে কৃষ্ণৰ।
ব্রহ্মাৰ বচনে আৰ লৈয়োক প্রত্যয়।
বামনৰ আগে বিধি বোলন্ত বিনয়।।১০৮৩
তয়ু পাদপঙ্কজে নিশ্চল বুদ্ধি নৰে।
জলে ফুলে অব্যভিচাৰিণী পূজা কৰে।।
এতেকে উত্তম গতি পাৰে সৰ্ব্বজনে।
ইটো বলিৰাজা যেন তোমাৰ চৰণে।।১০৮৪
অকপট হৃদয়ে ত্রৈলোক্য দান দিল।
আপোনাকো শ্রদ্ধাভাৱে তোমাত অৰ্পিল।।
তথাপি বন্ধন দুঃখ পাৰে বলিৰায়।
নুবুজিলো প্রভু আমি একো অভিপ্রায়।।১০৮৫
এহিমানে সংহৰিলো ব্রহ্মাৰ বচন।
কহো নিষ্ঠ কৰি শুনিয়োক সৰ্ব্বজন।।

---

১০৭৩-১০৭৮। মূঃ শ্লোঃ—(প্রহ্লাদৰ উক্তি)
নৈৰাত্মনঃ প্রভুৰয়ং নিজলাভপূৰ্ণো মানং জনাদৱিদুষঃ কৰুণো বৃণীতে।
যদ্ য়জ্জনো ভগৱতে ৱিদধীত মানং তচ্চাত্মনে প্রতিমুখস্য যথা মুখশ্রীঃ।। -৭/৯/১১
১০৭৯-১০৮১। মূঃ শ্লোঃ—নূনংৱিমুষ্টমতয়স্তৱ মায়য়া তে যে ত্বাং ভৱাপ্যয়ৱিমোক্ষণমন্যহেতোঃ।
অৰ্চ্চন্তি কল্পকতৰুং কুণপোপভোগ্যমিচ্ছন্তি যৎস্পৰ্শজং নিৰয়েঽপিনৃণাম্।। -৪/৯/৯
১০৮৪-১০৮৫। মূঃ শ্লোঃ—যৎ পাদয়োৰশঠধীঃ সলিলং প্রদায় দুৰ্ৱাঙ্কুৰৈৰপি ৱিধায়সতীং সপৰ্য্যাম্।
অপ্যুত্তমাং গতিমসৌ ভজতে ত্রিলোকীং দাশ্বানৱিক্লৱমনাঃ কথামাৰ্তিমৃচ্ছেৎ।। -৮/২২/২৩

কপট এৰিয়া নিজ বিত্ত অনুসাৰে।
ভগৱন্ত নাৰায়ণ অৰ্চ্চনী সৱাৰে।।১০৮৬
সংহৰোহো প্ৰকৰণ কৃষ্ণৰ বচনে।
বোলন্ত উদ্ধৱ মোক অকপট মনে।।
কৰ্ম্মযোগ পন্থে বেদ তন্ত্ৰে মন্ত্ৰে যজি।
ইহপৰ লোকে সিদ্ধি পাৱে মোক ভজি।।১০৮৭
পূজাৰ প্ৰকাৰ এহিমানে সংহৰিলো।
গ্ৰন্থ বিস্তৰক ভয়ে আৰ নিলিখিলো।।

**নৱম ঃ বন্দন বিৰচন**

**পদ**

পুনৰপি আৰু আৰম্ভিলো বিৰচন।
কৰো নিৰূপণ এৰে কৃষ্ণৰ বন্দন।।১০৮৮
ভগৱন্ত বন্দনত যিটো প্ৰৱৰ্ত্তিল।
পৰম মঙ্গল তাৰ এতেকে মিলিল।।
ইহাৰ প্ৰমাণ লৈয়ো অক্ৰূৰ বচনে।
গোকুলক যান্তে বিমৰিষ কৰি মনে।।১০৮৯
আজি নষ্ট ভৈল সৱে মোৰ অমঙ্গল।
জানিলো জন্মৰ ফল ধৰিল সকল।।
যোগীসৱে চিন্তে কৃষ্ণ পদ পঙ্কজক।
কৰিবো বন্দন আজি হেন চৰণক।।১০৯০
অক্ৰূৰৰ বচনক কৰিলো সংহাৰ।
আলোচিলো মাত্ৰ কৰিবাক নমস্কাৰ।।
তাৰ যেন ফল তাক কৰিলো বেকত।
কৰে যিটো নমস্কাৰ কৃষ্ণ চৰণত।।১০৯১
তাৰ যেন ফল কহো ব্ৰহ্মাৰ বচনে।
কৰন্ত কৃষ্ণক বিধি স্তুতি বৃন্দাবনে।।
হে প্ৰভু কৃষ্ণ তযু অনন্ত মহিমা।
ভকতত তোমাৰ কৃপাৰ নাহি সীমা।।১০৯২
এতেকেসে তযু পাৱে কৰি চিত্ত ডাঠ।
থাকে সন্তে তোমাৰ কৃপাৰ চাই বাট।।
আপুনি কৰন্ত কৃষ্ণে কৃপা যি কালত।
তেৱে মোৰ হৈব আসি কুশল সমস্ত।।১০৯৩
আকে চিন্তি নিজ কৰ্ম্ম ভুঞ্জিয়া নিঃশেষ।
তপ দান আন একো নকৰিয়া ক্লেশ।।
কৰিয়া যতন অতি কায় বাক্য মনে।
যিটো নমস্কাৰ কৰে তোমাৰ চৰণে।।১০৯৪
তযু অনুগ্ৰহত কৃতাৰ্থ সি সি নৰ।
পাৱে সুখে মুকুতিৰ বণ্টা বৈকুণ্ঠৰ।।
মুকুতিৰ ভাগ মাত্ৰ পাৱে ভক্ত জনে।
সমগ্ৰে মুকুতি নপাৱয় যি কাৰণে।।১০৯৫
স্থিৰচিত্তে শুনিয়োক ইহাৰ নিৰ্ণয়।
সম্পূৰ্ণে মুকুতি যি কাৰণে নলৱয়।।
ভকত জনৰ যেন জীৱন বিনাই।
অধিক বিষয় সুখে প্ৰয়োজন নাই।।১০৯৬
মুকুতি সুখতো জানিবাহা হেন নয়।
সমগ্ৰে মুকুতি হৰি ভক্তে নলৱয়।।
ভক্তিৰ প্ৰভাৱে জানি নিজ স্বৰূপক।
তাতে স্থিৰ হুয়া সেৱা কৰয় কৃষ্ণক।।১০৯৭
ভক্তিৰ পৰমানন্দ ৰস অনুভৱে।
এহিহেতু মুক্তিসুখ ভকতে নলৱে।।
হৰিৰ প্ৰসাদে কাল মায়াক এৰায়া।

---

১০৮৭-১০৮৮। মূঃ শ্লোঃ (উদ্ধৱৰ প্ৰতি ভগৱন্তৰ উক্তি)
এৱং ক্ৰিয়াযোগপথৈঃ পুমান্ বৈদিক তান্ত্ৰিকৈঃ।
অৰ্চ্চন্নুভয়তঃ সিদ্ধিং মত্তোৱিন্দত্যমীপ্সিতাম্।।-১১/২৭/৪৯
১০৯০। মূঃ শ্লোঃ মমাদ্যামঙ্গলং নষ্টং ফলৱাংশ্চৈৱমে ভৱঃ। যন্নমস্যে ভগৱতো যোগিধ্যেয়াঙ্ঘ্ৰি পঙ্কজম্।। --১০/৩৮/৬
১০৯২-১০৯৯। মূঃ শ্লোঃ তত্তেহনুকম্পাং সুসমীক্ষমাণো ভুঞ্জান এৱাত্মকৃতং ৱিপাকম্।
হৃদ্বাগ্‌ৱপুৰ্ভিৰ্বিদধন্নমস্তে জীৱেত য়ো মুক্তিপদে স দায়ভাক্।। -১০/১৪/৮
১১০০-১১০১। মূঃ শ্লোঃ পতিতঃ স্খলিতশ্চাৰ্ত্তঃ ক্ষুত্ত্বা ৱা ৱিৱশোব্ৰুৱন্।
হৰয়ে নম ইত্যুচ্চৈৰ্মুচ্যতে সৰ্ব্বপাতকাৎ।। -১২/১২/৪৬

ফুৰয় আনন্দে হৰি সেৱা সুখ পায়া।।১০৯৮
নাহি ভকতৰ আন সুখে অনুৰাগ।
এহিহেতু কৈলো মুকুতিৰ পাৰেভাগ।।
থৈলো উপসংহৰি ব্ৰহ্মাৰ বাক্যচয়।
নমস্কাৰ কৰি নৰে মুকুতি পাৱয়।।১০৯৯
আক অদভুত বুলি নুহিবা বিস্ময়।
নমস্কাৰ বিধি যিটো কৃষ্ণক নময়।।
আছোক তাহাৰ ফল শুনা কৌতূহলে।
পৰে বৃক্ষহন্তে ভৰি পথত পিছলে।।১১০০
জ্বৰে তাপে পীড়া কৰে হাঞ্চে হামি তোলে।
এতেকে সময়ে নমো হৰি যিটো বোলে।।
নমস্কাৰ কৰো জ্ঞান নাহিকে মনত।
তথাপি মুকুত হোৱে মহত পাপত।।১১০১
হেনজানি সৰ্ব্বজনে ত্যজি আলাসক।
সদায় কৰিয়ো নমস্কাৰ মাধৱক।।
কৃষ্ণক দিবাৰ সৰে বস্তু এহিমান।
দেখাওঁ এৰে নমস্কাৰ কৰিবাৰ স্থান।।১১০২
জলবায়ু বহ্নি মহী নক্ষত্ৰ আকাশ।
বৃক্ষ নদী সমুদ্ৰ তটস্থ দিশ পাশ।
আছে আনো সংসাৰত বস্তু যত যত।
কৃষ্ণক দেখিব মাত্ৰ মনে সমস্তত।।১১০৩
হৰিৰ শৰীৰ ইটো হেন বুদ্ধি কৰি।
সৱাহঙ্কে নমস্কাৰ কৰিব সাদৰি।।
এতেকে কৃতাৰ্থ কৃষ্ণে কৰিব সম্প্ৰতি।
নমস্কাৰ বিৰচন ভৈল সমাপতি।।১১০৪

## দশম ঃ দাস্য বিৰচন

### পদ

আৰম্ভিলো বিৰচন আত অনন্তৰ।
দাস্যভাৱ নিৰূপণ কৰোহোঁ কৃষ্ণৰ।।
পৰম কৃতাৰ্থ শ্ৰীকৃষ্ণৰ দাস যত।
কোনে কহিবেক তাৰাসবৰ মহত্ব।।১১০৫
যাৰ কৃষ্ণ আদিনাম শ্ৰৱণ মাত্ৰকে।
নিৰন্তৰে নৰে হোৱে নিৰ্ম্মল এতেকে।।
হেন তীৰ্থপদ মাধৱৰ দাস যত।
তাসম্বাৰ কিবা ৰৈল সাধ্য সাধনত।।১১০৬
দাস মাত্ৰে কৃতকৃত্য হোৱে সৰ্ব্বত্ৰত।
কৰিলো নিশ্চয় সৰ্ব্ব শাস্ত্ৰৰ সন্মত।।
ইহলোকে কৃতাৰ্থ হোৱয় যেনমত।
লৈয়োক প্ৰমাণ ব্ৰহ্মা দেৱৰ বাক্যত।।১১০৭
কৃষ্ণক বোলন্ত শুনিয়োক কৃপাময়।
তাৱে ৰাগ আদি চোৰে ধৈৰ্য্যাদি হৰয়।।
গৃহে বন্দিশাল তাৱে হোৱে পুৰুষৰ।
হোৱে মহামোহ তাৱে নিহল পাৱৰ।।১১০৮
যাৱত নুহিকে নৰ সেৱক তোমাৰ।
ৰাগাদিয়ে পুৰুষক কৰে অপকাৰ।।
যদি ভাগ্যে ভৈল আসি তোমাৰ কেসৰ।
নলাগে তাহাৰ বিষয়ক এৰিবাক।।১১০৯
পূৰ্ব্বে বিষয়ৰ ৰাগে ধৈৰ্য্যাদি হৰিল।
এৰে দাস্য ভাৱে সৰে তোমাতে অৰ্পিল।।
কৃষ্ণ কৃত্য কৰো যেবে বোলে সৰ্ব্বক্ষণ।
হোৱে তেৱে সেহি ৰাগে ভক্তিৰ সাধন।।১১১০
বিষয়ৰ ৰাগ এৰে গুণেসে সমস্ত।
সেহিমতে দ্বেষ যত আছিল পূৰ্ব্বত।।
আৰু সেই দ্বেষ ভাৱে পাপকেসে কৰে।
নিৰৰ্থক পোষণ নিমিত্তে ইটো ঘৰে।।১১১১
আছিলেক বন্দিশাল দুঃখৰ কেৱল।
ইদানি কৰয় যত ব্যাপাৰ সকল।।
কৃষ্ণত অৰ্পণা কৰে হুয়া তান দাস।

---

১১০২-১১০৪। মূঃ শ্লোঃ-- খং ৱায়ুমগ্নিং সলিলং মহীং চ জ্যোতিংষি সত্বানি দিশোদ্ৰুমাদীন।
সৰিৎ সমুদ্ৰাংশ্চ হৰেঃ শৰীৰং যৎকিঞ্চভূতং প্ৰণমেদনন্যঃ। -১১/২/৪১
১১০৫-১১০৬। মূঃ শ্লোঃ-- যন্নাম শ্ৰুতিমাত্ৰেণ পুমান্ ভৱতি নিৰ্ম্মলঃ। তস্যতীৰ্থপদঃ কিং ৱা দাসানামাৱশিষ্যতে।।--৯/৫/১৬
১১০৮-১১০৯। মূঃ শ্লোঃ-- তাৱদ্ৰাগাদয়ঃ স্তেনাস্তাৱৎ কাৰাগৃহং গৃহম্। তাৱন্মোহোহঙ্‌ঘ্ৰিনিগড়ো যাৱৎ কৃষ্ণ ন তে জনাঃ।।-১০/১৪/৩৬

গুণেসে কেৱল তাৰ সিটো গৃহ বাস।।১১১২
কৰিলে মমতা মাত্র পূৰ্ব্বে পুত্ৰাদিত।
আছিলেক পাৱৰ নিহল স্বৰূপত।।
এৱে দাস দাসী কৰি দিলেক কৃষ্ণক।
ইসৱ উপায়ে গৃহে সাধয় মোক্ষক।।১১১৩
এতেকে বিষয় ত্যাগ দুঃখ ব্যতিৰেক।
কৃষ্ণদাস সৱে সুখে সাধে শ্ৰেয়সক।।
ইহলোকে উপকাৰ দেখাইলো নিশ্চয়।
পৰলোকে ভগৱন্ত স্বৰূপ পাৱয়।।১১১৪
উদ্ধৱৰ বাক্যে আৰ লৈয়োক প্ৰমাণ।
বোলন্ত উৎসুকে মাধৱৰ বিদ্যমান।।
অনন্য শৰণ তযু একান্ত দাসক।
দিয়া তুমি আপোনাৰ নিজ স্বৰূপক।।১১১৫
ইটো প্ৰভু আশ্চৰ্য্য নুহিকে অতিশয়।
শ্ৰীৰাম অৱতাৰে তুমি কৃপাময়।।
অনুচৰ মাত্রে বন বানৰে সহিত।
পৰম ঈশ্বৰ হুয়া কৰিলা সখিত্ব।।১১১৬
যতেক দেৱতা আছে ব্ৰহ্মা আদি কৰি।
কিৰীটিৰ অগ্ৰে আসি অনেক সাদৰি।।
কেৱল পৰশে তযু চৰণ পিঠক।
এতেকে মানন্ত মনে পৰম ভাগ্যক।।১১১৭
হেন দেৱতাৰো দেৱ মহা মহেশ্বৰ।
কোন আতি পশু জাতি বনৰ বানৰ।।
তাহাকো কৰিলা কৃপা কিনো কৃপাময়।
যি পুনু মনুষ্য তযু দাস অতিশয়।।১১১৮
তাসম্বাক দিয়া নিজ স্বৰূপ সাক্ষাত।
কৰাহা উদ্ধাৰ কোন আশ্চৰ্য্য ইহাত।।
এহিমানে থৈলো উদ্ধৱৰ বচনক।
মাধৱত সমৰ্পিবে সমস্ত কৰ্ম্মক।।১১১৯
দাস্য ভাৱ ভক্তি আক বুলিয় নিশ্চয়।
কায় বাক্য মনে যত কৰ্ম্ম সমৰ্পয়।।
লৌকিক বৈদিক ব্ৰাহ্মণাদিৰ স্বভাৱে।
সমস্তকে অৰ্পিব কৃষ্ণৰ দুই পাৱে।।১১২০
কৃষ্ণৰ ভকতি দাস্যভাৱ এহিমান।
নৰসিদ্ধ বাক্যে লৈবা ইহাৰ প্ৰমাণ।।
দাস্য বিৰচন এহিমানে সমাপতি।
সখ্য নিৰূপণ আবে কৰোহোঁ সম্প্ৰতি।।১১২১

## একাদশ ঃ সখ্য বিৰচন

### পদ

ভগৱন্ত সখিৰ মহিমা যেন মত।
আছোক কহিব কোনে জানিবে শকত।।
ব্ৰহ্মাৰ বচনে লৈয়ো প্ৰমাণ সাক্ষাতে।
বৃন্দাবনে কৃষ্ণক বোলন্ত যোড়হাতে।।১১২২
যত জীৱ জন্তু আছে নন্দৰ ব্ৰজত।
তাসম্বাৰ কিনো মহা ভাগ্যৰ মহত্ত্ব।।
নন্দাদিৰ যেন মহা বিশ্বাস তোমাত।
গবাদিৰ সেহিমতে বিশ্বাস সাক্ষাত।।১১২৩
এতেকেসে তাসম্বাৰ ভাগ্য অতি চিত্র।
তুমি পূৰ্ণব্ৰহ্ম হৰি ভৈলা যাৰ মিত্র।।
প্ৰাকৃত সহিতে মিত্ৰৰতি ভৈল যাৰ।
অন্যো অন্যে দুইকো দুই চাহে উপকাৰ।।১১২৪
কদাচিত বিষয় বিৰোধী ভৈল যেৱে।
তাৰক্ষণে দুইৰো মৈত্ৰ ভঙ্গ হোৱে তেৱে।।
তুমি পুনু সদায় পৰমানন্দময়।
তুমিয়েৱে যিটো মহা মিত্ৰতা কৰয়।।১১২৫
দিয়া তাসম্বাক অতি আনন্দ সদায়।
এতেকে তোমাৰ মিত্ৰৰতি ভঙ্গ নাই।।

---

১১১৫-১১১৯। মূঃ শ্লোঃ—কিং চিত্ৰমচ্যুত তৱৈতদশেষবন্ধো দাসেষ্বনন্যশৰণেষু য়দাত্মসাত্ত্বম্।
যোহৰোচয়ৎ সহ মৃগৈঃ স্বয়মীশ্বৰাণাং শ্ৰীমৎকিৰীটতটপীড়িত পাদপীঠঃ।। -১১/২৯/৪
১১২০-১১২১। মূঃ শ্লোঃ—কায়েন ৱাচা মনসেন্দ্ৰিয়ৈৰ্ৱা বুদ্ধ্যাত্মনা ৱানুসৃতস্বভাৱাৎ।
কৰোতি যদ্যৎসকলং পৰস্মৈ নাৰায়ণায়েতি সমৰ্পয়েৎতৎ।। -- ১১/২/৩৬
১১২১-১১২৭। মূঃ শ্লোঃ—অহোভাগ্যমহো ভাগ্যং নন্দ গোপব্ৰজৌকসাম্। যন্মিত্ৰং পৰমানন্দং পূৰ্ণ ব্ৰহ্মসনাতনম্।। -১০/১৪/৩২

প্রাকৃত মিত্রৰ দেশান্তৰাদি গমনে।
সুহৃদ বিয়োগে মহা দুঃখ মিলে মনে।।১১২৬
তুমি সনাতন পুনু জগত ব্যাপক।
কদাচিতো শঙ্কা নাই বিয়োগ দুঃখক।।
এহিহেতু তুমি কৃষ্ণ মিত্র ভৈলা যাৰ।
কোনে কহিবাক পাৰে ভাগ্যক তাহাৰ।।১১২৭
এহিমানে থৈলো বাক্য ব্রহ্মাৰ সকল।
ঋষভ দেৱৰ বাক্যে দেখাওঁ আৰ ফল।।
ভৰতাদি পুত্রত কহন্ত কৃপাময়।
অর্পণা নকৰি কৰ্ম্ম যতেক কৰয়।।১১২৮
সেহিকৰ্ম্মে বন্দি হুয়া ফুৰে সংসাৰত।
অনাদি অবিদ্যা পুৰুষক কৰে হত।।
পূৰ্ব্ব কৰ্ম্ম বাসনাই নেৰয় মনক।
সেহি মনে পুনু পুনু কৰাৱে কৰ্ম্মক।।১১২৯
জীৱন্ত মুক্তকো নেৰে অবিদ্যা তাৱত।
মই বাসুদেৱ প্রীতি নকৰে যাৱত।।
জ্ঞানে কৰ্ম্মে দেহৰ বন্ধন নুগুচয়।
পুনু পুনু জীৱে সংসাৰত প্ৰৱৰ্ত্তয়।।১১৩০
পূৰ্ব্ব কৰ্ম্মকৰ্ত্তা মনে কৰয় অনিষ্ট।
পুৰুষক পুনশ্চ কৰাৱে কৰ্ম্মনিষ্ঠ।।
হেন জানি জ্ঞানত কৰ্ম্মত নিদি চিত্ত।
মোতেসে কেৱলে মাত্র কৰিবা সখিত্ব।।১১৩১
নিৱৰ্ত্তিব এতেকে অনৰ্থ আছে যত।
হৈব আতি কৃত্য কৃত্য মোৰ প্ৰসাদত।।
থৈলোহো সংহৰি বাক্য ঋষভ দেৱৰ।
ভৈল সমাপতি বিৰচন সখিত্বৰ।।১১৩২

## দ্বাদশ ঃ আত্মনিৱেদন বিৰচন

### পদ

আত অনন্তৰে আৰু শুনা বিৰচন।
আত্ম নিৱেদন ভক্তি কৰো নিৰূপণ।।
অৰ্পিলেক দেহ যিটো কৃষ্ণক সাক্ষাত।
হোৱয় কৃতাৰ্থ আতি কৃষ্ণৰ কৃপাত।।১১৩৩
সৰ্ব্ব পুৰুষাৰ্থ সিদ্ধি হোৱে সিজনৰ।
লৈয়োক ইহাৰ সাক্ষী বচনে কৃষ্ণৰ।।
উদ্ধৱক বোলন্ত শুনিয়ো মহাবল।
যিকালত নৰে কৰ্ম্ম এৰিয়া সকল।।১১৩৪
মোত দেহ অৰ্পি ভৈল কৃতাৰ্থ পৰম।
নাই আন মোৰ প্রিয়তম তাক সম।।
যেন গৰু পৰত বিকিলে যিটো জনে।
পোষণ পালন চিন্তা নকৰে সিজনে।।১১৩৫
সেহিমতে মোত অৰ্পি দেহাদি সমস্ত।
ৰৈল যিটোজন হুয়া নিশ্চিন্ত মনত।।
কেৱলে কৰয় চিন্তা ভকতিৰ মাত্র।
ভৈল সিটো মোৰ ইষ্ট ভকতিৰ পাত্র।১১৩৬
মই তাৰ হিত চিন্তা কৰো অতিশয়।
অপ্রয়াসে সিটোসুখে মুকুতি পাৱয়।।
হোৱে যোগ্য মোহোৰ সমান ঐশ্বৰ্য্যক।
এহিমানে থৈলো ভগৱন্তৰ বাক্যক।।১১৩৭
বুলিবাহা সৰ্ব্বকৰ্ম্ম কৰি নিৰন্তৰ।
আত্ম নিৱেদন মাত্র শ্রেয়স জীৱৰ।।
এহিসে সাধয় যেৱে পুৰুষৰ অৰ্থ।
কৰ্ম্মাদি বিধিৰ তেৱে মিলিবে অনৰ্থ।।১১৩৮
লৈয়োক উত্তৰ আৰ প্ৰহ্লাদ বাক্যত।
কহন্ত প্ৰহ্লাদে দৈত্যশিশু সমস্তত।।

---

১১২৮-১১৩২। মূঃ শ্লোঃ—এৱং মনঃ কৰ্ম্মৱশং প্ৰযুঙ্‌ক্তে অৱিদ্যয়াত্মন্যুপধীয়মানে।
প্রীতির্ন যাৱন্ময়ি বাসুদেৱে ন মুচ্যতে দেহযোগেন তাৱৎ।। -৫/৫/৬
১১৩৪-১১৩৭। মূঃ শ্লোঃ—মৰ্ত্ত্যো যদা ত্যক্তসমস্ত কৰ্ম্মা নিৱেদিতাত্মা ৱিচিকীৰ্ষিতো মে।
তদামৃতত্বং প্রতিপদমানো ময়াত্মভূয়ায় চ কল্পতে ৱৈ।। -- ১১/২৯/৩৪
১১৩৯-১১৪৩। মূঃ শ্লোঃ—ধৰ্ম্মাৰ্থকাম ইতি যোঽভিহিতস্ত্রিৱৰ্গ ঈক্ষাত্রয়ী নয়দমৌ ৱিৱিধা চ ৱাৰ্ত্তা।
মন্যে তদেতদাখিলং নিগমস্য সত্যং স্বাত্মাৰ্পণং স্বসুহৃদঃ পৰমস্য পুংসঃ।। -৭/৬/২৬

শুনিয়ো বালক সৱ স্বৰূপ উত্তৰ।
কৰ্ম্ম অৰ্থ কাম তিনি বৰ্গ পুৰুষৰ।।১১৩৯
তাৰ অৰ্থে উপায় বিহিবা আছে যত।
যাগ যোগ জ্ঞান ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত।।
তৰ্ক দণ্ড নীতি আনো যতেক আছয়।
ইটো সৱে প্ৰতিপাদ্য বেদৰ নিশ্চয়।।১১৪০
তিনি গুণময় বেদ শাস্ত্ৰ যত যত।
তাহাৰ বিহিত মানে অসত্য সমস্ত।।
আক ত্যজি যেৱে দেহ অৰ্পিলে কৃষ্ণত।
তাকেসে কেৱল সত্য মানোহো মনত।।১১৪১
এহিসে নিৰ্গুণ জানিবাহা নিষ্ঠ কৰি।
অৰ্জ্জুনক গীতাত কহিয়া আছে হৰি।।
তিনি গুণ বিষয় যতেক বেদচয়।
আক এৰি নিৰ্গুণ হুয়োক ধনঞ্জয়।।১১৪২
পাথৰৰ ৰেখা যেন বচন কৃষ্ণৰ।
আক নমানিবে কোন বুদ্ধিহীন নৰ।।
এহিমানে সংহৰিলো প্ৰহ্লাদ বচন।
থৈলো সমাপতি কৰি ইটো বিৰচন।।১১৪৩

**ত্ৰয়োদশ ঃ শৰণ বিৰচন**

**পদ**

পুনৰপি আৰম্ভ কৰিলো বিৰচন।
কৰো নিৰূপণ আৰে কেৱল শৰণ।।
লোকত বেদত যত কহিছে সাধন।
সিসৱ সাধন হীন ভৈল যিটো জন।।১১৪৪
ভগৱন্ত মাধৱৰ অভয় চৰণে।
আছয় শৰণ লৈয়া কায় বাক্য মনে।।
আন দেৱাদিৰ সেৱা যদ্যপি নকৰে।
তথাপি সৱাৰে সেৱা সিজে নিৰন্তৰে।।১১৪৫
কৰ ভাজনৰ বাক্যে প্ৰমাণ লৈয়োক।
নিমিত বোলন্ত মহাৰাজ শুনিয়োক।।
পিতৃ ভূতপতি দেৱ ঋষি সুহৃদৰ।
উপজিলে তাসম্বাৰ ঋণী হোৱে নৰ।।১১৪৬
হোমে দেৱ ঋণ সুজে তৰ্পণে ঋষিৰ।
বলিদান ভূত শ্ৰাদ্ধ আদিয়ে পিতৃৰ।।
সমভাৱে সুহৃদ সৱৰ সুজে ঋণ।
এহিমতে ঋণী সদা ভকতি বিহীন।।১১৪৭
এতেকেসে তাসম্বাৰ কিঙ্কৰ অধীন।
তাৰ অৰ্থে পঞ্চযজ্ঞ কৰে প্ৰতিদিন।।
নকৰিলে পৰকালে আছে মহাভয়।
দুঃখ ভুঞ্জি হীন জাতি হৈবাক লাগয়।।১১৪৮
কায় বাক্য মনে কৰি নিশ্চয় যিজন।
মুকুন্দৰ চৰণত পশিল শৰণ।।
তাৰ ঋণ সুজা সৱে গৈল সমস্তৰে।
নকৰিয়ো ঋণী আৰ নুহি সিটো নৰে।।১১৪৯
সমস্তৰে আত্মা হৰি তুষ্ট ভৈলা যাৰ।
তিনিটো জগত আতি তৃপিতি তাহাৰ।।
দেৱাদিৰ অধিকাৰ গুচিলেসে মাত্ৰ।
কিন্তু সেহিজন ভৈল সৰ্ব্বসুখ পাত্ৰ।।১১৫০
তীৰ্থপদ ভগৱন্ত কৃষ্ণৰ চৰণে।
সৰ্ব্বভৱে আশ্ৰয় কৰিল যিটো জনে।।
সিটো সাধুসৱৰ সুলভ সৰ্ব্বসুখ।
তৰিল অযত্নে ইহ পৰলোক দুঃখ।।১১৫১
যেনমতে তৰে ইহলোক দুঃখ যত।
দেখাওঁ সাক্ষাতে মৈত্ৰেয়ৰ বচনত।।
বোলন্ত বিদুৰ শুনা ব্যাসৰ তনয়।
হৰি পদ যুগ যিটো কৰিল আশ্ৰয়।।১১৫২
ঘোৰ সংসাৰৰ তিনি তাপ বিপৰীত।
সিটো সাধু মনুষ্যক নপাৰে বাধিত।।

---

১১৪৬-১১৪৯। মূঃ শ্লোঃ—দেৱৰ্ষিভূতাপ্তনৃণাং পিতৃণাং ন কিঙ্কৰো নায়মৃণী চ ৰাজন্।
সৰ্ব্বত্মনা যঃ শৰণং শৰণ্যং গতোমুকুন্দং পৰিহৃত্য কৰ্ত্তম।। -১১/৫/৪১

১১৫২-১১৫৩। মূঃ শ্লোঃ—(বিদুৰৰ প্ৰতি উক্তি)
কিং দুৰাপাদনং তেষাং পুংসামুদ্দামচেতসাম্। যৈৰাশ্ৰিতস্তীৰ্থপদশ্চৰণো ব্যাসনাত্যয়ঃ।। -- ৩/২৩/৪২

১১৫৪। মূঃ শ্লোঃ— যত্ৰ নিৰ্ৱিষ্টমৰণং কৃতান্তো নাভিমন্যতে। ৱিশ্বং ৱিধ্বংসয়ন্ ৱীৰ্য্যশৌৰ্য্যৱিস্ফুৰ্জিতভ্ৰুৱা।। -৪/২৪/৫৬

ইহলোকে দুঃখ মহন্তক নপাৱয়।
দেখাওঁ পৰলোকে ভয় যিমতে তৰয়।।১১৫৩
দুস্তৰ কালৰ মহা ভ্ৰুৰ বিক্ষেপত।
হোৱয় বিনাশ চৰাচৰ বিশ্ব যত।।
কৃষ্ণত শৰণ লৈলে সিসৱ মহন্ত।
সিটো কালে মোৰ বশ্য বুলি নমানন্ত।।১১৫৪
বুলিবাহা আন দেৱান্তৰ শৰণত।
গুচয় সাক্ষাতে সংসাৰৰ দুঃখ যত।।
কৃষ্ণৰ শৰণ ভৈল কিমতে বিশেষ।
দেৱবাক্যে লৈয়ো আৰ উত্তৰ নিঃশেষ।।১১৫৫
বৃত্ৰত হাৰিয়া ৰণ যত দেৱগণ।
কৰন্ত কৃষ্ণৰ স্তুতি পশিয়া শৰণ।।
ৰাগ আদি শূন্য তুমি পৰম নিৰ্ম্মল।
নাহি অহঙ্কাৰ বিষয়ৰ কৌতূহল।।১১৫৬
নিজানন্দ লাভে পৰিপূৰ্ণ অতিশয়।
গুণৰ উপাধি পৰিচ্ছেদ নকৰয়।।
হেনয় নিৰ্গুণ তুমি পৰম ঈশ্বৰ।
মায়াৰ অধীন আমি দেৱতা অপৰ।।১১৫৭
তোমাক এৰিয়া লৱে আমাত শৰণ।
তাতপৰে নাহিকে পৰম অজ্ঞজন।।
যেন কোনো জনে কুকুৰৰ লাঞ্জে ধৰি।
যাইবাক ইচ্ছয় আতি সমুদ্ৰক তৰি।।১১৫৮
তাৰ কদাচিতে নোহে সমুদ্ৰ তৰণ।
সেহিমতে লৈয়া অনীশ্বৰত শৰণ।।
নপাৰে তৰিবে দুঃখাৰ্ণব সংসাৰক।
এহিমানে থৈলোহোঁ দেৱৰ বচনক।।১১৫৯

বুলিবাহা দুঃখে অতি তপ্ত লোক যত।
তাৰ প্ৰতিক্ৰিয়া মহা প্ৰসিদ্ধ লোকত।।
বেদত প্ৰসিদ্ধ বহু দেৱত ভকতি।
কেনে কৃষ্ণ ভৈলা মাত্ৰ শৰণ সম্প্ৰতি।।১১৬০
প্ৰহ্লাদ বচনে লৈয়ো ইহাৰ উত্তৰ।
বোলন্ত সাদৰে বাক্য আগে নৃসিংহৰ।।
হে প্ৰভু সংসাৰে তাপিত লোক যত।
নলৱে শৰণ তযু পদ পঙ্কজত।।১১৬১
দুঃখ এৰাইবাক চাহে আনসে উপায়।
কদাচিতো দুঃখ তাৰ এড়ান নযায়।।
পিতৃত মাতৃত লৱে বালকে শৰণ।
তাক প্ৰতিপাল আতি কৰে দুয়োজন।।১১৬২
তথাপিতো তাৰ দুঃখ দেখিয়ো লোকত।
কদাচিতো পিতৃ মাতৃ হন্তে হোৱে হত।।
লৈয়োক প্ৰমাণ অজিগৰ্ত্ত ব্ৰাহ্মণত।
বিকিলে পুত্ৰক হৰিশ্চন্দ্ৰৰ যজ্ঞত।।১১৬৩
ৰোগীসৱে ঔষধত লৱয় শৰণ।
ঔষধ সহিতে তাৰ দেখিয়ো মৰণ।।
নৌকাত শৰণ লৱে মজন্তে সাগৰে।
নাৱে সমে দেখি সাগৰত মজি মৰে।।১১৬৪
এহিমতে তযু পদে নলৈয়া শৰণ।
দুঃখ এৰাইবাক কৰে অনেক যতন।।
নুহি সুখ ৰূপ সিটো দুঃখ নেৰাৱয়।
এতেকে তুমিসি মাত্ৰ শৰণ নিশ্চয়।।১১৬৫
এহিমানে থৈলো প্ৰহ্লাদৰ বচনক।
কৃষ্ণক এৰিয়া কৰে আশ্ৰয় আনক।।

---

১১৫৬-১১৫৯। মূঃ শ্লোঃ—অৱিস্মিতং তং পৰিপূৰ্ণকামং স্বেনৈৱ লাভেনসমং প্ৰশান্তম্।
ৱিনোপসৰ্পত্যপৰং হি ৱালিশঃ শ্বলাঙ্গুলেনাতিতিতৰ্তি সিন্ধুম্।। -- ৬/৯/২২
১১৬২-১১৬৫। মূঃ শ্লোঃ—ৱালস্য নেহ শৰণং পিতৰৌ নৃসিংহ নাৰ্ত্তস্য চাগদমুদন্বতি মজ্জতো নৌঃ।
তপ্তস্য তৎ প্ৰতিৱিধিৰ্য্য ইহাঞ্জসেষ্টস্তাৱদ্বিভো তনুভৃতাং ত্বদুপেক্ষিতানাম্।। --৭/৯/১৯
১১৬৭-১১৬৮। মূঃ শ্লোঃ—কঃ পণ্ডিতস্ত্বদপৰং শৰণং সমীয়াদ্ ভক্তপ্ৰিয়াদৃতগিৰং সুহৃদঃ কৃতজ্ঞাৎ।
সৰ্ব্বান্ দদাতি সুহৃদো ভজতোৰ্কহভিকামানাত্মানমপ্যুপচয়াপচয়ৌ ন যস্য।। --১০/৪৮/২৬

নাহি মূঢ়মতি আৰ তাহাৰ সমান।
অক্রূৰৰ বচনে লৈয়ো ইহাৰ প্ৰমাণ।।১১৬৬
বোলন্ত কৃষ্ণক এৰি তোমাৰ চৰণ।
কোননো পণ্ডিতে লৈব আনত শৰণ।।
ভকতৰ সুহৃদ পৰম প্ৰিয়তম।
নাহিকে কৃতজ্ঞ সত্যবাদী তুমি সম।।১১৬৭
দিয়া ভকতৰ অভিমত কামচয়।
আপোনাকো দিয়া তুমি কিনো কৃপাময়।।
তথাপিতো হানি লাভ নাহিকে তোমাৰ।
অক্রূৰৰ বাক্যচয় কৰিলো সংহাৰ।।১১৬৮
বুলিবাহা ঈশ্বৰৰ কেৱল শৰণে।
এতমান শ্ৰেয়স হৈবেক কি কাৰণে।।
একচিত্তে শুনা আৰ উত্তৰ উত্তম।
যিহেতু কৃপালু হৰি সমৰ্থ পৰম।।১১৬৯
তাতেসে ভক্তৰ সিদ্ধি শৰণ মাত্ৰত।
লৈয়োক প্ৰমাণ উদ্ধৱৰ বচনত।।
কান্দি কান্দি বিদুৰৰ আগত কহন্ত।
কিনো কৃপাময় কৃষ্ণ দেৱ ভগৱন্ত।।১১৭০
পুতনা পিশাচী মাৰিবাক আশা কৰি।
পিয়াইলেক স্তন কালকূট বিষ ভৰি।।
তথাপিতো গতি তাইক দিলা যশোদাৰ।
আশ্চৰ্য্য মহিমা দেখা কৃষ্ণৰ অপাৰ।।১১৭১
ভক্তিৰেসে মাত্ৰ দেন্ত সন্তৰ গতিক।
আতপৰে কিবা গুণ কহিবো অধিক।।
তান্তপৰে নাহিকে দয়ালু আনজন।
জানিয়া কৃষ্ণত মাত্ৰ লৈলোহোঁ শৰণ।।১১৭২
দেখাইলো দয়ালু গুণ উদ্ধৱ বচনে।
লৈয়োক শৰণ সৱে কৃষ্ণৰ চৰণে।।

কেৱলে শৰণ্য দেৱ ঈশ্বৰ মাধৱ।
শুনিয়ো কৃষ্ণক যেন বুলিলা উদ্ধৱ।।১১৭৩
হে কৃষ্ণ ইটো ঘোৰ সংসাৰ পন্থত।
তিনি তাপে অতিশয় হুয়া আছে হত।।
তযু পাদ পদ্ম ছায়া ছত্ৰ বিনে তাৰ।
নাহিকে শৰণ আৰ তাপ এৰাইবাৰ।।১১৭৪
তোমাৰ চৰণ যুগ ছত্ৰ বিপৰীত।
ছায়া কৰি সৰ্ব্বদিশে বৰিষে অমৃত।।
হোৱয় কৃতাৰ্থ লৈলে তাহান্তে শৰণ।
এহিমানে সংহৰিলো উদ্ধৱ বচন।।১১৭৫
এহিমতে কৃষ্ণপদে পশিয়া শৰণ।
মুচুকুন্দ বাক্যে সংহৰোহো প্ৰকৰণ।
দণ্ডৱতে পৰি ধৰি কৃষ্ণৰ চৰণ।
পৰম কাকুতি ভাৱে বোলন্ত বচন।।১১৭৬
হে কৃষ্ণ তযু পদে পশিলো শৰণ।
আপদ গ্ৰস্তক মোক কৰিয়ো ৰক্ষণ।।
তুমিসি পৰম আত্মা শৰণ দায়ক।
ব্ৰহ্মাদি দেৱৰো তুমি পৰম নায়ক।।১১৭৭
পৰি আছোঁ ইটো ঘোৰ সংসাৰ সাগৰে।
চিৰকাল মোক কৰ্ম্মফলে পীড়া কৰে।।
পৰম আতুৰ ভৈলো নাহিকে চেতন।
নানাবিধ তাপত তাপিত অণুক্ষণ।।১১৭৮
ত্বক চক্ষু মন মুখ নাসিকা শ্ৰৱণ।
এহি ছয় শত্ৰু অতি পৰম দুৰ্জ্জন।।
কদাচিতো তৃপিতি নাহিকে তাসম্বাৰ।
ইহাৰ নিমিত্তে দুঃখ লভিলো অপাৰ।।১১৭৯
হেনয় দুঃখিত মই তুমি কৃপাময়।
তযু পাদ পদ্ম দুই কেৱলে অভয়।।

---

১১৭০-১১৭২। মূঃ শ্লোঃ—(বিদুৰৰ প্ৰতি উদ্ধৱৰ উক্তি)
অহো ৱকী যংস্তনকালকূটং জিঘাংসয়াপায়য়দপ্যসাধৱী।
লেভে গতিং ধাত্ৰ্যুচিতাং ততোহন্যং কং ৱা দয়ালুং শৰণং ব্ৰজেম।। -৩/২/২৩
১১৭৪-১১৭৫। মূঃ শ্লোঃ—তাপত্ৰয়েণাভিহতস্য ঘোৰে সন্তপ্যমানস্য ভবাধ্বনীশ।
পশ্যামি নান্যচ্ছৰণং তৱাঙ্‌ঘ্ৰি দ্বন্দ্বাতপত্ৰাদমৃতাভিৱৰ্ষাৎ।। -- ১১/১৯/৯
১১৭৭-১১৮০। মূঃ শ্লোঃ—চিৰমিহ বৃজিনাৰ্ত্তস্তপ্যমানোঽনুতাপৈৰৱিতৃষষড়মিত্ৰোঽলব্ধশান্তিঃ কথঞ্চিৎ।
শৰণদ সমুপেতস্ত্বৎপদাব্জং পৰাত্মন্নভয়মৃতমশোকং পাহি মাপন্নমীশ।। -১০/৫১/৫৮

এহি মাত্র সত্য প্রভু কেৱলে অশোক।
ইহাতে শৰণ লৈলো ৰাখিয়োক মোক।।১১৮০
মুচুকুন্দ বচনক সংহৰি সম্প্রতি।
এহিমানে গ্রন্থ কৰিলোহো সমাপতি।।
শুনিয়োক সৱে সাধু সভাসদ জন।
কৃষ্ণৰ অভয় পদে লৈয়োক শৰণ।।১১৮১
গীতাত মাধৱে কহিলন্ত অর্জ্জুনত।
ত্যজিয়োক সখি ধর্ম্ম কর্ম্ম যত যত।।
কেৱলে শৰণ মোত লৈয়ো ধনঞ্জয়।
ৰাখিবো সৱাতে মই নকৰিবা ভয়।।১১৮২
এহিমানে কহিলন্ত গীতাৰ শকতি।
জানি সাধুজন যাৰ আছয় সুমতি।।
লৈয়োক শৰণ এক চৰণে কৃষ্ণৰ।
এহিমানে তাৎপর্য্য সকলে শাস্ত্রৰ।।১১৮৩
তর্কবেদ বেদান্তৰো এহিমানে সীমা।
শুনা এৰে ভাগৱত শাস্ত্রৰ মহিমা।।
পুৰাণৰ সূর্য্য শাস্ত্রৰ মহাভাগৱত।
ব্যাস মহাঋষি আৰ কহিছে মহত্ত্ব।।১১৮৪
আৰ অন্তর্গত পৰমার্থ অর্থ যত।
মই মাত্র জানো নাৰদৰ প্রসাদত।।
মোত হন্তে মহামুনি শুকে জানিলন্ত।
বিদুৰে ইহাক জানন্ত কি নজানন্ত।।১১৮৫
টীকা ভাষ্য চাই মহা বুদ্ধিৰ প্রভাৱে।
কেহোজনে আৰ তত্ত্ব অর্থক নপাৱে।।
বৈকুণ্ঠৰ শাস্ত্র কৃষ্ণ মুখৰ বচন।
আৰ কি তত্ত্বক পাৱে যেই সেই জন।।১১৮৬
শুদ্ধভাৱে লৈল যিটো কৃষ্ণত শৰণ।
ভকতিৰ প্রসাদে নির্ম্মল যাৰ মন।।
সি সি মহাজনে আৰ তত্ত্বক পাৱয়।
ভাগৱত পুৰাণৰ কহিলো নির্ণয়।।১১৮৭

নমো নমো কৃষ্ণ তযু অভয় চৰণে।
কায় বাক্য মনে হেৰা পশিলো শৰণে।।
শৰণাগতক নেৰিবাহা কৃপাময়।
তযু পাৱে মন যেন সদায়ে থাকয়।।১১৮৮
তুমি প্রিয়তম নিজ আত্মা মোৰ প্রাণ।
সুহৃদ বান্ধৱ তুমি বিনে নাহি আন।।
মই যি পামৰ অজ্ঞ নজানো তোমাক।
এহিহেতু মায়াপাশে বান্ধিলে আমাক।।১১৮৯
নাহি সীমা বন্দি হুয়া ফুৰো কত কাল।
এৰে অনাথক কৃপা কৰিবাক ভাল।।
বুঝিলাহা জ্ঞান প্রভু মই অধমৰ।
দাস হুয়া স্বামীসেৱা নকৰো বর্ব্বৰ।।১১৯০
মোৰ দোষ গুণ নির্বিচাৰে নাৰায়ণ।
নিজ কৃপা গুণে মোত হৈয়োক প্রসন্ন।।
একলেশ মান কৰা কৰুণা ইবাৰ।
তেৱে মনোৰথ পূর্ণ হোৱয় আমাৰ।।১১৯১
মোৰ ইন্দ্রিয়ৰ বৃত্তি তোমাতে ৰহোক।
এহিমান অনুগ্রহ প্রভু কৰা মোক।।
কর্ণে কথা মনে ৰূপ মুখে তযু নাম।
ৰহোক সদায়ে ডাকি বোলা ৰাম ৰাম।।১১৯২

## ছবি

এহিমানে ৰত্নাৱলী ভাগৱত অনুসৰি
সাৰ আনি কৰিলো বেকত।
নাহি আতপৰে ধর্ম্ম মোৰ ইটো নিজ কর্ম্ম
ফল সমে সমর্পো কৃষ্ণত।।
হে প্রভু শ্রীপতি তুমি দিলা যেন মতি
সেহি বুদ্ধি বিভৱ সদৃশে।
পৰমার্থ নিৰূপণ কৰিলোহো নাৰায়ণ
তযু আজ্ঞা পালিলো হৰিযে।।১১৯৩

---

১১৯৩-১১৯৪। মূঃ শ্লোঃ— এৱং শ্রীশ্রীৰমণ ভৱতা যৎ সমুত্তেজিতোঽহং চাঞ্চল্যে ৱা সকলৱিষয়ে সাৰনির্ধাৰণে ৱা।
আত্মপ্রজ্ঞাৱিভৱসদৃশৈস্তত্র যত্নৈর্মমৈতৈঃ সাকং ভক্তৈৰগতিসুগতে তুষ্টিমেহিত্বমেৱ।।

১১৯৪-১১৯৭। মূঃ শ্লোঃ— সাধূনাং স্বত এৱ সম্মতিৰিহস্যাদেৱ ভক্ত্যর্থিনামালোচ্য গ্রথনশ্রমং চ ৱিদুযামস্মিন্ ভৱেদাদৰঃ।
যে কেচিৎ পৰকৃত্যপশ্রুতিপৰাস্তানর্থয়ে মৎকৃতিং ভূয়ো ৱীক্ষাৱদনন্তৱদ্যমিহ চেৎ সা ৱাসনা স্থাস্যতি।।

যত যত্নে ইটো কৰ্ম্ম　　কৰিলো সমস্ত ধৰ্ম্ম
সমৰ্পিলো তোমাৰ চৰণে।
হে অগতিৰ গতি　　নিজ ভক্ত সমন্বিতি
তুমি মোত তুষ্ট হৈবা মনে।।
সমৰ্পিয়া মাধৱত　　মোৰ ইটো গ্ৰন্থনত
কহোঁ সৰ্ব্বজনৰ সন্মত।
ভক্তি অৰ্থি মহন্তৰ　　স্বভাৱে স্বীকাৰ আত
হৈব সদা পাঠ চিন্তনত।।১১৯৪
বিষয়ীৰ বিষয়ক　　বিষয়ী প্ৰশংসে যেন
সেহিমতে যুক্তিমন্ত জনে।
তাদৃশ ভকতি হীনো　　অৱশ্যে সাদৰ মহা
কৰিবে গ্ৰন্থত সৰ্ব্বক্ষণে।।
নানা প্ৰকৰণে স্থিত　　শ্লোক পৰস্পৰে আনি
লিখিলোহোঁ এক বাক্য কৰি।।
বিচাৰিবে শ্ৰম দেখি　　কদাচিতো প্ৰমাদত
প্ৰসঙ্গিবে তোমাক সাদৰি।।১১৯৫
যিসৱ বিৰল নৰে　　পৰগ্ৰন্থ নিন্দা কৰে
তাকো মই কৰোহোঁ প্ৰাৰ্থন।
বাৰম্বাৰ গ্ৰন্থ চাই　　দেখাহা দূষণ যেৱে
তেৱে মোক কৰিব নিন্দন।।
মোৰ ভক্তি নজানিয়া　　কেৱলে নিন্দয় মাত্ৰ
তাক মই কি বুলিবো আৰ।
পৰক নিন্দিবে ইচ্ছা　　হেন মহা দুৰ্ব্বাসনা
আছে পূৰ্ব্বাপৰৰ যাহাৰ।।১১৯৬
কিন্তু বহুবাৰ গ্ৰন্থ　　শুনন্তে কৃষ্ণত ভক্তি
হৈব তাৰ অৱশ্যে উদয়।
পৰনিন্দা দুৰ্ব্বাসনা　　এতেকে গুচিবে সৰ্ব্ব
সাম্প্ৰতিক কহিলো নিশ্চয়।।
মোৰ দোষ অঙ্গীকাৰ　　কৰি গ্ৰন্থ মহিমায়ে
কহোঁ সৰ্ব্বজনৰ সাদৰ।

ইতিনি লোকত আৰ　　অল্প বুদ্ধিমন্ত নৰ
নাহি আনজন মোতপৰ।।১১৯৭
অপ্ৰসিদ্ধ কুলশীল　　গুৰু শিষ্য ভাৱ লঙ্ঘি
যদি মই ভৈলো দুৰাচাৰ।
মোৰ কৃত্য তথাপিতো　　ভকত জনৰ মাঝে
নুহিবেক স্থলী অৱজ্ঞাৰ।।
যেন মধুমাখী সৱ　　কোনবা বিদ্যাৰ পাত্ৰ
কিবা কুল কিবা পৰাক্ৰম।
নুহিকে সুন্দৰ জাতি　　পৰ উপকাৰী আতি
নাহি গুণ কিছু সম দম।।১১৯৮
তথাপিতো মুখে মধু　　সাঞ্চি থৈয়া আছে যত
স্বভাৱতে পৰম সুন্দৰ।
শ্ৰদ্ধা পূৰ্ব্বকেসে পান　　নকৰেকি তাক জানা
ৰসত কুশল যিটো জন।
সেহিমতে মাধৱৰ　　ভকতি অমৃতৰস
জানে যিটো মহিমা ইহাৰ।
পৰম শ্ৰদ্ধায়ে পান　　কৰিবেক মোৰ যত
দোষচয় কৰি পৰিহাৰ।।১১৯৯
মহা কান্তিমালা যুক্ত　　ভক্তি ৰত্নাৱলী গ্ৰন্থ
কৰিলোহোঁ অনেক যতনে।
বিচাৰিয়া পূৰ্ব্বাপৰ　　ইহাৰ গুণক জানি
তুমি সৱ তুষ্ট হৈবা মনে।।
ইহাৰ শ্ৰীধৰ স্বামী　　উক্তি লিখনত যত
ন্যূনাধিক ভৈল নিৰন্তৰ।
সিসৱ চঞ্চল দোষ　　মই লুভিয়াৰ ক্ষমা
কৰিবে উচিত মহন্তৰ।।১২০০
শ্ৰীমন্ত পুৰুষোত্তম　　চৰণ পঙ্কজ কৃপা
মকৰন্দ বিন্দু প্ৰসাদত।
বিষ্ণুপুৰী বিৰচিত　　শ্ৰীভক্তি ৰত্নাৱলী
এহিমানে ভৈল সমাপত।।

---

১১৯৭-১১৯৯। মূঃ শ্লোঃ—এষ স্যামহমল্পবুদ্ধিৰিভৰোহপ্যেকোহপি কোহপিব্ৰুবং মধ্যে ভক্তজনস্য মৎকৃতিৰিয়ং ন স্যাদৱজ্ঞাস্পদম্।
কিং ৱিদ্যাঃ সৰঘাঃ কিমুজ্জলকুলাঃ কি পৌৰুষাঃ কিং গুণাস্তৎ কিং সুন্দৰমাদৰেণ ৰসিকৈৰ্ন্নাপীয়তে তন্মধু।।
১২০০-১২০১। মূঃ শ্লোঃ—ইত্যেষা বহুযত্নতঃ খলু কৃতা শ্ৰীভক্তি ৰত্নাৱলী তৎপ্ৰীত্যৈৱ তথৈৱ সম্প্ৰকটিতা তৎকান্তিমালা ময়া।
অত্ৰ শ্ৰীধৰসত্তমোক্তিলিখনে ন্যূনাধিকং যত্ত্বভূৎ তৎক্ষন্তং সুধিয়োহৰ্হত স্বৰচনালুব্ধস্য মে চাপলম্।।

শুনিয়োক সভাসদ সাধু মহাজন সৱ
বোলো মই কৰি কৃতাঞ্জলি।
মহামূঢ়মতি হুয়া বিৰচিলো পদবন্ধে
মহাগ্রন্থ ভক্তি ৰত্নাৱলী।।১২০১
ইহাত দূষণ দেখি তুমি সৱ মহন্তৱ
নুহি নিন্দা কৰিবে উচিত।
গ্রন্থ অর্থ যেন গূঢ় মই যেন মতি মূঢ়
ইটো অতি সৱাতে বিদিত।।
গুৰুশিক্ষা অনুসৰি কৃষ্ণৱ চৰণ ধৰি
আপোনাৰ বুদ্ধি অনুসাৰে।
নিবন্ধিলো পদচয় আত যেন দোষ হয়
ক্ষমিবাক লাগয় সৱাৰে।।১২০২
কতো কথা স্পষ্ট হয় কতো কথা স্পষ্ট নয়
ইটো মোৰ বুদ্ধিৰেসে দোষ।
বোলোহো কাকুতি বাণী মোক মূর্খ হেন জানি
নকৰিবা আত অসন্তোষ।।
কহো স্বৰূপত হিত ইটো দিব্য কথামৃত
শুনা শ্রদ্ধাভাৱে প্রতিনিত।
ভাগৱত তত্ত্বসাৰ নাহি আত পৰে আৰ
ভকতৰ ইসি মহা বিত্ত।।১২০৩
বৈকুণ্ঠৰ শাস্ত্র ইটো চাৰিও বেদৰ সাৰ
কৃষ্ণৱ মুখৰ নিজ বাণী।
ভাগৱত সাৰ তুলি বিষ্ণুপুৰী মহামতি
কৰিলন্ত সংগ্রহ প্রমাণি।।
জানিয়া বিশ্বাস কৰা কৃষ্ণত ভকতি ধৰা
ত্যজি আন চাতুৰীসকল।
এহিকথা শ্ৰৱণত জানিবা সমস্তে তত্ত্ব
অনায়াসে মিলিব মঙ্গল।।১২০৪

**দুলড়ি**

নমো নমো কৃষ্ণ করুণা সাগৰ
দেৱৰো ঈশ্বৰ দেৱ।
কায় বাক্য মনে তোমাৰ চৰণে
কৰো লক্ষকোটি সেৱ।।
তুমি যেন মতি দিলা যদুপতি
হৃদয়ে থাকি আমাৰ।
কহিলো স্বৰূপে সেহি অনুৰূপে
ৰচিলো ইটো পয়াৰ।।১২০৫
মূৰুখৰ মোৰ বঢ়া টুটা আদি
আছে দোষ যত যত।
নিজ কৃপা গুণে সন্তোষে আপোনে
ক্ষমিয়ো তাক সমস্ত।।
মই দুৰাচাৰ নুহিকে তোমাৰ
ভকতিৰ একো পাত্র।
তোমাৰ চৰণে পশিয়া শৰণে
কেৱলে প্রণামো মাত্র।।১২০৬
হুয়োক সদয় কৃষ্ণ কৃপাময়
মই অধমক প্রতি।
যেন সৰ্ব্বক্ষণে কৰে মোৰ মনে
তোমাৰ চৰণে ৰতি।।
তযু বেদ বাণী শুনি আছোঁ যিটো
শৰণ লৱে তোমাত।
দুৰাচাৰো নষ্ট নুহি কিন্তু সিটো
কৃতাৰ্থ হোৱে সাক্ষাত।।১২০৭
জানিয়া পৰম দুৰাচাৰ মই
তোমাত লৈলো শৰণ।
কৈলো সত্য বাক নেৰিবা আমাক
তুমি প্ৰভু নাৰায়ণ।।
সন্তৰ সঙ্গত সৰ্ব্বভাৱে যেন
থাকো তযু সেৱা কৰি।
এহি অনুগ্রহ হোক মোক লোক
ডাকি বোলা হৰি হৰি।।১২০৮

অতিৰিক্ত শ্লোক ঃ (পুষ্পিকা)
ৱাৰাণস্যাং মহেশস্য সান্নিধ্যে হৰিমন্দিৰে। ভক্তি-ৰত্নাৱলী সিদ্ধা সহিতা কান্তিমালা।।
অর্থ ঃ বৰাণসীত পৰমেশ্বৰৰ সমীপত বিষ্ণু মন্দিৰত কান্তিমালা টীকা সহ এই ‘ভক্তি-ৰত্নাৱলী’ গ্রন্থ সমাপ্ত হয়।
মহাযজ্ঞ-শৰ-প্রাণ-শশাঙ্কগণিতে শকে। ফাল্গুনে শুক্লপক্ষস্য দ্বিতীয়ায়াং সুমঙ্গলে।।
অর্থ ঃ ১৫৫৫ শকৰ ফাগুন মাহৰ শুক্লপক্ষ দ্বিতীয়া তিথি মঙ্গলবাৰে এই গ্রন্থ সমাপ্ত হ’ল। ইতি

**ইতি ভক্তি-ৰত্নাৱলী সমাপ্ত**